# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১২/৩/২০২৫ বুধবাৰ

---

**(পূৰ্ব নিৰ্ধাৰিত সময়সূচীমতে সদনৰ কৰ্য্যসূচী ১২ মাৰ্চ ২০২৫ তাৰিখে পুৱা ০৯ঃ৩০ বজাৰ পৰা আৰম্ভ হয়)**

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ১৮১। শ্ৰী আব্দুল বাতিন খন্দকাৰ।

মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, মন্ত্ৰী, কৃষি ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, (অভয়াপুৰী উত্তৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো পালো। কিন্তু দুৰ্ভাগ্যৰ কথা যে বঙাইগাওঁ জিলাত এটাও cold storage নাই। আমি সোনকালে কিবা এটা কৰিব পাৰিলে ভাল হয়। মহোদয়, মোৰ সমষ্টিৰ জপেয়া, ৰাঙাপানী, নাম্বাৰপাৰা-চাকলা, গোলাপাৰা, বালাৰচৰ, কোকিলা আদি অঞ্চলত শাক-পাচলি যেনে জলকীয়া, আলু, বিলাহী আদিৰ খেতি যথেষ্টখিনি হয়। কিন্তু সেই উৎপাদিত বতৰত একেবাৰে দাম নোহোৱা হৈ যোৱাৰ কাৰণে কৃষকসকলৰ মাজত অসন্তুষ্টি গা কৰি উঠিছে। খেতি কৰিব নে নাই এনে এটা ভাৱ হৈছে। যিহেতু আমাৰ জিলাখনতে cold storage নাই, মোৰ সমষ্টিৰ যিকেইখন গাওঁ পঞ্চায়তত এনেকুৱা শাক-পাচলি উৎপাদন হয়, তাৰ কৃষক সকলে কিছু দিন, অন্ততঃ এক দিন জমা ৰাখিব পাৰিলে উচিত মূল্য পাবলৈ সমৰ্থ হ'ব। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক কৈছো যে যিহেতু cold storage ৰ ঠাইত আজিকালি cold roomৰ অলপ বেছি প্ৰচলন হৈছে, সেয়েহে cold roomটো সৌৰ শক্তি তথা বিদ্যুৎ দুয়োটা, মানে hybrid power ৰ জৰিয়তে আমাৰ সেই ঠাইবোৰত অগ্ৰাধিকাৰ ভিত্তিত স্থাপন কৰিব পৰা যাব নে নাই সেই বিষয়ে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, মন্ত্ৰী, কৃষি ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য আব্দুল বাতিন খন্দকাৰ ডাঙৰীয়াক তেখেতৰ প্ৰশ্নৰ বাবে ধন্যবাদ জনাইছো। হয়, তেখেতৰ সমষ্টিত যথেষ্ট সংখ্যক ভাল খেতিয়ক আছে। আমাৰ ৰাজ্যখনত ৫২ টা মান cold storage আছে কিন্তু private sector ত cold storage ৰ সংখ্যা বেছি। Govt. sectorত মাত্ৰ ১০ টা আছে। কাষৰীয়া জিলা বৰপেটাত আছে, কিন্তু বঙাইগাওঁ জিলাত নাই। আমাৰ উদ্যান শস্য আৰু খাদ্য সঞ্চালকালয়ৰ এখন আঁচনি আছে। সেইটো হৈছে HMNEH। উত্তৰ-পূব আৰু হিমালয়ৰ পাদ দেশৰ ৰাজ্যসমূহৰ বাবে এই আঁচনিখন কৰা হৈছে য'ত সৰ্বাধিক ৫ হাজাৰ মেট্ৰিক টন ক্ষমতা সম্পন্ন শীতল ভঁড়াল স্থাপনৰ ব্যৱস্থা আছে। ই ৫০% ৰাজ সাহায্যযুক্ত। এই বছৰো এই আঁচনিখন আমি ৰূপায়িত কৰিব পাৰিম। গতিকে কোনো বিশেষ ব্যক্তি বা cluster ভিত্তিতো কোনোবাই কৰিবলৈ আগবাঢ়ি আহে, তেতিয়াহ'লে আমি নিশ্চিতভাৱে সহায় কৰিব পাৰিম। আমাৰ ৰাজ্যত যিবিলাক ডাঙৰ cold storage আছে, সেইবিলাক বিদ্যুতৰ বাবে sustain কৰাটো এতিয়ালৈকে সম্ভৱ হৈ উঠা নাই। আমাৰ চৰকাৰৰ কেইটামান cold storage, দলগাওঁ, ছয়গাঁৱত আছে, সেইকেইটা আমি চলাব

পৰা নাই। তথাপি আমি চেষ্টা কৰিছো কি ধৰণে সেইখিনি ভালকৈ চলাই খেতিয়কক সকাহ দিব পাৰো। মই সন্মানীয় সদস্যগৰাকীক ধন্যবাদ জনাইছো আৰু তেখেতে যদি আগবাঢ়ি আহে তেন্তে এই ক্ষেত্ৰত মই নিশ্চয় সহায় কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, (উত্তৰ অভয়াপুৰী)ঃ** চাৰ, solar আৰু electricity দুয়োটাই যদি hybrid power কৰিব পৰা যায় তেন্তে success হ'ব কিজানি।

**শ্ৰী অতুল বৰা, মন্ত্ৰী, কৃষি ইত্যাদিঃ** হয়, সন্মানীয় সদস্যগৰাকীয়ে এটা ভাল পৰামৰ্শই দিছে। solar হ'লে আৰু সৰু সৰু cold room হ'লে সেইটো হয়তো ভালকৈ চলিব। তেনেধৰণৰ পৰিকল্পনাও চৰকাৰৰ আছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, (উত্তৰ অভয়াপুৰী)ঃ** মোৰ দ্বিতীয় প্ৰশ্নটো হ'ল- মোৰ সমষ্টিটো অভয়াপুৰী Agriculture Sub-division ৰ অধীনত পৰে। তাত ৩৭ টা গ্ৰাম সেৱকৰ পদ আছে। পদসমূহৰ নাম সময়ে সময়ে বেলেগ বেলেগ দিছে। তাৰ মাজত ৩৫ টা পদ খালী, মাত্ৰ দুজনহে আছে। VLW (Village level worker) বিলাকে কৃষক আৰু বিভাগৰ মাজত সংযোগ স্থাপনকাৰী আৰু আগৰণুৱা ব্যক্তি বা Cutting Edge বুলি ক'ব পাৰি। বিভাগটো কাৰ্য্যক্ষম কৰি তোলাৰ বাবে এই খালী পদসমূহত অতি সোনকালে নিযুক্তি দিয়াৰ প্ৰক্ৰিয়া চৰকাৰে হাতত ল'ব নেকি?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, মন্ত্ৰী, কৃষি ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়, তেখেতে ঠিকেই কৈছে। এতিয়া সেই post বিলাকক গ্ৰাম সেৱক বুলি কোৱা নাযায়। Agriculture Extension Assistant বুলি কোৱা যায় আৰু field ত তেওঁলোকেই বেছিকৈ কাম কৰিব লাগে বা তেখেতসকলৰে দায়িত্ব থাকে। এতিয়া কথা হ'ল অন্যান্য বিভাগৰ যিবিলাক পদ খালী আছিল সেইবোৰ পূৰণ কৰাৰ কাৰণে APSCৰ জৰিয়তে আমি ব্যৱস্থা লৈছিলো, সেইটো হ'ল। কিন্তু এটা litigation থকা বাবে আমি ইচ্ছা কৰিলেও সেই সময়ত পূৰণ কৰিব নোৱাৰিলো। কিন্তু এতিয়া চৰকাৰে মে' মাহত নতুনকৈ নিযুক্তি দিয়াৰ যি ব্যৱস্থা কৰিছে, তাতেই আমি সেইসকলক নিযুক্তি দিয়াৰ পৰিকল্পনা কৰিছো। মই ভাৱো যে সেইখিনি হৈ গ'লে আমাৰ man power ৰ অসুবিধা নহ'ব আৰু কৃষকসকলো উপকৃত হ'ব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে হ'ব। দিগন্ত বৰ্মন।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যি Cold Room ৰ কথা কৈছে, এইটো খুব ভাল concept । অসমৰ সকলো জিলাতে এইটো কৰিলে খুব ভাল হ'ব। আজি মোৰ Starred Question No. 199 আছিল, মাননীয় মন্ত্ৰী মহোদয়ৰ তাত চাগে তথ্য আছেই। মোৰ বৰক্ষেত্ৰী সমষ্টিৰ কাপলাবড়ীত এখন বৃহৎ পাইকাৰী বজাৰ আছে। ২০০৫ চনতে তাত এটা Cattel Set আৰু এটা ভঁড়াল ঘৰ বনাইছিল। এতিয়া ইয়াৰ অৱস্থা খুব জৰাজীৰ্ণ হৈছে। মাননীয় মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰ (গ) ত দিছিল যে অসম খাদ্য অসামৰিক যোগান নিগম পৰিসীমিতৰ অৰ্থ সাহাৰ্য্যত মেৰামতিকৰণৰ ব্যৱস্থা হাতত লোৱা হৈছে। গতিকে, মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে অতি শীঘ্ৰে এই মেৰামতিৰ কামখিনি কৰি দিলে ৰাইজ যথেষ্ট উপকৃত হ'ব।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, মন্ত্ৰী, কৃষি ইত্যাদিঃ**মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য দিগন্ত বৰ্মন ডাঙৰীয়াই এটা প্ৰশ্ন আনিছে, সেই সম্পৰ্কে আমি খবৰ লওঁতে গ'ম পালো যে কৃষি বিপনন পৰিষদে ২০০৪-০৫ বৰ্ষত কাপলাবড়ী বজাৰ প্ৰকল্প আৰু Cattle Set নিৰ্মাণ কৰিছিল যদিও বৰ্তমান ই কাৰ্য্যক্ষম অৱস্থাত নাই। কিন্তু যোৱা ইং ২০০৫ বৰ্ষত বিপনন পৰিষদে তাত এটা ৫০০ মেট্ৰিক টন সম্পন্ন ভঁড়াল ঘৰ নিৰ্মাণ কৰিছে।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)ঃ** সেইটোও চাৰ জৰাজীৰ্ণ অৱস্থাত আছে। তাৰ টিনপাতবোৰ গুছি গৈছে।

**শ্ৰী অতুল বৰা, মন্ত্ৰী, কৃষি ইত্যাদিঃ** ঠিক আছে আমি এইটো take up কৰাৰ বাবে চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষঃ** ড° আছিফ মহম্মদ নাজাৰ।

**ড° আছিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)ঃ** চাৰ, মোৰ লাহৰীঘাট সমষ্টিত ৩ লাখৰ ওপৰত ভোটাৰ আছে। তাৰ বেছিভাগ মানুহেই খেতিয়ক। তাত বিলাহী বা বিভিন্ন শাক-পাচলিৰ খেতি কৰা হয় কিন্তু খেতিৰ পৰা অনাৰ পিছত Cold storage নথকাৰ ফলত এদিনতেই গোটেই শাক-পাচলি পচি যায়। গতিকে ইমান জনবসতি থকা সমষ্টিত এটা Cold storage হ'ব নে? তাৰ ব্যৱস্থা কৰিব নে? যোৱা বিধান সভাৰ অধিবেশনতো মই একে প্ৰশ্নই উঠাইছিলো।

**মাননীয় অধ্যক্ষঃ** হ'ব। মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, মন্ত্ৰী, কৃষি ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মৰিগাওঁ জিলাৰ লাহৰীঘাট সমষ্টিৰ গৰিষ্ঠ সংখ্যক ৰাইজেই কৃষক আৰু এই কৃষক সকল পৰিশ্ৰমী। তাত ভাল খেতিও উৎপাদন হয়। কিন্তু কিছুমান এলেকা আছে য'ত অত্যাধিক উৎপাদনৰ বাবে অত্যাধিক মাত্ৰাত কীটনাশক ঔষধ ব্যৱহাৰ কৰে। আমি cold storage বা cold room যদিও বনাওঁ, item বোৰ perishable হোৱাৰ বাবে তাক দীৰ্ঘদিনৰ বাবে ৰখাটো সম্ভৱ হৈ নুঠিব। আমি ক'ভিডৰ সময়ত এই কথাখিনি প্ৰত্যক্ষ কৰিছিলো। কিছুমান ঠাইত উৎপাদন হোৱা বস্তু cold storage বা cold room ত ৰাখিলেও দীঘলীয়া সময়ৰ বাবে ৰাখিব পৰা নাযায়। মই আকৌ কওঁ যে Horticulture বিভাগৰ HMNEH বুলি যি আঁচনি আছে সেই আঁচনিত ৫০% ৰাজাসাহায্যৰ ব্যৱস্থা আছে। কোনোবা ব্যক্তি বা কোনোবা সংগঠন যদি আগবাঢ়ি আহে তেন্তে নিশ্চয় cold storage নিৰ্মাণ কৰা হ'ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৮২। শ্ৰী জাকিৰ হুছেইন লস্কৰ।

মাননীয় মন্ত্ৰী।

**শ্ৰী কৌশিক ৰায়, মন্ত্ৰী, বৰাক উপত্যকা উন্নয়ন ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** Supplementary.

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** চাৰ, স্বাধীনতাৰ ৭৭ বছৰ

...interruptions.....

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** চাৰ, প্ৰশ্নকৰ্তা নাই।

**মাননীয় অধ্যক্ষঃ** তেওঁ এটা Supplementary কৰিব।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বাধীনতাৰ ৭৭ বছৰ

পৰ অসম সৰকাৰ বৰাক ভেলি উন্নয়ন বিভাগ

......interruptions.....

**माननीय অধ্যক্ষঃ** তেওঁ এটা Supplementary আনিছে।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** Supplementary করছি

...interruptions.....

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** চাৰ, যিজন প্ৰশ্নকৰ্তা তেখেত নাই।

**माननीय অধ্যক্ষঃ** তেওঁ Supplementary কৰিব।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** আপুনি মোৰ পিছত ইমান কিয় লাগি থাকে? প্ৰত্যেক দিনাই লাগি থাকে ...interruptions.....

**माननीय অধ্যক্ষঃ** আপোনাৰ প্ৰশ্নটো কৰক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** তেওঁ নিয়মৰ কথা কৈছে.....interruptions.....

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** কালি তেওঁ নিয়ম ভংগ কৰিছিল।

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** চাৰ, প্ৰশ্নকৰ্তাই authorize কৰি গৈছিল। আজি প্ৰশ্নকৰ্তাজনেই নাই। সেইকাৰণে প্ৰশ্নটো বাগৰি যাব লাগে .....interruptions.....

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** এইটো এনেকৈ নহ'ব দাদা, আপোনাক সন্মান কৰো।

**माननीय অধ্যক্ষঃ** হ'ব কওঁক আপুনি।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** স্বাধীনতার ৭৭ বছর পর অসম সরকার বরাক ভেলি উন্নয়ন বিভাগ তৈরী করেছেন এবং এবার বাজেটে ১০৫ কোটি টাকা বরাদ্দ করা হয়েছে। আমি মাননীয় মুখ্যমন্ত্রীকে ধন্যবাদ জানাই অধ্যক্ষ মহোদয়। বিশেষ করে বরাক ভেলিতে ৪৫ থেকে ৫০ লাখ মানুষ বসবাস করে। My suggestion is to Hon'ble Minister আমাদের আত্ম-সামাজিক উন্নয়নের জন্য পঞ্চ বার্ষিকী পরিকল্পনা বানানো হোক। With the consultation with local M.L.A, M.Ps এবং জনসাধারণ কে নিয়ে যাতে আগামী দিনে বরাক ভেলির উন্নয়ন সাধিত হয়।

**শ্ৰী কৌশিক ৰায়, মন্ত্ৰীঃ** মাননীয় বিধায়ক ডাঙৰীয়াই suggestion হে দিছে, প্ৰশ্ন কৰা নাই। তথাপিও মই ক'ব বিচাৰো যে বৰাক উপত্যকাৰ ৰাইজৰ বাবে আমাৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ৭ ডিচেম্বৰ ২০২৪ চনত নতুন এটা বিভাগ বৰাক উপত্যকাৰ উন্নয়ন নামৰ এটা বিভাগ গঠন কৰিছে। এই বিভাগটোৰ গঠনৰ উদ্দেশ্য হ'ল যে আমি আগতে দেখা পাইছিলো যে ১০০০ কৌটি টকাৰ packege শুনা পাইছিলো কিন্তু বৰাকৰ ৰাইজে ১০০০ কৌটি টকা কেতিয়াও দেখা পোৱা নাই। আমি দেখা পাইছিলো যে বৰাক উপত্যকাৰ পৰা ফাইল আহিলে দিশপুৰলৈ আগৰ দিনত চৰকাৰৰ সময়ত সেইবিলাক আৰু implement নহয়, সেইকাৰণে between Barak Vally and Dispur, it is a breeze Barak Vally development department আৰু এই বিভাগৰ জৰিয়তে এই বাজেটতে ১০৫ কৌটি টকা প্ৰস্তাৱ কৰা হৈছে। মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ লগতে বিত্ত মন্ত্ৰী শ্ৰী মতী অজন্তা নেওঁগ ডাঙৰীয়াণীক মই বৰাকৰ ৰাইজৰ ফালৰ পৰা ধন্যবাদ জনাইছো আৰু লগতে বৰাক ভেলীত অসম চৰকাৰৰ যিমানবোৰ বিভাগে কাম কৰি আছে, project লৈছে, আঁচনি কৰি আছে এই গোটেই আঁচনি বিলাক যাতে খৰতকীয়াকৈ কৰিব পাৰো আৰু লগতে খৰতকীয়াকৈ যাতে ৰূপায়ণ

কৰিব পাৰো এই উদ্দেশ্য লৈ এই বিভাগটো গঠন কৰা হৈছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, এতিয়া প্ৰশ্ন নং ১৮৩, শ্ৰী চিৰাজউদ্দিন আজমল ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, আপুনি এটাহে supplementary কৰিব পাৰিব।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক চিৰাজউদ্দিন আজমল ডাঙৰীয়াই কৰা প্ৰশ্নৰ উত্তৰত আমি দেখিছো যে হোজাই জিলাত যোৱা কেইবছৰত চৰকাৰে যিখিনি কাম কৰিলে তাত কেইবা কিঃ মিঃ মথাউৰি বনোৱাৰ কথাটো কৈছে। কিন্তু সদ্যহতে আটাইতকৈ ডাঙৰ সমস্যাটো হ'ল হোজাই টাউনখন বৰ্তমান ভয়ানক ভাবুকিৰ সন্মুখীন হৈছে। গতিকে এই হোজাই টাউন খন বচাবলৈ যদি ইয়াত অতি সোনকালে গৰাখহনীয়া প্ৰতিৰোধৰ কাম হাতত লোৱা নহয় তেনেহ'লে কিন্তু হোজাই চহৰখন বচাব পৰা নাযাব আৰু তাৰ লগে লগে কেইবাখনো নদীত চেগা-চোৰোগাকৈ বিভিন্ন অঞ্চলত গৰাখহনীয়া চলি আছে, গতিকে চৰকাৰে যিখিনি কাম কৰিছে যোৱা ২০২২ চনৰ পৰা ২০২৫ চনলৈ ১৮ কিঃমিঃ । হোজাই চহৰখনক বচাবলৈ চৰকাৰে কি পদক্ষেপ ল'ব আৰু বাকী কামখিনি অতি সোনকালে কৰিব নেকি সেই বিষয়ে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা বেলেগ কথা ক'বলৈ বিচাৰিছো আজি মোৰ তিনিটা প্ৰশ্ন আহিব, জল সম্পদ বিভাগৰ। যি কেইগৰাকী বিধায়কে প্ৰশ্নকেইটা আনিছিল তাৰ দুগৰাকী এতিয়ালৈকে নাই। গতিকে শ্ৰী চিৰাজউদ্দিন আজমল ডাঙৰীয়াই প্ৰশ্ন আনিছিল, তেখেত নথকা কাৰণে সন্মানীয় সদস্য শ্ৰী আমিনুল ইছলাম(জ্যেষ্ঠ) ডাঙৰীয়াই প্ৰশ্ন কৰিছে। তেখেতে নাজানে কি প্ৰশ্ন কৰিছে। তাত হোজাই টাউনৰ কথা কোৱাই নাই। তাত কোৱা হৈছে ডবকা টাউনৰ কথা। আপুনি বাৰে বাৰে হোজাই কৈ আছে মই শুনি আছো। মই আপোনাক দোষ দিব বিচৰা নাই, মই দোষ দিব বিচাৰো প্ৰশ্ন আনোতা জনক। অধ্যক্ষ ডাঙৰীয়া মই প্ৰশ্ন আনোতা জনক কৈ আছো, গোটেই প্ৰশ্ন বিলাক লৈ আহে কিন্তু মানুহ বিলাক নাথাকে। শ্ৰী জাকিৰ হুছেইন লস্কৰ ডাঙৰীয়াই প্ৰশ্ন আনিলে তেখেত নাই, শ্ৰী চিৰাজউদ্দিন আজমল ডাঙৰীয়াই প্ৰশ্ন আনিলে তেখেত নাই আৰু তেনেকুৱা যদি হৈ থাকে তেতিয়াহ'লে অধ্যক্ষ মহোদয় এটা সিদ্ধান্ত ল'ব লাগে যে এনেকুৱা হ'লে সদনৰ গৰিমা লাঘৱ হয়। আমিও কষ্ট কৰি আহো, ৰাতিপুৱাৰ পৰা বিভাগৰ মানুহ মাতি আনি discuss কৰিছো, সাজু হৈ আহো, গতিকে এনেকৈ সাজু হৈ অহাৰ পিছতো যদি প্ৰশ্ন কৰোতা জনেই নাথাকে, আমাৰ এই preparation টো অথলে যায়। অধ্যক্ষ ডাঙৰীয়া আপুনি এনেকুৱা এটা ruling দিব লাগে যে যিয়ে প্ৰশ্ন আনিব, তেওঁ নাথাকিলে প্ৰশ্নটো with-draw কৰি দিব লাগে।

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** অধ্যক্ষ মহোদয়, যিটো প্ৰশ্নৰ কথা কোৱা হৈছে সেইটো হোজাই জিলাৰ কিন্তু তাত question sheet ত ডবকা টাউনৰ কথা উল্লেখ আছে। গতিকে supplementary দিয়াত অসুবিধা নাই।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নাই নাই মই এইটো কথা কোৱা নাই। supplementary কথাটো লৈ মই আপত্তি কৰা নাই। মই কৈছো যে questioner নাথাকিলে সেইটো withdraw কৰি দিব লাগে।

**ডাঃ ৰফিকুল ইছলাম, (জনীয়া)ঃ** মাননীয় সদস্য শ্ৰী চিৰাজউদ্দিন আজমল ডাঙৰীয়া under

treatment. যেতিয়া প্ৰশ্ন কৰিছিল ঠিকে আছিল। বিধানসভাত উপস্থিতো আছিল। যিহেতু authorized কৰিলে, বেলেগে reply ল'ব পাৰে এটা system আছে।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, authorized কৰিছে নেকি মইতো একো গম পোৱা নাই। কালি মই শ্ৰী ৰূপজ্যোতি কুৰ্মীৰ পৰা এটা whatsapp messege পাইছো যে তেওঁ উপস্থিত থাকিব নোৱাৰে কিয়নো তেওঁৰ প্ৰশ্ন আছিল আৰু সেই প্ৰশ্নটো তেখেতৰ হৈ শ্ৰী উৎপল বৰা ডাঙৰীয়াই কৰিব। কিন্তু শ্ৰী চিৰাজউদ্দিন আজমল ডাঙৰীয়াৰ পৰা মই একো পোৱা নাই।

**মাননীয় অধ্যক্ষঃ** দিছে দিছে।সন্মানীয় মন্ত্ৰী যিহেতু কথাটো উত্থাপন হ'ল এই বিষয়ে আমি এটা আলোচনা কৰি এটা সিদ্ধান্ত লৈছিলো যে questioner নাথাকিলেও তেওঁ replyটো admit কৰিব পাৰে। যিহেতু ইতিমধ্যে reply টো দিয়া হ'লেই। ইয়াৰ পিছত যদি ইয়াৰ ওপৰত কোনোবাই suplementaryকৰিব বিচাৰে relevant to that question, কৰিব পাৰে।

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী, (যোৰহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, authorized কৰি যদি আপোনালৈ কাগজ দিছে, you have the power আৰু যদি authorized নকৰাকৈ যদি নামটো আহে মই ভাবো এইটো ঠিক নহয়।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, authorized কৰিলে মন্ত্ৰী জনে গম পাব লাগে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। Next BAC ৰ বৈঠকত আলোচনা কৰি সিদ্ধান্ত ল'ম। মাননীয় সদস্য শ্ৰী চিৰাজউদ্দিন আজমল ডাঙৰীয়াৰ authorized letter খন মই পাইছো।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া মই উত্তৰটো কওঁ তেখেতে যিটো ডবকা টাউনৰ কথা কৈছে, ডবকা টাউনৰ যমুনা নদীৰ গৰাখহনীয়াৰ ফলত হ'বলগীয়া ক্ষয়-ক্ষতিৰ কথা কৈছে। অধ্যক্ষ ডাঙৰীয়া আমাৰ বিভাগৰ ইঞ্জিনিয়াৰ, ফিল্ড লেভেলৰ বিষয়া সকল গৈ তাত active erosion প্ৰত্যক্ষ কৰা নাই। যদিও আমাৰ বিভাগে প্ৰত্যক্ষ কৰা নাই, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নটো যিহেতু serious, সেইকাৰণে মই তেখেতক অনুৰোধ কৰিব বিচাৰিছো তেখেতে আমাৰ বিভাগৰ ইঞ্জিনিয়াৰ, ফিল্ড লেভেলৰ বিষয়া সকলক লগত লৈ সেই ঠাই খিনি visit কৰক আৰু যদি তেওঁলোকে joint visit কৰি কিবা পায়, আমাক জনাওঁক তেতিয়া নিশ্চয়কৈ তাৰ কামখিনি কৰা হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৮৪ , শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী অতুল বৰা, (কৃষিমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষঃ** supplementary.

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়, মই কৃষক আৰু কৃষি সম্পৰ্কত এটা প্ৰশ্ন উত্থাপন কৰিছিলো আৰু মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ প্ৰদান কৰিছে। উত্তৰখিনি মই ভালে পাইছো। কিন্তু তাৰ মাজতো দুটামান কথা আছে, মই মন্ত্ৰী মহোদয়ক জনাম। এটা কথাত মই খুব আনন্দিত হৈছো যে মোৰ সমষ্টিত বানপানী হৈ যোৱাৰ পিছত মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰলৈ এখন দৰ্খাস্ত লৈ আহিছিলো আৰু তেখেতক এটাই অনুৰোধ জনাইছিলো যে আপুনি এইবাৰ সোনকালে শস্যৰ বীজ বিলাক দিয়াৰ ব্যৱস্থা কৰিব লাগে, মোৰ সমষ্টি টোত যথেষ্ট পানী হৈছে আৰু সেইমতে তেওঁ মোক কথাও দিছিলে যে যিমান পাৰো মই সোনকালে বীজ অনাৰ চেষ্টা কৰিম লগতে তোমাৰ সমষ্টিত দিয়াৰ চেষ্টা কৰিম। ঠিক তেনেধৰণে মোৰ সমষ্টিত পাবৰ কাৰণে

সক্ষম হৈছিলো, তাৰ কাৰণে মন্ত্ৰী মহোদয়ক পলমকৈ হ'লেও ধন্যবাদ জনাইছো। মোৰ এটা প্ৰশ্ন আছিল যে ২০১৬ চনৰ পৰা বৰ্তমানলৈকে মোৰ সমষ্টিত বা ডিব্ৰুগড় জিলাত কিমানখন tractor আৰু power tiller দিয়া হ'ল? মন্ত্ৰী মহোদয়ে উত্তৰত জনাইছে যে প্ৰায় ৬৭৯ খন ট্ৰেক্টৰ আৰু ৩১২ খন পাৱাৰ টিলাৰ দিছে। এতিয়া মন্ত্ৰী মহোদয়ক এই মুহুৰ্ত্তত এটা কথাই ক'ব খুজিছো যে যিবিলাক ট্ৰেক্টৰ সমষ্টিবিলাকলৈ গৈছে বা গাওঁবিলাকলৈ গৈছে, তাৰে কিছু অংশ ট্ৰেক্টৰ কৃষি কৰ্মত নিয়োজিত হৈ থকা নাই। সেইখিনিক কেনেকৈ কৃষি কৰ্মত নিয়োজিত কৰিব পাৰি সেইটো নিশ্চিত কৰিব পাৰিলে ভাল হয়। নহ'লে ট্ৰেক্টৰেৰে হাল বোৱাৰ দামটো বহুত বেছি হৈছেগৈ। এইটো বৰ্তমান ৫০০ টকা পৰ্য্যন্ত হৈছেগৈ। গতিকে এইটো নিয়ন্ত্ৰন কৰিবলৈ হ'লে কৃষি কৰ্মত ট্ৰেক্টৰ বিলাক লাগিব, তেতিয়া কম দামত হাল বাব পাৰিব বুলি মই ভাবিছো। এই সম্পৰ্কত তেখেতে এটা নিৰ্দেশনা দিব লাগে আৰু ব্যৱস্থা ল'ব লাগে।

মোৰ দুই নম্বৰ কথা হ'ল যে শস্যৰ বীজ যিটো বিতৰণ কৰিলে, সেইটো ৰাইজে ভালেই পাইছে। কিন্তু মই এইবাৰ এটা ডাঙৰ কথা অনুভৱ কৰিলো যে বানপানী হোৱাৰ পাছত আধুনিক ধানৰ যিবোৰ বীজ আছে, এই বীজবোৰ দেৰিকৈ ৰুলে নহয়। গতিকে কৃষক বিলাকে পুৰণি আমাৰ যিবিলাক গাঁৱলীয়া সঁচ আছিলে, সেই বিলাক বিচাৰে। অহাবাৰ পুৰণি ধানৰো সঁচৰ ব্যৱস্থা কৰিব নেকি এইটো মই মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিছো।

মোৰ মনত আৰু এটা প্ৰশ্ন আহিছে যে আমাৰ কৃষি চক্ৰ বিলাক, এতিয়া যিহেতু আমাৰ সমষ্টি delimitation হ'ল, তাৰ পাছত যি কৃষি চক্ৰ বিলাকত যিবিলাক Agriculture circle আছে, সেইবিলাক দুটা তিনিটা সমষ্টিত বিতৰণ হৈ আছে। গতিকে ইয়াক এটা সমষ্টিৰ ভিতৰত confine কৰিব পাৰি নেকি সেইটো নিশ্চিত কৰিব লাগে। তেতিয়া আমি নিৰ্দিষ্ট মানুহখিনিৰ ভিতৰত বয়- বস্তু খিনি পাবলৈ সক্ষম হ'ব বুলি মই ভাবিছো। এইক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে কেনেধৰণে ব্যৱস্থা ল'ব জনালে আমি নিশ্চয় উপকৃত হ'ম।

কৃষকসকলক এইবাৰ যিখিনি আলুৰ সঁচ দিয়া হৈছিল, সেইখিনি বহুত ভাল আছিলে। কিন্তু অলপ পলমকৈ এখিনি আলুৰ সঁচ গ'ল, সেইখিনি কিন্তু যোৱা কিছুদিন আগত হোৱা প্ৰচণ্ড শিলাবৃষ্টিয়ে নষ্ট কৰিলে। বিশেষকৈ মোৰ বগীবিল এলেকাত সাংঘাতিকভাৱে এইবাৰ আলুখেতি নষ্ট কৰিছে। গতিকে সেই কৃষকবিলাকক কিবা ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব নেকি সেইখিনি মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য চক্ৰধৰ গগৈ ডাঙৰীয়া বানপানীৰ সময়তে মোৰ ওচৰলৈ আহিছিল আৰু তেখেতে সমষ্টিৰ কৃষক ৰাইজে সন্মুখীন হোৱা যিবিলাক সমস্যা, সেইবিলাক উল্লেখ কৰিছিল। তেখেতৰ সমষ্টিৰ গৰিষ্ঠ সংখ্যক ৰাইজে কৃষক আৰু প্ৰত্যেক বছৰে উৎসৱৰ দৰে বানপানীও হয়। বানপানীৰ সময়ত মই সেই সমষ্টিত কেইবাৰমান গৈছো। মই সমস্যাখিনি নিজেও দেখিছো। তেখেতে সন্তুষ্টি প্ৰকাশ কৰিছে যে আমি শস্যৰ বীজ সময়মতে দিছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক ৰাইজে কৃষক আৰু কৃষিক্ষেত্ৰত যুগান্তকাৰী পৰিৱৰ্তন আনিবলৈ অনবৰতে আমি চেষ্টা কৰিছো কাৰণ Climate Change টো আমাৰ কাৰণে বৰ্তমান সময়ত এটা ডাঙৰ প্ৰত্যাহ্বান। কৃষি বিশ্ববিদ্যালয়ে কেতবোৰ flood tolerant variety ৰঞ্জিত চাব-১, বাহাদুৰ চাব-১, এইবিলাক উদ্ভাৱন কৰি উলিয়াইছে আৰু এতিয়া

দেখা গৈছে যে ৰাজ্যখনত প্ৰত্যেক বছৰে বানপানীৰ দৰে খৰাং হোৱা আৰম্ভ হৈছে। সেইক্ষেত্ৰতো আমি কৃষি বিশ্ববিদ্যালয়ৰ সৈতে আলোচনা কৰিছো। আমি গগৈ ডাঙৰীয়াক এটা কথা জনাব বিচাৰিছো যে আমি আলুৰ যিবিলাক বীজ দিছে, সেইবিলাক তেখেতে ভাল বুলি কোৱাৰ কাৰণে মোৰ ভাল লাগিছে। সেইবিলাক খুব ভালকৈ লহ পহকৈ বাঢ়ি অহাৰ পাছতো নষ্ট হৈ গ'ল। গতিকে আমি তেখেতৰ, লগতে সমূহ সন্মানীয় বিধায়কক এটাই অনুৰোধ জনাওঁ যিহেতু প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা এটা আমাৰ mission mode ত চলি থকা এটা Scheme আৰু এই Scheme টোৰ সম্পৰ্কে আমাৰ ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক ৰাইজ সজাগ নহয়। গতিকে মই সন্মানীয় সদস্য সকলক মই অনুৰোধ জনাব বিচাৰিছো যে এই Scheme টোৰ লগত খেতিয়কসকল যাতে জড়িত হয়। তেতিয়াহ'লে মই ভাবো তেওঁলোকে নিশ্চয় উপকৃত হ'ব।

গগৈ ডাঙৰীয়াই এটা কথা কৈছে যে পুৰণি ধানৰ যিবিলাক বীজ, কথাটো হয়, আমাৰ তেনেকুৱা বীজ আছে যিবিলাক বহুতে ভাল বুলি কয়। এই গোটেই কথাবিলাক আমি কৃষি বিশ্ববিদ্যালয়ৰ লগত আলোচনা কৰিম যে ৰাজ্যখনত বৰ্তমান যি জলবায়ু, সেইমতে কি বীজ দিলে সুৰক্ষিত হয়, সময়ে সময়ে আমি সেইয়া আলোচনা কৰিছো। মই ভাবো আলোচনা কৰিলে নিশ্চয় কৃষক ৰাইজ উপকৃত হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰ অহা পাছত ২০১৬ চনৰ পৰা মিত্ৰজোঁটৰ ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বত মিত্ৰজোটৰ যুজৰ চৰকাৰখনে কৃষকৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ কৃষি যান্ত্ৰিকীকৰণ ওপৰত গুৰুত্ব হৈছিল। মুখ্য মন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা জৰিয়তে এই উত্তৰটো অধ্যক্ষ মহোদয় দিবলৈ লৈছো। ট্ৰেক্টৰ বিলাক বাহিৰলৈ লৈ যোৱা কথা কৈছে। এইটো যাতে কৰিব নোৱাৰে কাৰণ ১৭ হাজাৰতকৈ অধিক ট্ৰেক্টৰ ৰাজ সাহাৰ্য্যযুক্ত ট্ৰেক্টৰ, য'ত ৯৫ শতাংশ চাব-চিডি আছিল আৰু দিয়া হৈছিল এই কথাখিনি নহ'ব বাবে যাতে কোনেও ট্ৰেক্টৰ বিলাক বিক্ৰী কৰিব নোৱাৰে। আমি তেতিয়া পৰিবহন বিভাগৰ লগতো এই সম্পৰ্ক আলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰিছো। মই অনুৰোধ জনাম আমাৰ সন্মানীয় সদস্য সকলে যাতে এইক্ষেত্ৰত অকণমান ৰাইজৰ জৰিয়তে অলপ চকু ৰাখে। যি কামত এই ট্ৰেক্টৰ ব্যৱহাৰ কৰিবলৈ দিয়া হৈছে, এই কামতে যাতে ব্যৱহাৰ কৰে।

**ডাঃ ৰফিকুল ইছলাম, (জনিয়া) ঃ** আমি চকু কেনেকৈ ৰাখিব। এই কাৰণে বিক্ৰী হয়। কাৰণ কৃষক এইখিনি মাজত দালাল সুমুৱাই দি বিক্ৰী কৰে।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী )ঃ** দালালে আমাৰ বিভাগৰ কাম কৰিব নোৱাৰে। মাননীয় অধ্যক্ষ মহোদয়,আজি selection committee যিবিলাক আছে বা অন্য আঁচনিৰ কথা কৈছে,পাৱাৰ টিলাৰ বা যিবিলাক কৃষি যন্ত্ৰপাতি দিছো। তাত Deputy Commissioner and District Commissioner অধ্যক্ষ আৰু সন্মানীয় সদস্যসকল হৈছে তাৰ member. গতিকে সন্মানীয় সদস্যসকলে নিজে কৰক, নিজৰ ক্ষমতা নিজৰ, মই ভাবো যে চাইন কৰি এনেকুৱা নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। জাকিৰ হুছেইন সিকদাৰ, Supplementary কৰিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, BJP চৰকাৰে সদায় কৃষকৰ আয় দুগুণ কৰিম বুলি কৈ আছে। আজি মাননীয় মন্ত্ৰী ডাঙৰীয়া যি উত্তৰ দিছে ২০১৬ চনৰ পৰা বৰ্তমানলৈ এই বিভাগৰ জৰিয়তে ১৭,৩৫৬ খন ট্ৰেক্টৰ ৩,৩১৮ খন পাৱাৰ টিলাৰ দিছে। য'ত অসমত ২৬ হাজাৰলৈ ওপৰত ৰাজহুৱা গাঁও আছে। ২৬ হাজাৰলৈ ওপৰত ৰাজহুৱা গাঁও থকা এখন ৰাজ্য আৰু কৃষি প্ৰধান এখন ৰাজ্য, কৃষকৰ যথেষ্ট সংখ্যা ৰাজ্যত উৎপাদন বৃদ্ধি কথা

কয়। কিন্তু ৰাজ সাহাৰ্য্য থকা ট্ৰেক্টৰ মাত্ৰ ১৭,৩৫৬ খন দিছে। বিভাগৰ হাতত ধন নাই নে বিভাগৰ মন নাই। এই কথাটো মাননীয় মন্ত্ৰী ডাঙৰীয়া পৰা জানিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, বিভাগৰ মনো আছে, বিভাগৰ ধনওঁ আছে, বিভাগৰ ৰাজনৈতিক ইচ্ছা আছে। ছাৰ, ২০১৬ চনৰ আগত কৃষি বিভাগে কিমান ট্ৰেক্টৰ দিছিল, এই তথ্য যদি তেখেতে সদনত মজিয়াত দিয়ে তেতিয়া হ'লে ভাল পাম। দিব নোৱাৰে কাৰণ দিয়া নাছিল।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আপুনি বহক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)ঃ** কৃষি ক্ষেত্ৰখনলৈ যুগান্তকাৰী পৰিৱৰ্তন আনিব কাৰণ এইবাৰ বাজেটত মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছে যে ২০১৬ চনৰ আগত ধানৰ মূল্য আছিল ৬০০ টকা। যিহেতু আমাৰ ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক মানুহেই কৃষক আৰু কৃষি বুলি ক'লেই মানুহৰ মনত ধানখেতিৰ কথা আহে , কাৰণ বেছিভাগেই ধানখেতি কৰে। কিন্তু মানুহে ধান খেতি কৰিবলৈ এৰি দিছিলে। ১০ লাখ হেক্টৰ মাটি চন পৰি ৰৈছিল কাৰণ তেওঁলোকে উচিত মূল্য নাপায়। কিন্তু যেতিয়া MSP দিয়াৰ, Minimum সমৰ্থন মূল্য চৰকাৰে দিয়াৰ কথা ঘোষণা কৰিলে, তেতিয়া আজি বাহিৰতো মিলৰ মালিক বিলাকে সেই একেই দামত ক্ৰয় কৰিছে।

......interruption---

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** ছাৰ মই ট্ৰেক্টৰৰ কথা কৈছো।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, মই ট্ৰেক্টৰৰ কথাই ক'ম। আমাৰ ৰাজহ গাওঁ ২৬,০০০ কোটি । গতিকে আমি প্ৰতিখন ৰাজহ গাঁৱৰ একো একোটা আত্ম সহায়ক গোটক ট্ৰেক্টৰ দিয়াৰ সিদ্ধান্ত লৈছিলো। কিন্তু উজনি অসমত বহুত বাগান আছে, সেইবিলাকত কোনো গাওঁ নাই আৰু চৰ আছে য'ত মাটিৰ পট্টা নাই। কাৰণ তেওঁলোক ক'ৰ পৰা আহে, কি বা কৰে তাত আহি থাকেহে। সেইবিলাককতো ট্ৰেক্টৰ দিব নোৱাৰি। মানুহখিনি এনে কিন্তু পৰিশ্ৰমী। তেওঁলোকে খেতি-বাতি কৰে। যদিও অত্যাধিক মাত্ৰাত ৰাসায়নিক সাৰ এইবোৰ অঞ্চলত দিয়ে বা দৰবপাতি দিয়ে, কিন্তু তেওঁলোকে খেতি কৰে। যিয়েই নহওক, চৰকাৰে এতিয়া দিবলৈ সাজু আছে। এতিয়া VLFMB ৰ জৰিয়তে আমি দিছো, SMAM জৰিয়তে আমি দিছো। বেলেগ বেলেগ আঁচনিৰ জৰিয়তে আমি দিছো। ইয়াতকৈ অধিক ট্ৰেক্টৰ, অধিক পাৱাৰ টিলাৰ, মই ভাবো যে যিখিনি ইয়াত ৩০০০ ৰ কথা কৈছে।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** ইয়াত কৈ অধিক ট্ৰেক্টৰ, অধিক পাৱাৰটিলাৰ আমি দিছো ইয়াত যিখিনি তিনি হাজাৰৰ কথা কৈছে কিন্তু মই ভাবো যে পাৱাৰটিলাৰ ইয়াত সাত -আঠ হাজাৰতকৈ অলপ বেছি পৰিমাণৰ পাৱাৰটিলাৰ দিছো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ তেখেতৰ বিভাগৰ বেলেগ প্ৰশ্নৰ দিছে। আপোনাক বিপথে পৰিচালিত কৰিছে।

**শ্ৰী অতুল বৰা, মাননীয় মন্ত্ৰী ঃ** ঠিক আছে, মই এইটো অনুসন্ধান কৰিম।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে বেলেগ উত্তৰ দি আছে।

**শ্ৰী অতুল বৰা, মাননীয় মন্ত্ৰী ঃ** মই ঠিক উত্তৰেই দি আছো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মোৰ প্ৰশ্নটো হ'ল ট্ৰেক্টৰ প্ৰতিটো ৰাজহ গাৱঁত দিব নে নাই?

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিখন ৰাজহ গাৱঁত যদি আবেদন আহে,

আবেদনটো বিচৰাই হৈছিল। তেনেকুৱা ৰাজহ গাঁৱৰ যিবিলাক তথ্যপাতি, যিবিলাক ক্ৰাইটেৰিয়া আছিল সেই ক্ৰাইটেৰিয়াত পৰা নাই কাৰণে তেখেত সকলক দিয়া হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ স্পষ্ট হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** স্পষ্ট নহ'লেও এইটোৱে উত্তৰ।

**শ্ৰী আব্দুল ৰহিম আহমেদ, (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে অসমত পাৱাৰটিলাৰ, পাৱাৰ পাম্প বা অন্যান্য কিছু সঁজুলি দি আছে। কিন্তু পৰিতাপৰ বিষয় যে এইবিলাক সমষ্টি ভিত্তিত নিশ্চয় দিয়া নাই। কাৰণ পাৱাৰটিলাৰ আৰু পাৱাৰপাম্পৰ ক্ষেত্ৰত ওপৰত বিশেষকৈ আমি বৰপেটা জিলাৰ কথা ক'ব পাৰো, ইয়াত হিতাধিকাৰী বাচনিৰ ক্ষেত্ৰত আমি জনপ্ৰতিনিধি হিচাপে কোনোদিন D.O, A.D.O বা আমাৰ জিলা আয়ুক্ত ডাঙৰীয়াৰ নেতৃত্বত কোনোধৰণৰ মিটিঙত আমাক আমন্ত্ৰণ নকৰে বা আমাৰ পৰা কোনো স্কীম নলয়।

দ্বিতীয় কথাটো হ'ল যিখিনি খাদ্য শস্য বিতৰণ কৰা হয় আপোনালোকৰ এটা পথাৰ কমিটি বিভাগৰ পৰা কৰা আছে । মই প্ৰথম বছৰৰ পৰা লাগি আছো যে সমষ্টিত পথাৰ কমিটি সমূহৰ কোনো অস্তিত্ব নাই। গতিকে যিসকল সঁচা কৃষক, যিসকলে কষ্ট কৰে তেওঁলোকৰ হতুৱাই এই পথাৰ কমিটি সমূহ বনাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্নটো কৰক। আপোনালোকে প্ৰশ্নটো ভালকৈ নকৰে বাবে উত্তৰ দিবলৈ অসুবিধা হয়। দিব নে নিদিব প্ৰশ্ন এনেকুৱা হ'ব লাগে। প্ৰশ্নৰো ঠিক নাই সেইকাৰণে উত্তৰো ঠিক নহয়।

**শ্ৰী আব্দুল ৰহিম আহমেদ, (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই to the point য়েই কৈ আছো। মোৰ প্ৰশ্নটো হ'ল নতুনকৈ পথাৰ কমিটি গঠন কৰি খাদ্য শস্য সমূহ বিতৰণ কৰিব নেকি আৰু প্ৰত্যেকটো সমষ্টি ভিত্তিত পাৱাৰটিলাৰ, পাৱাৰপাম্প সম পৰিমাণে বিতৰণ কৰিব নেকি আৰু আমাৰ জনপ্ৰতিনিধি সকলক লগত লৈ যাতে হিতাধিকাৰী বাচনি কৰিব পৰা যায় নেকি এইবিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া সমষ্টি ভিত্তিত সম-পৰিমানৰ দিয়াতো অসুবিধা। কাৰণ এতিয়া গুৱাহাটী মহানগৰত চাদৰ ওপৰত খেতি কৰিলেহে হ'ব। কিছুমান সমষ্টি আছে বেছিভাগেই নগৰ এলেকাত পৰে, কিছুমান গ্ৰাম্য এলেকাত পৰে। কিন্তু মই আকৌ এইটো কৈছো যে জিলা ভিত্তিত এখন কমিটি আছে য'ত জিলা আয়ুক্ত চেয়াৰমেন আৰু মাননীয় বিধায়কসকল হৈছে মেম্বাৰ। গতিকে মই ভাবো যে এই কথাটো বিধায়কসকলে নজনা নহয়। গতিকে বিধায়ক সকলে জিলা আয়ুক্ত গৰাকীৰ লগত আলোচনা কৰিব আৰু আমিও জিলা আয়ুক্তক এই কথাখিনি ক'ম যাতে সন্মানীয় বিধায়কসকলক লৈ এই আঁচনিবিলাক সফল ভাৱে ৰূপায়ণ কৰে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, MSP ৰ মূল্য কিমান টকা হৈছে?

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১৮৫। মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী উৎপল বৰা, (গহপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সতীৰ্থ বিধায়ক শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াৰ হৈ মইয়ে প্ৰশ্নটো সুধিবলৈ ওলাইছো। যোৱাকালি মাননীয় মন্ত্ৰী মহোদয়ৰ বিভাগৰ

পৰা যিটো উত্তৰ আহিছে, যথেষ্ট ভাল উত্তৰ দিছে। বানপানীৰ সময়ত মাননীয় মন্ত্ৰী মহোদয় সেই স্থানলৈ এবাৰ গৈছিল আৰু তাৰ ৰাইজে যথেষ্ট ভাল পাইছিল আৰু তাৰপিছত যিটো উত্তৰ তেখেতে দিছে anti erosion measures তাত লোৱা হৈছে আৰু কেইবাটাও ষ্টেজত ইতিমধ্যে কাম কৰিছে। মই লগতে এটা প্ৰশ্ন সুধিব বিচাৰিছো পৰিপূৰক প্ৰশ্ন হিচাপে যে NESIDS ৰ অধীনত সন্মানীয় সদস্য গৰাকীয়ে কৈছে যে উত্তৰ নাই পোৱা বুলি কৈছে। ভৱিষ্যতে যাতে বাকী থকা কামখিনি কৰি এই জাঁজী নদীৰ যিখিনি সমস্যা আছে এই সমস্যাখিনি যাতে মাননীয় মন্ত্ৰী মহোদয়ৰ নেতৃত্বত যিহেতু জলসম্পদ বিভাগে অসমৰ প্ৰতিটো অঞ্চলত বানপানী, খহনীয়া প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। এই গ্ৰহণ কৰা ব্যৱস্থাৰ কাৰণে আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে তেখেতৰ চৰকাৰ আৰু আমাৰ বিভাগক ধন্যবাদ জনাই মই বাকী যিখিনি কথা পৰিপূৰক প্ৰশ্নত কৈছে যে NESIDS ৰ অধীনত লোৱা হোৱা নাই বুলি কৈছে যদি ল'ব পাৰে তেতিয়াহ'লে যথেষ্ট ভাল হ'ব আৰু স্থানীয় ৰাইজ সকল যথেষ্ট উপকৃত হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই নিজেও যোৱা বছৰ সেই অঞ্চললৈ গৈছিলো আৰু চাৰে পাঁচ কোটি টকাৰে ছয়টা স্থানত anti erosion measures লৈছিলো। এটা হৈছে বৰাগাওঁ ৯০ কিলোমিটাৰ, শেনচোৱা গাওঁ ৬০ কিলোমিটাৰ, গাৰণ গাওঁ ৭৫ কিলোমিটাৰ, ধেমাজি গাওঁ ১৩৫ কিলোমিটাৰ, হাতীমূৰীয়া ১৩০ কিলোমিটাৰ, টেটেলীগুৰি ৩০ কিলোমিটাৰ। এই ছয়টা স্থানত মাননীয় সদস্য গৰকীৰ সমষ্টিৰ জাঁজী নদীৰ left bank ত anti erosion measures লৈছিলো আৰু তাৰ কামো সম্পূৰ্ণ হ'ল। বৰ্তমান মোৰ তাত থকা তথ্য মতে তাত erosion বহুত বেছি নাই। কিন্তু মই স্বীকাৰ কৰিছো যে সেই মথাউৰিটো অতি সোনাকালে পাৰিলে পকীকৰণ কৰিব লাগে। এইটো যথেষ্ট দীঘলীয়া মথাউৰি আৰু এই মথাউৰিৰ কাষত যথেষ্ট সংখ্যক মানুহে বসবাস কৰে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, পকীকৰণৰ কামখিনি লোকনিৰ্মাণ বিভাগে কৰে। আমি কেৱল চিলেকশ্যন হে কৰো। সদনত. ক'বলৈ পাই সুখী হৈছো যে যোৱা চাৰি বছৰত আমি প্ৰায় এক হাজাৰ কিলোমিটাৰ মথাউৰি পকীকৰণ কৰিছো। গতিকে এই মথাউৰিটো যদি আমি পকীকৰণ কৰিব পাৰো তেতিয়াহ'লে মই ব্যক্তিগত ভাৱেই সুখী অনুভ— কৰিম আৰু লগতে এই মথাউৰিটোৰ পকীকৰণৰ কামখিনি সোনকালে কৰাৰ বাবে লোকনিৰ্মাণ বিভাগক অনুৰোধ কৰিম যে NESIDS আঁচনি বা অন্য কোনো চাইডৰ পৰা যাতে এই মথাউৰিটোৰ পকীকৰণৰ কামখিনি কৰে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১৮৬। মাননীয় সদস্য শ্ৰী মিছবাহুল ইছলাম লস্কৰ।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ, (বৰখলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি হৈছে বৰখলা আৰু যেতিয়াই কাছাৰত বানপানী হয় তেতিয়াই প্ৰথম মোৰ সমষ্টিত বানপানী হয়। এইক্ষেত্ৰত মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো যে তেখেতে কেইটামান গৰাখহনীয়া হৈ থকা অঞ্চলত মথাউৰি দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে যদিও এতিয়ালৈকে সেই মথাউৰি কেইটা বনোৱাৰ ক্ষেত্ৰত টেণ্ডাৰ কৰাব পৰা নাই। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, Haatirhaar, North Buribail, Ghargrapaar upstream এই তিনিটা অঞ্চলৰ যোগেদি মোৰ সমষ্টিত পানীবোৰ সোমায়। এই তিনিটা অঞ্চলত হৈ থকা গৰাখহনীয়াটো বন্ধ কৰাৰ কাৰণে অতি সোনকালে মথাউৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কাৰণ এই তিনিটা অঞ্চল আটাইতকৈ গুৰুত্বপূৰ্ণ অঞ্চল।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৰাবাৰৰ বানপানীত মই ইয়াৰ দুটা অঞ্চললৈ নিজে গৈছিলো। কিন্তু সেই সময়ত মই তাত মাননীয় সদস্য গৰাকীক দুৰ্ভাগ্যবশতঃ লগ পোৱা নাছিলো। তেখেতক যদি লগ পালো হয় তেতিয়াহ'লে হয়তো আৰু অলপ কাম কৰাৰ সুযোগ পালো হয়। মাননীয় অধ্যক্ষ মহোদয়, Haatirhaar,North Buribail, Ujangran, Jatingmukh and Nimatibari area, Ghargrapaar upstream এই কেইটা অঞ্চলৰ দ্বাৰা প্ৰভাৱিত অঞ্চল আৰু এইকেইটা অঞ্চলত আমি অস্থায়ী কাম কৰিছিলো। এই কামখিনিৰ কাৰণে আমি 15th Finance ৰ পৰা পুঁজি পোৱাৰ কাৰণে চেষ্টা কৰিও আছো। যদি অতি সোনকালে পুঁজি নাপাওঁ তেতিয়াহ'লে আমি খুব ভালকৈ temporary measure ত কামখিনি কৰিম। আজি ৰাতিপুৱা মই কাছাৰৰ ইঞ্জিনিয়াৰৰ লগত কথা পাতিছিলো। আমি যদি দহ হাজাৰ porcupine পাওঁ এইগোটেই কেইটা স্থানত আমি ভালকৈ কাম কৰিব পাৰিম। মই মাননীয় সদস্য গৰাকীক আশ্বস্ত কৰিব খোজো সেই কামখিনি কৰিবলৈ আমি যথেষ্ট চেষ্টা কৰিম। দহ হাজাৰ porcupine পঠাই কামখিনি কৰি মানুহক ৰক্ষা কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১৮৭। মাননীয় সদস্য শ্ৰী ৰেকিবুদ্দিন আহমেদ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছয়গাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন ঠাইত বেচৰকাৰী ভাৱে নিচা মুক্তি আৰু পুনৰবাহ কেন্দ্ৰ সমূহ বিভিন্ন ধৰণে গঢ়ি উঠিছে। সংবাদ মাধ্যমত বিভিন্ন সময়ত নিচা মুক্তি আৰু পুনৰবাহ কেন্দ্ৰ সমূহত কিছু অপ্ৰীতিকৰ ঘটনা প্ৰায়ে সংঘটিত হোৱাৰ খবৰ আমি প্ৰায় পাই থাকো। মাননীয় মন্ত্ৰী মহোদয়ক মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে দৃষ্টিগোচৰ কৰিছো যে কিছু আবাসিকে মাৰপিটৰ ঘটনাও সংঘটিত কৰাৰ ঘটনাও মাজে মাজে সন্মুখলৈ আহে। আমি মাজতে খবৰ পাইছিলো যে মন্ত্ৰী মহোদয়ে কিছু এনেকুৱা ঠাইত sudden visit ও কৰিছিল। তেওঁৰ এই sudden visit অনাগত সময়ত আৰু ক্ষিপ্ৰতৰ হ'বনে? Drugs ৰ বিৰুদ্ধে পুলিচ বিভাগে যোৱা সময়ত ভালে খিনি কাৰ্য্যসূচী হাতত লৈছে। কিন্তু অধ্যক্ষ মহোদয় দুখৰ বিষয় যে বৃহৎ বৃহৎ paddler সমূহে এতিয়াও দপদপাই আছে। মন্ত্ৰী মহোদয়ক মই প্ৰশ্ন কৰিব বিচাৰিছো, নিচামুক্তি আৰু পুনৰ সংস্থাপন কেন্দ্ৰ সমূহৰ বাবে যি SOP প্ৰকাশ পাইছে তাত কিবা সুৰুঙা থাকি গৈছে নেকি আৰু মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই ক্ষেত্ৰত বিভাগে কিদৰে ক্ষিপ্ৰতৰ ভাৱে আৰু কোনো ধৰণৰ ঘটনা সংঘটিত নহ'বলৈ আৰু এই ক্ষেত্ৰত বিভাগে কি কি অধিক কাৰ্য্যক্ষম কৰিছে বিস্তৃত ভাৱে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য গৰাকীক মই ধন্যবাদ জ্ঞাপন কৰিছো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰাৰ বাবে । আজিৰ পৰা আঢ়ৈ বছৰ মান আগতে সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ মন্ত্ৰী নিযুক্তি পাইছিলো আৰু তাৰ পিছত মই যিবোৰ নিচামুক্তি কেন্দ্ৰ আছে তাত যাবলৈ আৰম্ভ কৰিছিলো আৰু এতিয়াও মই মাজে মাজে গৈ আছো। যেতিয়া মই প্ৰথম গুৱাহাটী কমাৰ্চ কলেজৰ ওচৰৰ এটা centre লৈ গৈছিলো, গৈ মই ভয় খাই গৈছিলো আৰু আচৰিত হৈ গৈছিলো যে এনেকেও মানুহ থাকিব পাৰে নেকি । এটা খুব বেছি ২০০ sq ft. ৰ ৰুম আছিল আৰু তাত প্ৰায় ৩০ জন মান ল'ৰা এটা এটা হাফ পেণ্ট পিন্ধি আছিল আৰু গাত অন্য কাপোৰ নাছিল। তেওঁলোকে শুবলৈ তাত কোনো ধৰণৰ বিচনা নাছিল। গোটেই মানুহ খিনি floor ত বহি আছিল আৰু তুলি কেইখনমান মেৰিয়াই ঘূৰণীয়া কৰি থোৱা আছিল। পাক ঘৰটোত সোমাই দেখিলো আৰু বিভৎস ৰূপ। তাতে আৰু এটা ৰুম দেখিলো যিটো ৰুমত আহি addict

জন প্ৰথম থাকিব লাগে। তেওঁলোকক detoxin কৰা হয় যিটো আৰু ভয়াৱহ পৰিৱেশ। অধ্যক্ষ মহোদয় মই সেই centre টো বন্ধ কৰিবলৈ বাধ্য হৈছিলো আৰু গুৱাহাটীত অসমৰ যিখিনি বেচৰকাৰী নিচামুক্তি কেন্দ্ৰ আছে তেওঁলোকৰ সংগঠন আৰু মালিক সমূহক মাতি আনি কেইবাখনো মিটিং কৰিছিলো। পৰৱৰ্ত্তী সময়ত মিটিং কৰি আমি এখন SOP জাৰি কৰিছিলো আৰু SOP খন এনেকুৱা কৰিছিলো যে একেদিনাই বন্ধ কৰিব বিচৰা নাই, Central Government ৰ যি ১৪টা funded IRCA Centre (ভাৰত চৰকাৰে দিয়া তথা অসম চৰকাৰে চলোৱা) ৰ ৬ টা এনেকুৱা নিচামুক্তি কেন্দ্ৰ আছে। সেইখিনি আমাৰ কাৰণে যথেষ্ট নহয় বুলি স্বীকাৰ কৰিছো। গতিকে প্ৰাইভেট de-addiction centre আমাক লাগিব কাৰণে সেইখিনি আমি বন্ধ কৰিব বিচৰা নাছিলো তাত rectification বা improve কৰিব বিচাৰিছিলো। সমগ্ৰ অসমত যিমান association আছিল তেওঁলোকৰ প্ৰতি সঁহাৰি জনাই এখন SOP জাৰি কৰিলো যে ২০০ sq ft. ৰ ৰুম এটাত খুব বেছি ৫-৬ জন নিচাযুক্ত ব্যক্তি থাকিব পাৰিব, ডাক্তৰৰ ৰেগুলাৰ visit হ'ব লাগিব, খোৱা-বোৱা কেনেকুৱা হ'ব, তেওঁলোকক মজিয়াৰ পৰিৱৰ্তে বিচনাত শুৱাব লাগিব আৰু লেপ-তুলিৰ ব্যৱস্থা থাকিব লাগিব ইত্যাদি আৰু এই ক্ষেত্ৰত আজি সফল হৈছো। মই ১০০% ই সফল হৈছো বুলি ক'ব বিচৰা নাই, আকৌ কৈছো যে all centres are conducted by private parties. গতিকে আমি প্ৰাইভেট পাৰ্টীক একেবাৰে বন্ধ কৰিবলৈ ক'ব নোৱাৰো because we don't have enough de- addiction Government centres. গতিকে অধ্যক্ষ মহোদয়, main points of the SOP for establishment and functioning of de-addiction cum rehabilitation centers in Assam খন মই পঢ়ি দিছো এটা কথা মই লক্ষ্য কৰিছিলো যে এনেকুৱা ভাড়া ঘৰ এটা লৈ লয় য'ত de-addiction centre ৰ কোনো পৰিৱেশ নাই। তাতে এনেকুৱা কিছুমান ওখ, ডাঙৰ bouncer ৰখাই থয় যিয়ে তাত মাৰ-পিট কৰে , গতিকে এনেকুৱা ধৰণৰ পৰিৱেশ কিছুমান তাত আছিল। আমি এতিয়া তেনেকুৱা ধৰণৰ পৰিৱেশবোৰ লাহে লাহে নাইকীয়া কৰিছো ।

Main points of the SOP for establishment and functioning of De-addiction cum rehabilitation centres in Assam.

Infrastructure requirements

1. The centre should be suitably located and easily accessible by public transport.
2. Must have tie ups with nearest hospital or nursing home to handle emergency situations.
3. Male, female and transgender patients should be kept separately.
4. There should be one bathroom for 10 patients and one toilet for 5 patients.
5. Running water facility should be there.

6. Should have CCTV cameras, boundary wall and recreational facilities.

Facilities requirement

1. There should be a minimum of 50 sq.ft space per patient.
2. Bunk beds should not be allowed.
3. Each patient should be provided standardized bed, one mattress, bed linen, a pillow, blanket and one mosquito net.
4. Bed linen to be changed at least once a week.
5. All rooms should be well ventilated and lit. The doors and windows should have iron grills and mosquito nets.
6. Beds should be properly numbered.

Human Resource Requirement

1. Project Coordinator
2. Office Assistant cum Accountant
3. Cook
4. Helper
5. Chowkidar (2 Nos.)
6. House Keeping Staff (full time)
7. Doctor (on call)
8. Doctor (part time – twice a week mandatory visit)
9. Psychologist/Counselor/Social Worker (2 Nos.)
10. Nurse (2 Nos.)
11. Ward Boys (2 Nos.)
12. Yoga Therapist (Part time)
13. Dance/Music/Art teacher (part time)

14. Peer Educator

অধ্যক্ষ ডাঙৰীয়া তাত আৰু এটা গণ্ডগোল, মালিকজন যিটো ধৰ্মৰ হয় সেইটো ধৰ্ম তাত impose কৰি দিয়ে, কোন ধৰ্মৰ আৱাসী আছে, drug addict আছে তেওঁলোকৰ হিচাপ নাই । তেওঁলোকে counselling ৰ নামত সেই particular ধৰ্মটো জাপি দিবলৈ চেষ্টা কৰে। সেইটো আমি ban কৰিছো। আমি district level committee এখন বনাইছো-

1. An officer in the rank of Additional Disrict Commissioner to be nominated by the DC of the District - Chair Person হ'ব ।

2. An officer not below the rank of ASP/ an officer not below the rank of Joint Commissioner of Police in respect of Guwahati City - অধ্যক্ষ ডাঙৰীয়া Member হ'ব লাগিব।

3. Chairman, Child Walfare Committee (CWC) - Member হ'ব লাগিব।

4. One representative from office of the Joint Director of Health Services - Member হ'ব লাগিব।

5. District Social Walfare Officer of the concerned District - Member হ'ব লাগিব।

অধ্যক্ষ ডাঙৰীয়া আগতে এই কথাখিনি নাছিল, আমি মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ আহ্বান আৰু নিৰ্দেশত আজিৰ পৰা দুবছৰ আগত কৰিছো, আগতকৈ সমস্যা কমিছে আৰু কমাবলৈ যত্ন কৰিম বুলি সদস্য গৰাকীক মই আশ্বস্ত কৰিলো।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছয়গাওঁ) ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াৰ বক্তব্যত এই নিচামুক্তি কেন্দ্ৰ সমূহত কি চলি আছিল, কি ভাৱে চলিছিল , আমি এইবোৰ বহু আলোচনা সদনত কৰো। যাৰ ঘৰৰ এজন ল'ৰা ড্ৰাগচ্ আসক্ত হয়, সেই গোটেই পৰিয়ালটোৱে কিদৰে জীৱন- যাপন কৰে মানুহক দেখুৱাব নোৱাৰে , পইছা ধাৰলৈ লৈ treatment কৰিব লগীয়া হয় এনেকুৱা বহু ঘটনা আছে। মন্ত্ৰী মহোদয়ক এই SOP খনৰ বাবে ধন্যবাদ জনাইছো লগতে এই SOP খন যাতে কাৰ্য্যক্ষম হৈ থাকে মন্ত্ৰী মহোদয় আৰু বিষয়াসকলে যাতে তাৰ সম্পূৰ্ণ ভাৱে তদাৰক কৰে - এই বিষয়ে এক লাইন হ'লেও মই তেওঁৰপৰা জানিব বিচাৰিম। লগতে অধ্যক্ষ মহোদয় ৰাজ্যত মহিলা নিচামুক্তি কেন্দ্ৰ সমূহকো বিশেষ ভাৱে যাতে তদাৰক কৰে আৰু লগতে মন্ত্ৰী মহোদয়লৈ এটা অনুৰোধ আছে যে আমাৰ দক্ষিণ কামৰূপ, ছয়গাঁও, পলাশবাৰী, বকো, গৰৈমাৰী, সোণতলী আৰু চমৰীয়া এই বৃহত্তৰ অঞ্চলতো, মন্ত্ৰী মহোদয়ৰ হাতত নিশ্চয় তথ্য আছে, যথেষ্ট পৰিয়াল ইয়াৰ লগত জড়িত হৈছে আৰু বহুত বিপদত পৰিছে। এটা নিচামুক্তি কেন্দ্ৰ সম্পূৰ্ণ ভাৱে এই বৃহত্তৰ অঞ্চলত স্থাপন কৰিব লাগে। মহিলা নিচামুক্তি কেন্দ্ৰৰ কথা এই SOP সমূহত যিদৰে প্ৰকাশ কৰা হৈছে তাত যাতে আখৰে আখৰে পালন কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণ নজৰ ৰাখে আৰু দক্ষিণ কামৰূপত এনেকুৱা এটা অনুষ্ঠান দিবৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া এই SOP খন পুৰুষকেন্দ্ৰিক নহয়, এইখন পুৰুষ, মহিলা আৰু transgender মই ইতিমধ্যে কৈছো, সকলোতে প্ৰযোজ্য। অধ্যক্ষ ডাঙৰীয়া তেখেতে এটা নিচামুক্তি কেন্দ্ৰ দক্ষিণ কামৰূপত স্থাপন কৰাৰ কাৰণে কৈছে আমি কেন্দ্ৰীয়

চৰকাৰলৈকে চিঠি লিখিম, তেওঁলোকক আমি অনুৰোধ জনাম যাতে অতি সোনকালে দক্ষিণ কামৰূপত এটা নিচামুক্তি কেন্দ্ৰ স্থাপন কৰিব পাৰো। অধ্যক্ষ ডাঙৰীয়া এই SOP খন এতিয়া fully implemented, গতিকে আৰু আমি strongly implement কৰাৰ কাৰণে চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ,

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা সময়ত আমি হলিউড আৰু বলিউডৰ চিনেমাতে ড্ৰাগছ খোৱা দেখিছিলো, কিন্তু সেই ড্ৰাগছে অসমৰ প্ৰায় সংখ্যক নগৰ, চহৰ, গাওঁত প্ৰবেশ কৰিছে, আৰু বহু যুবক আক্ৰান্ত হৈছে ড্ৰাগছৰ জৰিয়তে। গতিকে এইটো অত্যন্ত গুৰুত্বপুৰ্ণ বিষয়। মাননীয় মন্ত্ৰী ডাঙৰীয়াই জনাইছে, যে চৰকাৰী ভাবে নিচামুক্তি কেন্দ্ৰ মাত্ৰ ৬ খন আছে। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়লৈ মোৰ প্ৰশ্ন হৈছে, চৰকাৰী ভাবে নিচামুক্তি কেন্দ্ৰ বঢ়োৱাৰ সিদ্ধান্ত বিভাগে ভাবিছেনে নাই? যদি ভাবিছে ভাল কথা, আৰু যদি ভৰা নাই চৰকাৰী ভাবে নিচামুক্তি কেন্দ্ৰ বঢ়াব লাগে আৰু এইটো কেতিয়া বঢ়াব মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া চৰকাৰে চলাই ৬ খন, আৰু চৰকাৰী ধনেৰে ১৪ খন চলে। অধ্যক্ষ ডাঙৰীয়া আমি আৰু ২ খন for woman district de addiction centre 4 খন আমি প্ৰপ'জ কৰি থৈছো কেন্দ্ৰীয় চৰকাৰক. তাৰে শিৱসাগৰত আছে, নগাওঁত আছে, এনেকৈ ৪ খন আমি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰপ'জ কৰিছো। যদি তেওঁলোকে অনুমোদন দিয়ে অতি সোনকালে আমি স্থাপন কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ, প্ৰশ্ন নং ১৮৮। শ্ৰী বিনোদ হাজৰিকা,

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া উত্তৰ সদনৰ মেজত আছে।

**শ্ৰী বিনোদ হাজৰিকা, (লাহোৱাল) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা যিখিনি তথ্য বিচাৰিছিলো, ইতিমধ্যে তেওঁ ১০০ শতাংশ সত্যৰ আধাৰত এই তথ্যখিনি দিছে। কিন্তু ইয়াত মোৰ কেইটামান কবলগীয়া কথা আছে। মই supplementary নকৰো মই ইয়াত এবাৰতে কম। মাননীয় মন্ত্ৰী মহোদয় আপোনাৰ বিভাগটোৰ প্ৰতি মানুহৰ আস্থা আৰু বিশ্বাস বাঢ়িছে। যিহেতু ২০১৬ চনৰ পৰা ২০২৫ চনলৈকে যিহেতু আপুনি দীৰ্ঘকালীন এজন কৃষি বিভাগৰ মন্ত্ৰী খুব সুন্দৰ ভাবে আপুনি আঁচনি বিলাক ৰূপায়ণ কৰি আছে, এনে ক্ষেত্ৰত আপোনাৰ প্ৰতি মানুহৰ আস্থা বাঢ়িছে। কাৰণ মই কৈছিলো যে পাৱাৰটিলাৰ কথা,পাৱাৰটিলা আপুনি ১৮৮ খন যোৱা ২০২১ চনৰ পৰা ২০২৪ চনলৈকে আপুনি ডিব্ৰুগড় জিলাত আপোনাৰ বিভাগৰ পৰা দিয়াৰ ব্যৱস্থা কৰিছে। কিন্তু মই ভাবো এতিয়াওঁ আমাৰ ডিব্ৰুগড় জিলাত প্ৰায় ১০০০ ৰো অধিক কৃষকে আবেদন কৰি ৰাখিছে, সেই কাৰণে আস্থা আৰু বিশ্বাস বঢ়াৰ কাৰণে মানুহে আবেদনো কৰিছে, দিব বুলি আশাও কৰিছে। সেই কাৰণে মই ভাবো যে আপুনি এই ক্ষেত্ৰত আপোনাৰ বিভাগৰ পৰা পাৱাৰটিলা অলপ বেছিকৈ যোগান ধৰাৰ কাৰণে আপোনাক আহ্বান জনাইছো। লগতে আমাৰ ডিব্ৰুগড় জিলাত বিযেশকৈ পিয়াঁজ, ঘেহু, তিল, মচুৰ মাহ আদিৰ বীজৰ যোগান ধৰি আহিছে। কিন্তু কৃষক নাই। কাৰণ আমাৰ এই টকা বিলাক অপচয় হয়, মই আপোনাক এই সদনৰ জৰিয়তে দৃষ্টিগোচৰ কৰিব বিচাৰিছো। যিহেতু আমাৰ বিশেষভাবে সৰিয়হ হওঁক, আলু খেতিয়েই হওঁক, ধান খেতিয়ে হওঁক এই খেতি বিলাক আমাৰ তাত যথেষ্ট খেতিয়কে খেতি বিলাক কৰে। কিন্তু খুব কম, হয়টো কাৰোবাৰ kitchen garden আছে, কোনোবাই পিয়াঁজ কেইজোপামান ৰুইছে, সেইটো বেলেগ কথা।

কিন্তু কৃষি কৰ্ম হিচাবে যি ধৰণে আমি টনে টনে কুইন্টলে, কুইন্টলে আমি যোগান ধৰো। কিন্তু সেই যোগান ধৰাৰ পিছত আমি দেখিবলৈ পাইছো যে ঘেহু বিলাক কঠীয়ালৈ ৰূপান্তৰ হৈছে। সেই কাৰণে আপোনাক আহ্বান জনাম ঠাই বিশেষে আপুনি এইখিনি যোগান ধৰিবৰ কাৰণে ডিব্ৰুগড় জিলাত মই অনুৰোধ জনাম। লগতে ধানৰ ক্ষেত্ৰত যদি আমি চাওঁ তাত আমাৰ হাইব্ৰীড ধানটো যথেষ্ট গুৰুত্ব বৃদ্ধি পাইছে। যোৱা সময়খিনিত আপুনি হাইব্ৰীড ধানৰ বীজ আপুনি আমাৰ ডিব্ৰুগড় জিলালৈকে দিছে। সেই হাইব্ৰীড ধানৰ যোগেদি আমাৰ খেতিয়ক সকল যথেষ্ট উপকৃত হৈছে। ধানৰ ক্ষেত্ৰত এতিয়া বিনা-১০, বিনা-১১ এই বিলাকৰ প্ৰডাকশ্যনটো একেবাৰে কম। যোৱা বছৰটো অলপ চলপ দিছিল কিন্তু তাত প্ৰডাকশ্যন একেবাৰে হোৱা নাই। সেই কাৰণে এই ধানখিনি আপুনি যাতে আমাৰ তালৈ নপঠায়। নোমলি, নোমলি এইটোৰ পটান হয়। এই বিলাক ধান নিদি আপুনি বানপানী অঞ্চলত, আমাৰ চক্ৰ গগৈ কোৱাৰ ধৰণে সেই বানপানী অঞ্চলত আমাৰ যিবিলাক পুৰণা ধান, বীজ বিলাক আছে, সেইখিনিৰ যোগান ধৰিব লাগে, আৰু আমাৰ যিবিলাক island আছে, সেইখিনিত অন্তত হাইব্ৰীডে যথেষ্ট ইয়াত গুৰুত্ব পাইছে, সেয়ে হাইব্ৰীড বীজ দিবৰ কাৰণে মই আহ্বান জনাইছো। লগতে আৰু ক্ষেত্ৰ বিষয়াৰ ক্ষেত্ৰত আমাক যদি আমাৰ ক্ষেত্ৰ বিষয়া বিলাক কম হৈ থকাৰ কাৰণে বিভাগে কয় যে কিছু আঁচনি ৰূপায়ন কৰাৰ ক্ষেত্ৰত পলম হয়। সেই কাৰণে এই ক্ষেত্ৰ বিষয়াখিনিক নিযুক্তি দিয়াৰ ক্ষেত্ৰত আপুনি গুৰুত্ব দিব বুলি মই ভাবো আৰু আমাৰ ৮০ শতাংশ ট্ৰেক্টৰ আমি পাইছো, এইটো সঁচা কথা। আমি ৮০ শতাংশ ট্ৰেক্টৰ ৰাজহ গাওঁত পাইছো, সেই কাৰণে মাননীয় মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য বিনোদ হাজৰিকা ডাঙৰীয়াক ধন্যবাদ জনাইছো, তেখেতে নিজেওঁ কৃষি কৰ্মত যথেষ্ট মনোযোগ দিয়ে এজন প্ৰতিনিধি হৈয়ো। মই তেখেতক ধন্যবাদ জনাইছো আৰু মই সদনৰ মজিয়াত এটা কথা জনাবলৈ পালে ভাল পাম যে এতিয়ালৈকে আমি কৃষি যন্ত্ৰপাতি অসমত অসমৰ কৃষক প্ৰায় ১ লাখ ৭০ হাজাৰ মান দিছো। তাত অকল পাৱাৰটিলাৰ বা ট্ৰেক্টৰেই নাই অন্যান্য কৃষি যন্ত্ৰপাতিও আছে। combine harvest ও আমি এটা সমষ্টিত দিছিলো। কিন্তু বহুত সমষ্টিত এতিয়ালৈ মই সন্মানীয় সদস্য সকলক সদনৰ মজিয়াতে আহ্বান জনাইছো, যে এখন combine harvest ও আমি দিছো য'ত বৃহৎ পৰিমানৰ ৰাজসাহাৰ্য্য আছে, এইখিনি লোৱাৰ ব্যৱস্থা কৰিব লাগে। combine harvest প্ৰতিটো সমষ্টিত ১২৬ খন দিয়া হৈছে। যদি কোনো সমষ্টিত পোৱা নাই এই বিষয়ে কি হৈছে মই খবৰ লম। এতিয়া কথা হৈছে যে পাৱাৰটিলাৰটো অত্যন্ত প্ৰয়োজন মই হয়তু সদনৰ মজিয়াত কিবা কাৰণত মোৰ মনত পৰা নাই প্ৰায় ৮ হাজাৰ খনতকৈও বেছি পাৱাৰটিলাৰ আমি যোৱা বছৰত দিছো। এতিয়া পাৱাৰটিলাৰৰ ডিমাণ্ড কিন্তু যথেষ্ট আছে, গতিকে আমি RKVY বা অন্যান্য কি আঁচনিৰ জৰিয়তে কৃষক অধিক পাৱাৰটিলাৰ ৰাজসাহাৰ্য্য যুক্ত পাৱাৰটিলাৰ দিব পাৰো, আমি এই নতুন বৰ্ষটোত চিন্তা কৰি সেই মতে ব্যৱস্থা ল'ম। তদ্ৰূপ ডিব্ৰুগড় জিলা বা তেখেতৰ সমষ্টিৰ ৰাইজৰ কৃষক সকল যাতে উপকৃত হ'ব পাৰে। সামগ্ৰিক ভাবে গোটেই অসমত লোৱাৰ কথা মই কৈছো। এতিয়া আৰু এটা কথা এতিয়া বিনা ১০, বিনা ১১ এইবিলাক আচলতে হাইব্ৰীডে আছিল। হাইব্ৰীড বিলাকত যথেষ্ট কৃষকে চকু দিব লাগে। কাৰণ কৃষিটো হৈছে এটা বিজ্ঞান, সময়মতে পানী, আৰু যত্ন ল'বলগীয়া কামখিনি হয়তু নোহোৱাৰ কাৰণে বা কিবা কাৰণত হৈ নুঠে । গতিকে তেখেতে পুৰণা বীজ দিয়াৰ কথা কৈছে যিবিলাক বীজ হয়টো সেই অঞ্চলত ভালদৰে হ'ব বুলি তেখেতে ভাবিছে।

গতিকে এই বিষয়টো আমি আলোচনা কৰিম আৰু আমি কৃষি বিভাগৰ পৰা Requirement বিলাক আগতে বিছাৰো যে কোন জিলাত কাৰণ সকলো জিলাত একে ধৰণৰ খেতি নহয় বা একে ধৰণৰ উৎপাদনো নহয় । জিলা ভিত্তিত যিহেতু গোটেই কথাবোৰ বেলেগ বেলেগ হয়। গতিকে Requirement টো আমি এইবাৰ আগতে লৈ , কৃষকে যাতে আগতে বীজবিলাক পাই তাৰ কাৰণে আমি যাৰতীয় ব্যৱস্থা গ্ৰহণ কৰিম। মাননীয় অধ্যক্ষ মহোদয় মই সদনৰ মজিয়াত জনাবলৈ পালে ভাল পাম যে এইবাৰ আমাৰ ৰাজ্যখনত ১৯ লাখ কৃষকে ১৯ টা কৃষ্টিত যথেষ্ট পৰিমানে কৃষকে ধন লাভ কৰি এই কৃষক সকল যথেষ্ট উপকৃত হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া আব্দুল ৰচিদ মণ্ডল।

**শ্ৰীআব্দুল ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা ) ঃ** মাননীয় অধ্যক্ষ মহোদয় চৰকাৰী খাচ মাটিত খেতিবাতি কৰা মানুহৰ বিষয়ে যিহেতু অৱগত, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে খাচ মাটিত খেতি বাতি কৰা খেতিয়কে পি এম কৃষাণৰ সুবিধা পাব নে নাই।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** কিছুমান আঁচনিত কিছুমান সুবিধা নাপায় কিন্তু বীজৰ ক্ষেত্ৰত মই ভাবো যে কোনো ধৰণৰ অসুবিধা নহয়, বীজ নিশ্চিত ভাবে পাব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নকালীন ঘন্টা শেষ হল। এতিয়া শূণ্যকালীন ঘন্টা।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এটা সভা স্থগিত প্ৰস্তাৱ আনিছিলো।

**মাননীয় অধ্যক্ষ ঃ** মই বুজি পাইছো কিন্তু এই বিষয়টো শূণ্যকালীন ঘন্টাত আছো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, একে বিষয় নহয়, এইটো অলপ বেলেগ।

**মাননীয় অধ্যক্ষ ঃ** নাই, একে বিষয়। বিষয়টো ৰকিবুল হুছেইন ডাঙৰীয়াৰ লগত জড়িত নেকি ?

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নহয়। বিষয়টো হৈছে ধৰ্ণা দি থকাৰ ওপৰত।

**মাননীয় অধ্যক্ষ ঃ** নহয়,নহয় সেইটো Zero Hour ত শ্ৰী দিগন্ত বৰ্মন ডাঙৰীয়াই আনিছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো বেলেগ বিষয়।

**মাননীয় অধ্যক্ষ ঃ** নহয়,নহয়, বিষয়টো একেই।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ঠিক আছে Zero Hour ত বৰ্মন ডাঙৰীয়াৰটো আলোচনা হব, কিন্তু এইটো আলোচনাৰ বাবে অনুমতি দিব লাগে। (হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** সভাস্থগিত প্ৰস্তাৱটো মই নাকচ কৰিছো। অনুগ্ৰহ কৰি আপোনালোকে বহক এতিয়া Zero Hour ৰ সময়।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো বেলেগ বিষয় যে যি সকল শিক্ষকে প্ৰতিবাদ কৰি আৰু তেওঁলোকে ৮ বছৰ ধৰি কাম কৰি আছে কিন্তু আমি কি পাপ কৰিলো এনেকুৱা ধৰণৰ প্ৰশ্ন উত্থাপিত কৰিছে মেধাবী শিক্ষক সকলে। গতিকে বৈধভাৱে নিযুক্তি পোৱাৰ পিছটো যদি এনেকৈ অসমীয়া শিক্ষক- শিক্ষয়ত্ৰী সকলক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয় তেতিয়া হলে এইটো কেনেকুৱা কথা।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, চৰকাৰে অভিযান্ত্ৰিক অনুষ্ঠানত কৰ্মৰত

শিক্ষক সকলক কৰা বৰ্খাস্ত কৰণটো উঠাই লব লাগে। এইটো ফেচিবাদ হৈছে। এইখন হিটলাৰী চৰকাৰ হব নোৱাৰে। তেওঁলোকক চাকৰি ঘুৰাই দিব লাগিব। (হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** Notice দিলেহে এই বিষয়বোৰ আলোচনাৰ যোগ্য হয় নে নহয় চাব পাৰি।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, তেওঁলোকক চাকৰি ঘুৰাই দিব লাগিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** এই বিষয়টো আলোচনা কৰিব দিব লাগে অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে আমাক Notice দিয়া নাই গতিকে আপোনালোকে বহক। (হুলস্থুল)। মই সভাস্থগিত প্ৰস্তাৱটো নাকচ কৰিছো। এতিয়া Zero Hour শ্ৰী দিগন্ত বৰ্মন। (হুলস্থুল)। শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)। ( বিৰোধী সদস্য সকলে অধ্যক্ষৰ সন্মুখত প্লেকাৰ্ড প্ৰদৰ্শন কৰে )। (হুলস্থুল)। Zero Hour ৰ Notice আছে যে শ্ৰী দিগন্ত বৰ্মণ ডাঙৰীয়াই উল্লেখ কৰাৰ দৰে "কাৰিকৰী শিক্ষাক লৈ চৰকাৰৰ স্ববিৰোধী কান্দ্ৰ, ১৪৭ গৰাকীক চাটাই কৰি অভিযান্ত্ৰিক মহাবিদ্যালয়ত ১২ সহকাৰী শিক্ষক নিযুক্তি"। এই বিষয়টো যদি আপোনালোকে সদনত উত্থাপন কৰিব নিবিচাৰে তেতিয়া মই কি কৰিম। (হুলস্থুল) Zero Hour শ্ৰী আমিনুল ইছলাম জ্যেষ্ঠ, শ্ৰী নুৰুল হুদা । (হুলস্থুল)। এতিয়া Rule- 54 শ্ৰী দূৰ্গা দাস বড়ো (হুলস্থুল)। আপোনালোকে কাণত Headphone লগাই লওঁক। শ্ৰী দূৰ্গা দাস বড়ো, আপুনি কাণত লওঁক আৰু সন্মানীয় মন্ত্ৰী শ্ৰী অতুল বৰা ডাঙৰীয়া আপুনিও কাণত Headphone লগাই লওঁক। (হুলস্থুল)।

**শ্ৰী দূৰ্গা দাস বড়ো, (কলাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত "মেঘালয়ৰ পৰা অসমলৈ বৈছে ভেজাল বিলাতী সুৰাৰ ধল " । এই শীৰ্ষক বাতৰিটো............

**মাননীয় অধ্যক্ষ ঃ** The House is Adjourned for 10 minutes.

**(বিৰতিৰ পিছত সদন পুনৰ মিলিত হয়) (অধ্যক্ষৰ আসনত মাননীয় উপাধ্যক্ষ)**

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ২, সন্মানীয় সদস্য শ্ৰী দূৰ্গা দাস বড়ো। (মনোযোগ আকৰ্ষণ)

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ১৪৭ জন পলিটেকনিকৰ শিক্ষকক যিধৰণে খেদি দিলে, সেইটো চৰকাৰে withdraw কৰিব লাগে চৰকাৰৰ লগতে শিক্ষা বিভাগৰ মন্ত্ৰীয়েও সেইটোৰ ওপৰত বিবৃতি দিব লাগে আৰু চৰকাৰে ক্ষমা খুজিব লাগে, চৰকাৰৰ হিটলাৰীৰাজ বন্ধ হ'ব লাগে। আমি সকলোৱে বিৰোধী দলৰ ফালৰ পৰা ক'ব খুজিছো যে ১৪৭ জন পলিটেকনিক শিক্ষকক যিধৰণে খেদিছে, এইটো হিটলাৰীৰাজ, এইটো বন্ধ হ'ব লাগে, তেওঁলোকক চাকৰি ঘূৰাই দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক, এইটো বিচাৰ কৰা হ'ব।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰৰ এই সিদ্ধান্তটো মই মানি নলওঁ। ১৪৭ জন লৰাৰ চাকৰিক লৈ শিক্ষামন্ত্ৰীয়ে খেলা খেলিছে। আজি সদনত এইটো কথাত আমি নিন্দা কৰিছো।

লগতে বিৰোধী দলৰ ফালৰ পৰা ওফৰি অহা উক্তি যে চৰকাৰী সিদ্ধান্তটো প্ৰত্যাহাৰ কৰক।

**মাননীয় উপাধ্যক্ষ ঃ** সন্মানীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী।

আপোনালোকে বহক, চৰকাৰৰ ফালৰ পৰা বিবৃতি দিবলৈ বিচাৰি আছে,

আপোনালোকে হুলস্থুল কৰি আছে, আপোনালোকে বহক।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ zeor hour টো যিহেতু গুছি গৈছে, অন্য একো নাই, এই যিখিনি শিক্ষক আছিল ............ (হুলস্থুল)

**মাননীয় উপাধ্যক্ষ** ঃ সন্মানীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিব আপোনালোকে শুনক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যিটো সভা স্থগিত প্ৰস্তাৱ আনিছে, এই সভা স্থগিত প্ৰস্তাৱটোৰ লগত একেধৰণৰ এটা zero hour ৰ বিষয় মাননীয় সদস্য শ্ৰী দিগন্ত বৰ্মন ডাঙৰীয়াই আনিছিল যে "কাৰিকৰী শিক্ষাক লৈ চৰকাৰ স্ববিৰোধী কাণ্ড" ১৪৭ গৰাকীক চটাই কৰি অভিযান্ত্ৰিক কলেজত ১২ জন সহকাৰী অধ্যাপক নিযুক্ত। মাননীয় অধ্যক্ষ মহোদয়ে এইটো মাননীয় সদস্য শ্ৰী দিগন্ত বৰ্মন ডাঙৰীয়াক ১ নম্বৰতে এই সুবিধাটো দিছিল।

মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা কথা কওঁ যে সঁচাকৈ যদি এই শিক্ষক সকল চাকৰিত থাকিব লাগে আৰু চাকৰিত থকাটো আমি বিচাৰিছো। তেতিয়া যিটো zero hour ৰ বিষয় আছিল, এই বিষয়টোত গোটেইখিনি কথা সকলো সদস্যই অংশগ্ৰহণ কৰি বক্তব্য খিনি ৰাখিলেহেঁতেন আৰু তাৰ পিছত শিক্ষামন্ত্ৰী ডাঙৰীয়াই তাৰে উত্তৰ .....................(হুলস্থুল)

**মাননীয় উপাধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দি আছে। আপোনালোকে শুনি লওঁক, শুনি ভাল নালাগিলে কিবা এটা কওঁক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যিহেতু বিষয়টোৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়ে zero hour ৰ বিষয়টো ১ নম্বৰতে আলোচনা কৰিবলৈ দিছিল। আমাৰ সকলো মাননীয় সদস্য, সকলো দলে যদিও সন্মানীয় সদস্য শ্ৰী দিগন্ত বৰ্মন ডাঙৰীয়াৰ প্ৰশ্ন হ'লেও, বিষয়টো যিহেতু জড়িত, তাত প্ৰত্যেক দলে কথাটো কওঁক, তাত আমাৰ চৰকাৰৰ কোনো আপত্তি নাই আৰু তাৰ উত্তৰো আমাৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াই দিব। কিন্তু আপোনালোকে সেইটো নকৰি এটা সভা স্থগিত প্ৰস্তাৱ আনিলে। সভা স্থগিত প্ৰস্তাৱ অনাৰ ফলত উত্তৰটো শিক্ষা মন্ত্ৰীৰ পৰা নাপালে।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, zero hour ত আলোচনাৰ কোনো scope নাই, সেই গতিকে আমি আলোচনাটো বিচাৰিছো। zero hour ত আলোচনা কৰাটো ruling নহয়, অধ্যক্ষ মহোদয়ে নেদিয়ে।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীয়ে ওলট পালট কথা কৈ আছে, উত্তৰটো দিয়ক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ওলট পালট এই বিলাক শব্দ কিয় ব্যৱহাৰ কৰে, মই বুজি নাপাও।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী** ঃ সন্মানীয় সদস্য অখিল গগৈক লৈ আপুনি এইবিলাক কথা কয়, তেখেতৰ যি মন তাকে ক'ব। তেখেতৰ কথা হ'ল কি এওলোকে চাকৰি পায় নে নাপায়, তেখেত concerned নহয়। বাতৰি কাকতত অহা কালি তেখেতৰ নামটো ওলাৰ নে নাই, যে এই বিলাকৰ কাৰণে মই মাতিছো। গতিকে তেখেতে এইবিলাক কৰিবই। গতিকে অখিল গগৈৰ কথাত কিয় গুৰুত্ব দিয়ে। অখিল গগৈৰ কথাত গুৰুত্ব দি সময় নষ্ট নকৰিব। তেখেত এজনে মানুহ তেখেত কোন পাৰ্টিৰ লগত থাকে -

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মোক কথা কবলৈ দিছে মাননীয় উপাধ্যক্ষ মহোদয়, ১৪৭ জন পলিটেকনিক শিক্ষকৰ চাকৰি কেইটা ঘূৰাই দিব লাগে, বেলেগ কথা নালাগে আমাক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ অখিল গগৈৰ কথালৈ আপুনি চিন্তা নকৰিবো, এই কাৰণে, অখিল গগৈ কেতিয়াবা কংগ্ৰেছৰ লগতো যায়,কেতিয়াবা AIUDF ৰ লগতো যায় আৰু কেতিয়াব মনোৰঞ্জন ডাঙৰীয়াৰ লগতো যায়, তেখেতৰ কোনো দল নাই, তেখেত এজনে সদস্য। গতিকে তেখেতৰ কথালৈ আমি concerned নহয়।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই উত্তৰটো দিব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ আপুনি বাৰে বাৰে disturb দি থকাৰ কাৰণে, মন্ত্ৰী ডাঙৰীয়াই উত্তৰটো দিব পৰা নাই।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** মাননীয় উপাধ্যক্ষ মহোদয়, উত্তৰটো নিদিয়াৰ কাৰণেহে disturb টো দি থকা হৈছে।

**মাননীয় উপাধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়াক উত্তৰটো দিব দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, কথাটো হ'ল যে উত্তৰটো দিয়াত চৰকাৰৰ কোনো আপত্তি নাছিল, চৰকাৰ প্ৰস্তুত আছিল। শিক্ষামন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়াৰ কাৰণে প্ৰস্তুত হৈ আহিছে। কিন্তু তাৰ পিছতো বিষয়টো উত্থাপন নকৰি, বিষয়টো এটা অন্য ফালে লৈ যোৱা হ'ল।

মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি যিটো বিষয় সন্মানীয় সদস্য দিগন্ত বৰ্মনক ক'লে, তেওঁ respond নকৰিলে, সন্মানীয় সদস্য নুৰুল হুডা ডাঙৰীয়াই respond নকৰিলে, আমিনুল ইছলাম ডাঙৰীয়া, তেখেতে ক'ব হয়তো বিচাৰিছিল, কিন্তু যেতিয়া সকলোবোৰ ইফাল সিফাল হ'ল, তেখেতেও সেই ফালে গুছি গ'ল। গতিকে প্ৰশ্নটো পুনৰ উত্থাপন নকৰিলে। এতিয়া উপাধ্যক্ষ মহোদয়, সদনৰ এনেকুৱা Rule আছে নেকি যে যিহেতু মাননীয় অধ্যক্ষ মহোদয়ে শূণ্যকালীন ঘন্টাৰ পিছত Rule 54 ৰ অধীনত সন্মানীয় সদস্য শ্ৰী দূৰ্গা দাস বড়ো ডাঙৰীয়াক কবলৈ দিলে, সেইটো back কৰাৰ কিবা প্ৰক্ৰিয়া আছে নেকি?

**মাননীয় উপাধ্যক্ষ** ঃ তেনেকুৱা কোনো নিয়ম নাই।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যদি back কৰিব পাৰে, যিখন কিতাপ আছে Speaker direction ............. (intervene)

**বিৰোধী দলৰ ফালৰ পৰা ওফৰি অহা মন্তব্য** - আপুনি নিজেই এইটো শূণ্যকালীন ঘন্টাত আলোচনা কৰাৰ কথাটো কৈছিল। শূণ্যকালীন ঘন্টাত এনেকুৱা কোনো provision য়ে নাই, সকলো সদস্যই আলোচনাত ভাগ ল'ব নোৱাৰে। বিষয়টো উত্থাপন কৰাৰ সুযোগ দিব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আকৌ কওঁ যে দিগন্ত বৰ্মন ডাঙৰীয়াই প্ৰশ্নটো উত্থাপন কৰিলে, সকলো দলৰ সদস্যই কথা কোৱাত চৰকাৰৰ কোনো আপত্তি নাই, আপোনালোকে ধুনিয়াকৈ সকলো দলে কওঁক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ১৪৭ জন পলিটেকনিক শিক্ষকৰ চাকৰিটো ঘূৰাই দিয়ক, আমি কথা কবলৈ বিচৰা নাই।

... (সদনত হুলস্থুল)..

**মাননীয় উপাধ্যক্ষ** ঃ সদন তেনেকৈ নচলে, সদনৰ কিছুমান নিয়ম আছে, সেই মতেহে উত্তৰটো আহিব। আপুনি বিচৰা ধৰণে ক'লে নহ'ব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, গতিকে মই এইটো কথাই বুজিলো যে আচলতে কাৰিকৰী শিক্ষাক লৈ যিটো সভা স্থগিত প্ৰস্তাৱ আনিলে, তেওঁলোকক এটা সুযোগ প্ৰথমতে দিছিল, কিন্তু তেওঁলোকে সেই সুযোগটো নল'লে। যদি নলয়, সদন আকৌ সেই zero hour লৈ back কৰি যাব পাৰিব নেকি ? আৰু এইটো সভা স্থাগিত প্ৰস্তাৱ এনেও নহয়, কাৰণ "Practice and Procedure of Parliament by Kaul and Shakdher" তাতো স্পষ্টভাৱে লিখা আছে আৰু আপোনালোকে Rule 56 ত যিটো আনিলে, সেইটো এই Kaul and Shakdher ৰ কিতাপখনত স্পষ্টকৈ কোৱা আছে যে (intervene)..

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বেলেগ এখন মহাভাৰত তেখেত গাই আছে। আমাক লাগে অসমৰ ১৪৭ জন শিক্ষকৰ চাকৰি ঘূৰাই দিব নে নাই।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এখন "Practice and Procedure of Parliament by Kaul and Shakdher" তাত ৫৬৭ নং পৃষ্ঠাতো বিৰোধী দলৰ দলপতি ডাঙৰীয়াক চাবলৈ অনুৰোধ কৰিছো। তাত আছে যে "A matter even of very recent occurence is not 'urgent' if an opportunity for its discussion will arise in the ordinary course of business within a reasonably short term, গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, ordinary business ত আলোচনা কৰাৰ কাৰণে এইটো আছে।

দ্বিতীয় কথা হৈছে যে "A matter which can be raised under the procedural divise Calling Attention Motion, Question, Short Notice Question, Half an Hour discussion, Short discussion etc. can not be raised through and adjournment motion"। এইবিলাক কথা স্পষ্টভাৱে এইখন কিতাপ লিখা আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, this is not fit case for adjournment motion, গতিকে আমাৰ যিটো Rule 56 ত তেখেতে সকলে প্ৰস্তাৱ আনিছে, আমাৰ Rule টো এই কথাটোৱে লিখা আছে। Rule of Procedure and Conduct of Business in Assam Legislative Assembly, ইয়াত এই কথাটো স্পষ্টভাৱে লিখা আছে। গতিকে এইটো বিষয় adjournment ৰ বিষয় নহয়।

মাননীয় বিৰোধী দলৰ দলপতিয়েও যিহেতুকে ১ নম্বৰত তেখেতসকলৰ প্ৰশ্নটো সন্মানীয় সদস্য দিগন্ত বৰ্মন ডাঙৰীয়াই আনিছে, সেই বিষয়টোৰ ওপৰত it you are really serious for those teachers, তেতিয়া হলে এইটোত আমি বহল ভাৱে আলোচনা কৰিব লাগিছিল।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ আপোনালোক serious হয় নে নহয়, তেওঁলোকৰ চাকৰিটো ঘুৰাই দিয়াৰ ক্ষেত্ৰত।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দললপতি)** ঃ ছাৰ, গোটেই কথা খিনি হ'ল এনেকুৱা ধৰণৰ প্ৰসংগ নাহিলে হ'ল, যেনেকৈ এতিয়া Kaul and Shakdhar বা আমাৰ যিখন Rules of Procedure and Conduct of Business in Assam Assembly Fourteenth Editionৰ কথাখিনি আহিছে। এই কথাখিনি নাহিলে হয় যদিহে ছাৰ, যি বিলাক চৰকাৰী নিযুক্তিৰ ক্ষেত্ৰত নিয়ম থাকে, চৰ্ত থাকে সেই গোটেইখিনি দুয়োটা পক্ষই পালন কৰি থাকিলে

হয়। ছাৰ, এই যি সকলৰ কথাৰ কাৰণে আজি উল্লেখ কৰিলে তেওঁলোকক ৮২ শতাংশ cut off markৰ পিছত এপ্লাই কৰিবলৈ দিয়া হ'ল, এখন কমিটীয়ে চিলেক্ট কৰিলে আৰু তেওঁলোকে যাতে অন্য ঠাইলৈ গুচি যাব নোৱাৰে তেওঁলোকৰ original certificate বিলাক চৰকাৰী ডাক্তৰৰ ৰাখি থলে, যেনেকৈ ছাৰ ডুবাই আদিত কোনোবা মানুহ গলে পাছপোর্ট খন ৰাখি থয় তেনেকৈ বন্ধলুপ্তি অসমত ভাৰতত আন্দোলন হৈছিল যি বিলাক লেবাৰ মুকলি কৰি দিছে এই শিক্ষিত যুৱক সকলক চৰকাৰে ছাৰ বন্ধোৱা লেবাৰৰ নিচিনাকৈ ৰাখি থৈছিলে তেওঁলোকৰ বয়স পাৰ হৈ গ'ল তেওঁলোকক ছাৰ, ৬/৭ মাহ দৰমহা নিদিয়ে এনেকুৱা ছাৰ, কোন বিধানত, কোন সংবিধানত কোন দফাত লিখা আছে, সেই গতিকে কথা আমি একোৱে নকওঁ ছাৰ, গতিকে সকলো নিয়ম মতে চলে, নিয়ম মতে চলা নাই কাৰণে এই কথাখিনি আনিছিল।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য সকল, যিহেতু Zero Hour ৰ পিছত পৰৱৰ্তী কাৰ্য্যসূচী নং ৫৪ ত গলো, এতিয়া Zero Hour ৰ আলোচনাৰ কোনো স্কোপ নাই। আপোনালোকে এটা বেলেগ ডিভাইচত আকৌ আনক ইচ্ছুটো, আমি ইয়াত আলোচনা কৰিবলৈ সময় দিম। মন্ত্ৰী ডাঙৰীয়া আপোনাৰ কিবা আছে যদি এক মিনিটত শেষ কৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** উপাধ্যক্ষ ডাঙৰীয়া, মই মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰিছিলো, তেখেতে ৰেডি হৈ আহিছে এই বিলাক উত্তৰৰ কাৰণে। গতিকে এটা বেলেগ ডিভাইচত তেখেত সকলে আনক, আমি উত্তৰ দি দিম।

**মাননীয় উপাধ্যক্ষ ঃ** ইতিমধ্যে মই ক'লোৱে বেলেগ ডিভাইচত অনাৰ কথা। ধন্যবাদ। এতিয়া মাননীয় সদস্য দুৰ্গাদাস বড়ো।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** উপাধ্যক্ষ মহোদয়, তেখেতে ষ্টেটমেন্ট হিচাপে দিব পাৰে।

**মাননীয় উপাধ্যক্ষ ঃ** মই ক'লো নহয়, আনকচোন ডিভাইচত প্ৰথমতে। এতিয়া মাননীয় সদস্য দুৰ্গাদাস বড়ো।

**শ্ৰীদুৰ্গাদাস বড়ো, (কলাইগাঁও) ঃ** উপাধ্যক্ষ মহোদয়, ৪ মাৰ্চ, ২০২৫ ত অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত মেঘালয়ৰ পৰা অসমলৈ গৈছে ভেজাল বিলাতী সুৰাৰ ঢল, আচলতে মেঘালয়ৰ পৰা অবৈধ ভাৱে বিলাতী সুৰা আহিছে সেইটো আমাৰ বিষয় হ'ব নালাগিছিল কিন্তু এটা গুৰুত্বপূৰ্ণ কথা ইয়াৰ লগত জড়িত আছে। অসম আৰু মেঘালয়ৰ সীমাত আপোনালোকে জানিব যে বৰাপানীত অবৈধ সুৰাৰ এটা কাৰখানা উদ্ধাৰ হৈছে। বৰ আচৰিত কথা। এক বটল, ২ বটল, এক ট্ৰাক, ২ ট্ৰাক, এক কেছ, দুই কেছ নহয়, অবৈধ ফেক্টৰী বনাই লৈছে। গতিকে আৱকাৰী বিভাগৰ মন্ত্ৰী ডাঙৰীয়া তেখেতে নতুনকৈ দায়িত্বভাৰ গ্ৰহণ কৰিছে মই এই সুযোগতে দুটামান কথা উপাধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে অৱগত কৰিব বিচাৰিছো যে আপোনালোকৰ যি খন বাজেট সেই বাজেটত আপোনালোকে উল্লেখ কৰিছে ৬ টা main source ৰ পৰা ৪১২৬২ কোটি টকা আমাৰ মেজৰ ৰেভিনিউ আৰ্নিং বিভাগ আছে, তাৰ ভিতৰত third revenue earning আপোনালোকে যিটো snapshot দিছে ইয়াত সেইটো হৈছে Excise. আমাৰ প্ৰথম commissioner taxes ৰ পৰা ২৭ হাজাৰ কোটি তাৰ পিছত Geological Mining second ৫৬৩২ কোটি আৰু তৃতীয় হায়েষ্ট Excise ৰ ৪২২৫ কোটি টকা তেওঁলোকে আনুমানিক এইবাৰ আহিব বুলি তেখেত সকলে ধৰিছে। কিন্তু উপাধ্যক্ষ মহোদয়, আপুনি যদি গুৱাহাটীৰ excise superintendent ক সোধে তেখেত সকলক ইমান প্ৰেচাৰ দিয়া হৈছে যে কিয় বিক্ৰী কমিছে। প্ৰায় ১৫০ কোটি টকা এখন জিলাত কমিছে। প্ৰতিদিনে ২ কোটি টকাতকৈ অধিক চোৰ ডকাইতৰ লুণ্ঠন নতুনকৈ অবৈধ ফেক্টৰী বনোৱা সকলৰ হাতলৈ গৈছে। মই এইটো কব খুজিছো এক ট্ৰাক মদ নহয়, এক ট্ৰাক

হলোগ্ৰাম, ষ্টাম্প, লেবেল ইত্যাদি ইত্যাদি যি বিলাক এক ট্ৰাক পাইছে। কিমান হ'ব পাৰে এক ট্ৰাকত কাগজৰ সেই বস্তু সমূহ ? প্ৰায় ১০ হাজাৰ কেছতকৈও অধিক সেই এক ট্ৰাক যি তেওঁলোকে ধৰিছে লেবেল প্ৰায় ২ কোটি টকাৰ আনুমানিক তাত হ'ব বুলি তেওঁলোকে অনুমান কৰে। এতিয়া কেনেকৈ অবৈধ কিছুমান উৎপাদন আৰম্ভ হৈছে যি বিলাক বটলিং প্লান্ট বুলি কয়, এই বটলিং প্লান্ট বিলাকত অবৈধ ভাৱে ৫ হাজাৰৰ অনুমতিৰ ঠাইত ৭ হাজাৰ, ৮ হাজাৰ, ১০ হাজাৰ লিটাৰ মদ তৈয়াৰ কৰিছে অবৈধ ভাৱে। মানুহে খোৱা কমা নাই, বাঢ়িছেহে। কিন্তু বিক্ৰী কমিছে, চৰকাৰলৈ ধন অহাটো কমিছে। মই চৰকাৰৰ পক্ষত থাকি কথাখিনি কৈ আছো। আজি মদ বিক্ৰী কৰাৰ কাৰণে চৰকাৰে যথেষ্ট বদনাম শুনিব লগীয়া হৈছে যে এই খন ড্ৰাইষ্টেট কৰিব লাগে wet কিয় কৰিছে? ইত্যাদি ইত্যাদি বাকী ৰাজ্যৰ লগত এইখনতো দাবী আহিছে। ইমান বদনাম লৈ উঠিও আমাৰ এই যিটো আমি টেক্স ইয়াৰ

পৰা আয় কৰো ৪৪২৫ কোটি টকা, এই খন আমাৰ সৰু ৰাজ্যৰ কাৰণে যথেষ্ট টকা ছাৰ। গতিকে ইয়াৰোপৰি আপোনালোকে জানে আমাৰ যিটো spirit, এক মাত্ৰ স্পিৰিট, সকলোতে স্পিৰিট প্ৰয়োজন হয়, গোটেই উত্তৰপূৰ্বাঞ্চলৰ কাৰণে স্পিৰিট ইয়াতে এখন এটা প্ৰতিষ্ঠানে এই স্পিৰিটটো চাপ্লাই দিয়ে। এতিয়া যদি অবৈধ ভাৱে হাজাৰ হাজাৰ কাৰ্টুন মদ বনাইছে, স্পিৰিট চাপ্লাই জ'ন তাত তদন্ত হ'ব লাগে, এক নম্বৰ কথা। আমাৰ যি বিলাক distillery plant আছে, যাক বটলিং প্লান্ট বুলিও কয়, এই এই প্লান্ট বিলাকক ৰেগুম এটা বিভাগৰ ফালৰ পৰা আপুনি যদি টাইমবাউন্ড সপ্তাহে, মাহে, ১৫ দিনে আপোনালোকে যদি এই distillery বিলাকত বিভাগৰ মানুহ গৈ তাত এটা তদন্ত কৰে আপোনালোকে দেখিব এইটো কিছু কমিছে। ইয়াৰোপৰি আমাৰ যিবিলাক হলোগ্ৰাম আছে সেই হলোগ্ৰাম বিলাক মোৰ হলোগ্ৰামটো আপুনি ব্যৱহাৰ কৰিব নোৱাৰে। এটা ব্ৰেণ্ডৰ হলোগ্ৰাম এটা বেলেগ এটা ব্ৰেণ্ডে ব্যৱহাৰ কৰিব নোৱাৰে। ক'ত পাইছে সেই হলোগ্ৰাম বিলাক ? যদি হলোগ্ৰাম বিলাক অবৈধ ভাৱে প্ৰস্তুত কাৰী সকলে যি সকলে বটলিং প্লান্ট কৰিছে তেওঁলোকে যদি হলোগ্ৰাম অবৈধ ভাৱে ব্যৱহাৰ কৰিছে তেতিয়া হলে ব্যৱহাৰকাৰী সকলৰ ওপৰত কিয় ব্যৱস্থা কৰিব নোৱাৰে ? বটলটো ব্যৱহাৰ কৰে, যিটো সোপা আছে প্ৰত্যেকটো বটলৰ সোপা বেলেগ হয়। গতিকে কিয় সেইটো তেওঁলোকে এই লেকোনাখিনি নাইকিয়া কৰিব পৰা নাই। ইয়াৰ যিটো ENA বুলি কয় Extra neutral alcohol সেই ইএনএ টো ডিষ্টীলেৰি বিলাকৰ জৰিয়তে সেইটো যে মদ বনোৱা সময়ত লাগে যি সকল খুচুৰা বেপাৰী আছে সেই খুচুৰা বেপাৰী সকলক কোনে এই অবৈধ মদ বিক্ৰী কৰাইছে এক নম্বৰ। এক ফেক্টৰীত অবৈধভাৱে বেছিকৈ বনাইছে, ফেক্টৰীয়ে যে বেলেকৈ বনাইছে অবৈধ ভাৱে তাৰ পৰা আনিছে। যি বিলাকে ৰেৰহাউচ কৰিছে, বম্বেত ৰেৰহাইচ বিলাকে অবৈধ ভাৱে আনিছে এখন এখন বম্বেত ৰেৰ হাইচৰ ২০ খন, ৩০/৪০ খন, ১১০ খনলৈকে দোকান আছে। আমাৰ অসম চৰকাৰে নিবনুৱা সকলক এই দোকান বিলাক দিছিল। বেছিভাগ অসমীয়া ল'ৰাক এইটো কাম দিছিল। শিক্ষিত নিবনুৱা সকলক তেওঁলোকে এটা সিদ্ধান্ত লওঁক আজি ইয়াত মই আজি মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো সেই সিদ্ধান্তটো হৈছে যি বিলাকে মাৰোৱাৰীক, maximum Bombay ত warehouse মাৰোৱাৰী ৩ টা ৪ টা বাদ দি, তেওঁলোকে ৩০/৪০, ১১০ লৈকে আছে। একেজন মানুহৰ এই ৰাজ্যত ৪ খন জিলাত তেওলোকৰ Bombay ত warehouseও আছে ফেক্টৰীও আছে। গতিকে এই বিলাকক যদি অলপ তদন্ত কৰে।

**মাননীয় উপাধ্যক্ষ ঃ** Please conclude.

**শ্ৰীদুৰ্গাদাস বড়ো, (কলাইগাঁও) ঃ** উপাধ্যক্ষ মহোদয়, মই এতিয়া চমু কৰিবলৈ গৈছো। এতিয়া

এশ টকাত মাত্র ৩৭ টকা মাত্র মদৰ দাম, বাকী ৬৩ টকা টেক্স। এই ৬৩ টকা টেক্স এই বিলাক চোৰে খাইছে। ইয়াত উচ্চ পর্য্যায়ৰ বিষয়া জড়িত আছে বুলি কৈছে। আমি কেনেকৈ সাহস কৰিম? এটা নতুন ফেক্টৰী বনাই দিছে। য'ত কোনো কাগজ পত্র নাই একো নাই। তেওঁলোকে কৈছে ইয়াত উচ্চ পর্য্যায়ৰ বিষয়া জড়িত আছে বুলি কৈছে । মই বিচাৰিছো ছাৰ - 'ৰেডিয়েল' বুলি এটা ইণ্ডাষ্ট্রি আছে - মালিক ডেনিয়েল লেইং নে কি তেনেকুৰা নামটো , তেওঁ নাগালেণ্ড - মণিপুৰলৈ চাপ্লাই দিয়ে- ১০০ টকাৰ টো তাত ৩০০-৪০০ টকাত বিক্রি হয় । কিমান ইলিগেল হৈ আছে, এই ইলিগেলবিলাক যদি নধৰে তেতিয়াহ'লে মই ভাবো আমাৰ ৰেভিনিউ কেতিয়াও বাঢ়ি নাহে, শেষত মই ক'ব বিচাৰিছো ডেইলী ২ কোটি টকা ৰাজ্য চৰকাৰৰ লোকচান হৈ থকা সময়ত - ৰাজ্য চৰকাৰে উচ্চ পর্য্যায়ৰ তদন্ত দিবনে নাই মই এইটো জানিব বিচাৰি মোৰ বক্তব্য সামৰনি মাৰিছো ।

মাননীয় উপাধ্যক্ষ ঃ অনাৰেবল্ মিনিষ্টাৰ ৰেডিয়েলৰ কিবা লাইচেঞ্চ নাই বুলি কৈছে - এই বিষয়টো আপুনি চাব ।

**শ্রীঅতুল বৰা, (মন্ত্রী, আৱকাৰী বিভাগ ইত্যাদি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ সন্মানীয় সদস্য শ্রীদূর্গা দাস বড়ো ডাঙৰীয়াই এখন কাকতত প্রকাশিত “ মেঘালয়ৰ পৰা অসমলৈ গৈছে ভেঁজাল বিলাতী সুৰাৰ ধল । ” শীর্ষক সংবাদটোৱে আৱকাৰী বিভাগৰ মনোযোগ আকর্ষণ কৰিছে । মই মন্ত্রী হিচাপে এই বিষয়টো সম্পর্কত দুআষাৰ ক'ব বিচাৰিছো । মাননীয় উপাধ্যক্ষ মহোদয়, ২০১৬ চনৰ আগত যদিও ৰাজ্যখনত বহুতো মদৰ মহল আছিল বা আই এম এফ এল আছিল, অফ অন চপ আছিল , কিন্তু সেই সময়ত ৰাজহৰ পৰিমান ইমান নাছিল । ২০১৬ ৰ পৰা এতিয়ালৈকে অফ হওক বা অন হওক ইমান বৃদ্ধি পোৱা নাই, তদুপৰি মহলখিনি বন্ধ কৰা হ'ল । কিন্তু ৰাজহৰ পৰিমান বাঢ়িল - চৰকাৰৰ ঘৰলৈ বেছি টকা আহিল । হয়তো সেই সময়ত ৰাজহ চৰকাৰৰ ঘৰলৈ অহাৰ পৰিৱৰ্তে কোটি কোটি টকা কাৰোবাৰ জেপলৈ গৈছিল । কিন্তু আমাৰ মূল লক্ষ্য এইটো নাছিল যে মদ বিক্রিৰ জৰিয়তে আমাৰ ৰাজ্যখন চহকী কৰিব লাগে বা ৰাজহ অত্যাধিক কৰিব লাগে, এইটো আমাৰ মূল্য লক্ষ্য নহয়। এইটো যদি মূল লক্ষ্য হ'লহেতেঁন আমাৰ চৰকাৰে নৱবর্ষ অহাৰ আগতে চেক কৰা বা ইমান কঠোৰ ব্যৱস্থা নকৰিলেহেঁতেন । নৱবর্ষ বা উৎসৱত ইত্যাদিত গুৱাহাটী মহানগৰীত যিমান সুৰা বিক্রি হয় এইবাৰ তেনেধৰনে সুৰা বিক্রি হোৱা নাই বা ৰাস্তাতো পোৱা নাই । ৰাস্তাত যেতিয়া চেকিং হ'ল গাড়ীত থকা যাত্রীও অপমানিত হ'ব পাৰে বুলি - সংবাদ মাধ্যমে সংবাদ উলিয়াই দিয়ে গতিকে বহু মানুহে খোৱা নাই আৰু খাইছে যদি ঘৰত খাইছে । মোৰ কথাটো হ'ল যে, চুলাই মদটো বন্ধ কৰাৰ বাবে আমি অত্যাধিক জোৰ দিছো কাৰণ ডিষ্ট্রিক্টবিলাকত বহুতেই বহু ধৰণৰ অভিযোগ কৰে এক্সাইজৰ লগত সম্পর্ক থকা বুলি কয়, কিন্তু ইয়াৰ পৰা আমি কিছু মানুহ পঠিয়াই এই জিলাবিলাকত যিমান চুলাই মদৰ ঘাটি আছে এইবিলাক আমি ধ্বংস কৰিছো । এনেধৰনে কামবিলাক কৰা হৈছে আৰু ডাঙৰ কথাটো হ'ল আমি খুব চিন্তিত হওঁ - এতিয়া হোলী আহিব, কাৰণ বাগানৰ আশে পাশে বা বিভিন্ন অঞ্চলত যিবিলাক চুলাইৰ ঘাটি আছে - এইবিলাক খোৱাৰ ফলত মানুহৰ মৃত্যুও হ'ব পাৰে বা বিভিন্ন ঘটনাও হ'ব পাৰে ।

**শ্রীদূর্গা দাস বড়ো, (কলাইগাওঁ)** ঃ উপাধ্যক্ষ মহোদয়, এইটো মোৰ প্রশ্নৰ উত্তৰ হোৱা নাই । মই বিচাৰিছো যে টেক্স লিকেজ বন্ধ হ'বনে নাই ? বিক্রি হৈ আছে মানুহে খাই আছে কিন্তু ৰেভিনিউটো আপোনাৰ তাত অহা নাই ।

**শ্রীঅতুল বৰা, (মন্ত্রী, আৱকাৰী বিভাগ ইত্যাদি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতৰ

প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ মই কথাটো এনেকৈ আৰম্ভ কৰিছো যেনেকৈ, লিকেজৰ কথাটো ক'বলৈ গৈ তেখেতে ইয়াত ৰামায়ণ ৰচনা কৰি আমাক শুনালে গতিকে উত্তৰটো দিবলৈ হ'লে আগৰ কিছু কথা মই ক'ব লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, সেই দিনাৰ ঘটনাটো আমাৰ ৰাজ্যত হোৱা নাই । এই যিটো কাৰখানা আছিল এইটো মেঘালয়ৰ কাৰখানা । আমি তিনি মাহ মানৰ পৰা পৰ্য্যবেক্ষণ কৰিছো , যিহেতু বেলেগ ৰাজ্যত ঘাটিটো আছে গতিকে কিধৰণে কৰিব পৰা যায় - গতিকে মেঘালয়ৰ এক্সচাইজ ডিপাৰ্টমেন্টৰ লগত যোগাযোগ কৰি বহু দিন পিচত- প্ৰায় তিনি মাহ লাগিছে - জব্দ কৰা হৈছে , ভঙা হৈছে , এজন মানুহক এৰেষ্ট কৰা হৈছে যিজন মূল মালিক তেওঁৰ নাম পৰাগৰাজ সিংলা । তেওঁৰ ওপৰত বহু পুৰনা কেচও আছে , সেই কেচবিলাকো আমি উলিয়াই দিছো । মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ ওপৰিও এনেধৰণৰ কাৰখানা থকাৰ কথা তেওঁ ঠিকেই কৈছে যে, ইয়াত হয়তো কোনোবা ব্যৱসায়ীৰ লগত যোগাযোগ কৰি বিক্ৰি কৰিব পাৰে তেনেক্ষেত্ৰতো আমি চোকা দৃষ্টি নিক্ষেপ কৰিছো । ইয়াত তেখেতে কেইটামান ভাল পৰামৰ্শ দিছে । মই তেখেতক ধন্যবাদ জনাব খুজিছো কিন্তু তেখেতে এনেধৰণৰ দৃষ্টিভংগী লৈ কৈছে - মই যেন একো ক'বই খোজা নাই আৰু এই বিষয়টোৰ পৰা চাইড কাটিব খুজিছো । যিয়েই নহওঁক ইয়াত স্পিৰিটৰ কথা কৈছে - এটা প্ৰতিষ্ঠানে এই স্পিৰিট চাপ্লাই দিয়ে গতিকে এই বিষয়বোৰত আমি চোকা দৃষ্টি ৰাখিছো । এই ক্ষেত্ৰত তেখেতে সন্দেহ প্ৰকাশ কৰিছে যে আমিও ভাবিছো যে এনেকুৱা কিবা হৈছে নেকি , গতিকে ডেফিনিটলী এইবিলাকৰ ওচৰত আমি চোকা নজৰ ৰাখিছো । ডিষ্ট্ৰিক্ট বিলাকত আমি সঘনে যোৱা বা এনকোৱাৰী কৰাৰ বাবে ভিজিলেন্স ৰ ব্যৱস্থাও ইতিমধ্যে কৰিছো । এটা ব্ৰেণ্ডৰ হলোগ্ৰাম আনে নিশ্চয় ব্যৱহাৰ কৰিব নোৱাৰে কিন্তু যদি হৈ আছে এইটো ডাঙৰ কথা। এই বিষয়কেইটা নিতান্তই গুৰুত্বপূৰ্ণ । যিমান সুৰাৰ মহল আছিল বা দোকান আছিল সেই অনুপাতে ৰাজহ কিয় অহা নাছিলে । এই আৱকাৰী বিভাগটোত আমি সংস্কাৰ অনাৰ কাৰণে তেতিয়া হয়তো যথেষ্ঠ ৰাজহ আহিছে । যিবিলাক অবৈধ লিকাৰ আছে সেইসমূহ ভাঙি পেলোৱাৰ কাৰণে চোকা দৃষ্টি ৰখা হৈছে । ইয়াৰ ওপৰিও মাননীয় উপাধ্যক্ষ মহোদয়, ১২৫ খনমান দোকান খানাপাৰাৰ পৰা বৰ্ণিহাটলৈ আছে তেওঁলোকৰ যিবিলাক প্ৰিমিয়াম ব্ৰেণ্ড আছে তাত সেইবিলাকৰ দাম বহু ক'ম গতিকে আমি চেষ্টা কৰিছো যে, এইটো ৰেশ্যনেলাইজড কৰিব পাৰি নেকি , মাননীয় মুখ্যমন্ত্ৰীৰ লগতো এই বিষয়ে আলোচনা কৰা হৈছে । বহুতে আমাক অভিযোগ কৰে যে গুৱাহাটীৰ ডাঙৰ ডাঙৰ হোটেলত হোৱা পাৰ্টিবিলাকত তেওঁলোকে আগৰ পৰাই ক'ম দামত তাৰ পৰা সুৰা আনি ৰাখে যাৰ ফলত আমি পাবলগীয়া ৰাজহৰ পৰা বঞ্চিত হওঁ মই সদনৰ মজিয়াত জনাবলৈ পাই ভাল পাম যে, পূৰ্বৰ তুলনাত যোৱা বছৰ আমাৰ ১৫ শতাংশ ৰেভিনিউ ইনক্ৰিজ হৈছে কিন্তু ৰাজহ বৃদ্ধি কৰাটো আমাৰ মূল লক্ষ্য নহয় । মানুহে খায়েই, খোৱাৰ সংখ্যাও বাঢ়িছে কিন্তু এই অবৈধ সুৰা, চুলাই ইত্যাদি খাই যাতে মানুহে স্বাস্থ্য হানি নকৰে সেই দিশটোৰ প্ৰতিও আমি লক্ষ্য ৰাখিম ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া ৰুল ৩০১ - কাৰ্য্যসূচী নং - ৩ মাননীয় সদস্য দেৱব্ৰত শইকীয়া অনুপস্থিত- এতিয়া ছামছুল হুদা ডাঙৰীয়া ।

**শ্ৰীচামছুল হুদা, (বিলাসীপাৰা পূব) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো যে, আপুনি ৩০১ ত মোক দুআষাৰ ক'বলৈ দিছে। ছাৰ কথাত আছে - হামাৰে বৰবাদীও পৰ না মুছকুৰায়া কৰো , গুজৰনেকি এক দিন তুমহাৰে শায়ৰ মে ভি ক্যা বাত হে । অসমৰ সৰ্বশিক্ষা আঁচনিৰ অধীনত সেই সময়ৰ চৰকাৰে MCC, SMC আৰু VC ৰ লগত চুক্তি কৰি

দিছিল, চুক্তি সাপেক্ষে আৰু সেই চুক্তি সাপেক্ষে যেতিয়া শিক্ষামিত্ৰ, শিক্ষা সাৰথি, শিক্ষা কৰ্মী, Comunity volunteer, Education volunteer, সংযোগী শিক্ষক আৰু সৰ্বাত্মক volunteer আদি শিক্ষকক নামাকৰণ কৰি সেই সময়ত একেবাৰে কম মাননী ১ হাজাৰ, দেৰ হাজাৰ টকা, ৩ হাজাৰ ৫ শ টকা, ৬ হাজাৰ ৫ শ টকা এনেকৈ মাননী দি কিছুমান উচ্চ শিক্ষিত ল'ৰাকে আমাৰ মানৱ সম্পদ গঢ়াৰ কাৰণে প্ৰতিখন স্কুলতে তেওঁলোকে নিযুক্ত কৰি দিছিল আৰু কিছুদিন পিছতে দেখা গৈছিল যে এইবিলাক যেতিয়া TET আৰম্ভ হ'ল, তেতিয়া সেই শিক্ষক সকলক বাতিল কৰি তেতিয়া TET শিক্ষক সকলক নিযুক্তি কৰি দিলে। কিন্তু তেওঁলোকে কৰিলে কি যে এই সংযোগী শিক্ষক সকলক, Comunity Volunteer শিক্ষা কৰ্মী, শিক্ষা সাৰথি তেওঁলোকে কাম কৰিয়েই থাকিল। এতিয়া তেওঁলোকে অৱশেষত সেই শিক্ষক সকলে তেওঁলোকৰ এটা সমিতি গোটেই অসমত গঠন কৰিলে। সমিতি গঠন কৰি তেওঁলোকে বিভিন্ন আন্দোলনত নামিল, তাৰপিছত ২০১৭ চনৰ ২০ চেপ্তেম্বৰত তেতিয়া আমাৰ বৰ্তমান স্বনামধন্য মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া তেতিয়া শিক্ষামন্ত্ৰী আছিল আৰু সেই শিক্ষামন্ত্ৰী থকা কালতে তেওঁলোকক মাতি তেওঁলোকক ক'লে যে তোমালোকে Diploma in Elemantary Education (D.El.Ed) পৰীক্ষা দি তোমালোকে যদি পাছ কৰিব পাৰা তেনেহ'লে তোমালোকক ১০০ শতাংশ কথা দিলো যে তোমালোকক মই চাকৰিত নিয়োজিত কৰিম। তাৰ পাছত তেওঁলোকে D.El.Ed পৰীক্ষা দিলে, D.El.Ed পৰীক্ষা দিয়াৰ পিছত ২৮-০২-২০২১ চনত তেওঁলোকক এটা TET পৰীক্ষা দিয়াৰ কাৰণে এটা দিন ঘোষণা কৰা হ'ল। হঠাতে হ'ল যে ১০ ঘণ্টাৰ আগত যেতিয়া election ৰ সময়ত code of conduct আহিল তাৰ পিছত সেই পৰীক্ষাটো বাতিল কৰা হ'ল। ০৮-০৯-২০২০ ৰ পিছত ২০২১ চনত ০৩-১০-২০২১ চন তাৰিখে তেওঁলোকক এইটো বাতিল কৰি দিয়াৰ পিছত তেওঁলোকে আকৌ আন্দোলন আৰম্ভ কৰিলে। আন্দোলন কৰি তাৰ পাছত এই TET পৰীক্ষা আকৌ তেওঁলোকক অৱত্তীৰ্ণ কৰি দিয়া হ'ল। কিন্তু পাঠ্যক্ৰমৰ বিসংগতিৰ কাৰণে তেওঁলোকক ১৪ হাজাৰ ৫৭৩ জন মানুহৰ ভিতৰত ৬৯৭ জন মানুহে পাছ কৰিলে। সেই ৬৭৯ জনক তেওঁলোকে নিয়োগ কৰিলে কিন্তু বাকীখিনি ১৩ হাজাৰ ৯০৬ জন মানুহে এতিয়ালৈকে নিযুক্তি পোৱা নাই। গতিকে তেওঁলোকে বিভিন্ন সময়ত আন্দোলন কৰি আছে।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি বিচাৰিছে কি ? আন্দোলন কৰাটো লাগে নে সমাধান লাগে ?

**শ্ৰীচামছুল হুদা, (বিলাসীপাৰা পূব) ঃ** চাৰ, এইখিনি কথা কোৱাৰ পিছতহে মোৰ কথাখিনি ক'ম। মুখ্যমন্ত্ৰীৰ পত্ৰিকাৰ যোগে তেওঁলোকে CMASM/T/2022, ৫ হাজাৰ ৬৯১ এখন জাননী ঘোষণা কৰিলে।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ সময় শেষ হৈছে। ৫ মিনিট সময় পাৰ হৈ গ'ল।

**শ্ৰীচামছুল হুদা, (বিলাসীপাৰা পূব) ঃ** চাৰ, এক মিনিট। এইখিনি কথা তেওঁলোকক এতিয়া কোৱা হ'ল আৰু আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে তেওঁলোকক কৈছিল যে তেওঁলোকক আমি parmanent কৰি দিম। এতিয়া তেওঁলোকৰ পৰিয়ালৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। তেওঁলোকক parmanent কৰাৰ কাৰণে মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে কথা দিয়া মানুহ। কেইদিনমান আগতে মই এটা প্ৰশ্ন কৰিছিলো তেওঁ এক কথাত কৈছিল যে তোমাৰ এই Model School ৰ কাম কৰি দিম। এসপ্তাহৰ ভিতৰত এই কামখিনি কৰি দিম বুলি কৈছিল।

**মাননীয় উপাধ্যক্ষ ঃ** Plese sit down. উত্তৰ আপোনাক লাগিব নে নাই ?

**শ্ৰীচামছুল হুদা, (বিলাসীপাৰা পূব) ঃ** চাৰ, মই অনুৰোধ জনাইছো যে তেওঁলোকক অতি

সোনকালে যাতে চাকৰি নিয়মীয়া কৰি দিয়া হয়। ধন্যবাদ।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সৰ্বশিক্ষাৰ অধীনত ১৪ বছৰ বয়স পৰ্য্যন্ত সকলো শিক্ষা দান কৰাটো বা তেওঁলোকে শিক্ষা লাভ কৰাটো অধিকাৰ। আমাৰ সৰ্বশিক্ষাৰ এইটো প্ৰধান দায়িত্ব। যিসকল ছাত্ৰ-ছাত্ৰী বিদ্যালয়লৈ নাহে, তেওঁলোকৰ ক্ষেত্ৰতো বিশেষ কাৰ্য্যসূচী লোৱা হৈছিল যে বিদ্যালয় বৰ্হিভূত ছাত্ৰ-ছাত্ৰী সকল চিনাক্ত কৰি তেওঁলোকৰ বাবে এটা বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰি তেওঁলোকৰ বাবে এই age specific বা তেওঁ যি শ্ৰেণীত পঢ়িব লাগে কোনো বিদ্যালয়ত নাম ভৰ্তি কৰাই দিয়া। অৰ্থাৎ বিদ্যালয় বৰ্হিভূত ছাত্ৰ-ছাত্ৰী সকলক প্ৰথম চিনাক্ত কৰা, তাৰপাছত তেওঁলোকক coaching কৰা আৰু পৰৱৰ্তী পৰ্য্যায়ত নিয়মীয়া ছাত্ৰ-ছাত্ৰী হিচাপে বিদ্যালয়ত নামভৰ্তি কৰাই দিয়া বা main streaming কৰাই দিয়া। ইয়াৰ কাৰণে সংযোগী শিক্ষা কৰ্মী বা শিক্ষামিত্ৰক এনেধৰণৰ চুক্তি ভিত্তিক কিছুমান দায়িত্ব দিয়া হৈছিল। মাননীয় বিধায়ক শ্ৰীচামচুল হুদা ডাঙৰীয়াই আৰম্ভণিতে এইটো স্বীকাৰ কৰি লৈছে যে এইসকল ব্যক্তিৰ নিযুক্তি সম্পূৰ্ণ ঠিকাভিত্তিক ১১ মাহৰ কাৰণে আছিল। তাৰপাছত যেতিয়াই আঁচনিখন সম্প্ৰসাৰিত হৈ আছে ঠিকাবিলাক পুনৰীক্ষণ কৰি, পুনৰ নবীকৰণ কৰি তেওঁলোককে কামত নিযুক্ত কৰা হৈছিল। ইতিমধ্যে নিয়মীয়া শিক্ষক নিযুক্তি, টেট শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল আৰু এই বিদ্যালয় বৰ্হিভূত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি আহিল। যেতিয়া বিদ্যালয় বৰ্হিভূত ছাত্ৰ-ছাত্ৰী কমি আহিল তেনে ছাত্ৰ-ছাত্ৰীক special training দিয়াৰ কামৰ পৰিমান কমি আহিল। গতিকে প্ৰত্যেকবাৰে আমি বাজেট প্ৰস্তুত কৰো আমাৰ বিদ্যালয় বৰ্হিভূত ছাত্ৰ-ছাত্ৰী কিমান আছে আৰু তাৰবাবে চুক্তিভিত্তিক কিছু আমি লোকক নিয়োগ কৰো। তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ কৰা এনেকুৱা কোনো আঁচনিৰ পৰিকল্পনা আৰম্ভণিতো নাছিল, এতিয়াও নহয়। কিন্তু চৰকাৰে তেখেতসকলে যাতে নিয়মীয়া নিযুক্তিত তেওঁলোকে চাকৰি লাভ কৰিব পাৰে তাৰ কাৰণে বিশেষ টেট পৰীক্ষা এই সকলৰ কাৰণেও অনুষ্ঠিত কৰিছে আনকি মই দায়িত্ব লোৱাৰ পাছতো বিশেষ টেট পৰীক্ষা এটা অনুষ্ঠিত হৈছে। এতিয়া আমি সকলোৱে জানো শিক্ষাৰ অধিকাৰ আইনৰ অধীনত টেট পাছ নকৰিলে D.El.Ed পাছ নকৰিলে কোনেও চাকৰি পাব নোৱাৰে। কিন্তু সেইখিনি পাছ কৰাৰ পিছতো এটা প্ৰতিযোগিতাত অৱতীৰ্ণ হ'বলগীয়া হয় আৰু সেই প্ৰতিযোগিতাৰ ভিত্তিত আমাৰ নিয়মীয়া নিযুক্তি হৈ আছে। যিসকলে টেটৰ অৰ্হতা অৰ্জন কৰিছে, D.El. Ed ৰ অৰ্হতা অৰ্জন কৰিছে, নিয়মীয়া নিযুক্তি প্ৰক্ৰিয়াৰ মাজেৰে তেওঁলোকে নিযুক্তি লাভ কৰিব লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, যোৱাকালি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও এই কথা স্পষ্ট কৰি দিছে যে চুক্তিভিত্তিক বা ঠিকাভিত্তিক চাকৰি কিয় নিয়মীয়াকৰণ কৰিব নোৱাৰি। আজি Polytechnic ৰ যিটো কথা ওলাইছিল, একেধৰণৰ কথা যে ২০১৬-১৭ চনত যিসকলে polytechnic ত নিযুক্তি লাভ কৰিছিল, তেওঁলোকৰ নামটোৱে হ'ল part time faculty. অংশকালীন। অংশকালীন চুক্তিভিত্তিত তেওঁলোকে চাকৰি লাভ কৰিছিল অৰ্থাৎ নিয়মীয়া নিযুক্তি হ'লে তেওঁলোকে আঁতৰি যাব লাগিব এইটো আছিল চুক্তিৰ মূল কথা। কিন্তু তেওঁলোকে High Court লৈ গ'ল। High Court ত ২০১৭ চনৰ পৰা আজিলৈকে ২০২৫ চনলৈকে কেছ চলিল আৰু কেছত High Court য়ে এটা আদেশ দিছিল যে এওঁলোকক do not disturb. গতিকে তেওঁলোকক High Court ৰ আদেশৰ ভিত্তিত তেওঁলোকে কৰ্মৰত হৈ আছে কিন্তু শেহতীয়াভাৱে High Court য়ে চূড়ান্ত judgement দিছে আৰু আমাৰ against য়ে, চৰকাৰৰ against য়ে যিটো stay order আছিল, সেইটো প্ৰত্যাহাৰ কৰিছে যিটো tag আছিল 'do not dis-

turb' এইটো আঁতৰাই দিছে যে এতিয়া এওঁলোকক এই সকল যিহেতু part time ঠিকাভিত্তিক এতেকে তেওঁলোকক অব্যাহতি দি নিয়মীয়া নিযুক্তিৰ প্ৰক্ৰিয়া সুকলমে চলি আছে এটা নিযুক্তি পৰীক্ষা সুকলমে হৈছে, আন এটা পৰীক্ষাও হৈ গৈছে। একেই কথা এই সংযোগী শিক্ষাকৰ্মী বা ঠিকাভিত্তিক, চুক্তিভিত্তিক part time অংশকালীন polytechnic শিক্ষকসকলৰ ক্ষেত্ৰত প্ৰযোজ্য। নিয়মীয়া নিযুক্তি প্ৰক্ৰিয়াৰ মাজেৰে তেওঁলোকে চাকৰি লওঁক এইটোকে মই আহ্বান জনালো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য সুৰেণ ফুকন ডাঙৰীয়াই কওঁক। আপোনাক তিনি মিনিট সময় দিয়া হ'ল।

**শ্ৰী সুৰেণ ফুকন, (ডিগবৈ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ বৃহত্তৰ চাহ জনগোষ্ঠীৰ বিষয়ে কিছু কথা ক'বলৈ বিচাৰিছো। অসমৰ অবিচ্ছেদ্য অংগ হৈছে চাহ জনগোষ্ঠী আৰু এই চাহ জনগোষ্ঠীৰ উত্তৰণৰ কাৰণে বিগত দহ বছৰে বি জে পি আৰু মিত্ৰজোঁটৰ চৰকাৰে যেনেধৰণে তেওঁলোকৰ শিক্ষা, সামাজিক, অৰ্থনৈতিক ক্ষেত্ৰত বৰঙণি আগবঢ়াইছে, তাৰ বাবে সঁচাকৈয়ে চৰকাৰখনৰ মূৰব্বী হিচাপে মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ জনাইছো। আমাৰ সমগ্ৰ অসমত ১১৯ খন হাইস্কুল, অংগনৱাড়ী স্কুল স্থাপন হৈছে। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে বিনামূলীয়া নামভৰ্ত্তি, কিতাপ-পত্ৰ, ইউনিফৰ্ম, মধ্যাহ্ন ভোজনৰ ব্যৱস্থা কৰা হৈছে। বৰ্তমান সমগ্ৰ অসমত মেডিকেল কলেজসমূহত দুখনকৈ আসন সংৰক্ষণ কৰা হৈছে। তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ কাৰণে তিনি শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। আই এচ আৰু এ চি এচ ৰ কাৰণে বিনামূলীয়া ক'চিংৰ ব্যৱস্থা কৰা হৈছে। বাগান অঞ্চলসমূহৰ জৰাজীৰ্ণ পথ, নামঘৰ, মন্দিৰ, গীৰ্জা আদি সমূহক জনপ্ৰিয় চৰকাৰখনে যথেষ্ট সহায় আগবঢ়াইছে। ইয়াৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। কিন্তু মোৰ সমষ্টিৰ বাগানৰ কিছু অঞ্চলত হাইস্কুল স্থাপন কৰিবলৈ ৰৈ গৈছে আৰু সেই অঞ্চলসমূহত হাইস্কুল স্থাপন কৰাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ ৫০০ টা জগন্নাথ মন্দিৰ নিৰ্মাণ কৰাৰ পৰিকল্পনা লোৱা হৈছে আৰু মোৰ তাত কেইবাখনো বাগান ৰৈ গৈছে। বাগানত জগন্নাথ মন্দিৰ নিৰ্মাণ কৰাৰ ফলত চাহ বাগান সমূহত বিয়া, সভা, আদি বিভিন্ন অনুষ্ঠান আদি পাতিবলৈ সুবিধা হৈছে। এই জগন্নাথ মন্দিৰসমূহত চাহ বাগিচাৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা উন্নয়ণৰ বাবে চেণ্টাৰ খোলা হৈছে। ইয়াৰ বাবে মই ধন্যবাদ জনাইছো। মই আৰু বিশেষকৈ ধন্যবাদ জনাইছো আমাৰ ঝুমুৰৰ বাবে। ঝুমুৰ কোনো এক নৃত্য নহয়, গান নহয়। আচলতে ঝুমুৰ হৈছে অসমৰ চাহ জনগোষ্ঠীৰ মনৰ সুখ-দুঃখ, আবেগ-অনুভূতি প্ৰতিফলিত কৰাৰ এক মাধ্যম। সেইকাৰণে সমগ্ৰ অসমত ৮,০০০ চাহ শ্ৰমিকৰ ঢুলীয়া-নাচনীক আনি যোৱা ২৪ ফেব্ৰুৱাৰী তাৰিখে মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া, বিভিন্ন ৰাষ্ট্ৰ প্ৰধান সকলৰ সন্মুখত যি ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিলে তাৰ কাৰণে বিশেষভাৱে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু ইয়াৰ লগত জড়িত মাননীয় মন্ত্ৰী আৰু বিষয়াসকলক ধন্যবাদ জনাইছো। কোনো কালেই গুৱাহাটী নেদেখা বা গুৱাহাটীলৈ আহি নোপোৱা বহু নাচনী আৰু ঢুলীয়াই উভতি গৈ তেওঁলোকক ইমান এখন ডাঙৰ মঞ্চ দিয়া বুলি বাগানত প্ৰচাৰ কৰিছে। ইয়াৰ কাৰণে মই ধন্যবাদ জনাইছো। সমগ্ৰ অসমত ১ লাখ ক্ষুদ্ৰ চাহ খেতিয়ক আছে আৰু ইয়াৰ লগত ৯ লাখ চাহ শ্ৰমিক জড়িত হৈ আছে। বৃহৎ চাহ বাগিচাৰ শ্ৰমিকসকলক যেনেদৰে চৰকাৰী আঁচনিয়ে ঢুকি পাইছে, ঠিক একেদৰে এই ক্ষুদ্ৰ চাহ শ্ৰমিকসকলক নিশ্চিত নিৰাপত্তা দিয়াৰ ব্যৱস্থা কৰিব লাগে। ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ ডাঙৰ এটা সমস্যা হৈছে মূল্য নিৰ্দ্ধাৰণ। ক্ষুদ্ৰ চাহ

খেতিয়ক সকলৰ অসমৰ অৰ্থনীতিলৈ বিশেষ অৱদান আছে। কিন্তু আমি প্ৰতি বছৰে দেখিছো যে বৃহৎ বৃহৎ কোম্পানীসমূহে তেওঁলোকক উচিত মূল্য নিদি নিজৰ ইচ্ছামতে দৰদাম কৰে। তাৰ ফলত তেওঁলোকৰ কৃষিৰ প্ৰতি অনীহা জন্মিছে। চৰকাৰে যোৱা সময়ছোৱাত আমাৰ ধান খেতিৰ কাৰণে মিনিমাম এটা মূল্য নিৰ্দ্ধাৰণ কৰি দিছে। তেনেধৰণে চাহ খেতিয়ক সকলৰ ক্ষেত্ৰতো এটা মূল্য নিৰ্দ্ধাৰণ কৰিব লাগে। তাৰ লগে লগে আৰু এটা অনুৰোধ কৰিছো যে যথেষ্ট নিবনুৱা যুৱক-যুৱতীয়ে চাহ খেতিৰ লগত জড়িত। কিন্তু আমাৰ বসুন্ধৰা-২ ত নিবনুৱাসকলৰ বয়সৰ সীমা ৪৫ বছৰ কৰিছিল আৰু বয়স ৪৫ বছৰ কৰাৰ কাৰণে আজি যিসকলে বহু বছৰ আগৰ পৰা খেতি কৰি আছিল তেওঁলোকক বয়সৰ আওতালৈ আনিব পৰা নাই। কাৰণ তেওঁলোকৰ ইতিমধ্যে ৬০ ৰ পৰা ৮০ লৈকে বয়সৰ সীমা অতিক্ৰম কৰি গৈছে। গতিকে মই ভাৱো যে আমাৰ কৃষিৰ লগত জড়িত খিলঞ্জীয়া ভূমি পুত্ৰসকলৰ বাবে এই বয়সৰ সীমাত কিছু শিথিলতা আনিব লাগে । মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ সমস্যাসমূহ আলোচনা কৰিবলৈ অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য সুৰেণ ফুকন ডাঙৰীয়াই যিটো বিষয় Rules of Procedure and Conduct of Buisness ৰ ৩০১ ৰ অধীনত আনিছে তাৰ উত্তৰটো তেওঁ নিজেই দিছে। চাহ বাগিচাত কিমান উন্নয়ণ হৈছে তাৰ উত্তৰটো মোতকৈ তেখেতে ভালকৈ দিছে। তেখেতৰ কথাটো আছিল ক্ষুদ্ৰ চাহ খেতিয়কৰ ওপৰত। মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ সমষ্টিত চাহ বাগিচা আছে আৰু আপুনিও এই বিষয়ে জানে। কিন্তু আমাৰ নলবাৰী জিলাত চাহ বাগিচা নাই । সেয়েহে আমি চাহ বাগিচাৰ বিষয়ে বেছিকৈ নাজানো। তথাপিও আমাৰ কথাটো হ'ল যে চাহ বাগিচা বা চাহ উদ্যোগৰ ক্ষেত্ৰত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত যিখন চৰকাৰ চলি আছে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ চাহ শ্ৰমিকৰ প্ৰতি থকা আস্থা আৰু মৰমৰ ফলত তেখেতে যিখিনি সহায়-সহযোগিতা আগবঢ়াইছে, ইমানখিনি ভাৰতৰ স্বাধীনোত্তৰ কালৰ পৰা কোনেও কৰা নাই। মই আগতে উদ্যোগ মন্ত্ৰী আছিলো আৰু বিভিন্ন চাহ বাগিচালৈ যাওঁতে দেখিছিলো যে হস্পিতাল সমূহত ডাক্তৰ-ঔষধ আদি নাথাকে। চাহ উদ্যোগটো ইণ্ডাষ্ট্ৰীৰ অধীনত আছে। কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইবোৰ সকলো NHM ৰ অধীনত আনিছে আৰু এতিয়া প্ৰয়োজনীয় ঔষধ আদি বিনামূলীয়াকৈ দিয়াৰ ব্যৱস্থা কৰিছে। ৰাস্তা-ঘাটৰ এটা সময়ত অতি দূৰৱস্থা আছিল। সেই ৰাস্তাসমূহ আজি পকীকৰণ কৰা হৈছে। যিসকল মাননীয় সদস্যসকলৰ অঞ্চলত চাহ বাগিচা আছে তেওঁলোকে ভালকৈ জানে যে চাহ বাগিচাৰ ভিতৰৰ ৰাস্তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিশেষভাৱে আবণ্টণ দিছে। আনকি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই চাহ শ্ৰমিক সকলক মাটি প্ৰদানৰ ব্যৱস্থা কৰিছে। যাতে তেওঁলোকে মাটি পাব পাৰে। চাহ জনগোষ্ঠীৰ ঝুমুৰ নৃত্য মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰচেষ্টাত বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এই অনুষ্ঠানত উপস্থিত থাকি ঝুমুৰৰ গাম্ভীৰ্য্য, বিশেষত্ব আৰু বেছি উজ্জ্বল কৰিলে। ইয়াৰ বাবে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জনাইছো। লগতে এনেধৰণৰ ডাঙৰ পদক্ষেপ লোৱাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জনাইছো। সেইদিনাখন সঁচাকৈয়ে আমি সুন্দৰ বিনন্দীয়া পৰিৱেশ এটা সৰু সজাই ষ্টেডিয়ামত দেখিবলৈ পাইছিলো। চাহ শ্ৰমিক সকলৰ আৰ্থিক উন্নয়ণৰ উপৰিও তেওঁলোকৰ সাংস্কৃতিক আৰু সকলো দিশৰ পৰা উন্নয়ণ কৰিবলৈ শিক্ষা, লোক নিৰ্মাণ বিভাগ আদি বিভিন্ন বিভাগে কাম কৰিছে। চাহ শ্ৰমিক সকলৰ ল'ৰা-ছোৱালী যাতে

শিক্ষিতহৈ কাম কৰিব পৰা হয় তাৰ বাবে বিভিন্ন ঠাইত ইতিমধ্যে Mahaprabhu Jagannath Community Hall cum Skill Centre কৰিছে। এনে ৯ টা Skill Centre আমাৰ সুৰেন ফুকন ডাঙৰীয়াৰ ডিগবৈ সমষ্টিতো হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে হোষ্টেল নিৰ্মাণ কৰিছে। তেখেতৰ ডিগবৈ সমষ্টিতো এটা হোষ্টেল দিয়া হৈছে। তাৰোপৰিও আমাৰ শৈক্ষিক আঁচনিসমূহত নৰম শ্ৰেণীৰ পৰা স্নাতকোত্তৰ শ্ৰেণীলৈকে অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকলক বাৰ্ষিক বৃত্তি প্ৰদান কৰি আহিছে। এই বৃত্তিৰ আবেদন প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকা কৰি অনলাইনৰ ব্যৱস্থা কৰা হৈছে। তাৰোপৰিও আমাৰ প্ৰাক্-প্ৰৱেশিকা জলপানিৰ ব্যৱস্থা কৰা হৈছে। নৰম আৰু দশম শ্ৰেণীত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীসকললৈ বাৰ্ষিক ৩ হাজাৰ টকাৰ বিত্তীয় সহায় আগবঢ়াইছে। ইয়াৰোপৰি হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰাৰ পিছত ১০ হাজাৰ টকালৈকে এক কালীন বিত্তীয় সাহাৰ্য আগবঢ়োৱা হৈছে। ২০২৪-২৫ বৰ্ষত ডিগবৈৰ ১৯৪ ছাত্ৰ-ছাত্ৰীয়ে পাবলৈ সক্ষম হৈছে। এই আঁচনিৰ অধীনত উচ্চ মাধ্যমিকত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীলৈকে ৫ হাজাৰ টকাকৈ বছৰি আগবঢ়োৱা হৈছে। ৩ বছৰীয়া স্নাতক মহলাত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীৰ কাৰণে ৭ হাজাৰ টকা প্ৰতি বৰ্ষত দিয়া হৈছে। চলিত বিত্তীয় বৰ্ষ ২০২৩-২৪ত আমাৰ সুৰেন ফুকন ডাঙৰীয়াৰ ডিগবৈ সমষ্টিৰ প্ৰায় ৪৭৭ ছাত্ৰ-ছাত্ৰীয়ে তেনেকুৱা ধৰণৰ সুবিধা পাইছে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্যগৰাকীয়ে এটা অনুৰোধ কৰিছিল যে লোনৰ ক্ষেত্ৰত বয়স ৰেহাই দিব লাগে।

**শ্ৰী সুৰেন ফুকন (ডিগবৈ) ঃ** চাৰ, চৰকাৰৰ ফালৰ পৰা বসুন্ধৰা-২ ত মাটিৰ আৱণ্টনৰ ক্ষেত্ৰত বয়সটো ৪৫ বছৰ নিৰ্ধাৰণ কৰি দিয়া আছিল। কিন্তু আমাৰ ক্ষুদ্ৰ চাহ-খেতিয়ক সকলে ১৯৯৫ ৰ পৰা খেতি কৰি আছে। এতিয়া তেওঁলোকৰ বয়স বাঢ়ি গ'ল। যাৰ ফলত তাৰ আওঁতাত নাহে। চাৰ, বয়সৰ ক্ষেত্ৰত ৰেহাই দিব লাগে নহ'লে এই খিলঞ্জীয়া মানুহখিনিয়ে বসুন্ধৰা-৩ ত মাটিৰ পট্টা নাপাব। লগতে, ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ বাবে MSP নিৰ্ধাৰণ কৰিব লাগে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** ইয়াত বয়সটো কেনেকৈ আহিল ?

**শ্ৰী সুৰেন ফুকন (ডিগবৈ) ঃ** নিবনুৱা যুৱকক মাটিৰ পট্টা দিবলৈ হ'লে maximum বয়সটো ৪৫ বছৰ নিৰ্ধাৰণ কৰি দিছে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, সুৰেন ফুকন ডাঙৰীয়াই এটা কথা সমৰ্থন কৰিব যে ক্ষুদ্ৰ চাহ-খেতিয়ক সকলক মাটি দিয়াৰ সিদ্ধান্ত আমাৰ চৰকাৰৰ দিনত হৈছে। এইটো কথা আপোনালোকেও জানে। এই যি নিবনুৱা যুৱকক মাটি দিয়াৰ কাৰণে ৪৫ বছৰ বয়স ধৰি থৈছে, এই কথাটো মই আমাৰ শ্ৰম আৰু চাহ কল্যাণ বিভাগক জনাম, তেওঁলোকে এই সম্পৰ্কত কি বিবেচনা কৰে, মই চাম। আজি ক্ষুদ্ৰ চাহ-খেতিয়কসকলৰ লগত আমাৰ সুৰেন ফুকন ডাঙৰীয়া, তেৰছ গোৱালা ডাঙৰীয়াকে ধৰি বিভিন্ন জন জড়িত হৈ আছে। এটা কথা ঠিক যে যোৱা বাৰ তেওঁলোকে কেঁচা চাহপাতৰ দাম পাইছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইটো কথাত গুৰুত্ব দি আছে যাতে আমাৰ ক্ষুদ্ৰ চাহ-খেতিয়কসকলক ডাঙৰ ফেক্টৰী বিলাকে উচিত মূল্যটো যাতে দিয়ে তাৰ বাবে জিলা আয়ুক্ত পৰ্যায়ত থকা কমিটিখনে এই কথাবিলাক যাতে ভালকৈ চায় তাৰ বাবে কোৱা হৈছে। সুৰেন ফুকন ডাঙৰীয়া আপুনি যিহেতু চাহ উদ্যোগৰ লগত জড়িত বা আপোনাৰ তাত পাৰৰী, বগাপানী, টেঙেৰী এনেকৈ কেইবাখনো চাহ-বাগিচা আপোনাৰ সমষ্টিত আছে, এটা কথা আপুনি জানে ...interruptions....

**মাননীয় উপাধ্যক্ষঃ** বাজেটত ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ tax free কৰি দিছে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** এতিয়া কথাটো হ'ল যে ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ cess শূন্যলৈ অনা হৈছে। আপুনি নিশ্চয় জানে। আমাৰ যিখন Labour Law, সেইখন এতিয়ালৈকে ডাঙৰ চাহ বাগিচাৰ ক্ষেত্ৰত প্ৰযোজ্য হৈ আছে। ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ ক্ষেত্ৰত এতিয়ালৈকে হোৱা নাই। ইয়াক লৈ মই উদ্যোগ মন্ত্ৰী হৈ থাকোতে ACMS য়ে বহুতবাৰ কৈছে যে এইটো হ'ব লাগে। তেওঁলোককো আওঁতালৈ আনিব লাগে । সেইখিনি relaxation আজিৰ দিনলৈকে ক্ষুদ্ৰ চাহ খেতিয়কসকলে পাই আছে। এতিয়া চাহপাত কম দামত ডাঙৰ bottling factory য়ে নিকিনাৰ বাবে চাহ খেতিয়কসকলে অন্ততঃ ৰাস্তাত পেলাই দিব লগা হোৱা নাই। এটা সময় এনেকুৱা আছিল যে ৰাস্তাত পেলাই দিব লগা হৈছিল। এইবাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কেবিনেট মন্ত্ৰী সকলক কৈছে যে কেঁচা চাহপাতৰ মূল্য যাতে খেতিয়ক সকলে ভালকৈ পায় সেইটো ensure কৰিব লাগে। লগতে, সদস্য গৰাকীৰ কথাটো মই গুৰুত্ব সহকাৰে লৈছো আৰু বিভাগক জনোৱা হ'ব। ধন্যবাদ।

**শ্ৰী সুৰেন ফুকন (ডিগবৈ) ঃ** ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য দেবব্ৰত শইকীয়া। একেবাৰে চমুকৈ ক'ব। সময় কম।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি, নাজিৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ বিষয়ত বিশেষ উল্লেখ কৰাৰ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাইছো। বিষয়টো হ'ল, এটা বাতৰি প্ৰতিদিন কাকতত প্ৰকাশ পাইছিল যে- " বিহাৰ, উত্তৰ প্ৰদেশৰ প্ৰাৰ্থীক AIIMS ত নিযুক্তি, সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, গুৱাহাটীত বৃহৎ চাকৰি কেলেংকাৰীঃ থলুৱাক বঞ্চনা, AIIMS Guwahati উদ্বোধনৰ সময়ত তৃতীয়- চতুৰ্থ বৰ্গত ৭৫% থলুৱাক নিযুক্তি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণা অসাৰ, দুই বহিৰাগত প্ৰতিষ্ঠানৰ ওপৰত ন্যস্ত নিযুক্তিৰ দায়িত্ব, থলুৱা নিযুক্তিৰ দাবীত ৰাইজৰ প্ৰতিবাদতো গা নলৰিল কৰ্তৃপক্ষৰ, শ শ থলুৱা যুৱক যুৱতীৰ আবেদন পৰি থাকিল জিলা আয়ুক্তৰ কাৰ্যালয়ত, খালী হৈ থকা ৭৬৯ টা অনাশৈক্ষিক পদৰ নিযুক্তিক লৈ অব্যাহত ৰহস্য।" মহোদয়, তৃতীয় চতুৰ্থ শ্ৰেণীৰ চাকৰি যেনে- Security guard, housekeeping, multi-tasking staff, cleaner আদি বাহিৰৰ বহুত লোকক উপঢৌকনৰ ভিত্তিত ছিণ্ডিকেট চক্ৰই নিযুক্তি কৰা বুলি অভিযোগ আহিছে আৰু অসমীয়া যুৱক যুৱতীয়ে ১.৫-২ লাখ টকা পৰ্য্যন্ত উপঢৌকন দিবলগীয়া হৈছে বুলি কোৱা হৈছে। মহোদয়, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ তথ্য অনুসৰি AIIMS ত ৭৬৯ টা অনাশৈক্ষিক পদ খালী হৈ আছে। মুঠ ১৪১০ টা অনুমোদিত পদৰ ৬৪১টাতহে বৈধ নিযুক্তি হৈছে। বাকীখিনিত outsourcing কৰি থকা হৈছে। এই বিষয়টো এই কাৰণে গুৰুত্বপূৰ্ণ যে অসম বিধান সভাৰ যি নিয়োগ পৰ্য্যালোচনা সমিতি, এই সমিতিখনে ২০১৮ চনত তেল আৰু প্ৰাকৃতিক গেছ আয়োগলৈ গৈছিল আৰু তাৰ ভিত্তিত সমিতিয়ে বিধান সভাত এটা প্ৰতিবেদন দিছিল য'ত ২২ জন বিশেষভাৱে সক্ষম ব্যক্তিক নিযুক্তি দিয়াৰ বাবে বিজ্ঞাপন দিয়াৰ পিছত ১০ জনক নিযুক্তি দিয়া হৈছিল। তাৰ ভিতৰত ৬ জন বহিৰাগত আৰু মাত্ৰ ৪ জন স্থানীয় যুৱক-যুৱতী আছিল। এই ক্ষেত্ৰত মই অভিযোগ দিয়াৰ পিছত গোটেই বিষয়টো নিয়োগ পৰ্য্যালোচনা সমিতিয়ে আলোচনা কৰিছিল আৰু সেই সময়ৰ বিধান সভাৰ মাননীয় ধ্যক্ষই তেখেতৰ Conference Hallত ২১-১১-২০১৭ ত এখন বিশেষ মিটিং অনুষ্ঠিত কৰিছিল। মুখ্য সচিবৰ উপস্থিতিত কোৱা হৈছিল যে তেওঁলোকে গুজৰাটলৈ গৈছিল আৰু গুজৰাটত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ বাবে ৮৫% থলুৱা নিযুক্তিৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে। এইটো কেন্দ্ৰীয়

চৰকাৰৰ অনুষ্ঠান আৰু ৰাজ্য চৰকাৰৰ অনুষ্ঠান সকলোতে প্ৰযোজ্য। সেয়েহে আমাৰ মুখ্য সচিবে এই কামটো কৰিব পৰা যাব বুলি কৈছিল আৰু Registration number of Assam, mandatory কৰিব পৰা যাব। ইয়াৰ লগতে কৈছিল যে এইখিনিৰ বাবে notification উলিওৱা হ'ব আৰু Government circular কৰা হ'ব। Advertisement দিয়াৰ সময়তো mandatory কৰিব যে অসমৰ Employment Exchangeৰ valid registration থাকিব লাগিব। এই কামখিনি ২০১৭ চনৰ ডিচেম্বৰ মাহত সম্পূৰ্ণ কৰাৰ কথা আছিল। কিন্তু মহোদয়, ইয়াৰ পিছতো Central Police Force ৰ নিয়োগৰ ক্ষেত্ৰত অসমৰ North East Regional vacancy ৰ ক্ষেত্ৰত ২ হাজাৰতকৈ অধিক বহিৰাগতই নিযুক্তি পাইছিল। ঠিক তেনেকৈ অসম আন্দোলনৰ এটা ফচল Brahmaputra Crackers Project তো Deputy Manager (Law) ত ৩ বছৰ পূৰ্বে উত্তৰ প্ৰদেশৰ এজন প্ৰাৰ্থীক বাচনি কৰা হৈছিল। সেই বছৰতে Assam Judicial Services ত অসমৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰা ডিব্ৰুগড়ৰ এজনক বঞ্চিত কৰা হৈছিল। এনেধৰণৰ কামবোৰ হৈ আছে। যিখিনি ৰাজ্য চৰকাৰে আৰু আমি ভালদৰে পদক্ষেপ ল'লে কৰিব পাৰিম। ইয়াৰোপৰিও, অসম চৰকাৰৰ প্ৰতিষ্ঠান Assam Petrochemical তো contractual অভিজ্ঞতাক গ্ৰহণ কৰি Manager postত দিয়া হৈছিল। তেওঁলোকে contractual service কো তাত consider কৰিছিল। বহুত ক্ষেত্ৰত কিন্তু কৰা নহয়। গতিকে ইয়াৰ বাবে এটা সঠিক নিৰ্দেশনা লাগে। এই ক্ষেত্ৰত গোটেইখিনি কথা উল্লেখ কৰি মই চৰকাৰৰ পৰা এটা statement বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** Thank You. Hon'ble Parliamentary Affairs Minister.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই যোৱা ৫ মাৰ্চ, ২০২৫ তাৰিখে অসমীয়া প্ৰতিদিন খবৰ কাকতত প্ৰকাশিত সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান AIIMS ত গুৱাহাটীত বহুত ডাঙৰ চাকৰিৰ কেলেংকাৰী থলুৱাক বঞ্চনা, বিহাৰ, উত্তৰ প্ৰদেশৰ প্ৰাৰ্থীক AIIMS, নিযুক্তি হওঁক এটা বাতৰিৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছে। উপাধ্যক্ষ ডাঙৰীয়া, এই বিষয়টো চৰকাৰৰ দৃষ্টি আকৰ্ষণ হৈছে আৰু অসম চৰকাৰৰ আমাৰ শ্ৰমিক বিভাগৰ পৰা এই গোটেই কথা বিলাক ভালকৈ চাল-জাৰি চাইছে আৰু এইটো পৰীক্ষাও কৰিছে। মই এটা কথা ক'ব বিচাৰিছো যে আমাৰ যিখন AIIMS , সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান বিজ্ঞান প্ৰতিষ্ঠান AIIMS সেইখন সম্পূৰ্ণৰূপে কেন্দ্ৰীয় চৰকাৰৰ শ্ৰম আৰু নিয়োগ বিভাগৰ অধীনত কৰা হেতুকে তেওঁলোকে central labour আইনখন মানি লয় আৰু যাৰ কাৰণে আমাৰ এটা কথা হৈছে যে তেওঁলোকে এই যিখিনি মানুহ লৈছে সেইখিনি contractual মানুহে লৈছে আৰু আমাৰ কেন্দ্ৰীয় চৰকাৰৰ contract labour আইন যিখন আছে সেই contract labour আইনখনৰ মতে তেওঁলোকে কিছুমান প্ৰতিষ্ঠান registration কৰি লৈছে, registration কৰা প্ৰতিষ্ঠান সমূহ হৈছে Intelligence Security of India, M.J Solanki India and Intelligence & Security Agency গতিকে তাতে আচলতে যিখিনি নিযুক্তি দিছে তাতে অসমৰ পৰা এই প্ৰতিষ্ঠান কেইটাৰ যোগেদি এই placement খিনি হৈছে বা contractual কামত তেওঁলোকক নিযুক্তি দিয়া হৈছে আৰু এইটো যিহেতুকে AIIMS খন সৰ্বভাৰতীয় অনুষ্ঠান, গতিকে তেওঁলোকে central Act খন মানি চলে আৰু চলাৰ ওপৰত আমাৰ সৰ্বভাৰতীয় ভিত্তিত তেওঁলোকে দুই এজন প্ৰাৰ্থীক দিছে, নিদিয়া বুলি আমি কথাটো কোৱা নাই, গতিকে তাৰ ভিতৰত অসমৰ আছে ২১৫ জন , অৰুণাচল প্ৰদেশৰ

আছে এজন,মণিপুৰৰ এজন, তেনেকৈ উত্তৰ প্ৰদেশৰ এজন, বিহাৰৰ ৯ জন, চত্তীযগড়ৰ ৪ জন, ৱেষ্ট বেংগলৰ ৫ জন, দিল্লীৰ এজন, কৰ্ণাটকৰ এজন, উত্তৰাখণ্ডৰ এজন এনেকৈ ২৪০ টা পদৰ ভিতৰত ৯০ শতাংশ employment appoint সৰ্বভাৰতীয় ভিত্তিত হ'লেও আমাৰ স্থানীয়ক দিছে। আমি এতিয়া দেখা পাওঁ আমাৰ oil India, ONGC তেওঁলোকৰ যিবিলাক পৰীক্ষা পাতি হয়, তেওঁলোকৰ সেইবিলাক সৰ্বভাৰতীয় ভিত্তিতে হয়। কাৰণ সেইবিলাক হ'ল all India basis ৰ organisation আৰু central labour Law মতে তেওঁলোক চলে। উপাধ্যক্ষ ডাঙৰীয়া বৰ্তমান আমৰ চৰকাৰে এই কথাটোৰ ওপৰত গুৰুত্ব দিছে যে শ্ৰমিক কল্যাণ বিভাগে অসম চৰকাৰৰ পৰা ইতিমধ্যে বহিঃৰাজ্যৰ পৰা শ্ৰমিক অনা-নিয়াৰ ক্ষেত্ৰত যাতে সকলো ব্যৱসায়িক প্ৰতিষ্ঠানে যাতে শ্ৰমিক আইন মানি চলে তাৰ বাবে পৰিদৰ্শন কৰি ব্যৱস্থা ল'বলৈ নিৰ্দেশ জাৰি কৰিছে। ইতিমধ্যে আমি direction দিছো যে to inspect all organisation. এই ক্ষেত্ৰত শ্ৰম কল্যাণ বিভাগৰ পৰা বা The Assam Private Placement Agencies for recruitment of workers regulation Act 2019 খনো প্ৰৱৰ্ত্তন কৰা হৈছে। এই আইনখনৰ অধীনত সমগ্ৰ ৰাজ্যখনত অহা ১ এপ্ৰিল ২০২৫ চনৰ পৰা পঞ্জীকৰণৰ কাম আৰম্ভ হ'ব। গতিকে এই আইনখনৰ মতে যিকেইটা প্ৰতিষ্ঠানৰ কথা মই আগতে ক'লো Intelligence Security of India আৰু M.J Solanki India, Intelligence & Security Agency এই সকলো Central Labour Act মতে তেওঁলোকে তাত পঞ্জীয়ণ কৰিছে। আমাৰ যিখন আইন আহিল The Assam Private Placement Agencies for recruitment of workers regulation Act 2019 আইনখন ১ এপ্ৰিল ২০২৫ চনৰ পৰা বলবৎ কৰা হ'ব। এই আইনৰ যোগেদি যিবিলাক Placement agency সমূহে অসমতো পঞ্জীয়ণ কৰিব লাগিব আৰু অসমত পঞ্জীয়ণ কৰাৰ লগে লগে অসমৰ যিখিনি নীতি-নিয়ম থাকিব সেইখিনি তেখেতসকলে মানি চলিব লাগিব। সেইকাৰণে উপাধ্যক্ষ ডাঙৰীয়া, প্ৰকাশিত উপৰোক্ত যিটো বাতৰি আছে, সেইটো চৰকাৰে গুৰুত্ব সহকাৰে লৈছে। এইখন আইনৰ জৰিয়তে ১ এপ্ৰিলৰ পৰা Placement agency বোৰে registration হ'লে তেতিয়া আমাৰ labour Law য়ে যিটো কথা কয় সেই মতে তেওঁলোকে চলিব লাগিব। গতিকে মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই যিটো কথা কৈছে চৰকাৰে সেইটো গুৰুত্ব সহকাৰে লৈছে আৰু আগন্তুক দিনত নিশ্চয় আমি তেনেকৈ আগবাঢ়িব পাৰিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং ৪, বাজেটৰ ওপৰত সাধাৰণ আলোচনা। মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা। আপোনাক দলে ১২ মিনিট সময় দিছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** উপাধ্যক্ষ মহোদয় আমাৰ এজন সদস্য শ্ৰী পোনাকণ বৰুৱা ডাঙৰীয়াৰ বেমাৰ হৈছে।

**মাননীয় উপাধ্যক্ষঃ** গতিকে আপুনি অকলে ১২ মিনিট আৰু ১০ মিনিট মুঠ ২২ মিনিট সময় ক'লেও ক'ব পাৰিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ মজিয়াত ২০২৫-২৬ চনৰ যি বাজেট উত্থাপন কৰিছে, এই বাজেটৰ বাবে মই অসমৰ গতিশীল, স্বপ্নদ্ৰষ্টা তথা জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু লগতে অসমৰ এগৰাকী ভদ্ৰ, বিদুষী আৰু নাৰী শক্তিৰ প্ৰেৰণা মাননীয়া বিত্তমন্ত্ৰী শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়াণীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া মই বাজেটখন সম্পূৰ্ণভাৱে চাইছো আৰু এইবাৰৰ

বাজেট মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়াণীয়ে যি ভাৱে ইয়াত উত্থাপন কৰিছে ইয়াৰ পৰা আমি এটা কথা প্ৰতিপন্ন কৰিব পাৰো বা এই বাজেটৰ পৰা এটা ইংগিত আমি পাবলৈ সক্ষম হৈছো যে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সপোন যে অসম খনক ভাৰতবৰ্ষৰ পাঁচখন অন্যতম শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন ৰাজ্য হিচাপে গঢ়ি তোলা আৰু দেখিছো যে এই বাজেট খন এখন জনমুখী বাজেট, বাস্তৱমুখী আৰু সৰ্বাংগসুন্দৰ বাজেট হৈছে। আমি বজেটত যদি চাবলৈ যাওঁ তেনেহ'লে অসমৰ অৰ্থনৈতিক দিশৰ গতি বা মাত্ৰা যথেষ্ট ভাৱে উন্নত হৈছে। অসমৰ অৰ্থনৈতিক বিকাশে এটা যে নতুন মাত্ৰা, নতুন গতি লাভ কৰিছে। অসমৰ অৰ্থনৈতিক বিকাশ কিভাৱে বৃদ্ধি পাইছে, এই কথাটো আমি উপলব্ধি কৰিব পাৰিলো। আমি যদি চাওঁ, তেনেহ'লে ২০১৫-১৬ চনত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন আছিল ২,২৭,৯৬৯ কোটি টকা আৰু ঠিক সেইকাৰণে যদি জনমূৰী আয় চাওঁ, তেতিয়াহ'লে সেই বছৰটোত জনমূৰী আয় আছিল ৬০,৮১৭ টকা, অৰ্থাৎ ১৫ শতাংশ। এইটো হ'ল ২০১৫-১৬ চনৰ তথ্য আৰু আমি যদি বৰ্তমান ২০২৪-২৫ ত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন চাওঁ, তেনেহ'লে ২০২৪-২৫ ত আমি দেখা পাইছো যে ৬,৪২,৬৬৭ কোটি টকা, তাৰমানে ২০১৫-১৬ চনৰ পৰা ২০২৪-২৫ এই বছৰটোত প্ৰায় ৩ গুন বৃদ্ধি হৈছে আৰু আমি percentage হিচাপে যদি চাওঁ তেনেহ'লে ২০১৫-১৬ চনৰ জনমূৰী আয়ৰ হিচাপত বছৰেকীয়া বৃদ্ধি ২০১৫-১৬ ত আছিল ১৫ শতাংশ আৰু ২০২৪-২৫ ত হৈছে ১০ শতাংশ।

ঠিক তেনেকৈ আমি যদি ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন আৰু অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ লগত তুলনা কৰো, তেনেহ'লে আমি আশাপ্ৰদ ফলাফল লাভ কৰিবৰ কাৰণে সক্ষম হৈছো। অৰ্থাৎ অসমে আশাপ্ৰদ ভাৱে লাভ কৰিবৰ কাৰণে সক্ষম হৈছে। এই তথ্যৰ পৰা আমি গম পাইছো যে ২০১৫-১৬ সেইটো মাননীয় বিত্ত মন্ত্ৰীয়ে বাজেটত উল্লেখ কৰিছে এনে নহয়, economic statics এই কথাটো উল্লেখ আছে। ২০১৫-১৬ ত যদি চাওঁ অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন GSDP ১৭ শতাংশ আছিল আৰু তেতিয়া ভাৰতৰ ঘৰুৱা উৎপাদন আমি যদি চাওঁ ১১ শতাংশ। ঠিক সেইদৰে যদি ২০২৪-২৫ ত আমি অসমৰ মুঠ ৰাজ্যিক উৎপাদন চাওঁ ১৩ শতাংশ আৰু ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন যদি চাওঁ ৩ শতাংশ। এইটো প্ৰতিষ্ঠা হৈছে যে অসমৰ অৰ্থনৈতিক দিশে যে এটা নতুন গতি লাভ কৰিছে, এটা যে নতুন মাত্ৰা লাভ কৰিবৰ কাৰণে সক্ষম হৈছে সেই কথাটো প্ৰতিপন্ন হৈছে।

আমি ইতিমধ্যে অৱশ্যে এখন বাতৰি কাকতত পাইছিলো আৰু বিভিন্ন আমাৰ বিৰোধীৰ মাননীয় সদস্য সকলে কয় যে আমাৰ যিটো বাজেট ব্যয়, সেইটো ৭০ শতাংশও হোৱা নাই, ৭০ শতাংশৰ তলত থকা বুলি ক'ব বিচাৰে। এখন বাতৰি কাকতেতো আজি দুদিন আগত কৈছে যে ৭০ শতাংশ টকা ব্যয় কৰিব পৰা নাই ৰাজ্য চৰকাৰে ২০২৪-২৫ ত। কিন্তু আমি দেখিছো যে ৰাজ্য চৰকাৰে ২০১৫-১৬ ত যদি যাওঁ, মই ২০১৫-১৬ এই কাৰণে কৈছো কাৰণ সেই সময়ত কংগ্ৰেছ চৰকাৰ আছিল। সেইকাৰণে মই এই ২০১৫-১৬টো এটা compare কৰি মই কথাখিনি ক'ব বিচাৰিছো। যদি আমি চাওঁ তেতিয়াহ'লে ২০১৫-১৬ ত বাজেট প্ৰাক্কলন আছিল ৬৬,১৪৪ কোটি টকা আৰু এইটো অসংশোধিত প্ৰাককলন। Revise এটা estimated কৰি তাক কৰা হৈছিল ৬৬,৮১৮ টকা আৰু ২০১৫-১৬ ত খৰছ কৰিছিল মাথোন ৪১,৯৩১ কোটি টকা। অৰ্থাৎ বাজেট ব্যৱহাৰ হৈছিল ৬৫৩ শতাংশ। এতিয়া যদি আমি চাওঁ ২০২১,২০২২,২০২৩ ত সুন্দৰভাৱে ব্যয় কৰিছে, গতিকে ২০২৪-২৫ ত যদি চাওঁ , তেনেহ'লে আমাৰ বাজেট প্ৰাককলন আছিল ১,৪৩,৮৯১ কোটি টকা আৰু ইয়াৰ সংশোধিত প্ৰাককলন আহিছে ১,৬৮,৬৭৩ টকা।

এতিয়া ইয়াতে মুঠ খৰছ হৈছে ১,৪১,৫২৯ কোটি টকা। অৰ্থাৎ ৮৫ শতাংশ। মানে ভাবিব নোৱাৰা, সুন্দৰ প্ৰদৰ্শন। গতিকে বিৰোধী দলে ধন্যবাদ দিব লাগে আমাৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াণীয়ে যে ইমান সুন্দৰভাৱে কাম কৰিছে, পৰিকল্পিতভাৱে কাম কৰিছে, ব্যয় কৰিবৰ কাৰণে সক্ষম হৈছে। গতিকে আমি দেখিছো যে এইখন চৰকাৰে বিশেষকৈ মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াণীয়ে সচাঁকৈ নিষ্ঠা আৰু সততাৰে কাম কৰিছে আৰু অসমখনৰ উন্নয়ন বিকাশৰ ক্ষেত্ৰত তেওঁৰ এটা আন্তৰিকতা আছে আৰু সেইকাৰণে আজি ইমানখিনি পুঁজি খৰছ কৰিবৰ কাৰণে সক্ষম হৈছে। আজি যদি আমি চাওঁ এই বাজেটত অকল বিকাশ আৰু উন্নয়ণে হৈছে, এনে নহয়। বিকাশ, উন্নয়ণ হোৱাটো ১০০ শতাংশ সচাঁ আৰু যদি উন্নয়ণৰ উপৰিও আমাৰ চৰকাৰখনৰ যিটো লক্ষ্য, দৰিদ্ৰতা নিৰ্মূল কৰাৰক্ষেত্ৰতো এই চৰকাৰে বহুখিনি জনকল্যাণমুখী আঁচনি গ্ৰহণ কৰিছে।

গতিকে আজি আমি অকল অসমৰ আন্তঃগাঁথনি-ৰাস্তা, দলং, শিক্ষানুষ্ঠান, চিকিৎসালয় এই সমূহ কাম কৰাৰ উপৰিও আজি কিন্তু আমাৰ অসমত অৰ্থনৈতিকভাৱে যি লাখ লাখ পৰিয়াল আজি অৰ্থনৈতিকভাৱে পিছপৰি আছে, এই পৰিয়াল সমূহকো সকাহ দিয়াৰ কাৰণে বিভিন্ন গুৰুত্বপূৰ্ণ আঁচনি এইখন চৰকাৰে গ্ৰহণ কৰিছে। এটা গুৰুত্বপূৰ্ণ আঁচনি আহিছে -অৰুণোদয় আঁচনি। এতিয়া এই অৰুণোদয় আঁচনি এজন বিধায়কে ক'ব বিচাৰে যে এই অৰুণোদয় আঁচনিৰ হয়তো প্ৰয়োজন নাই, মোৰ সমষ্টিতো নালাগে, এনে ধৰণৰ বক্তব্য আমি ইয়াত শুনিবলৈ পাইছো। অৰুণোদয় আঁচনিয়ে আজি অসমৰ life long দুখীয়া পৰিয়ালক কিভাৱে অৰ্থনৈতিকভাৱে সুৰক্ষিত কৰিছে, কিভাৱে মৰ্য্যাদা দিছে, সেই কথাটো আমি হৃদয়ঙ্গম কৰিব পাৰিব লাগিব। মই এটা সৰু উদাহৰণ দিছো যে মোৰ সমষ্টিত এনেকুৱা কিছুমান পৰিয়াল আছে, যি পৰিয়ালত তিনি গৰাকী বিধৱা মহিলা আছে। কোনো income source নাই। সেই সকলোৱে কিভাৱে জীৱন নিৰ্বাহ কৰিছিল যদি আপুনি প্ৰত্যক্ষ কৰে তেতিয়া অনুভৱ কৰিব। আজি সেই অৰুণোদয় আঁচনিৰ জৰিয়তে ১২৫০ টকা নিয়াৰ কাৰণে মই সেইদিনা সেই পৰিয়ালটোৰ ওচৰলৈ গৈছিলো। পৰিয়ালটোৱে কৈছে যে এইখন চৰকাৰে অৰুণোদয় আঁচনিটো লোৱাৰ কাৰণে আজি আমি যথেষ্ঠভাৱে সকাহ পাইছো। আজি আমি জীয়াই থকাৰ এটা সম্বল পাইছো। তেনেকুৱা শাৰীৰিক ভাৱে পঙ্গু, যিয়ে ইনকামো কৰিব নোৱাৰে তেনেকুৱা ধৰণৰ পৰিয়ালো আজি এই অৰুণোদয় আঁচনিৰ জৰিয়তে উপকৃত হৈছে। এই কথাবিলাক আমি হৃদয়ঙ্গম কৰিব লাগিব। হয় যদি অৰুণোদয় আঁচনিৰ কৰ'বাত কিবা ত্ৰুটি আছে তেন্তে চীষ্টেমত ত্ৰুটি আছে। চীষ্টেমটোৰ কথা কওঁক। অৰুণোদয় আঁচনিয়ে আজি কি ভাৱে দুখীয়া পৰিয়াল সমূহক উপকাৰ কৰিছে, কি ধৰণে তিল তিল কৈ মৰিব ধৰা এটা পৰিয়াল আজি এই অৰুণোদয় আঁচনিৰ জৰিয়তে জীয়াই আছে সেই কথাবিলাক আমি ৰাইজৰ প্ৰতিনিধি হৈ উপলব্ধি কৰিব লাগিব। গতিকে মই অনুৰোধ জনাইছো যে ৰাজ্য চৰকাৰে ২০২০ চনত প্ৰথম ১৮ লাখ মহিলাক এনেধৰণে আৰ্থিক সকাহ দিছিল, আৰ্থিক সাহাৰ্য্য আগবঢ়াইছিল। ঠিক তেনেকৈ ২০২৩ চনত ২৪ লাখ আৰু ২০২৫-২৬ বৰ্ষত ৩৭ লাখ ২০ হাজাৰ এনেকুৱা পৰিয়ালক অন্তৰ্ভুক্ত কৰাৰ কাৰণে সিদ্ধান্ত লৈছে। মই ভাৱো এইটো এটা সুন্দৰ পদক্ষেপ আৰু যি পদক্ষেপৰ জৰিয়তে আজি অসমেই নহয় আমি ইতিমধ্যে অৱগত হৈছো যে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যইও আজি এনেধৰণে বেলেগ বেলেগ নাম দি এইধৰণৰ আঁচনি প্ৰৱৰ্তন কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। গতিকে মই ৰাজ্য চৰকাৰক বিশেষকৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু মাননীয়া বিত্তমন্ত্ৰী মহোদয়াক ধন্যবাদ দিছো। এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি। আমি এই আঁচনি বিলাকৰ কথা ভবাই নাছিলো বা এইবিলাক আঁচনিৰ কথা ভাবিবই পৰা নাছিলো যে এখন

চৰকাৰে যে এনেধৰণৰ আঁচনি ল'ব পাৰে। মই ১৯৮৫ চনৰ পৰা ৩০ টা বছৰ বিধায়ক হৈ আছো। এনেধৰণৰ আঁচনি কেতিয়াবা যে ল'ব, এনেধৰণৰ আঁচনি যে অসমত কেতিয়াবা হ'ব, এনেধৰণৰ আঁচনিয়ে যে আমাৰ দুখীয়া পৰিয়াল সমূহক সকাহ দিব এই কথাবিলাক কিন্তু আমি ভাবিব পৰা নাছিলো। কিন্তু এতিয়া দেখিছো যে এইখন চৰকাৰে ইমান সুন্দৰ সুন্দৰ কিছুমান আঁচনি লৈছে। মই সঁচাকৈয়ে এইখন চৰকাৰক বিশেষকৈ বিত্তমন্ত্রী মহোদয়াক ধন্যবাদ দিছো। আজি তেওঁ ৰাইজৰ আৰ্শীবাদ পাব, দুখীয়া মানুহৰ আৰ্শীবাদ পাব আৰু তাৰ ভাগ আমিও পাম কাৰণ আমিও ৰাইজৰ প্রতিনিধি আমিও দিছো। গতিকে মই আশা ৰাখিছো যে এনেধৰণৰ আঁচনি ল'ব লাগে। মুখ্যমন্ত্রীৰ মহিলা উদ্যমিতা আঁচনিৰ জৰিয়তে যিবিলাক আত্মসহায়ক গোট আছে, চৰকাৰে সেই আত্মসহায়ক গোট সমূহৰ গোটটোক হে পুঁজি দিছিল। কিন্তু গোটটোৰ যিখিনি সদস্য আছে, যি ১০ গৰাকী মেম্বাৰ সেই গোটটোত থাকে সেই প্রতিগৰাকী সদস্য-সদস্যাক আজি ১০ হাজাৰ টকাকৈ দিয়াৰ ব্যৱস্থা লৈছে। গতিকে মই ভাবো যে এই আঁচনিটো এটা সৰ্ব্ববৃহৎ আঁচনি। আজি যদি প্রতিগৰাকী মহিলাই আত্মসহায়ক গোটত ১০ হাজাৰকৈ টকা পায় তেনেহ'লে সেই পৰিয়ালটোৱে কিমানখিনি সকাহ পাব। সেই টকাতো চাউল-দালি কিনিবলৈ এই পইচাটো দিয়া নাই। তেওঁলোকে তাত আঁচনি ল'ব লাগিব আৰু সেই আঁচনিটো তেওঁলোকে বাস্তৱত ৰূপায়ণ কৰিব লাগিব। এই যি ১০ হাজাৰ টকা মূলধন হিচাবে দিয়া হৈছে, ইয়াৰ পৰৱৰ্ত্তী সময়ত ২৫ হাজাৰকৈ টকা দিয়াৰ এটা ব্যৱস্থা লৈছে আৰু এই ২৫ হাজাৰ টকাৰ চাৰে বাৰ হাজাৰ টকা ৰাজ্য চৰকাৰে ৰাজসাহাৰ্য্য হিচাবে দিব আৰু চাৰে বাৰ হাজাৰ বেংকৰ পৰা ঋণ হিচাপে ল'ব লাগিব। যিসকলে ১০ হাজাৰ টকা পাইছিল সেই টকা যদি সৎ ভাৱে ব্যৱহাৰ কৰে তেওঁলোকেও পাব আৰু তাৰ লগতে অতিৰিক্ত ভাৱে পুনৰ আত্মসহায়ক গোট লোৱাৰ ব্যৱস্থা গ্রহণ কৰিছে। তাৰ পৰৱৰ্ত্তী ৫০ হাজাৰ আৰু তাৰ চাবচিডি থাকিব ২৫ হাজাৰ, তাৰ পৰৱৰ্ত্তী হ'ব ১ লাখ আৰু তাৰ চাবচিডি থাকিব ৫০ হাজাৰ। গতিকে এইটো এটা সুন্দৰ আঁচনি। এই আঁচনিৰ জৰিয়তে আমাৰ দুখীয়া পৰিয়াল সমূহক উপকৃত কৰাৰ কাৰণে নিশ্চয় সহায়ক হ'ব। ঠিক তেনেদৰে মুখ্যমন্ত্রী নিযুত মইনা আঁচনি। সঁচাকৈয়ে এটা ভাল আঁচনি গ্রহণ কৰিছে। আমি দেখো যে যিসকলে মেট্রিক পাচ কৰে, মেট্রিক পাচ কৰাৰ পিছত টকাৰ অভাৱত তেওঁলোকৰ মন থাকিলেও কলেজত এডমিশ্যন ল'ব নোৱাৰে। গতিকে আমাৰ উদ্দেশ্য হ'ল যে যিসকল দুখীয়া পৰিয়ালৰ ল'ৰা-ছোৱালীৰ কলেজত পঢ়াৰ মন আছে সেই সকলে যাতে কলেজত পঢ়িব পাৰে। এই আঁচনিখনৰ ভিতৰত এটা মূল কথা আছে যে বাল্যবিবাহ বন্ধ কৰা। যিসকলে একাদশ শ্রেণীত নাম ভৰ্ত্তি কৰিব তেওঁলোকক ১ হাজাৰ টকাকৈ প্রতিমাহে দিয়াৰ ব্যৱস্থা কৰিছে। স্নাতকৰ প্রথম বাৰ্ষিকৰ ছাত্ৰী সকলৰ বাবে ১২৫০ টকাকৈ দিয়াৰ ব্যৱস্থা কৰিছে আৰু স্নাতকোত্তৰ প্রথম বাৰ্ষিকৰ ছাত্ৰী সকলক ২৫০০ টকাকৈ দিয়াৰ ব্যৱস্থা কৰিছে। এই আঁচনিখন এখন সুন্দৰ আঁচনি। গতিকে এই আঁচনিবোৰৰ কাৰণে আমি সকলোৱে এই চৰকাৰখনক অনুপ্রেৰণা দিয়া উচিত। এতিয়া হৈছে মুখ্যমন্ত্রীৰ জীৱন প্রেৰণা আঁচনি। এই আঁচনিখন অৱশ্যে এখন নতুন আঁচনি। এই আঁচনিখনৰ মতে যিসকল ল'ৰা-ছোৱালীয়ে ২০২৫ চনত চৰকাৰী মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ পৰা উত্তীৰ্ণ হ'ব সেই সকলক এইখন চৰকাৰে এটা বছৰৰ কাৰণে প্রতিমাহে ২৫০০ টকাকৈ দিয়াৰ ব্যৱস্থা কৰিছে। যেতিয়া এজন ল'ৰা গ্রেজুৱেট হ'ব আৰু গ্রেজুৱেট হোৱাৰ পিছত তেওঁ যাতে অন্য কোচিঙত নাম ভৰ্ত্তি কৰিব পাৰে বা অন্য কোনো প্রশিক্ষণ ল'ব পাৰে যেনেধৰণেই নহওঁক তেওঁ যাতে টকাৰ অভাৱত সেই সুবিধাটোৰ পৰা বঞ্চিত নহয় তাৰকাৰণে আৰ্থিকভাৱে এইখন চৰকাৰে প্রতিমাহে আৰ্থিক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা গ্রহণ কৰিছে। এতিয়া অসম

চুক্তিৰ কথাৰে আছো। এতিয়ালৈকে যিমানবোৰ চৰকাৰ হৈ গ'ল তাৰ কোনো এখন চৰকাৰে আমাৰ অসম চুক্তিৰ ৬ নং দফাটো কাৰ্য্যকৰী কৰাৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। এইখন চৰকাৰে অসম চুক্তিক সন্মান বা মৰ্য্যদা দি অৱসৰ প্ৰাপ্ত ন্যায়াধীশ শ্ৰী বিপ্লৱ কুমাৰ শৰ্মাৰ যিখন প্ৰতিবেদন আছিল সেই প্ৰতিবেদনত থকা পৰামৰ্শখিনি ৰূপায়ণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। মাননীয়া সভানেত্ৰী মহোদয়া কৃত্ৰিম উপগ্ৰহৰ ক্ষেত্ৰত অসমত কেন্দ্ৰীয় চৰকাৰৰ মহাকাশ বিভাগৰ অধীনস্থ ভাৰতীয় ৰাষ্ট্ৰীয় মহাকাশ উদ্‌গনি কৰ্তৃত্ব প্ৰদান কেন্দ্ৰৰ জৰিয়তে গোটেই অসমতেই যাতে আমাৰ কৃষি, দূৰ্যোগ ব্যৱস্থা, সীমান্ত সুৰক্ষাৰ ক্ষেত্ৰত নজৰ দিব পাৰে তাৰ কাৰণে ৰাজ্য চৰকাৰে নিজাববীয়াকৈ কৃত্ৰিম উপগ্ৰহৰ ব্যৱস্থা কৰিবলৈ আগবাঢ়িছে। আৰু এটা ডাঙৰ কাম কৰিবলৈ লৈছে যে Proton Therapy কেন্দ্ৰ যিটো ভাৰতবৰ্ষত মাত্ৰ চেন্নাইৰ Apollo Hospital আৰু মুম্বাইৰ টাটা হস্পিতালত আছে। এতিয়া অসমত এনেধৰণৰ এটা ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত Proton Therapy কেন্দ্ৰ স্থাপন কৰিবলৈ যোৱাতো মই ভাবো এটা সুন্দৰ সিদ্ধান্ত। মই ধন্যবাদ জ্ঞাপন কৰিছো।

**শ্ৰী মতী নন্দিতা দাস, (সভাপতি) ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী আব্দুল বাতিন খন্দকাৰ।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, (উত্তৰ অভয়াপুৰী) ঃ** মাননীয় সভাপতি মহোদয়া, অংশগ্ৰহণ কৰাৰ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনালো। প্ৰথমতে মই বিত্তমন্ত্ৰী বাইদেউক ধন্যবাদ জনালো যে প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ দেৱৰ দিনত অসমখন উন্নতিৰ পথত আগবাঢ়ি গৈ আছিল তাৰে এখন ছবি এই বাজেট ভাষণত উল্লেখ কৰিছে। ২০১৫ চনত জনমূৰি আয়ৰ বৃদ্ধি হাৰ আছিল ১৫% আৰু আজিৰ তাৰিখত হৈছে ১০%। গতিকে প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ দেৱৰ চৰকাৰ ভাল হ'লনে আজিৰ চৰকাৰ ভাল হ'ল ৰাইজে বিবেচনা কৰিব। Percentage matter কৰে, figure টো পৰৱৰ্তী সময়ত cumulative হৈ আগবাঢ়ি যায় সেইটো বেলেগ এটা কথা। আকৌ GSDP ৰ ক্ষেত্ৰত যেনেকে বৃদ্ধিৰ হাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ দেৱৰ চৰকাৰ ৰ দিনত আছিল ১৭% আৰু আজিৰ তাৰিখত ১৩%। গতিকে প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ দেৱে যে অসমখন উন্নতিৰ পথত আগবঢ়াই লৈ গৈছিল কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰ খনে, এই কথা বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ বাজেট ভাষণত স্পষ্ট ভাৱে প্ৰতিফলিত হৈছে । গতিকে আমি এই খিনি কথাই ক'ব বিচাৰিছো আৰু ৰাজ্যখনৰ সম্পদ গঢ়াৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিব বিচাৰিছো যিটো capital outlay বুলি কোৱা হয় । বাজেট estimate ত যিটো টকা ৰখা হৈছে, যোৱা ২০২৪-২৫ বৰ্ষৰ revised estimate তকৈ ১৩% টকা কম। অৰ্থাৎ দেশৰ infrastructure, দেশৰ ভৱিষ্যত নিৰ্মাণৰ কাৰণে capital outlay ৰ প্ৰয়োজন যিটো বেছি হ'ব লাগিছিল। যদিহে আমি figureটো ক ওঁ এনেকুৱা ধৰণৰ হ'ব ৩৩,৮৯৭ কোটি টকা আছিল revised estimate ২০২৪-২৫ বৰ্ষত আৰু এইবাৰ ২০২৫-২৬ ৰ বাজেটত ২৯,৩৬৪ কোটি টকা । গতিকে আমি বিচাৰো যে যদি সংশোধনীৰ উ পায় থাকে, ৰাজ্য খনৰ ভৱিষ্যত সুৰক্ষা কৰাৰ স্বাৰ্থত, সম্পদ গঢ়াৰ স্বাৰ্থত, আন্তঃগাঁথনি গঢ়াৰ স্বাৰ্থত যাতে আমি capital outlay টো বঢ়াই দিব পাৰো। Public Debt এই বছৰ দেখুওৱা হৈছে ৩৪,১৮৫ কোটি টকা, সেই সাপেক্ষে ৰাজ্যৰ ভৱিষ্যত নিৰ্মাণৰ কাৰণে capital outlay ত ৭০০০ কোটি টকা কম হে। গতিকে Public Debt লৈ যে আমি capital outlay ত খৰচ নকৰি বেলেগত যে আমি খৰচ কৰি আছো এই কথাটো বাজেটত স্পষ্ট হৈছে আৰু কিছু ক্ষেত্ৰত চমক সৃষ্টি কৰিবলৈ, হিতাধিকাৰী সৃষ্টিৰ কাৰণে সকলোৱে বাঃ বাঃ ল'ব বিচাৰিছে, কিন্তু যদি মই কওঁ যে গ্ৰামোন্নয়ণ বিভাগত যোৱাবাৰৰ revised estimate ৰ

পৰা ৩০% ধন কমাই দিয়া হৈছে। যোৱাবাৰ আছিল ৭১২২ কোটি টকা, এইবাৰ বাজেটত ৪৯৬২ কোটি টকা। যি গাঁৱত আমি যাব নোৱাৰো, য'ত উন্নয়ণৰ চিন-চাব নাই তাৰ উন্নয় ণৰ টকা কমাইহে দিয়া হৈছে। গতিকে এইটো চিন্তনীয় বিষয় হৈ পৰিছে। আজিৰ দিনত স্বাস্থ্যৰ ক্ষেত্ৰত যথেষ্ট ব্যয়-বহুল হৈ পৰিছে আৰু স্বাস্থ্যৰ ক্ষেত্ৰতো ৭% কমাই দিয়া হৈছে। revised estimate ২০২৪-২৫ বৰ্ষত আছিল ৯৫৭০ কোটি টকা আৰু এইবাৰ ২০২৫-২৬ ৰ বাজেটত ধৰা হৈছে ৮৯০২ কোটি টকা । ঠিক তেনেদৰে কৃষিৰ ক্ষেত্ৰতো একেই। কৃষকসকলৰ প্ৰতি এই চৰকাৰে সদয় হোৱা নাই, revised estimate তকৈ ৫% ধন কমাই দিয়া হৈছে। গতিকে বাজেটত যিটো জাকজমকতা দেখুৱাবলৈ চেষ্টা কৰা হৈছে, basic যিবিলাক sector যেনে কৃষি, স্বাস্থ্য, গ্ৰামোন্নয়ণত ধন কমাই যদি হিতাধিকাৰীৰ সৃষ্টিৰ কাৰণে ধন ব্যয় কৰা হয় সেইটো কিমান দূৰ সমীচীন আমি সকলোৱে চাব লাগিব। মই ভূপেন হাজৰিকাৰ গানৰ কলিৰে ভাষণটো শেষ কৰিব বিচাৰিছো -

" মানুহে মানুহৰ বাবে
যদিহে অকণো নেভাৱে
অকণি সহানুভূতিৰে
ভাৱিব কোনেনো কোৱা,
সমনীয়া ?
মানুহে মানুহৰ বাবে.."

ধন্যবাদ।

**শ্ৰী মতী নন্দিতা দাস, (সভানেত্ৰী)ঃ** ধন্যবাদ। এতিয়া মাননীয় বিধায়ক শ্ৰী পৰমানন্দ ৰাজবংশী।

**শ্ৰী পৰমানন্দ ৰাজবংশী, (ছিপাঝাৰ) ঃ** এই পৱিত্ৰ সদনৰ মাননীয়া সভাপতি ডাঙৰীয়ানী, এই সদনৰ সকলো সন্মানীয় সদস্যক সম্বোধন কৰি প্ৰত্যেকৰে ক্ষেত্ৰত এটা কথা ক'ব বিচাৰিছো । মই যেনেকৈ মোৰ হৃদয়ত তিনি গৰাকী মাক লৈ ঘূৰি ফুৰো একে ধৰণে মই জানো যে আমাৰ ইয়াৰ সৰহ ভাগেই তিনি গৰাকী মাক লৈ জীয়াই আছে। এই তিনি গৰাকী মাৰ প্ৰথম গৰাকী হৈছে মোৰ জন্মদাত্ৰী মাতৃ, দ্বিতীয় গৰাকী মা হৈছে মোৰ মাৰ মুখৰ ভাষা মাতৃভাষা আৰু তৃতীয় গৰাকী মা হৈছে - জননী জন্মভূমিশ্চ স্বৰ্গাদ পি গৰিয়সী, এইখন অসমী আই আৰু এইখন ভাৰতী আই। এই তিনি গৰাকী মাৰ সন্দৰ্ভত আজি ক'বলৈ পাই ভাল লাগিছে যে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া আৰু আমাৰ যশস্বী মুখ্যমন্ত্ৰী ড. হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চিন্তন মনোভাৱেৰে আমাৰ এগৰাকী মাতৃ য়ে আজি পঞ্চমবাৰৰ বাবে ২০২৫ ৰ এইখন বাজেট উত্থাপন কৰিছে। এইখিনি কথা ক'বলৈ পাই মোৰো ভাল লাগিছে যে আজি মই যিগৰাকীৰ সন্মুখত এই বক্তব্য উপস্থাপন কৰিছো তেখেতো এগৰাকী মা আৰু এই 'মা' ক বিভিন্ন প্ৰকাৰে শক্তিশালী কৰিবৰ কাৰণে আজি ১০৭ পৃষ্ঠাৰ এই বাজেটখনৰ পাতে পাতে অপ্ৰান্ত উপাদান তাত নিহিত হৈ আছে। মোৰ মাৰ বাবেই 'অৰুণোদয়', নিযুত মাইনা , মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনি কে আৰম্ভ কৰি আজি যদি মোক বক্তব্য ৰাখিবলৈ দিয়া হয় তেতিয়া হ'লে কমেও মোক এঘণ্টা বা দুঘণ্টা সময় লাগিব। কিন্তু মই আজি সেইবোৰ কথা ক'বলৈ বিচৰা নাই যিহেতু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সবিস্তাৰে আটাইখিনি কথা ব্যক্ত কৰিছে। মোৰ মা যেতিয়া শক্তিশালী হ'ব তেতিয়া মাতৃভাষা অৰ্থাৎ আপোনালোকে জানি সুখী হ'ব যে মোৰ মাতৃভাষা অসমীয়া উত্তৰ - পূৰ্বাঞ্চলত এটা সময়ত সংযোগী ভাষা আছিল। আজি জনগোষ্ঠীয় সকলো লোকেই নিজ মাতৃভাষাক লৈ সন্তুষ্টি প্ৰকাশ কৰিব পাৰে কিহৰ কাৰণে এইটো আপোনালোক সকলোৱে চিন্তা কৰক। একেদৰে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ ডাঙৰীয়াই

যি সপোন দেখিছিল সেই সপোন আমি আজি সকলোৰে দেখিছো -

'কামৰূপা মোৰ সুৰদী সুৰীয়া
অসমীয়া ভাষা জগত সভালৈ যাব
উজ্জ্বল সুজ্জ্বল কহিনুৰ পিন্ধি
হাঁহি জ্যোতিৰূপা হ'ব।'

আপোনালোক সকলোৰে জানে যে সেই মৰ্য্যাদা অকল অসমীয়া ভাষাতে ক্ষান্ত থকা নাই। আজি একে ধৰণে আমাৰ যি বাংলা ভাষাৰো যি মৰ্য্যাদা, সেই ধ্ৰুপদী মৰ্য্যাদাৰ বাবে আজি আমি সকলোৰে গৌৰৱ কৰিব লৈছো যে আমি কেনে ধৰণে অসমীয়া ভাষাৰ কি ধৰণে কাম কৰিম আৰু কি ধৰণে আমি আগবাঢ়িম, বহুটো বুদ্ধিজীৱীয়ে সেই সন্দৰ্ভত বক্তব্য আগবঢ়াইছে। মই আজি এটা কথাই ক'ব খুজিছো যে মই যদি সময়ত পালো হেতেন তেতিয়া হ'লে, আমাৰ যিখন বাজেটত প্ৰতিটো পৃষ্ঠাতেই এই যে ধ্ৰুপদী ভাষা কৰিবৰ কাৰণে অসমীয়া ভাষাকে আৰম্ভ কৰি আমাৰ জনগোষ্ঠীয় ভাষা, বড়ো ভাষা আৰু প্ৰত্যেকৰ যি যি ভাষাৰ যিটো মৌলিক অধিকাৰ, সেই মৌলিক অধিকাৰ সাব্যস্ত কৰা হৈছে, এইখন বাজেটত। যেতিয়া আমি মাতৃভাষাৰ গোটেইখিনি মৰ্য্যদা লৈ চৰকাৰী কৰণৰ কাৰণে মাতৃভাষা, বিশেষকৈ অসমীয়া ভাষা বা চৰকাৰী ভাষাৰ কাৰণে যেতিয়া আমি মাননীয় আমাৰ সন্মানীয় তৰুণ গগৈ ডাঙৰীয়াৰ ওচৰত যেতিয়া আমি সভাপতি আৰু বহু কেইজন গৈছিলো, বহুবাৰ আমি অনুনয় বিনয় কৰিছিলো, তেখেতে ৩ জনীয়া কমিটি এখন কৰি দিছিল মন্ত্ৰী সভাৰ যে যিখিনি ইয়াত সদৌ অসম ছাত্ৰ সন্থাৰ যি অসম চুক্তিৰ ৬ষ্ঠ যিটো দফা লৈ যিখিনি আজি ইয়াত সন্নিবিষ্ট হৈছে, এই আটাইখিনি কথাই আমি তেখেতৰ সৈতে পাতিছিলো। আমি ভাবিছিলো যে আমাৰ তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰখনৰ সেই কমিটিখনে কামখিনি কৰি দিব। নকৰিলে, আৰু তেতিয়া আমাৰ সপোনটোৰ মোহভংগ ঘটিল আৰু লগে লগে মোৰ আজি এনেকুৱা ভাল লাগিছে যে আজি প্ৰায় তিনি বছৰ ধৰি চটফটাই আছো। কেতিয়া আমাৰ খিলঞ্জীয়াৰ অধিকাৰ সাব্যস্ত হ'ব? আটাইতকৈ গুৰুত্বপুৰ্ণ কথা যে মাতৃভাষাৰ ক্ষেত্ৰত উৎকৃষ্টতম মাধ্যমটো হৈছে গ্ৰন্থ। গ্ৰন্থ যদি মই কওঁ যে ভগৱানৰ বিমুৰ্ত ৰূপ, কিয় ক'ম আপোনালোকে নামঘৰলৈ যাওঁক মন্দিৰলৈ যাওঁক আপোনালোকে কি পাব? নামঘৰলৈ গ'লেটো আপোনালোকে কৃষ্ণক লগ নাপায় তাতেটো আপোনালোকে শংকৰদেৱক লগ নাপায়, বা তাতে সনাতনী ধৰ্মৰ বিশিষ্ট ব্যক্তি সকলকো লগ নাপায়। পাব কি গ্ৰন্থ, ভাগৱত, দশম, কীৰ্ত্তন, বা শিৱ পুৰাণ বা মহা পবিত্ৰ পুৰান এই বিলাকেই তাত পাব। তাৰ মাজতে নিহীত হৈ আছে ভগৱান সত্তা। আজি আপোনালোকে মছজিদলৈ যাওঁক তাতে আপোনালোকে কেতিয়াওঁ আল্লাহক লগ নাপায়, তাত পৱিত্ৰ কোৰাণ পাব। আপুনি গীৰ্জালৈ যাওঁক, আপুনি কেতিয়াওঁ সেই গীৰ্জাত যিশুখ্ৰীষ্টক নাপায়, পাব মাত্ৰ বাইবেল। একে ধৰণে যদি আপোনালোকে দেখে যে শিখ সকলৰ যি গুৰুদ্বাৰ সেই গুৰুদ্বাৰত গ'লে, গ্ৰন্থচাহেবক পাব, ত্ৰিপিটক পাব। গতিকে আপোনালোকে ভাবি চাব যে গ্ৰন্থ ভগৱানৰ বিমুৰ্ত ৰূপ হিচাপে , এই গ্ৰন্থৰ পৰিসৰ বঢ়াব কাৰণে, পুঠিভঁড়াল সৃষ্টি কৰিবৰ কাৰণে ইয়াত যি ধৰণৰ এটা সুন্দৰ মাৰ্গ দৰ্শন দিছে এই বাজেটে সেইখিনি পাই মই নিজে ধন্য মানিছো, আৰু মই এটা কথা ক'ব খুজিছো যে আপোনালোক সকলোৰে জানে যে মৎস্য ৰূপে অৱতাৰ লৈলা প্ৰথমত, চাৰিবেদ উদ্ধাৰিলা প্ৰলয় জলত। মই এই কথাখিনি এই কাৰণে কৈছো, যে মহা প্ৰলয় হৈছিল, এই মহা প্ৰলয়ত স্বয়ং কৃষ্ণ বিলীন হৈ গৈছিল আৰু দ্বাৰকা নগৰী ভাৰতৰ অটল তলিত বিদ্যমান, হে মোৰ সদনৰ সতীৰ্থ সকল মই আজি এইখিনি

কথা ক'বলৈ পাই ধন্য মানিছো যে সেই মহা প্ৰলয়টো চাৰিবেদ উদ্ধাৰিলা প্ৰলয় জলত। সেই চাৰি বেদে কেনেকৈ সমগ্ৰ বিশ্বত আজি জ্ঞান বিজ্ঞান প্ৰযুক্তিক মহিমামণ্ডিত কৰিছে, সেই কথা কেতিয়াও আৰু বেলেগকৈ ক'ব খোজা নাই। মই এই কথাখিনি ক'বলৈ পাই ধন্য মানিছো যে আজি আপোনালোকে নিশ্চয় দেখিছে, যে আমাৰ অন্য এগৰাকী মা ভাৰতী আই , আমাৰ আন এগৰাকী মা আপোনালোকে নিশ্চয় জানে সেয়া হৈছে আমাৰ অসমী আই। অসমী আইৰ ক্ষেত্ৰতেই হওঁক ভাৰতবৰ্ষৰ ভিতৰতে এখন এক নং নহলেওঁ ৫ নং শ্ৰেষ্ঠ ৰাজ্য কৰিবৰ কাৰণে গোটেই খিনি ঢালিবাকী দিয়া হৈছে আজি এইখন বাজেটত। অৰুণোদয়ৰ পৰা একেবাৰে সৌৰজগতলৈকে যি এটা ৰূপৰেখা মই কওঁ যে সেয়া ৰূপৰেখা নহয়, মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে ৰূপৰেখা, কিন্তু মই কওঁ সেয়া অকল ৰূপৰেখাই নহয় সেয়া হৈছে এখন মহা শাস্ত্ৰ। সেইখন হৈছে আমাৰ এটা পৰম মাইলৰ খুটি। মই সাহিত্য সভা বা মই অন্যান্য অনুষ্ঠানৰ লগত যিহেতু সম্পৰ্কীত সকলোৰে কৈছে যে এইখন বাজেট যদি আজি ২০ বছৰ আগত হ'লেহেতেন তেতিয়াহ'লে আজি এই ভাষাৰ ক্ষেত্ৰত যিবিলাক সংঘাত হৈছিল সেই সংঘাত বিলাক নহ'লেহেতেন আৰু যি ধৰণে আজি আমাৰ অনৈক্য হৈছে বিভিন্ন জনগোষ্ঠীৰ মাজত, সেই বিলাক নহ'লহেতেন। গতিকে মই এটা কবিতাৰ শাৰীৰে মই ভাষণ সামৰিব খুজিছো, গোটোৱা গোলাপ কলি সময় থাকোতে সখী, সময়ৰ সোঁত বলি যায়, যিটো ফুলে হাঁহি আজি ফুলনি ফুলাই তোলে। কাইলৈ পাঁহীমেলি নাহাঁহে দুনাই। মই সকলো সন্মানীয় সদস্যক এটা কথা ক'ব খুজিছো যে এইখন বাজেটত যি নেকি গোলাপ সদৃশ পাহি আছে, আপোনালোকে গ্ৰহণ কৰক কাৰণ সময় ৰৈ নাথাকে। সময়ৰ কথাখিনিয়ে যতিন দুৰৰাৰ কবিতাটিত নিহীত হৈ আছে, সময়ৰ সোঁত বলি যায় । ভাৰত মাতা কি জয়, চিৰ চেনেহী মোৰ ভাষা জননী।

**শ্ৰী মতী নন্দিতা দাস, (সভানেত্ৰী)ঃ**এতিয়া মাননীয় সদস্য দূৰ্গা দাস বড়ো। আপোনাৰ সময় ৪ মিনিট।

**শ্ৰী দূৰ্গা দাস বড়ো, (কলাইগাওঁ)ঃ** সভানেত্ৰী ডাঙৰীয়ানী মই পাৰ্টীৰ সময়খিনি গোটেইখিনি ক'ম। দুজনে কোৱাৰ কথা আছিল গতিকে মোৰ ৮ মিনিট হ'ব। সভানেত্ৰী ডাঙৰীয়ানী মই বাজেটৰ পক্ষত দুটামান কথা ক'ব বিচাৰিছো, কিন্তু তাৰ লগতে দুটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। খুব দৰকাৰী পৰামৰ্শ । ইয়াতে বিত্ত মন্ত্ৰী আছে, snapshot বুলি বাজেটৰ যিখন তেখেত সকলে উলিয়াইছে, আমাক সকলোকে দিছে। আমাৰ ৰাজ্যখনৰ সাধাৰন নাগৰিকৰ কিবা উন্নতি হৈছে নে নাই সকলোৰে কৈছে, ময়ো কৈছো যে GDP ৰ ওপৰত যদি নিৰ্ভৰ কৰে আমাৰ GDP ৰ আশাপ্ৰদ ভাৱে বৃদ্ধি নহলেও আমাৰ ৰাজ্যৰ যিটো GDP সেইটো National GDP ত কৈ বেছি আছে, সেইটো দেখুৱাইছে আৰু আমাৰ যি কেইটা resource mobilise কৰাৰ কাৰণে সুবিধা থকা শিতান আছে সেই কেইটা শিতানত মই এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো। হয় যথেষ্ট ধন তেখেত সকলে ইয়াত ধৰিছে । ফৰেষ্টৰ পৰা ৯৯৭ কোটি টকা, Commissioner & Taxes পৰা ৫১কোটি ২৭ হাজাৰ, Geology & Mining ৰ পৰা ৫৪৩২ কোটি Excise ৰ পৰা ৪৪২৫ কোটি, Transport ৰ পৰা ২১২৯ কোটি টকা আৰু Land Revenue ৰ পৰা registration ৰ নামত ১২২৮ কোটি ফৰেষ্টৰ পৰা ৯৯৭ কোটি টকা সৰ্বমুঠ ৪১২৩২ কোটি টকা আমাৰ major revenue earning department হিচাপে তেখেত সকলে ইয়াত উল্লেখ কৰিছিল। মই আগতেও কৈছিলো ইয়াৰ আগৰ বছৰৰ বাজেটত সেই একেটাইয়ে কথা কৈছিলো যে mines& minerals department ৰ যিবিলাক সুৰুঙা আছে, আপোনালোকে জানে rad hole mining কিছুদিন আগতে হৈছে, অবৈধ কয়লা খনন হৈছে, অবৈধ ভাবে বালি,

শিল, কাঠ, গছ ইতাদি ইতাদি। যদিও গছ গছনি ফৰেষ্টত এই যিবিলাক আমাৰ বিশেষকৈ mines& minerals department ত পৰে। তাত এতিয়াও বহুত Explore কৰাৰ সুবিধা আছে, লগতে যিবিলাক resource এতিয়াও অবৈধ ভাৱে taxৰ পৰা বঞ্চিত হৈ আছে, চৰকাৰে সেইবিলাক lacuna মাৰিবলৈ scope আছে। মই এই সুযোগতে বিত্ত বিভাগৰ মন্ত্ৰী ডাঙৰীয়ানীক এই বিষয় সমূহ ৰাজ্য চৰকাৰে দৃষ্টিগোচৰত ৰাখিলে ভাল হয়। এতিয়া মই ক'ব বিচাৰিছো কৃষিৰ ক্ষেত্ৰত যথেষ্ট scope আছে খেতিয়ক সকলক সহায় কৰাৰ কাৰণে। তেখেতে সকলে MSP ৰ জৰিয়তে, হয় এইবাৰ MSP অন্যান্য শষ্যলৈ increase কৰি খেতিয়ক সকলক উৎসাহিত কৰিবলৈ চেষ্টা কৰিছে। আজি প্ৰশ্নকালীন ঘন্টাত ট্ৰেক্টৰ ওপৰত আলোচনা হৈছে কৃষি খণ্ডৰ ক্ষেত্ৰত। আমাৰ চৰকাৰী পক্ষৰ বিধায়ক এজনেও কবলৈ বাধ্য হৈছে যে সেই ট্ৰেক্টৰ বিলাক যি ধৰণে ব্যৱহাৰ হব লাগে সেই ধৰণে হোবা নাই। যাৰ ফলত প্ৰকৃত খেতিয়ক এজনে বেছি পইছাত ট্ৰেক্টৰ এখন ভাৰাত লব লাগে। এই বিলাকৰ ফলত আমাৰ কৃষিখণ্ডৰ উৎপাদনৰ ক্ষেত্ৰত কৰবাত বাধাৰ সৃষ্টি হৈছে নেকি এই বিষয় বিলাকটো চৰকাৰে দৃষ্টি ৰাখিব লাগে।ইয়াৰ লগতে মই শিক্ষাৰ ক্ষেত্ৰত এটা কথা কবলৈ ওলাইছো যে নতুনকৈ যিবোৰ মহাবিদ্যালয় আৰু আদৰ্শ মহাবিদ্যালয় আৰু স্কুল স্থাপন হৈছে সেইবোৰৰ কিছুমান মহাবিদ্যালয়ত Feeder স্কুল নাই। য'ত এখন বিজ্ঞান শাখাৰ মহাবিদ্যালয় স্থাপন হব তাত এখন বিজ্ঞান শাখাৰ Feeder উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰয়োজন আছে। এইবোৰ কথাও বিভাগে লক্ষ্য ৰখাটো উচিত। আৰু য'ত নতুনকৈ বিজ্ঞান শাখা থকা আদৰ্শ মহাবিদ্যালয় স্থাপন কৰি থকা হৈছে তাৰ ওচৰতে এখন বিজ্ঞান শাখাৰ Feeder উচ্চতৰ মাধ্যমিক বিদ্যালয স্থাপন কৰাটো দৰকাৰ। তেতিয়াহে মহাবিদ্যালয় খন ভালদৰে কামত আহিব। ইয়াৰোপৰি, ক্ৰীড়াৰ ক্ষেত্ৰত মই এটা কথা কবলৈ বিচাৰিছো যিহেতু এটা সময়ত মইয়ো খেলৰ লগত জড়িত আছিলো, চৰকাৰ খনে এই ক্ৰীড়াৰ ক্ষেত্ৰতো যথেষ্ট ধন আবন্তন কৰিছে তাৰ বাবে মই ধন্যবাদ জনাইছো। কিন্তু খেলৰ ক্ষেত্ৰত আমাৰ খেলুৱৈ সকলৰ কাৰণে যি এটা Landmark কাম কৰিছে, এই ক্ষেত্ৰত মই এটা প্ৰশ্ন কৰিছিলো যে ৩/৪ শতাংশ চাকৰী খেলুৱৈ সকলৰ বাবে সংৰক্ষণ ৰাখিব লাগে, কিন্তু মুখ্যমন্ত্ৰী মহাশয়ে ঘোষনা কৰা মতে ৰাষ্ট্ৰীয়, এছিয়া, বিশ্ব চেম্পিয়ন; অলিম্পিক আৰু কিছুমান Individual World Championship আছে সেইবোৰৰ Madelist বোৰক ১০০ শতাংশ চাকৰী দিছে। গতিকে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে ক্ৰীয়া আৰু বিত্ত মন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছো যে কাৰণ যদি বিত্ত মন্ত্ৰীয়ে সেই খেলুৱৈ সকলক ধনৰ যোগান নধৰে তেতিয়া হলে তেওঁলোকে চাকৰি পাব নোৱাৰে।

**শ্ৰী মতী নন্দিতা দাস, (সভানেত্ৰী)ঃ** আপোনৰ আৰু ১ মিনিট আছে।

**শ্ৰী দূৰ্গা দাস বড়ো, (কলাইগাঁও)** ঃ মই আৰু এটা কথা কব বিচাৰিছো যে আমাৰ যিবোৰ বৃহৎ উদ্যোগিক চহৰ কৰিব বিচাৰিছে, সেই বোৰৰ কাৰণে আপোনালোকে যিখিনি নিৰ্দিষ্ট ঠাইৰ কথা আপোনালোকে উল্লেখ কৰিছে কিন্তু তাৰ বাবে যাতায়তৰ ব্যৱস্থাটো সুচল হব লাগিব। কাৰণ সেই উদ্যোগ বোৰৰ কাৰণে যিবোৰ সম্পদ আৰু কেচা সামগ্ৰী আনিব আৰু তাৰ পৰা যি সামগ্ৰী উপাদিত হব সেইবোৰৰ ক্ৰয় -বিক্ৰয়ৰ বাবে যাতায়ত ব্যৱস্থাটো হৈছে প্ৰধান। যেনেকৈ চৰকাৰে উত্তৰ বৰাকত কৰিব বিচাৰিছে আৰু আমাৰ BTC অঞ্চলটো এটা বৃহৎ অঞ্চল তেওঁলোকে বাচি লৈ, যিয়ে পৰিবেশ বিনষ্ট নকৰাকৈ আমাৰ BTC অঞ্চলৰ এটা Convenient এৰিয়াত যদি এটা Mega Industry কৰে তাৰ বাবে মই বিত্ত মন্ত্ৰী মহোদয়ানীক অনুৰোধ কৰিম যে অসমৰ সকলো অঞ্চলতে যাতে Industry হয় আৰু তাত যাতে আমাৰ নিবনুৱা যুৱক-যুৱতীয়ে চাকৰী

পাই মই এইটো বিচাৰিছো। শেষত মই এটা কথা ক'ব বিচাৰিছো আমাৰ ৰাজ্যখনত এতিয়াও লাখ লাখ নিবনুৱা আছে যিবোৰ ৰাজ্য চৰকাৰে চৰকাৰী চাকৰী দি শেষ কৰিব নোৱাৰে আৰু যাৰ বাবে মুখ্য মন্ত্ৰী ডাঙৰীয়াই Investment Summit পাতি অৰ্থাৎ Advantage Assam 1.0 আৰু 2.0 পাতি Investment আনিবলৈ সক্ষম হৈছে আৰু প্ৰায় ৫ লাখ কোটি বিনিয়োগ আনিবলৈ প্ৰয়াস কৰিছে এইটো অতি গুৰুত্বপূৰ্ণ কথা। মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজেও কৈছে ৫ লাখ কোটিৰ যে ৫ লাখ কোটিয়ে আহিব সেইটো কথা নহয়। মই বিত্ত মন্ত্ৰী আৰু মুখ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম যে এই Investment ৰ পিছৰ কাম খিনি নহয় তেতিয়া হলে Investor সকলে, যদি তেখেত সকলক সুবিধা দিয়া নহয় তেতিয়া হলে হয়টো এই Investment Summit কেতিয়াও সফল নহয়। যিদৰে Semi-Conductor ৰ ক্ষেত্ৰত ভাৰত চৰকাৰে হওক বা ৰাজ্য চৰকাৰে হওক যিমান পাৰে সুবিধা দিছে ঠিক তেনেকৈ অন্য যিবোৰ ক্ষেত্ৰত সুবিধা দিলে বেছি নিয়োগৰ সৃষ্টি হব। আৰু য'ত পৰিবেশ বিনষ্ট নহয় তেনেকুৱা ধৰণৰ উদ্যোগক যাতে অগ্ৰাধিকাৰ দিয়া হয় তাৰ আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলো।

**শ্ৰী মতী নন্দিতা দাস, (সভানেত্ৰী)ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী মৃণাল শইকীয়া। তেখেত যিহেতু অনুপস্থিত গতিকে এতিয়া মাননীয় সদস্যা শ্ৰীমতী সুমন হৰিপ্ৰিয়া আপোনাৰ সময় ৩ মিনিট।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, (হাজো)** ঃ মাননীয় সভানেত্ৰী ডাঙৰীয়া, আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানিয়ে একে ৰাহে পঞ্চম বাৰলৈ বাজেট দাখিল কৰি আমাক গৌৰৱন্বিত কৰিছিল। এই বাজেট খনত অসমৰ সকলো শ্ৰেণীৰ ৰাইজৰ প্ৰতি যিটো দায়বদ্ধতা আৰু অসমক এখন সৰ্বতপ্ৰকাৰৰ উন্নত ৰাজ্য হিচাপে পৰিগনিত কৰিবলৈ আগবাঢ়ি যোৱা দেখা গৈছে। আমি আমাৰ মুখ্য মন্ত্ৰীক লৈ সচাঁকৈ আনন্দিত কাৰণ অৰুণোদয় হওক বা লাখ পতি বাইদেউয়ে হওক বা মহিলা উদ্যমিতা আঁচনি হওক তাৰ বাবে দিয়া পুজিৰে আমাৰ মহিলা সকলে এতিয়া আত্মনিৰ্ভশীল হব পাৰিছে। কিন্তু মোৰ দুখ লাগে যেতিয়া আমাৰ বিৰোধী পক্ষই এনেকুৱা আত্মনিৰ্ভশীল হব বিচৰা মহিলাক হিতাধিকাৰী বুলি কয়। মই বিৰোধী বিশেষ কৈ কংগ্ৰেছ দলক প্ৰশ্ন কৰিব বিচাৰিছো যে কাৰণ কোনোবা এজন বিধায়কে কৈছে চৰকাৰে হিতাধিকাৰীয়ে সৃষ্টি কৰিছে। কিন্তু কংগ্ৰেছৰ দিনত মহিলা সকলে শাৰী পাতি সূতা, কম্বল, আঠুৱা আদি লবলৈ ৰাষ্টাত কাজিয়া কৰিব লগিয়া হৈছিল দিনটো ঠিয় হৈ থাকিব লগিয়া হৈছিল। সেই সময়ত মহিলা সকলৰ সন্মান আপোনালোকে কেনেকৈ ৰক্ষা কৰিছিল। কিন্তু আজি আমাৰ মহিলাই সুতা, কম্বল, আঠুৱা আদি নিজে কিনিব পাৰে কাৰণ তেওঁলোক স্বাৱলম্বী। আচলতে বিৰোধীয়ে আমাৰ চৰকাৰৰ খনৰ প্ৰতি ধন্যবাদ সুচক প্ৰস্তাৱ হে লব লাগে। কাৰণ বিৰোধীয়ে সপোনটো ভাবিব নোৱাৰা ২৭ হাজাৰ কোটি টকাৰ বিনিয়োগ কৰিব ওলাইছে Tata Electronic Pvt.Ltd য়ে । প্ৰায় ৬ লাখ ৫০ হাজাৰ টকাৰ বিনিয়োগ অসমত হবলৈ গৈ আছে। আৰু তাৰ ফলত যিখিনি বিকাশ আৰু আন্তঃগাঠনিৰ বিকাশ হব তাৰ ফলত আমাক সৰু সৰু ব্যৱসায়িক সকলৰ বাট মুকলিহে কৰিছে। আৰু তাৰ ফলত অসমৰ কিমান নিবনুৱাই কৰ্মসংস্থাপন পাব। গতিকে সেই উদ্যেগ বিলাকত সংস্থাপন পাবৰ বাবে আমাৰ যুৱক-যুৱতী সকলক দক্ষ কৰিবলৈ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিলে ভাল হয়। আজি বিশ্বৰ মানচিত্ৰত অসমৰ নাম জিলিকি উঠিছে কাৰণ লাচিতৰ প্ৰতিমূৰ্তি দিল্লীত সকলোৱে চাইছিল আৰু আমাৰ যুমুৰ বিনন্দিয়া লগতে আমাৰ বিহু নাচ গোটেই বিশ্বই মুগ্ধ হৈ চাইছিল আৰু UNESCO যেতিয়া আমাৰ চৰাইদেউ মৈদামক বিশ্ব ঐতিয্য ক্ষেত্ৰ হিচাপে স্বীকৃতি দিছিল আমাৰ অসমীয়া ভাষাক ধ্ৰূপদী ভাষা হিচাপে স্বীকৃতি দিছিল তাৰ বাবে বিৰোধীয়ে সচাঁকৈ শলাগ লব লগিয়া। বিৰোধীয়ে এইবোৰ দেখা নাপায়। আমিনুল ইছলাম

ডাঙৰীয়াই সেইদিনা মুখ্য মন্ত্ৰী মহোদয়ক এটা সমালোচনা কৰিছিল মইও তাৰ উত্তৰ দিব বিচাৰিছো।" আপোনাৰ চকুযুৰি ইমান এন্ধাৰ কৰি নাৰাখিব যে আপোনি আমাৰ পোহৰ খিনি দেখা নাপায়। আৰু আপোনাৰ অন্তৰত ইমান বেয়া ভাৰ সৃষ্টি নৰাখিব যে আমাৰ ভাল টো আপোনালোকে কেতিয়াও সহ্য কৰিব নোৱাৰিব"। (হিন্দীৰ পৰা অসমীয়ালৈ অনুবাদ কৰা হৈছে।)

**শ্ৰী মতী নন্দিতা দাস, (সভানেত্ৰী)ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী অব্দুৰ ৰহিম আহমেদ।

**শ্ৰী অব্দুৰ ৰহিম আহমেদ, (বৰপেটা)** ঃ মাননীয় সভানেত্ৰী মহোদয়া, এখন চৰকাৰৰ বাজেটত খুব জাক জমক ভাৱে হিতাধিকাৰী সৃষ্টিৰে প্ৰত্যেকজন ভোটাৰক মোহিত কৰাৰ কাৰণে এটা চেষ্টা কৰিছে, এই কথাটো বেয়া পালেও উপায় নাই, চৰম বাস্তাৱ সত্য কথা।

কাৰণ, মাৰ্চ মাহলৈকে এখন চৰকাৰৰ ঋণ গৈ পাব ১,৭২,০০১৭৪.৭৪ কোটি টকা আৰু জনমুৰি ঋণ হ'ব ৫২,১৬৪ টকা। মোৰ স্পষ্টভাৱে মণত আছে, আমাৰ তৰুণ গগৈ নেতৃত্বধীন চৰকাৰ আছিল, মাত্ৰ ১০ হাজাৰ কোটি টকাৰ ঋণ লোৱাৰ সময়ত আজিৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেতিয়াই একেবাৰে অসমখন ৰহাৰতলে গ'ল, আজি জন্ম হোৱা কেচুৱাটোৰ মুৰতো তৰুণ গগৈ ডাঙৰীয়াই চৰকাৰখণে ঋণৰ বোজা দি থৈ গ'ল। গতিকে এই ধৰণৰ বিভিন্ন কথাৰে তেতিয়া অসমৰ অৰ্থনীতি অৱস্থা একেবাৰে ভাঙি পেলাইছে বুলি অভিযোগ কৰিছিল। কিন্তু আজি এই ঋণ গৈ ১,৭২,০০১৭৪.৭৪ কোটি টকাৰ ওপৰত। আজি চৰকাৰে দেখুৱাইছে যে বৰ্তমান GDP হাৰতকৈ অসমে আৰু অধিক লোণ ল'ব পাৰে। আজি ১৯ নম্বৰ বুলি দেখুৱাইছে যে আমাৰ ওপৰত আৰু ১৯ খন ৰাজ্য আছে, তেওঁলোকতকৈও আমি কম লোণ লৈ চৰকাৰখন চলাই আছো। কিন্তু আপোনালোকে জানে যে reserve bank ৰ তথ্য মতে জনমুৰি আয়ৰ ক্ষেত্ৰত অসম ২২ নম্বৰ স্থানত আছে দেশখনৰ ভিতৰত আৰু নীতি আয়োগৰ সমীক্ষা মতে সামগ্ৰীক উন্নয়নৰ ক্ষেত্ৰত দেশৰ ২৮ খন ৰাজ্যৰ ভিতৰত অসমৰ স্থান ২৫ তম। গতিকে ৩৭ লাখ নিৰনুৱা register আছে, আজি এই নিৰনুৱাৰ কৰ্ম সংস্থাপন কৰাৰ কাৰণে কোনো ধৰণৰ কথা কোৱা নাই। Advantage 2.0 ৰ কথা কোৱা হ'ল যে ইয়াতে বহুতো নিয়োগ হ'ব, বহুত কৰ্ম সংস্থাপন সৃষ্টি হ'ব। কিন্তু Advantage 1 ত কিমান কৰ্ম সংস্থাপন পালে, এই কথাটোৰ বাখ্য কিন্তু চৰকাৰে নিদিলে।

আজি প্ৰত্যেকটো ক্ষেত্ৰত আমি ক'ব পাৰো যে এইখন চৰকাৰ কিমান পৰ্য্যায়ত ব্যৰ্থ হৈছে, কাৰণ গাঁও অঞ্চলত ৮৬ শতাংশ মানুহে ৰেচন কাৰ্ডৰ ওপৰত নিৰ্ভৰশীল। চহৰ অঞ্চল ৫৬ শতাংশ ৰেচন কাৰ্ডৰ ওপৰত নিৰ্ভৰশীল। খুব বুকু ফুলাই শাসক পক্ষক কৈ আছে যে অৰুণোদয় ৩৭ লাখ পৰ্য্যান্ত দিয়াৰ ব্যৱস্থা আমি কৰি আছো, হয় মানিছো। আজি এই তথ্যই কি প্ৰমান কৰে, এই তথ্যই এইটোও প্ৰমান কৰে যে আজি অসমৰ অৰ্থনীতিক অত্যন্ত এক দূৰবস্থাৰ পিনে গতি কৰিছে। সেই কাৰণে হিতাধিকাৰী আঁচনিৰ ওপৰত নিৰ্ভৰশীল হ'ব লগীয়া হৈছে। ৩৫ লাখৰ ওপৰত শিক্ষিত নিৰনুৱা আছে, Advantage Assam ৰ সময়ত কৈছিল যে ৪ লাখ ৬০ হাজাৰ কৈ প্ৰত্যেক বছৰ কৰ্ম সংস্থাপন সৃষ্টি কৰা হ'ব। ক'ত কৰা হ'ল, আজি ১ লাখ চাকৰি, ১.৫০ লাখ চাকৰি দিয়া বুলি কৈ আছে, তথাপিও এইটোতো অভিযোগ আছে এজন ব্যক্তিয়ে কেইবাটাও বিভাগত চাকৰি পাইছে। আজি ভেন্সাৰ স্কুলৰ কাৰণে একো কৰা নহ'ল, ২০০৬ চনৰ শেষ সীমা বুলি কলে। আজি কিয় সংশোধন কৰিব নোৱাৰে। চৰকাৰে স্কুল স্থাপন কৰাৰ কাৰণে যদি অনুমতি দিছিল, সেই আইন কিয় সংশোধন কৰি জনসাধাৰণৰ হিতৰ কাৰণে কৰিব নোৱাৰে। আজি হাজাৰ

শিক্ষক কৰ্মচাৰী অবৈতনিক ভাৱে অৱসৰ কৰিবলগীয়া হ'ল, কিমান অমানৱীয় কথা।

আজি এল পি, এম ই স্কুলত কিছুমান পদ লোৱা হ'ল, কিছুমান পদক drop কৰি দিয়া হ'ল। দুজন assistant teacher, Hindi teacher, Arabic teacher. তেওঁলোকক drop কৰি দিয়া হ'ল, তেওঁলোকক পদত লোৱা নহ'ল। আজি তেওঁলোকৰ কথা একো নকলে। NHM ৰ ২৪ হাজাৰ কৰ্মচাৰী regular post দৰে একে duty কৰি আছে, তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ কথা চৰকাৰে নকলে, লগতে তেওঁলোকৰ দৰমহা বৃদ্ধিৰ কথাটোও নকলে। তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ বৰ্তমান কৰিব নোৱাৰে, তেওঁলোকৰ কমেও দৰমহা বৃদ্ধিৰ কথাটো ক'ব লাগিছিল। এইটো বাজেটত কোনো ধৰণৰ উল্লেখ নকৰিলে।

চৰৰ মাটিৰ পাট্টাৰ কথা কোৱা হ'ল যে ২০২৬ চনত জৰিপ হে কৰিব আৰু বিভিন্ন পক্ষৰ লগত আলোচনা কৰি পাট্টা দিয়াৰ ব্যৱস্থা কৰিব। জৰিপ এইটো বছৰত কিয় নকৰে আৰু জৰিপ কৰি চৰৰ মানুহৰ এটা criteria ঠিক কৰি, ইমান বিঘাকৈ মাটি দিয়াৰ ব্যৱস্থা কৰা হ'ল বুলি চৰকাৰে কিয় ক'ব নোৱাৰে। মানে এইটো এটা ললি পপ দি পেলাই নিৰ্বাচনী বতৰণী পাৰ হোৱাৰ এটা কৌশল হে কৰিছে।

সভানেত্ৰী মহোদয়া, আৰু কিছুমান কথা আছিল, সময় নাটনি, গতিকে এইখিনি কৈ যে এইটো সম্পূৰ্ণৰূপে নিৰ্বাচনৰ কাৰণে প্ৰস্তুত কৰা, চমক সৃষ্টি কৰা এখন বাজেট, হিতাধিকাৰীয়ে দেশৰ অৰ্থনৈতিক ভৱিষ্যত মই ভাৱো যে ক্ষতিয়ে কৰিব, কৰ্ম সংস্থাপন সৃষ্টি কৰিব নোৱাৰিলে, দেশৰ উন্নতি কেতিয়াও নহয়, গতিকে মই কৈ মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় সভানেত্ৰী** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী।

**শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী, (ওদালগুৰি)** ঃ মাননীয় সভানেত্ৰী মহোদয়া, যোৱা ইংৰাজী ১০ মাৰ্চ, ২০২৫ তাৰিখে মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়নিয়ে সদনৰ মজিয়াত উপস্থাপন কৰা বাজেটৰ ওপৰত মই কেইষাৰমান কবলৈ বিচাৰিছো।

এই কথা মই স্বীকাৰ কৰিছো যে বাজেটখনত সকলো শ্ৰেণীৰ কল্যাণৰ কথা কোৱা হৈছে। বিশেষকৈ অসমত নতুনকৈ উদ্যোগ স্থাপনৰ যি প্ৰতিছবি দাঙি ধৰিছে, ইয়াৰ জৰিয়তে অসমৰ অৰ্থনীতি আৰু অৰ্থ-সামাজিক দিশটো যে অতিসোনকালে দ্ৰুতগতিত আগবাঢ়ি যাব, সেই কথাবোৰ স্পষ্ট হৈছে। বাজেটখনত আমাৰ একেবাৰে দুখীয়া শ্ৰেণীৰ লোকসকলক জীয়াই থকাৰ পথ দিবৰ কাৰণে কিছুমান কথা উল্লেখ কৰা হৈছে। অৰুণোদয় আঁচনিৰ কথা উল্লেখ কৰা হৈছে। এই আঁচনিটো অৱশ্য নতুন কথা নহয়, যোৱা ২ বছৰ ধৰি এই আঁচনি চলি আহিছে আৰু এই আঁচনিৰ জৰিয়তে আমাৰ যিসকল অৰ্থনৈতিক ভাৱে দুৰ্বল শ্ৰেণীৰ লোক, বিশেষকৈ মহিলাসকল, তেওঁলোকে জীয়াই থকাৰ এটা পথ পাইছে আৰু প্ৰতিটো পৰিয়ালে ইয়াৰ জৰিয়তে যথেষ্ট উপকৃত হৈছে।

ইয়াৰ উপৰিও মুখ্যমন্ত্ৰী মহিলা উদ্যোমিতা আঁচনিৰ জৰিয়তে মহিলা সকল যাতে উদ্যোগৰ প্ৰতি আকৰ্ষিত হয় আৰু স্ব-নিৰ্ভৰশীল হৈ থাকিব পাৰে, এই ব্যৱস্থাখিনি দিছে আৰু আমি আশা কৰিম এই আঁচনি যদি সম্পূৰ্ণৰূপে আমি প্ৰয়োগ কৰিব পাৰো, আমাৰ মহিলাসকলৰ লগতে তেওঁলোকৰ পৰিয়াল সমূহ, আমাৰ সমাজখন আগুৱাই যাব পাৰিব আৰু আমি অৰ্থনৈতিক ক্ষেত্ৰত শক্তিশালী হম।

বাজেটত বহুতো নতুন নতুন কথা সংযোজন কৰা হৈছে। এই নতুন কথাখিনিয়ে ভৱিষ্যতৰ অসম গঢ়িবৰ কাৰণে যিখিনি ব্যৱস্থা ল'ব, সেই বিষয়বোৰ স্পষ্ট কৰি দেখুৱাইছে। বিশেষকৈ আমি তাহানিও ভৱা নাছিলো যে অসমে Satellite স্থাপন কৰিব আৰু ইয়াৰ জৰিয়তে গোটেই

অসমখনত বিভিন্ন সমস্যা সমূহ দূৰ কৰাৰ লগতে অসমখনক সুৰক্ষিত কৰিব পৰা যাব। এই কথাবোৰ আমি তাহানিও কল্পনা কৰা নাছিলো। কিন্তু বৰ্তমান চৰকাৰে এই কথাখিনি বাস্তৱত ৰূপায়িত কৰিছে আৰু এনেকুৱা ধৰণৰ নতুন চিন্তা কৰি অসমখনক আগুৱাৰ লৈ যোৱাৰ কাৰণে যিখিনি কাৰ্য্যপন্থা তেখেতেসকলে হাতত লৈছে, তাৰ কাৰণে মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়নিৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক মই ধন্যবাদ জনাইছো।

Satellite স্থাপন কৰাৰ জৰিয়তে অসমত অনুপ্ৰৱেশৰ সমস্যা নিৰিক্ষণ কৰিব পৰা যাব, লগতে আমাৰ সীমা মুৰীয়া দেশসমূহত চোৰাং ভাৱে যিসমুহ কাম -কাজ চলে, সেইবোৰোও নিৰিক্ষণ কৰিব পৰা যাব। অসমৰ বিভিন্ন সমস্যা সমূহ বিশেষকৈ বানপানীৰ সময়ত বা বিভিন্ন প্ৰাকৃতিক দূৰ্য্যোগৰ সময়ত ক'ত, কেনেকুৰা, কি, এই তথ্যসমূহ Satellite ৰ জৰিয়তে লাভ কৰিব পাৰিম আৰু ইয়াৰ নিৰ্বাৰণৰ ব্যৱস্থাখিনি অতিসোনকালে কৰিব পাৰিম। এই ব্যৱস্থাই অসমক বিভিন্ন সমস্যাৰ পৰাও সুৰক্ষিত কৰিব, ইয়াৰ কাৰণে আমি বিশেষভাৱে চৰকাৰক ধন্যবাদ জনাইছো।

ইয়াৰ উপৰিও, চিকিৎসাৰ ক্ষেত্ৰত আমি এটা নতুন মাত্ৰ দেখিবলৈ পাইছো। এই বাজেটে আমাক যথেষ্ট আশা দেখুৱাইছে যে অসমত কৰ্কত ৰোগীৰ চিকিৎসা কৰিবৰ কাৰণে থেৰাপিৰ যিটো ব্যৱস্থা অনাৰ কথা কৈছে, এই ব্যৱস্থাই এটা নতুন যুগৰ সুচনা কৰিব। গতিকে আমি জানো যে বৰ্তমান অসমৰ প্ৰতিখন গাঁৱতে ৩/৪ জনকৈ কৰ্কট ৰোগী দেখা পাও। আৰু এই বেমাৰ যথেষ্ট পৰিমাণে আৰু যদিও আমাৰ অসমত হাস্পতাল আছে তথাপিও ইয়াত যথেষ্ট সা-সুবিধা নথকাৰ বাবে বম্বে বা চেন্নাই ত গৈ চিকিৎসাৰ নামত যথেষ্ট খৰচ কৰিব লগীয়া হয়। কিন্তু প্ৰথম পৰ্য্যায়তে যদি আমাৰ ইয়াত কৰিব পাৰো তেতিয়াহলে অন্তত আমাৰ অসমৰ মানুহৰ উপৰিও বিভিন্ন ঠাইৰ মানুহে ইয়াত চিকিৎসা লবলৈ আহিব আৰু অসমত এটা চিকিৎসাৰ পৰ্যটন স্বৰূপ গঢ়ি তুলিবলৈ সক্ষম হ'ব। আমি আশা কৰো এই আঁচনি সোনকালে ৰূপায়িত হওঁক আৰু অসমৰ দুখীয়া ৰাইজে অন্তত প্ৰথম ষ্টেজতে আৰোগ্য কৰাৰ সুবিধাখিনি অন্তত পাব। সেইটো আমি বিচাৰো এই আঁচনি। আজি আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে বাজেটত উল্লেখ কৰিছে সেই কাৰণে তেখেতক ধন্যবাদ দিছো, আমি আশা কৰো এই ব্যৱস্থা খিনি কৰাৰ দিশত। বৰ্তমান ভূটান চৰকাৰে বিশেষকৈ সীমামূৰীয়া গেলেপু টাউন খন চিংগাপুৰৰ লেখিয়াকৈ এটা চহৰ গঢ়ি তুলিবলৈ ব্যৱস্থা কৰিছে আৰু ইয়াক মাইলপন চিটি বুলি কৰিবলৈ প্লান লৈছে। তেওঁলোকৰ মাইলপন চিটি যদি চিংগাপুৰৰ দৰে হয় তেতিয়াহলে ইয়ালৈ নগৰৰ প্ৰভাৱ পৰিব আৰু ইয়াত ট্ৰেন্সপোৰ্টৰ ক্ষেত্ৰত যোগাযোগ মন্ত্ৰীৰ লগত কানেক্চন কৰি তেওঁলোকে ট্ৰেন্সপোৰ্ট ব্যৱহাৰ কৰিব আৰু আমাৰ বিটিআৰ অঞ্চল এটা কৰিডৰ হিচাপে তেওঁলোকে ব্যৱহাৰ কৰিব। আৰু ইয়াৰ কাৰণে বিটিআৰ অঞ্চলত তেওঁলোকে যিহেতুকে Economic Corridor হিচাপে ব্যৱহাৰ কৰিব সেই কাৰণে অসম চৰকাৰে বিটিআৰ অঞ্চলৰ ৰূপায়ণ আৰু ইকনোমিক ৰূপায়ণ আৰু ইণ্ডো-ভূটানৰ Economic Corridor হিচাপে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত আমাৰ যথেষ্ট সুযোগ হ'ব। আমি আশা কৰো আমাৰ বিটিআৰ অঞ্চলত উদ্যোগৰ ক্ষেত্ৰত, বাণিজ্যৰ ক্ষেত্ৰত অৰ্থনৈতিক ভাৱে যথেষ্ট লাভান্বিত হ'ব। সেই কাৰণে আমি বিটিআৰক চেপেৰেটকৈ মাননীয় মুখ্যমন্ত্ৰীৰ লগতে মাননীয়া বিত্তমন্ত্ৰীক ধন্যবাদ দিছো যে অন্তত বিটিআৰ অঞ্চলৰ পিছপৰা অঞ্চলক এটা Economic Corridor হিচাপে ব্যৱহাৰ কৰাৰ জৰিয়তে যে আমাক অৰ্থনৈতিক দিশত সবল কৰিবলৈ সহযোগ দিছে। ধন্যবাদ দিছো অসম চৰকাৰক যে এইবাৰ বিটিআৰ অঞ্চলৰ যি বাজেট বিটিআৰ অঞ্চলৰ উন্নয়নৰ কাৰণে ১১০০ কোটি টকা দিছে, আমাৰ বিগত বছৰত অসম চৰকাৰৰ বাজেট বিটিআৰ অঞ্চলৰ কাৰণে বাজেট দিছিল মাত্ৰ ৮৩৬ কোটি।

১১০০ কোটি টকা পোৱাৰ পিছত আমাৰ সেই বিটিআৰ অঞ্চলৰ উন্নয়ন হোৱাত যথেষ্ট সহায়ক হ'ব। তাৰ কাৰণে অসম চৰকাৰক ধন্যবাদ দিছো যে এই চৰকাৰে বিটিআৰ অঞ্চলত সদায় আগুৱাই যোৱাৰ কাৰণে যি খিনি কাম কৰি আছে আৰু এইবাৰ যথেষ্ট তেওঁলোকে সহায় কৰিছে। যে অসম সদায় উদ্যোগৰ ক্ষেত্ৰত পিছ পৰি আছিল, বিগত সময়ত চৰকাৰ সমূহে চেষ্টা কৰিও উদ্যোগ স্থাপনৰ ক্ষেত্ৰত সফল হ'ব পৰা নাছিল। কিন্তু বৰ্তমান চৰকাৰে Advantage Assam 2.0 ৰ জৰিয়তে বিভিন্ন দেশৰ আৰু ভাৰতৰ অন্যান্য ৰাজ্যৰ বিনিয়োগ কাৰী সকলক আহ্বান কৰিবলৈ সক্ষম হৈছে আৰু এইবাৰ Advantage Assam 2.0 ৰ জৰিয়তে ৫ লাখ কোটি যি অসমত বিনিয়োগ কৰিবলৈ বিভিন্ন উদ্যোগপতি সকলে আগবাঢ়ি আহিছে আৰু বিশেষকৈ টাটা, ৰিলাইন্স আৰু অন্যান্য উদ্যোগৰ যি সকলে প্ৰতিশ্ৰুতি দিছে আমি সুখি হৈছো যে তেওঁলোকে বিনিয়োগ কৰাৰ জৰিয়তে অন্তত ইয়াত উদ্যোগ স্থাপন হ'ব আৰু উদ্যোগ স্থাপন হোৱাৰ ফলত অসমৰ যি খিনি নিবনুৱা সমস্যা আছে সেই খিনি নিশ্চয় সমধান ক্ষেত্ৰত অসম চৰকাৰে সফল হ'বলৈ সুযোগ এটা পাব। আমি ভাৱো বৰ্তমান অসম চৰকাৰে উদ্যোগপতি সকলক উদ্যোগ স্থাপন কৰাৰ যি ব্যৱস্থা দিব লগীয়া আছে সেই খিনি দিয়াৰ কাৰণে ৰাজি হৈছে তাৰ কাৰণে আৰু যিহেতু অসমৰ ৰাজনৈতিক সুস্থিৰতা আহিছে ইয়াত পৰিৱেশ বৰ্তমান শান্তিপূৰ্ণ হোৱাৰ কাৰণে বিভিন্ন উদ্যোগপতি সকলে ইয়াত উদ্যোগ স্থাপন কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰি আগবাঢ়ি আহিছে। আমি আশা কৰো যে বিভিন্ন উদ্যোগপতি সকলে ইয়াত আহি উদ্যোগ স্থাপন কৰিব মাত্ৰ এটা কথাই আমি মনত ৰাখিব লাগিব উদ্যোগ স্থাপনৰ পিছত যাতে ইয়াৰ পৰিৱেশ নষ্ট নহয়, বিশেষকৈ উদ্যোগ স্থাপন কৰাৰ জৰিয়তে বিভিন্ন উদ্যোগে প্ৰদূষণ সৃষ্টি কৰে আৰু গোটেই পৰিৱেশৰ ক্ষেত্ৰত বিশেষকৈ আৰু যাতে অসম চৰকাৰে বিশেষেকৈ এই খিনি কথা মনত ৰাখে আৰু অসমৰ পৰিৱেশ যাতে দূষিত নহয় সেই কথাখিনি লক্ষ্য ৰাখি উদ্যোগ পতি সকলক যাতে তেনেকুৱা ব্যৱস্থা লবৰ কাৰণে অনুৰোধ কৰে। এই কথাখিনি অসম চৰকাৰৰ ওচৰত অনুৰোধ কৰিছো। বাজেটত এষাৰ কথা উল্লেখ আছে যে অসম চৰকাৰে জাগীৰোড অঞ্চলত এটা special economic zone হিচাপে ঘোষণা কৰা চিন্তা চৰ্চা কৰি থকা বুলি উল্লেখ আছে। Special economic zone হিচাপে ঘোষণা কৰাৰ জৰিয়তে এই অঞ্চলত অৰ্থনৈতিক উন্নয়ন হ'ব। এই কথা খিনি আমি নুই নকৰো। কিন্তু special economic zone ঘোষণা কৰাৰ লগতে সেইখিনি অঞ্চলৰ ভূমিৰ কতৃত্ব Corporate House ৰ হাতলৈ যায়। যিহেতু জাগীৰোড অঞ্চল ভূমিপুত্ৰ সকলৰ ঠাই হয়। ইয়াত জনজাতি আৰু খিলঞ্জীয় লোক সকলো বসবাস কৰে। কিন্তু special economic zone ঘোষণাৰ কৰাৰ জৰিয়তে সেই খিনি অঞ্চলৰ আমাৰ খিলঞ্জীয় ৰাইজে যাতে ভূমি অধিকাৰৰ পৰা বঞ্চিত নহয় এই কথাখিনি মনত ৰাখি যেন কাম কৰে তাৰ কাৰণে অনুৰোধ কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো, ধন্যবাদ।

**শ্ৰী মতী নন্দিতা দাস, (সভানেত্ৰী)ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীমনোৰঞ্জণ তালুকদাৰ ডাঙৰীয়া। আপোনাৰ সময় ৩ মিনিট।

**শ্ৰীমনোৰঞ্জণ তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় সভাপতি মহোদয়া, মোৰ প্ৰথমতে মই কথাটো কব খুজিছো যে এই খন বাজেট মোৰ দৃষ্টিভঙ্গীত লোকৰ পিঠাৰে বিহু পটা বাজেট। যিটো দেখুৱা হৈছে আমাক ১ লাখ ৫৫ হাজাৰ সেই পইচাটো কৰ পৰা আহিব। Share of Central Taxes ৰ আহিব, centrally sponsored আঁচনিৰ পৰা পইচাটো আহিব মূলত আৰু public debt ঋণৰ পৰা পইচাটো আহিব। এনেকৈ লোকৰ পিঠাৰে বিহু পটা বাজেট এখন আমাক দিছে। আৰু ৰংচঙীয়া এটা সুন্দৰ চিত্ৰও দেখুৱাই দিছে। মোৰ যিটো কবলগীয়া কথা সেইটো হৈছে যে

আমাৰ ৰাজ্য খনত যি মৌলিক সমস্যা এই খন ৰাজ্যত অৰ্থনৈতিক ভাৱে অনাগ্ৰাসৰ কিন্তু নিবনুৱা সমস্যা শিল্প আৰু কৃষিৰ পয়া লগা অৱস্থা, বানপানী গড়খহনীয়াৰ বছৰেকীয়া তাণ্ডৱ, শ্ৰমিক কৃষক শ্ৰমজীৱি ৰাইজৰ আয় মজুৰিৰ ক্ৰমাগত সংকোচন ইত্যাদি। বাজেটত ৰাইজৰ বিত্তমন্ত্ৰীয়ে ২০২৫ চনৰ জানুৱাৰী মাহলৈকে ১ লাখ ১৯ হাজাৰ ৮ শ ৯৯ গৰাকী যুৱক-যুৱতীৰ নিযুক্তি সম্পূৰ্ণ কৰা বুলি আত্মপ্ৰকাশ লাভ কৰিছে। পিছে অসমত পঞ্জীয়ন ভূক্ত নিবনুৱাৰ সংখ্যা এতিয়া বৰ্তমানত ৩৫ লাখ চেৰাই গৈছে। এদিন ভয়ংকৰ অৱস্থাত ৩ কোটি থকা দেশ এখনত ৩৫ লক্ষ্য কৰ্মহীন যুৱক তাৰ পঞ্জীয়ন ভূক্ত বাকী ৭ লাখ যুৱক বাহিৰৰ ৰাজ্যত কাম-কাজ কৰি আছে, তাত তেওঁলোকে এটা ৰংচঙীয়া চিত্ৰ দি কৈছে যে বহিৰাজ্যৰ পৰা যুৱক বিলাকক আমি অসমলৈ আনিম, কিন্তু অসমতে যি ৩৫ লাখ কৰ্মহীন যুৱক আছে তাক এটা সংস্থাপন যি ধৰণে কৰিব তাৰ কোনো ৰূপ ৰেখা এই খন ৰিপোৰ্টত নাই। আনফালে মই এটা কথা ৰাজ্যপালৰ ভাষণৰ ওপৰত মন্তব্য ৰাখোতেই কৈছিলো যে আমাৰ শিল্প উদ্যোগ গঢ়ি তুলিবৰ কাৰণে এটা বৃহৎ আঁচনি আমি Advantage Assam 2.0 কৰিলো নিশ্চিতভাৱে পুঁজি অহাতো আমি কামনা কৰো ৰাজ্যখনলৈকে। কিন্তু আমাৰ ৰাজ্য খনত থকা MSME উদ্যোগটো ভাঙিচিঙি চুৰমাৰ হৈ গৈছে ২ লক্ষ্য ১০ হাজাৰতকৈ বেছি MSME বন্ধ হৈ গৈছে। তাক কেনেকৈ উঠাই আনিব? অকল সৰ্থেবাৰীৰ কাহপিতলৰ জিএচটিটো উঠাই দিলে আমাৰ MSME যে উন্নত নহ'ব এই কথা আমি জানো। ৩ লাখতকৈ বেছি লোক ইতিমধ্যে তাৰ পৰা কৰ্মহীন হৈছে। কৃষিৰ ক্ষেত্ৰত যিটো ভয়ংকৰ অৱস্থাটো আমি পূৰ্বতেও আমি আলোচনা বিবেচনা কৰিছো কিন্তু যিটো কথা মই গুৰুত্বদিব বিচাৰিছো যে কৃষি ক্ষেত্ৰৰ পৰা আমাৰ এতিয়ালৈকে ৫৩ শতাংশ কৃষি আৰু ইয়াৰ লগতে যি ক্ষেত্ৰৰ পৰা ৫৩ শতাংশ আহে কৰ্মসংস্থাত সেইটো তাত আমি দেখিছো ৰাজ্যৰ জিডিপিয়ে কৃষিৰ ক্ষেত্ৰৰ পৰা যিটো **অৰিহনা এইটো ২০২১-২২ চনত আছিল ১৯ .৮৯ শতাংশ , ২০২২-২৩ চনত আছিল ১৭.০৮ শতাংশ আৰু ২০২৪-২৫ চনত ই হ'ল ১৬ শতাংশ। তাৰমানে জি ডি পিত আমাৰ কৃষি ক্ষেত্ৰৰ যিটো অবদান এইটো ক্ৰমাগতভাৱে কমিছে । কৃষি ক্ষেত্ৰত কমিছে শিল্প ক্ষেত্ৰত এম এচ এম ই বন্ধ হৈ যোৱাটো- এই সকলো কথা বতৰাৰ মাজেৰে যিখন অসম আমি সৃষ্টি কৰিব বিচাৰিছো সেইখন অসমত স্বাভাৱিকতে এটা ৰংচঙীয়া এটা চিত্ৰ আমি তুলি ধৰিব বিচাৰিছো । কিন্তু আমি এইটো দেখা পাইছো যে আমাৰ কৃষি ক্ষেত্ৰত আমাৰ ৭২ শতাংশ মানুহে যুক্ত হৈ থাকে প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে তেওঁলোকৰ কাৰণে কোনো আশাৰ ৰেঙণী নাই। ৰমেন কলিতা ডাঙৰীয়াই খুব সুন্দৰকৈ উত্তৰ দিছে । এতিয়া কথাটো হৈছে - এই সময়ছোৱাত আমি সেই ৰঙীন চিত্ৰৰ ওপৰত বৰ বেছি ভৰষা কৰিব পৰা নাই । আমাৰ জি এচ ডিপি নিশ্চিতভাৱে বাঢ়িছে , তাক মই নুই নকৰো কিন্তু জি এচ ডিপি বাঢ়িলেই এখন ৰাজ্য উন্নত হৈ যাব বুলি তেনে কথা নাই । আমি এটা সময়ত মহাৰাষ্ট্ৰত দেখিছো, তাত জি এচ ডি পি খুব বাঢ়ি গ'ল , মহাৰাষ্ট্ৰ মডেল ষ্টেট হৈ গ'ল । উদ্যোগীকৰণত মডেল হ'ল । তেনেদৰে অন্ধ্ৰপ্ৰদেশো মডেল হ'ল, মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছেও- কিন্তু তাৰ লগে লগে দুখন অন্ধ্ৰপ্ৰদেশ যদি সৃষ্টি হৈ যায়, তিনিখন মহাৰাষ্ট্ৰ যদি সৃষ্টি হৈ যায় - তেনেহ'লে এইটো ভয়ংকৰ। চহৰলৈ গৈ ৰংচঙীয়া চিত্ৰৰ মাজত এখন অসম আৰু আনফালে গৈ গাওঁ অঞ্চলত মানুহ কান্দি থাকিব। ইতিমধ্যে আমি দেখিছো স্কীম ৱৰ্কাৰৰ ২ লাখ ৭১ হাজাৰৰ মাননি বৃদ্ধি কৰাৰ কোনো প্ৰস্তাৱ নাৰাখিলে , অক্টোৱৰলৈ ঠেলি থৈ দিলে, আজি জলমিত্ৰ ১৭,২১৭ তেওঁলোকৰ কৰ্মসংস্থাপন নিশ্চিত কৰাৰ ব্যৱস্থা নকৰিলে, তেনেকৈ এগ্ৰিকালচাৰৰ ক্ষেত্ৰত আমি দেখিছো,কৃষিক্ষেত্ৰৰ পৰাই ২০ শতাংশতকৈ বেছি মানুহ কৃষি মজদুৰত পৰিনত হৈছে । কৃষকৰ**

জীৱনৰ মান উন্নত কৰাৰ কোনো ব্যৱস্থা নাথাকিলে লক্ষ লক্ষ মানুহ কৃষি ক্ষেত্ৰৰ পৰা ওলাই আহি আজি আন অৰ্গেনাইজড চেক্টৰত নিজকে নিয়োজিত কৰিছে, তেওলোকৰ কাৰণে ৰেইজ বোৰ্ড খন বহুৱাব নোৱাৰিলে, পূৰ্ব্বৰ মন্ত্ৰী মহোদয়কো মই কথাটো কৈছিলো । আজি ৯ বছৰ হৈ গৈছে ৰেইজ বোৰ্ডখন বহুৱাই তেওঁলোকৰ মজুৰি বৃদ্ধি কৰাৰ , তেওঁলোকৰ কি ৰেইজ হ'ব তাক নিদ্ধাৰণ কৰাৰ সাম্যৰ্থ এইখন চৰকাৰৰ নহ'ল । আনফালে আমি দেখিছো হোম গাৰ্ডে আন্দোলন কৰি আছে, কোৱা হৈছে তেওঁলোকৰ চাকৰি কোনোপধ্যে নিয়মীয়া নহয়। ২৬,৬৭৩ জনে বাহিৰত কান্দি আছে । নিৰনুৱা ৩৫ লক্ষ- এন এইচ এমৰ ২৪ হাজাৰৰ চাকৰী নিয়মীয়াকৰণৰ কোনো ব্যৱস্থা কৰা নহ'ল । এনেধৰণৰ কান্দি থকা অসম এখন যদি সৃষ্টি হয় , আনফালে ৰংচঙীয়া স্বপ্ন দেখুৱাই থকা এখন যদি অসম থাকে, আমি এই বিভাজিত অসমখন বিচৰা নাই । এই বাজেটে অসমৰ এক বৃহৎ সংখ্যক মানুহ কান্দি থকা এখন অসমলৈ ৰূপান্তৰিত কৰিব। এই ভয়ংকৰ কথাটো আমাৰ সন্মুখত আহিছে। অধ্যক্ষ মহোদয় , স্বাভাৱিকতে এই বাজেটখনক মই কোনো পধ্যেই আমি মানিব নোৱাৰিলো। ২৪ শতাংশ জিডিপি য'ত এম এচ এম ইৰ পৰা ৰাজ্যখনত আহে এইটো ভাঙি চুৰমাৰ হৈ গৈ আছে এনে এটা অৱস্থাত এই বাজেটখন অসমৰ জনগণৰ কল্যাণৰ ক্ষেত্ৰত উন্নত বাতাৱৰণ সৃষ্টি কৰিব বুলি নাভাবো । এই কথাখিনি মোৰ বক্তব্যত স্পষ্টভাৱে আজি তুলি ধৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ — এতিয়া নৰুল হুদা ।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শাসকীয় পক্ষই এই বাজেটখনক জনমুখী বাজেট বুলি কৈ আছে, জনমুখী বাজেট কেতিয়া হ'ব , যেতিয়া অসমৰ বিভিন্ন জনগোষ্ঠীৰ, বিভিন্ন জাতি, বিভিন্ন ভাষা-ভাষীৰ, বিভিন্ন সম্প্ৰদায়ৰ সম বিকাশ আৰু সম উন্নয়ণ হ'ব তেতিয়াহে জনমুখী বুলি ক'ব পৰা যাব । অহাবাৰ ৩ কোটি ১২ লাখ জনসাধাৰণৰ মাজত ১ কোটি ১৫ লাখ সংখ্যালঘু সম্প্ৰদায়ৰ মানুহ আছে আৰু এই সংখ্যালঘু সম্প্ৰদায়ৰ মানুহৰ যিটো সংখ্যালঘু উন্নয়ণ বোৰ্ড - এই বোৰ্ডৰ মাত্ৰ ৯১ কোটি টকাহে মাত্ৰ ধাৰ্য্য কৰিছে । ২০২২-২৩ বিত্তীয় বৰ্ষত ১৩৯ কোটি টকা ধাৰ্য্য কৰিছিলে বোৰ্ডত কিন্তু এই বোৰ্ডে এক টকাও চেংশ্যন নিদিলে । বাজেটত ধৰিছে ১৩৯ কোটি কিন্তু ১ টকাও চেংশ্যন নিদিলে ছাৰ । এইবাৰ মাত্ৰ ৯১ কোটি টকা বাজেটত ধৰিছে । এই বৃহত্তৰ জনগোষ্ঠীটোৰ শিক্ষাৰ ক্ষেত্ৰত - স্বাস্থ্যৰ ক্ষেত্ৰত পিছপৰা এই লোকসকলক আগুৱাই নিয়াৰ কাৰণে ৯১ কোটি টকা চাফিচিয়েন্ট নেকি ? গতিকে এই বাজেটটোক কেতিয়াও জনমুখী বাজেট হ'ব নোৱাৰে । অধ্যক্ষ মহোদয় , আমি সকলোৱে জানো আমাৰ ভাৰতবৰ্ষ এখন সাৰ্বভৌম গণতান্ত্ৰিক সমাজতান্ত্ৰিক গণৰাজ্য । এই দেশ তথা ৰাজ্যখন পৰিচালনাৰ ক্ষেত্ৰত সংবিধানৰ কিছুমান প্ৰিঞ্চিপুল বা দিগ্‌দৰ্শন আছে । এই দিগ্‌দৰ্শনবিলাক অবমাননা কৰা হৈছে ছাৰ । আজি যদি আপুনি চায় , সংবিধান আজি প্ৰত্যাহ্বানমূলক হৈ পৰিছে । কাৰণ আজি সম্পত্তিৰ যিটো অধিকাৰ- সম্পত্তি ক্ৰয় বিক্ৰি কৰাৰ যিটো অধিকাৰ, সম্পত্তি ক্ৰয়- বিক্ৰয় কৰাৰ যিটো পাৰ্মিশ্যিন এইটোক বাধা দিছে । গতিকে সেইটো সংবিধানৰ প্ৰত্যাহ্বানমূলক বিষয় হৈছে । - আজি ৰাজ্যখনত হিন্দুসকলৰ মাটি মুছলমানে ক্ৰয় কৰিব নোৱাৰিব , মুছলমানৰ মাটি হিন্দুয়ে ক্ৰয় কৰিব নোৱাৰিব । এনেকুৱা বহুত মানুহ আছে যে, বহু বছৰ আগতে তেওলোকে হিন্দু মানুহৰ মাটি কিনি খেতি বাতি কৰি চলি আছে । কিন্তু কিবা কাৰণত ৰেজিষ্ট্ৰেশ্যনটো কৰিব পৰা নাছিলে। এতিয়া উপায়ুক্তৰ কাৰ্য্যালয়ত গ'লে তেওঁলোকক পাৰ্মিশ্যনটো নিদিয়ে । চৰকাৰে আজি এই ধৰণৰ বৈষম্যমূলক আচৰন কৰিছে ছাৰ । গতিকে এই বৈষম্যমূলক আচৰন বিলাক দুৰ কৰি

সম উন্নয়ণ , সমতা প্ৰস্তুত কৰিব লাগিব , তাৰ কাৰনে সকলো শ্ৰেণীৰ নাগৰিকক সমান সুবিধা দিব লাগিব । আজি এটা সম্প্ৰদায়ক কিয় এই বৈষম্যমূলক আচৰণ কৰা হৈছে , তেওঁলোকৰ আজি এনেকুৰা অৱস্থা হৈছে যে তেওলোক বা পৰিয়ালৰ মানুহ বেমাৰত ভূগী আছে , চিকিৎসা কৰি আছে , টকা পইচা যোগাৰ কৰিব নোৱাৰা বাবে মাটি বিক্ৰি কৰিব বিচাৰিছে কিন্তু মাটি বিক্ৰী কৰিব পৰা নাই আৰু মাটি বিক্ৰি কৰিব নোৱাৰা কাৰণে আজি মৃত্যুমূখত পৰিছে । গতিকে এনেধৰণৰ বৈষম্যমূলক নীতি প্ৰত্যাহাৰ কৰি মাটি কিনা বেছাৰ অনুমতিটো প্ৰদান কৰিব লাগে । অধ্যক্ষ মহোদয়, আৰু এটা কথা হ'ল সত্ৰৰ ৫ কি.মি এলেকাৰ ভিতৰত মাটি বেচা কিনা বন্ধ কৰি থৈ দিছে । সত্ৰ সমূহৰ ঐতিহ্য , গৰিমা সুৰক্ষিত হৈ থাকক এইটো কামনা কৰো । কিন্তু এই সত্ৰৰ ৫ কি.মি ভিতৰত যদি কোনোবা মুছলমানৰ মাটি আছে , ম্যাদী পট্টা মাটি আছে , তেওঁ সেই মাটিটো কিয় বিক্ৰি কৰিব নোৱাৰিব । বডদ্ৰবা সত্ৰ- পাতিকীবুৰী সত্ৰ - এই পাতিকীবুৰী সত্ৰৰ যিটো সাঁচিপাতৰ পুঁথি - মোক এদিন আমাৰ জেন সতীৰ্থই যোৱাৰ বাবে ক'লে- আৰু মই গৈছিলো তাত, গৈ দেখিলো আমাৰ মুছলিম লোকসকলে সত্ৰৰ চাৰিওফালে সাৰি আছে । তেওলোকে চোৰাচিতা কৰি আছে । তাত মহাপুৰুষ শংকৰদেৱ গুৰুজনাই লিখা সাঁচি পাতৰ যিখন পুঁথি আছে এইটো কম্পিউটাৰাইজড কৰাৰ বাবে মোক ক'লে । মই কম্পিউটাৰাইজ় কৰাৰ ব্যৱস্থা কৰি দিলো । সত্ৰৰ মণিকুটটো বেয়া হৈছে সেইটো ৰিপিয়াৰিঙ কৰি দিলো ছাৰ । আমাৰ মনত কোনধৰণৰ হীনমন্যতা নাই ছাৰ । গড়াখহনীয়াত আক্ৰান্ত হৈ যেতিয়া বৰপেটাৰ মইনবৰী সত্ৰত সৰভোগলৈ স্থানান্তৰিত কৰাৰ ফলত সেই অঞ্চলৰ মুছলমানৰ অন্তৰত যি আবেগিক পৰিবেশৰ এটাৰ সৃষ্টি হৈছিলে সেই কথা আজি পাহৰিলে নহ'ব গতিকে সত্ৰৰ ৫ কি.মি ভিতৰত মুছলমানৰ মাটি. বিক্ৰি কৰিব নোৱাৰিব বুলি যিটো বন্ধ কৰি থৈছে , মই এইটোমই বিবেচনা কৰিবলৈ আহ্বান জনাইছো । স্বাস্থ্ৰ ক্ষেত্ৰত যিসকল এন এইচ এম কৰ্মচাৰীয়ে কাম কৰি আছে , ক'ভিদৰ সময়ত নিজৰ জীৱনক তুচ্ছ কৰি কাম কৰিছে , সেৱা প্ৰদান কৰিছে আজি তেওঁলোকক ঠিকা ভিত্তিত পইচা দি আছে । তেওঁলোকৰ চাকৰিও নিয়মীয়া কৰা নাই । গতিকে অধ্যক্ষ মহোদয় , এন আৰ এইচ এমৰ কৰ্মচাৰীক স্থায়ী নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে । আশা কৰ্মীসকলক উপযুক্ত দৰমহা দিব লাগে । মোৰ সমষ্টিৰ দগাওঁ আদৰ্শ চিকিৎসালয়, দুকুলি আদৰ্শ চিকিৎসালয়, য'ত প্ৰতিমাহে গড়ে ২০০ নৱজাতকৰ জন্ম হয়। কিন্তু ছাৰ, পৰিতাপৰ বিষয় তাত এটা আলট্ৰা চাউণ্ড মেচিন নাই । গৰ্ভৱতী মাতৃৰ পৰীক্ষাৰ ব্যৱস্থা নোহোৱা বাবে বহু নৱজাতক মৃতক অৱস্থাত জন্ম গ্ৰহণ কৰে । গতিকে তাত শিঘ্ৰেই আলট্ৰা চাউণ্ড - এক্স-ৰে মেশ্বিন দিয়াৰ ব্যৱস্থা কৰিব লাগে । এইবিলাক মেচিন ৰূপহীত দিব লাগে , জুৰীয়াতো দিব লাগে । জুৰীয়া এখন মিনি পিএচচি- কিন্তু ইয়াতো মাহে গড়ে ৯০ টা নৱজাতক জন্ম হয় , ইয়াত নবজাতকৰ পৰীক্ষাৰ কোনো ব্যৱস্থা নাই , আই চি ইউ নাই তাৰ পলত বহু নৱজাতকৰ মৃত্যু হয় গতিকে স্বাস্থ্যৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে। কিন্তু চাৰ, পৰিতাপৰ বিষয় তাত এটা Ultrasound Machine নাই। Ultrasound কৰিব নোৱাৰাৰ ফলত বহুত নৱজাতকে জন্ম অৱস্থাতে মৃত্যুবৰণ কৰে। মাতৃ সকলক পৰীক্ষা-নিৰীক্ষা কৰাৰ কাৰণে যন্ত্ৰ নাই। গতিকে Ultrasound machine তাত দিয়াৰ ব্যৱস্থা কৰিব লাগে। ৰূপহীতো দিব লাগে, জুৰীয়াতো দিব লাগে। জুৰীয়া এখন Mini PHC আৰু এই mini PHC ত গড়ে প্ৰায় ৯০ জন নৱজাতকৰ জন্ম হয়। আজি সেই নৱজাতকৰ যতনৰ কাৰণে কোনো ব্যৱস্থা নাই, ICU নাই। ICU ৰ অভাৱত নৱজাতকৰ মৃত্যু হয়। গতিকে স্বাস্থ্যৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে। আমাৰ দ-গাওঁ, ৰূপহী, জুৰীয়া, গড়াজান, তাৰাবাৰী এইবিলাক হস্পিতালত Ultrasound machine

আৰু আমাৰ X-ray Machine, Operator এইবিলাক দি চিকিৎসা ক্ষেত্ৰত সহায় কৰিব লাগে আৰু চিজাৰিয়ানৰ কাৰণে য'ত এটা মাহত গড়ে ২০০ সন্তানৰ জন্ম হয়, তাত চিজাৰিয়ানৰ প্ৰয়োজন হয়। কিন্তু তাত চিজাৰিয়ান নহয়। তাত কোনো ধৰণৰ চাৰ্জন নাই। গতিকে শিশু বিশেষজ্ঞ আৰু প্ৰসুতি বিভাগৰ চাৰ্জন আমাৰ এই হস্পিতাল সমূহত নিয়োজিত কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ গাওঁৰক্ষী বাহিনীয়ে গাওঁখন সুৰক্ষা দিয়ে। ২৫ জন মানুহে গোটেই মাহটো তেওঁলোকে পহৰা দি থাকে আৰু তেওঁলোকৰ প্ৰতিজনক মাত্ৰ ১০০ টকাকৈ দিয়া হয়। এইটো বহুত অন্যায় কৰা হৈছে। তেওঁলোকক টৰ্চ লাইটো দিয়া নহয়, পোছাকো দিয়া নহয়। গতিকে গাওঁৰক্ষী বাহিনীক মাহেকীয়া দৰমহা দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু তেওঁলোকৰ পোছাক, টৰ্চলাইট আদিৰ ব্যৱস্থা কৰিব লাগে। আজি গৃহৰক্ষী বাহিনী সকলোকো অন্যায় কৰা হৈছে তেওঁলোকৰ যিটো প্ৰাপ্য মজুৰি, সেই মজুৰি তেওঁলোকক দিয়া হোৱা নাই। গতিকে সেই ক্ষেত্ৰতো মই অনুৰোধ জনাইছো যাতে গৃহৰক্ষী বাহিনীকো চৰকাৰে অলপ মনোযোগেৰে তেওঁলোকক কাম কৰাৰ সুবিধা দিয়ে। আজি বাজেটত লাখপতি বাইদেউৰ কথা কৈ গৈছে । যোৱাবছৰ বাজেটতো লাখপতি বাইদেউ আছিল। মাননীয় অধ্যক্ষ মহোদয়, যোৱাবছৰ ২০২৪-২৫ চনৰ বাজেটতো লাখপতি বাইদেউক সুতবিহীন ঋণ দিয়াৰ কথা আছিল, কিন্তু এবছৰ পাৰ হৈ গ'ল নিদিলে। কিন্তু এইবছৰ আকৌ লাখপতি বাইদেউ সকলৰ কথা কৈছে। আমি নৌৰীক সন্মান কৰো। এইবাৰ যিটো লাখপতি বাইদেউৰ কথা কৈছে এইটো যাতে কাৰ্য্যত ৰূপায়িত কৰে, মহিলা সকলক সৱলীকৰণ কৰাৰ ক্ষেত্ৰত অধিক ধন দি তেওঁলোকক সহায় কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীদ্বিপায়ন চক্ৰৱৰ্তী ।

**শ্রী দিপায়ন চক্রবর্তী, (শিলচর) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমের সর্বকালের সর্বশ্রেষ্ঠ গতিশীল ও দূরদর্শী মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মার নেতৃত্বে অসমের প্রথম মহিলা বিত্ত মন্ত্রী শ্রীমতি অজন্তা নেওগ মহোদয়ার উপস্থাপিত বাজেট একটি ঐতিহাসিক বাজেট এবং এটি একটি সর্বস্পর্শী ও জনকল্যানমূখী বাজেট। এই বাজেট উপস্থাপন করার জন্য আমি মাননীয় মুখ্যমন্ত্রী ও মাননীয় বিত্ত মন্ত্রী মহোদয়াকে ধন্যবাদ জ্ঞাপণ করছি। অধ্যক্ষ মহোদয় অন্যান্য যারা সদশ্য রয়েছেন তারা বাজেটের বিভিন্ন দিক আলোচনা করছেন। যেহেতু সময় কম আমি শুধু এই বাজেটে বরাক উপত্যকার বিষয়ে কি কি প্রতিফলিত হয়েছে তার কিছু উল্লেখ করছি । আজ আমি অত্যন্ত আনন্দ ও গর্বের সাথে মাননীয় মুখ্যমন্ত্রীকে শিলচর তথা বরাকবাসীর পক্ষ থেকে ধন্যবাদ জানাতে চাই এইজন্য যে অসমের প্রথম কোন মুখ্যমন্ত্রী শিলচর শহরের সমস্যার কথা চিন্তা করে এই বাজেটে ৭০০ কোটি টাকা উড়াল পুলের জন্য এই বাজেটে বরাদ্দ করেছেন। তার জন্য আমি শিলচরবাসী সকলের পক্ষ থেকে আন্তরিক ধন্যবাদ জ্ঞাপণ করছি। অধ্যক্ষ মহোদয় এটা একটা ঐতিহাসিক পদক্ষেপ বলে আমি মনে করি যে অসমের প্রথম কোন মুখ্যমন্ত্রী বরাক তথা শিলচরকে নিয়ে এভাবে চিন্তা করেছেন। আমরা লক্ষ্য করেছি যে বরাকে একটা নতুন বিভাগ বরাক উপত্যকা উন্নয়ন বিভাগ গড়ে তুলেছেন। এই বাজেটে **১০৫** কোটি টাকা বরাদ্দ করে বরাকের বিভিন্ন উন্নয়নের ক্ষেত্রে তিনি যে পদক্ষেপ নিয়েছেন তার জন্য আন্তরিক শ্রদ্ধা জ্ঞাপন করছি। এই বাজেটে আমরা লক্ষ্য করেছি যে শ্রীভূমি জেলার পাথারকান্দিতে একটি কৃষি মহাবিদ্যালয় স্থাপনের কথা উল্লেখ করা হয়েছে। আমরা দেখেছি যে ভূমির উপলব্ধতা সাপেক্ষে শিলচরে একটি উদ্যোগিক উদ্যান গড়ে তোলার জন্য বাজেটে টাকা বরাদ্দ করা হয়েছে। এই অর্থ বছরে কৃতজ্ঞতা পোর্টেলকে অধিক উন্নত করার লক্ষ্যে গুয়াহাটী, বঙ্গাইগাঁও, মাজুলি ও শিলচরে একটি প্রশিক্ষণ স্থাপনের জন্য বাজেটে

টাকা বরাদ্দ করা হয়েছে। তার জন্য আমি মাননীয় মুখ্যমন্ত্রী মহোদয় ও বিত্ত মন্ত্রীকে অশেষ ধন্যবাদ জ্ঞাপন করছি। অধ্যক্ষ মহোদয় আজ প্রধানমন্ত্রীর মৎস্য সম্পদ যোজনার অধীনে আমাদের শ্রীভূমি অঞ্চলের রাতাবাড়ী বিধান সভার অন্তর্গত শোণবিল যেটা বিশ্বের সর্ব বৃহৎ বিল বলতে পারি তার জন্য বাজেটে ১০০ কোটি টাকা বরাদ্দ করা হয়েছে। মাননীয় অধ্যক্ষ মহোদয়, আজ অসমের সার্বিক সুরক্ষা, শিক্ষা, সংস্কৃতি, ক্রীড়া, ভাষা সকল ক্ষেত্রে এই রাজ্যকে আরও প্রগতিশীল করার লক্ষ্যে এই বাজেট প্রতিফলিত হওয়ার জন্য আমি আন্তরিকভাবে মাননীয় মুখ্যমন্ত্রীকে ও বিত্ত মন্ত্রীকে ধন্যবাদ জ্ঞাপন করে আমার বক্তব্য শেষ করছি।

**শ্রী করিম উদ্দিন বরভূইঞা, (সোনাই সমষ্টি, কাছাড়)ঃ-** যেখানে ১৭ শতাংশ, ১৮ শতাংশ, ৫ শতাংশ, ৯ শতাংশ মুসলমান থাকা কোন রাজ্যে এই ধরনের কোন সিদ্ধান্ত আছে? যে হিন্দুর মাটি জমি কিনতে গলে মুসলমানের পার্মিশ্যান নিতে হবে। আর মুসলমানের জমি কিনতে হলে হিন্দুর পার্মিশ্যান নিতে হবে। যার ফলে জমির মূল্য কম হবে, কমপ্লিকেসি এরাইস হবে, টাইম টেকিং হবে। আজকের দিনে যারাই অ্যাডভানটেজ আসামে অনুপ্রানিত ওরা চাইবে সিঙ্গেল উইন্ডো, ওরা চাইবে সবকিছু উইথইন সেকেন্ড, উইথইন মিনিটস,উইথইন ডে, একটা নির্দিষ্ট সময়ের মধ্যে পার্মিশ্যান ল্যান্ড সেল প্রসেস এইগুলি ইজি হয়। কিন্তু আমাদের সরকার একদিকে অ্যাডভানটেজ আসামের কথা বলছেন একদিকে আবার ল্যান্ডের মধ্যে এত কমপ্লিকেসি আনছে। কিন্তু হয়তো মূখ্যমন্ত্রী ভুলে গিয়েছেন যে এটা হিমাচল প্রদেশ নয়, এটা আসাম। ৪০ শতাংশ মানুষকে বাদ দিয়ে সার্বিক উন্নয়ন সম্ভব না। ইনডিভিজুঅ্যাল বেনিফিসারি স্কিমের ক্ষেত্রে আমি অরুণোদয় স্কিমের কথা স্পেসিফিক্যালি বলছি। মূখ্যমন্ত্রী গতকাল এখানে বুঝিয়েছেন আমাদেরকে রুর‍্যাল ইকোনমি গ্রো করবে। হ্যা, রুর‍্যাল ইকোনমি তো গ্রো করবেই। বাইং কেপাসিটি বাড়বেই। সেটা তো জাস্টিফিকেশন আছে। কিন্তু আমার প্রশ্ন কি? অরুণোদয় স্কিমে ইন্টেনশ্যানেলি সরকার ভোটের স্বার্থে ৪০ শতাংশ মানুষকে বঞ্চিত করার একটি কুচক্রান্ত সরকারের আছে। কারণ যে বুথ সেন্টারে পোলিং সেশনে বিজেপির ভোটার নেই সেখানে টার্গেট ফিক্স করে দেওয়া হয়েছে ২০ থেকে ২৫ , ৩০, ৪০ জনের। যেখান বিজেপির ভোটার আছে সেখানে যদি ৪০০ ভোটার থাকে টার্গেট দেওয়া হয়েছে ৪০০। এখানে কৌশিক বাবু হাসছেন। আমাদের দায়িত্বশীল মন্ত্রী। আমি আমার সমষ্টির দায়িত্ব নমিনেট করে দিয়েছি কৌশিক বাবুকে। আমি অরুণোদয় দেব না, আপনি দেন আমার কোনো আপিত্ত নেই। আমি আমার কথা বলছি না। আমি সাধারণ কথা বলছি। আপনারা ভুললে চলবে না যে ৪০ শতাংশ মানুষকে বাদ দিয়ে সার্বিক উন্নয়ন হবে না। কাল মূখ্যমন্ত্রী কয়েকটি নাম বলেছেন যে এদের অ্যারেস্ট করা হয়েছে, দুজনের নাম পড়েছিলেন। আগামী দিনে যদি সরকারের এই মেন্টেলিটি, এই মোটিভ থাকে তাহলে রোজই এইসব ঘটনা ঘটেই থাকবে। আর তার জন্য দায়ী থাকবে সরকার। সরকার যত সময় পর্যন্ত সবকা সাথ সবকা বিকাশ মুখে বললে হবে না। কিসের ভয় মূখ্যমন্ত্রীর? সরকারের ভয় কিসের। এই দু'দিন হল ডিলিমিটেশনের মাধ্যমে আসামের ৩০-৪০ শতাংশ মুসলমানের রাজনৈতিক অধিকার কেড়ে ৩৫ থেকে ২২ টি সিটে নিয়ে এসেছেন। বরাক উপত্যকাতে ১৫টি সিট ছিল সেটাকে কর্তন করে আপার আসামে দুটো সিট বাড়িয়ে দিয়েছেন। বরাকের ১৩টি সিট করেছেন। পঞ্চায়েত ডিলিমিটেশনে মুসলমানদেরকে বঞ্চিত করে দিয়েছেন। তারপর আর কি করবেন মূখ্যমন্ত্রী মহোদয়? জমিতে হাত দিচ্ছেন। মুখ্যমন্ত্রী মহোদয় আমি জানতে চাই মূখ্যমন্ত্রীর কাছে রাজনীতি করুণ আপনি আপত্তি নেই। আপনি সমাজকে এতো গ্রাসরুটে সেন্টার ওয়াইজ আপনি হিন্দু মুসলমান ভাগ করার যে কাজ শুরু করেছেন সেটা

আসামের জন্য ক্ষতিকারক। আপনার জন্য ক্ষতিকারক। আজ আপনি মূখ্যমন্ত্রী আছেন আগামী কাল আপনি থাকবেন না। সমাজ থাকবে মানুষ থাকবে। ইতিহাসের কথা আপনি বলেন, সেই ইতিহাস আপনাকে ক্ষমা করবে না আপনার এই সব কাজের জন্য। আপনি তথ্য দিয়েছিলেন গতকাল ২০১৪-১৫ তে ৪১ হাজার কোটি টাকা ব্যয় হয়েছে। আপনি তুলনা করেছেন আজ আপনি ১ লাখ ৫৫ হাজার কোটি টাকা আপানার টোট্যাল ব্যয় হয়েছে। কথার ফুলঝুড়ি আমরাও জানি। যদি নর্ম্যাল আপনি একজন ইকোনমিস্ট হিসাবে যদি চিন্তা করেন তাহলে তার নুন্যতম ১ লক্ষ ৬০ হাজার কোটি হওয়া উচিৎ ছিল। জেনারেল হলে ২ লক্ষ কোটি টাকা হওয়া উচিৎ ছিল। আমি যেকোনো ডিবেটে যেতে রাজি আছি। লাইভ কোনো ডিবেটে বসুন। আপনার লাস্ট ১০ বছরের যে ইনক্রিস হওয়ার কথা ছিল। যেটা আপনি ক্রেডিট বলছেন সেটা আপনার ডিসক্রেডিট।সেটা আপনার ফেইলার। মিনিমাম ২০ শতাংশ আপনার ফেইলার আছে। আপনি মূখ্যমন্ত্রী, ২০২০ এর পর ২১-২২,২২-২৩, ২৩-২৪ আমি দায়িত্ব নিয়ে বলছি ৭০ শতাংশ প্রজেক্ট এখনো সম্পন্ন হয়নি। আপনি বাজেটে প্রভিশন রাখেন পলিটিক্যাল কথা বলেন, অখিল গগৈ এর সঙে তুচ্ছ-তাচ্ছিল্য কথা বলে হাউসে আমেজ দিয়ে আমোদ-প্রমোদ করে আপনি চলে যান আমাদেরকে একটি ভাসন দিয়ে দেড় দুই ঘন্টার। আপনি স্বপ্ন দেখিয়ে বাস্তবায়িত করেন না। আপনি এই হাউসে বলেন আমি চড়ের মাটির পাট্টা দেব যারা ২০ বিঘা নিয়েছে। যারা ৪০ বিঘা নিয়েছে তাদের থেকে আমি ৭ বিঘা, ৮ বিঘা মাটি দিয়ে বাকি সব মাটি রিকোভারি করব। ভালো কথা, করেন। করেন না কেন? আপনি বলেন আমি অরুণোদয় দেই। আপনি বলেন আমি রাস্তা দেই। হ্যাঁ দেন। কিন্তু সেটা প্রপোরশনেটলি না কেন? সেটাতে ডিসক্রিমিশ্যান কেন? তার জবাব মূখ্যমন্ত্রী আপনি এই হাউসে দেবেন। আপনি কাহানি শুনিয়ে, গল্প শুনিয়ে ব্যক্তিগত ভাবে আপনি প্রতিশোধের কথা বলে, টাইম কিল করে কোন স্পেসিফিক কথা না বলে আপিনি যদি এরকম কাজ করেন তাহলে আমি এই রাজনীতিকে সম্পূর্ণ মূখ্যবাদীর মস্তিস্ক প্রশিদ্ধ একটি রাজনীতিক বাজেট বলে আমি আমার বক্তব্য এখানে শেষ করছি।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়াই কওঁক। আপোনাক তিনি মিনিট সময় দিয়া হ'ল।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি পঞ্চদশ বিধান সভাৰ পঞ্চমখন বাজেট খন মাননীয়া বিত্তমন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীয়ে দাখিল কৰিলে। এই বাজেটখন বিশেষকৈ এখন জনমুখী বাজেট। কাৰণ সৰ্ব্বাঙ্গীন উন্নয়ণক তেখেতে উদঙাই দিছে। আমি যিখন অসমত জন্ম লৈছো, সেই অসমখনক আমি কেনেদৰে শুৱনি কৰিব লাগে, কেনেদৰে উন্নয়ণ কৰিব লাগে সেই কথা চিন্তা কৰি থকাৰ সময়তে আমাৰ বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এই পঞ্চমখন বাজেট দাখিল কৰিলে। ইয়াৰ বাবে বিশেষভাৱে তেখেতক ধন্যবাদ দিব লাগিব। এই বাজেটখনত উন্নয়ণৰ কাৰণে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ণৰ পুঁজি ৮০ শতাংশলৈ বৃদ্ধি কৰিছে। লগতে প্ৰতিদিনৰ হিচাপত গড়ে ১৩ কিলোমিটাৰ ৰাস্তা নিৰ্মাণ হৈ আছে। মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৭ শতাংশলৈ বৃদ্ধি, মুঠ ২.৪৫ কোটি ব্যক্তিক প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ যোজনাৰ আওতালৈ অনা হ'ল। প্ৰশাসনিক ক্ষমতা বিকেন্দ্ৰীকৰণৰ কাৰণে এতিয়ালৈকে ৩৯ খন সম জিলা গঠন কৰা হ'ল। ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ সচিবালয় উদ্বোধন, ষষ্ঠ অনুসূচীত অঞ্চলসমূহৰ অৰ্থনৈতিক বিকাশৰ দৃষ্টি আকৰ্ষণ কৰিবৰ বাবে অসম বিধান সভাৰ বাজেট অধিৰেশন প্ৰথমবাৰৰ বাবে

কোকৰাঝাৰত অনুষ্ঠিত কৰা। ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেট অনুসৰি নামৰূপৰ সাৰ কাৰখানা নতুনকৈ নিৰ্মাণ আৰু ইয়াৰ উৎপাদন ১২.৭ লাখ মেট্ৰিক টনলৈ বৃদ্ধি কৰা, অসম চুক্তিৰ ছয় নং দফাৰ কাৰ্য্যকৰী কৰণত গুৰুত্ব প্ৰদান, অষ্টাদশ উন্নয়ণী মুকুতা মালাৰ শুভাৰম্ভ, অৰুণোদয় ৩.০ এপৰ জৰিয়তে ৩৭.২ লাখ মহিলালৈ ১২৫০ টকাকৈ আৰ্থিক সকাহ প্ৰদান, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা, মুখ্যমন্ত্ৰী নিযুত মইনা, মুখ্যমন্ত্ৰীৰ আত্ম-নিৰ্ভৰ অসমৰ দৰে দূৰদৰ্শী এই আঁচনিবিলাকে আমাৰ অসমৰ সৰ্বাংগীন উন্নয়নৰ দিশটোকে উদঙাই দিছে বা প্ৰতিফলিত কৰিছে। গতিকে আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰখনে সকলো দিশতে সকলো জনগোষ্ঠীক একত্ৰিত কৰি কেনেধৰণে আগুৱাই লৈ যাব পাৰি, সকলো জনগোষ্ঠীৰ ভাষা- সংস্কৃতি, কলা-কৃষ্টিক কেনেধৰণে সমমৰ্যাদা দিব পাৰি আৰু সম উন্নয়নৰ গতিৰে আগবঢ়াই লৈ যাব পাৰি এই কথাখিনি চিন্তা কৰি এনেধৰণে আমাৰ অসমখনৰ সৰ্বাংগীন উন্নয়নৰ দিশত আগুৱাই লৈ গৈছে। লগতে, ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ভাৰতবৰ্ষত তৃতীয় বাৰৰ বাবে তেখেতে যিহেতু প্ৰধান মন্ত্ৰী হিচাপে কাৰ্য্যভাৰ ল'লে, তাৰ পাছৰ পৰাই সমগ্ৰ দেশখনক অৰ্থনৈতিক দিশতে হওঁক বা সামাজিক দিশতেই হওঁক, সকলো দিশতে আজি আমাৰ দেশখনক আগুৱাই লৈ গৈছে। গতিকে আজি এই বিধান সভাত এইখিনি কথাকে ক'বলৈ দিয়াত মই অধ্যক্ষ মহোদয়ক বিশেষকৈ ধন্যবাদ দিছো আৰু আমাৰ এই বাজেটখনক মই পূৰ্ণ সমৰ্থন জনাই বিত্ত মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানী আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ দি মোৰ ক'বলগীয়াখিনি ইমানতে সামৰিছো।

**মাননীয় অধ্যক্ষঃ** শ্ৰী জিৰণ বসুমতাৰী। আপোনাৰ সময় ৭ মিনিট।

**শ্ৰী জিৰণ বসুমতাৰী (গোসাই গাওঁ)ঃ मुस्रि जिरन बसुमतारी:** मानगोनां बुंथिगिरि गेदेमा, मानगोनां Finance Minister बिथां मुस्रिमा अजन्ता नेउग, बिथाङा जे आसाम रांबावजा 2025-26, बेखौ जथुमाव Place खालामदों आरो बे रांबावजायाव जों गोबां आसा नुनो मोनदों। बेनिखायनो आं बिथांखौ गिबियावनो जोबोर गोजोननाय जासिदों। लोगोसेयैनो आसामनि मानगोनां Chief Minister ड° हिमन्त बिस्व शर्मा बिथांखौबो आङो गोसो गोर्बोनिफ्राय गोजोननाय जासिदों। आरो बे रांबावजाखौ गुबैयै आंनि नोजोरै आङो बुंनो सानदों-बे मोनसे जारिमिनारि रांबावजा, सुबुंजों अनसाइ जानाय रांबावजा, लोगोसे जौगालु रांबावजा आरो मिजिंनि रांबावजा। मानो होननानै बुङोब्ला जों आसामाव जाय समाव लाइमोनफोरा साख्रि-बाख्रि मोननो हायाखैमोन, बे समाव जोंनि मानगोनां Chief Minister बिथाङा गाव बुंखानाय बायदियै जेरै बायदि-1 लाख लाइमोनफोरनो साख्रि होनायनि बाथ्रा बुंदोंमोन। नाथाय जों बेयाव नुबाय थांनाय जानुवारी दाननिफ्राय लानानै 2025 मायथाइनि बे जानुवारी दानसिमाव 1,19,899 (से लाख जिगुजौ रोजा दाइनजौ गुजिगु) लाइमोनफोरनो आथिखालाव साख्रि होनाया आबुं जाबाय। लोगोसे आरोबाव बिबांखौ बांहोबावनो थाखाय 40,697 (ब्रैजि रोजा द'जौ गुजिस्नि) लाइमोनफोरनो साख्रि होबावनांगौनि थाखाय आरोबाव मिथिसार होबावनाय जादों आरो बेखौ जुदि दाजाबोब्ला गासै आसामाव 1,60,596 (से लाख द'जि रोजा बाजौ गुजिद') लाइमोनफोरा साख्रि मोननायनि राहाखौ बे 5 बोसोरनि गेजेरजों, बे सरखारनि गेजेरजो बे खाबुखौ मोननो हादों। आरो लोगोसेयैनो गोबां बिथांखिफोर जाय बिखांखिफोरा जोंनि आइजोफोरनि थाखाय, जोंनि लाइमोनफोरनि थाखाय। जाय लाइमोनफोरा गोरों-गोरा जानानै गोबां साख्रि-बाख्रि मोननो हायाखैमोन। गसंथानांगौनि थाखाय लोगोसे self-helf group नि हान्जाफोरा जौगानांगौनि थाखाय बे गोबां बिथांखिफोर लादों जेरै-अरुनदयबिथांखि, मुख्य मन्त्री महलिा उघ्दामीता अभिजान, लोगोसेयैनो मुख्य मन्त्री निजुत मइना बिथांखि, मुश्य मन्त्री जीवन प्रजना बिथांखि लोगोसे CM.002.4 बेनि

गेजेरजों जोंनि लाइमोनफोरखौ, आइजोफोरखौ गोजौआव लाबोनो थाखाय जाय बिथांखि लादों बेजों रायजोयाव थानाय दुखुथिया आइजोफोरा जोबोद सहाय मोनदों। आरो बे सहायखौ मोननानै बिथांमोनहा गावनि नखरखौ नायनाय आरो गावनि नखराव एसे सहाय सुफुंनो थाखाय बिथांमोना जोबोद खाबु मोनदों। आरो जाय फरायसाफोरा दिनै फरायनानै हायार सेकेण्डारीयाव, डिग्रीयाव, PG याव मुंथिसननो थाखाय जायफोरा हायाखैमोन बिथांमोननि थाखाय निजुत मइना बिथांखिनि गेजेरजों जा राङारि अनसुंथाइ होनाय जागोन दानारि हिसाबै बिजोंहाय बिथांमोनहा बेखौ एडमिसन लानो थाखाय एबा थांलाय-फैलाय हान्थामेला खालामनो बे सुबिदाखौ मोननाय जादों। आरो बेल नङा गोबाव सम जायफोर बिथांमोनहा भेन्सार स्कुलाव फोरोंगिरि हाबा मावबोनानैबो दिनैसिमहालागै बिसोरनि साख्रिया Permanent जायाखैमोन बेखौ नोजोर होनानै 2017-18 मायथाइयाव आसाम शिक्षा आयेननि गेजेरजों जा Amendment लाबोनाय जादोंमोन। बे Amendment नि गेजेरजों 5 जानुवारी 2006 मायथाइयाव जों मोनसे आयेन लाबोनाय जादोंमोन बे आयेननि आवथायाव जाय बिथांमोनहा गोग्लैदों 5 जानुवारी 2006 मायथाइयाव जाय बै school फोरा खुलिनाय जादोंमोन, गायसननाय जादोंमोन आरो बेनि सिगां जायफोरा गायसननाय जादोंमोन बिथांमोनखौ नायफामनानै जायफोरनि हा-हुफोरा थिक दङ; जायफोरा permission थिक दङ; जायफोरना recognition थिक दङ; बेफोरखौ Provincilaized खालामनायनि मोनसे आयेन लाबोनायनि गेजेरजों बै खाबुफोरखौ लानायनि राहाखौ जों बे रांबावजानि गेजेरजों नुदों। आरो लोगोसेयैनो 6th Schedule Council आव थानाय फरायसालिफोर दङ बेखौ relaxation होननानै बांसिननिखुइ बांसिन जाहाथे सुबिदाखौ मोननो हायो बेनि थाखाय बे खाबुखौ लानाय जादों। बेनिखायनो बे रांबावजाया जोंनि थाखाय मोनसे गाहाम रांबावजा। आरो बे रांबावजानि गेजेरजों जों मोनफ्रोमबो बिथिंनि मोनफ्रोमबो section नि रायजो -राजाफोरा सुबिदाखौ मोननो हागोन। आरो बेजोंनो आं मोनसे खोथाखो एरखांबावनो नागिरदों जेब्ला रांबावजाया जोंनि बड'लेण्ड ओनसोलाव माबादि गोहोम गोग्लैदों। थारैनो बे रांबावजानि गेजेरजों जोंनि बड'लेण्ड ओनसोलाव जोङो नुबाय देग्लाय जिहेथु जोङो 1,143 crore (से रोजा सेजौ ब्रैजि थाम)जोंहा रांबावजायाव मोननो हादों। थांनाय बारनिफ्राय बारा जों बांसिन रांरासिखौ मोननो हादों। दा नायोब्ला जों गोबां खामानि मावनो हागोन आरो लोगोसेयैनो जोंनि कक्राझाराव मोनसे अत्याधुनिक sports stadium बानायनो नागिरदों । 108 crore (सेजौ दाइन कौटि) नि बे गिदिर मोनसे एमाउन्टनि गेजेरजों। आं सानो जोंनि ओनसोलाव थानाय जाय लाइमोनफोरा खेला-धुलाजों सोमोन्दो दङ बिथांमोनहा मोजां मोनसे बे scope खौ मोनगोन। आरो कक्राझार होननानै बुङेब्ला आसामनि गेजेरावनो गुबुन गुबुन जायगायाव जे गेलेगिरि बिथांमोनहा जेंरैबायदि जौगानो हादों थिक बे जायगायावबो जौगानो हानाय जोंनि लाइमोनफोर दङ। बेखायनो जों बेजों गोबां खामानिखौ मावनो हागोन। लोगोसेयै Bodoland Development Department नि गेजेरजों जोङो BTC आव 2020-23 मायथाइयाव जोङो Goodwill Mission आव 702.39 किल'मिटार लामा मावफुंनो हादों आरो लोगोसेयै मुख्य मन्त्री पथ, नबीकरन बिखांखिनि गेजेरजों 400.5 किल'मिटारफ्राम लामा बानायनो हादों। गासै जोङो बेहाय गोबां लामा मावनो हादों। 11 किमिटारनिबो बारा 2020-23 मायथाइनिफ्राय दिनैसिमाव लानानै जों लामा मावफुंनो हाबाय। आरो दानि रांबावजायाव जों नुबावदों जोंनि BTC ओनसोलाव आरोबाव आसाम-मालानि गेजेरजों गोबां खामानि मावनो हानाय जोंहा scope फोर होदों। बेनिखायनो आरोहाव आं सानदों बिटिसि ओनसोलाव हान्थामेला आरो रांखान्थि बिथिङाव जौगानांगौनि थाखाय जों नुदों भारत-भुटान ओनसोलाव मोनसे मोजां थासारि

लाबोनो थाखाय बैहाय बड'लेण्डखौ करिडर होनानै भुटान–बड'लेण्ड आरो खुंथाय आफादफोरनि गेजेरजों जौगानांगौनि थाखाय बैहाय गोबां हान्थामेला आरो जोंनि खामानिया जाहाथे एरो बेनि थाखाय खामानि मावफुंनो गोबां एलेकायाव scope खौ होनाय जादों। मिजिंथियो फैबाय थानाय समाव जोङो बेफोरबादि गोबां हाबाफारि लानानै जोंनि ओनसोलाव जौगाहोनो हागोन ।

**माननीय अध्यক্ষ ঃ** ধন্যবাদ, শ্ৰী জাকিৰ হুছেইন সিকদাৰ। সময় আমাৰ continue য়ে চলিব আৰু reply ও বহুতে দিবলগীয়া আছে আৰু bill ও বহুত আছে। গতিকে বহুতো বক্তা আছে এতয়িাও। এতিয়া সময়টো বঢ়ালেও সকলোৰে যদি ১ মিনিটকৈ ও বেছি কয়, তেতিয়া দীঘলীয়া হৈ গৈ থাকিব। এই কাৰণে কোৱা মানুহৰ নামত আকৌ ক'ব পাৰে নেকি পাৰ্টিয়ে। এইটো আপোনালোকে চাই ল'ব। এতিয়া কোনে ক'ব?

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়। মই প্ৰথমতে অসমৰ প্ৰথম গৰাকী মহিলা বিত্ত মন্ত্ৰী হিচাপে বাইদেউক মই মোৰ আন্তৰিক অভিনন্দন জনাই তেখেতে ১০; মাৰ্চ ২০২৫ তাৰিখত উপস্থাপন কৰা যিটো বাজেট তাৰ ওপৰত Chapter Allocation টো available নহয় বা portalত বা hard copy দিয়া নাই। তাত মোৰ এটা overall বিল এনেকুৰা যে ২০২৫-২৬ চ নত যি targetted amount আছিল সেইটো যোৱা বছৰতকৈ ৩ শতাংশ expenditure less হৈছে আৰু ইয়াত এটা কথা লক্ষ্য কৰিছো যে যিটো loan প্ৰায় ৩৫০ শতাংশ increase হৈছে আৰু কেইবাটাও Chapter ত দেখা গৈছে যে বাজেট hike কৰিছে যেনেকৈ Rural Development Department ত ৩০ শতাংশ hike কৰিছে, Health and Family Welfareত ৭ শতাংশ hike কৰিছে, Transport Department ত ১২ শতাংশ hike কৰিছে, Agriculture Department ত ৫ শতাংশ hike কৰিছে। এই যিখিনি আমাৰ বাজেটত বেছি প্ৰয়োজন আছিল তাত বাজেট কৰ্তন কৰাই আমাক চিন্তিত কৰিছে। এটা ভাল কথা শুনিছিলো বাজেটত যিটো বিদ্যালয়সমূহক প্ৰাদেশীকৰণৰ ক্ষেত্ৰত চৰকাৰৰ যিটো সিদ্ধান্ত কিন্তু ইয়াতে চনক লৈ কথা কৈছে ২০০৬ চনত অধ্যক্ষ মহোদয় আপুনিও জানে ২০১১ চনৰ আগত অসমত কোনোধৰণৰ প্ৰাদেশীকৰণ হোৱা নাছিল। ১৯৭৭ চনৰ পিছত যিমান বিলাক স্কুল কলেজ স্থাপন হৈছিল, সেইসময়ৰ বিধি অনুযায়ী আৰু ২০১১ চনত যদিও যিমান terms & conditions fixed কৰা হ'ল সেইবিলাক মহামান্য উচ্চ ন্যায়লয়ে কিন্তু scrab কৰিলে। Ultra vires ৰ লেখীয়াকৈ এইটো বাতিল কৰিলে। প্ৰকৃতপক্ষে যি প্ৰাদেশীকৰণ Act ২০১৭ চনত আহিল, গতিকে ২০১৭ চনৰ Act ত যিবিলাক terms & conditions lay কৰা হৈছিল তেতিয়াৰ পৰা এই effectiveness টো আনিব লাগিছিল কিন্তু ২০০৬ চনত effect date ধৰাৰ কাৰণে প্ৰদেশীকৰণৰ যি সিদ্ধান্ত লৈছে মই ভাবো যে বহু সংখ্যক teaching- non teaching staff প্ৰাদেশীকৰণৰ আওঁতাৰ বাহিৰত থাকিব। মোৰ দাবী যে প্ৰাদেশীকৰণৰ যিটো base year ০১-০১-২০০৬ চন ধৰা হৈছে। ইয়াক amendment কৰি ২০১৭ চনত যেতিয়া প্ৰাদেশীকৰণ আইন ইয়াতে পাছ কৰা হৈছে সেই date লৈকে effectiveness টো আনিব লাগে। ইতিমধ্যে কোৱা গৈছে যে discrimination ৰ ক্ষেত্ৰত মোৰ অনুৰোধ থাকিব যে মুখ্যমন্ত্ৰী মহিলা উদ্যোমিতা অভিযানৰ ক্ষেত্ৰতে হওঁক যাতে পঞ্চায়ত ভিত্তিত population pattern যাতে এই targetত reallocate কৰা হয় তেতিয়াহ'লে discrimination কৰাৰ scope নাথাকিব। অসমত কেইবাখনো মেডিকেল কলেজ স্থাপন কৰাৰ ঘোষণা কৰা হৈছে, সেইটো ভাল কথা আমিও welcome কৰিছো। কিন্তু আমাৰ অসমত

এতিয়া দেখা গৈছে যে বহুত ল'ৰা-ছোৱালী বাহিৰৰ মেডিকেল কলেজত পঢ়ি আছে। আমাৰ Õ±üò1 üÑâË ßÁ¼ ÛýÃŽÂî ÂÎ á±»±ü Â±1± æÃ±ò aspirational district হিচাপে, গোৱালপাৰা জিলাখনত এখন মেডিকেল কলেজ বনোৱাৰ বাবে ঘোষণা কৰা হৈছিল। কিন্তু এই গোৱালপাৰা মেডিকেল কলেজ কেতিয়া আৰম্ভ কৰিব এই বিষয়ে তাত উল্লেখ নাই। আপোনাৰ যিটো Erosion Affected Family Rehabilation Policy 2020, disaster management department ৰ পৰা লৈছিল কিন্তু তাতে খাচ মাটিত বসবাস কৰা মানুহক খব ৰ নকৰে।গতিকে আশা কৰিছো যে চবকা চাথ, চবকা বিকাশ ৰ কথা কৈ থকা এই ক্ষেত্ৰত অসমত বসবাস কৰা প্ৰত্যেক নাগৰিকে যাতে পায়, গৰাখহনীয়াগ্ৰস্ত হ'লে যাতে তেওঁলোকক coverage দিব পাৰে তেনেকৈ Rehabilation Policy ৰ যথাবিহিত amendment ৰ প্ৰয়োজন আছে বুলি মই ভাৱো আৰু অসমত আমি দেখা পাইছো যে মহাৰাষ্ট্ৰ বা কৰ্ণাটকত education hubৰ নিচিনা হৈছে। তেওঁলোকে private sectorত বহুত মেডিকেল কলেজ বা পলিটেক্নিক বা পেৰামেডিকেল institution আছে। অসমৰ ক্ষেত্ৰতো আমাৰ কেইবাটাও private মেডিকেল কলেজ বা private নাৰ্ছিং কলেজ আছে, কিন্তু এই ক্ষেত্ৰত চৰকাৰৰ যথাবিহিত rule নথকাৰ কাৰণে আমাৰ বহুতো লৰা-ছোৱালী বাহিৰত পঢ়িবলগা হয় যিসকলৰ registration licence ৰ ক্ষেত্ৰত আমাৰ অসমৰ যথেষ্ট অসুবিধা হয়। গতিকে এইক্ষেত্ৰত যথাবিহীত নিয়ম বা প্ৰনয়ণ কৰা, অসমতো যাতে private sector ত মেডিকেল কলেজ ,নাৰ্চিং স্কুল, ফাৰ্মাচি কলেজ বা peramedical institute স্থাপনৰ ক্ষেত্ৰত চৰকাৰে উদ্যোগ লয়। সংখালঘু প্ৰনয়ণ বিভাগৰ ক্ষেত্ৰত ইতিমধ্যে আমাৰ এজনে কৈছেই। এই ক্ষেত্ৰত মহামান্য উচ্চতম ন্যায়ালয় বা ভাৰত চৰকাৰে EWS ৰ অধীনত 10% reservation in job, এই ক্ষেত্ৰত আকৌ মই clarify কৰিব খুজিছো যে economically weaker section does not mean that, it is only muslim. এই ক্ষেত্ৰত মহামান্য উচ্চতম ন্যায়ালয় বা ভাৰত চৰকাৰৰ নিৰ্দেশ অনুযায়ী চাকৰিত 10% reservation বাহাল থকাটো আবেদন কৰিছো। ইয়াৰ উপৰিও ওৱাকাফ বোৰ্ডৰ সম্পত্তিৰ বাবে সদন কমিটি গঠণ হৈছিল ২০১৬ চনৰ আগতেই কিন্তু এই সদন কমিটিৰ যিবিলাক recommendation আছিল সেইখিনি implement নোহোৱাটো মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী হেমাঙ্গ ঠাকুৰীয়া। আপোনাৰ সময় তিনি মিনিট।

**শ্ৰী হেমাঙ্গ ঠাকুৰীয়া, (পলাশবাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক লগতে আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াণীক ধন্যবাদ জ্ঞাপন কৰিছো যে বিগত চাৰিটা বছৰৰ বাজেটৰ দৰে ২০২৫-২৬ বৰ্ষৰ এইবাৰৰ বাজেটখনো জনকল্যাণমুখী বাজেট হিচাপে প্ৰস্তুত কৰি উলিয়াইছে আৰু পবিত্ৰ বিধান সভাত এই বাজেটখন উপস্থাপন হৈছে। অধ্যক্ষ মহোদয়, এই বাজেটত সামগ্ৰিকভাৱে পৰিকল্পিতভাৱে প্ৰত্যেকটো বিভাগৰ উন্নয়ণৰ কাৰণে যিদৰে টকা মঞ্জুৰ কৰা হৈছে, ইয়াৰ পৰা সেইটো প্ৰতিফলন ঘটে যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰাৰ দৰে তেখেতে অসমখনক শ্ৰেষ্ঠ ৰাজ্যত পৰিগণিত কৰিব। সেইকাৰণে বিগত যি চাৰিখন বাজেট হৈ গৈছে, তাত যিদৰে উল্লেখ কৰা হৈছিলে সেই সকলোখিনি কথা আখৰে আখৰে পালন কৰা হৈছে আৰু প্ৰথমবাৰৰ কাৰণে দেখা গৈছে যে আমাৰ বাজেটৰ ৮৫ শতাংশ ব্যয় হৈছে।

অধ্যক্ষ মহোদয়, বিশেষকৈ সকলো বিভাগৰ যিহেতু আজি সময় যিহেতু তিনি মিনিট আছে, মই কেইটামান উদাহৰণ দিব খুজিছো। অৰুণোদয় আঁচনিটো বিৰোধী পক্ষই মাজে মাজে

আপত্তি কৰে। মোৰ নিজৰ সমষ্টিতো বিৰোধী পক্ষৰ কিছুমান নেতাই অৰুণোদয় দি মহিলা সকলক অকর্মণ্য কৰা বুলি অভিযোগ কৰে। মোৰ নিজৰ সমষ্টিত ৰীতা শর্মা নামৰ এগৰাকী বিধৱা মহিলা আছে। তেখেতৰ স্বামীৰ অকাল মৃত্যু হৈছে। তেওঁৰ একমাত্র জীয়ৰী গৰাকী পঢ়াশুনাত যথেষ্ঠ ভাল, মেট্রিকত ষ্টাৰ পাইছে। সেই জীয়ৰীজনীক লৈ তেখেতে যথেষ্ঠ আর্থিক অসুবিধাত ভুগিছিলে। যেতিয়া এই মহিলা গৰাকীয়ে অৰুণোদয় পালে আৰু লগতে ৰেচন কার্ড পালে, এতিয়া সেই পৰিয়ালটো এতিয়া ধুনীয়াকৈ চলি আছে। মই নিজে এই পৰিয়ালটোৰ ওচৰলৈ গৈ এই কথাটো প্রত্যক্ষ কৰিছো। ১২৫০ টকায়ো তেওঁলোকৰ কাৰণে সঞ্জীৱনীৰ কাম কৰিছে। অধ্যক্ষ মহোদয়, আমি ধন্যবাদ জ্ঞাপন কৰিছো যে এইবাৰো ৩৭,২০,০০০ মহিলাক অৰুণোদয় দিয়াৰ লক্ষ্যৰে ৫,০০০ কোটি টকা বাজেটত ধার্য্য কৰা হৈছে। আমি এইটো স্বাগতম জনাইছো।

ইয়াৰ লগে লগে মইআন এটা উদাহৰণ দিব বিচাৰিছো। যি নিযুত মইনা আঁচনি আছে, তাৰ দ্বাৰাও যথেষ্ঠ সংখ্যক উপকৃত হৈছে। মই তাৰ এটা সৰু উদাহৰণ দিওঁ- প্রণামিকা ডেকা নামৰ এজনী ছোৱালী, তেওঁ আমাৰ D.K. college, মির্জাত পঢ়ি আছে। আর্থিক অৱস্থা বেয়া কাৰণে এই ছোৱালীজনীক তেওঁৰ পৰিয়ালৰ ঘৰত ৰাখি পঢ়ুৱাইছিলে। যেতিয়া নিযুত মইনা আঁচনি পালে, এই ছোৱালীজনীয়ে পঢ়িবলৈ যথেষ্ঠ উৎসাহ পাইছে। নিশ্চয়কৈ মই নিজৰ সমষ্টিৰ কথা ক'বই লাগিব।

----interruption-----

**মাননীয় অধ্যক্ষ ঃ** বাকীখিনি আপুনি লিখি দি দিব।

**শ্রী হেমাঙ্গ ঠাকুৰীয়া, (পলাশবাৰী) ঃ** নিশ্চয়কৈ। অসমখনক অগ্রগতি লাভ কৰাৰ ক্ষেত্রত এইবাৰ township ঘোষণা কৰিছে পলাশবাৰী, জাগিৰোড, আজাৰাত। তাৰবাবে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে ঔদ্যোগিক উদ্যান গঢ়াৰ ক্ষেত্রত পলাশবাৰীকে ধৰি ৭ খন ঠাইত ৫০০ কোটি টকা ধার্য্য কৰিছে, তাৰবাবে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো আৰু নিশ্চয়কৈ মই পুনৰবাৰ মুখ্যমন্ত্রী মহোদয়ৰ লগতে বিত্তমন্ত্রী ডাঙৰীয়াণীক ধন্যবাদ জ্ঞাপন কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্রী আমিনুল ইছলাম (কণিষ্ঠ)

**শ্রী আমিনুল ইছলাম, (কণিষ্ঠ, মানকাছাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বাজেটৰ যিখিনি কথা ইয়াত আলোচনা হৈছে আমি দেখিছিলো যে যিহেতু আমাৰ ৰাজ্যখন এখন Agriculture State আৰু এই ক্ষেত্রত সর্ব্বভাৰতীয় স্তৰত আমাৰ মুঠ বাজেটৰ ২.৮ শতাংশ কৃষিৰ ক্ষেত্রত খৰছ কৰা হ'ব। এইটো National Average ত কৈ বহুত কম। আমি উৰিষ্যাত যদি লক্ষ্য কৰো ৫.৯ শতাংশ, গুজৰাটত ৫.৯ শতাংশ, কর্ণাটকত ৫.৬ শতাংশ Agriculture ত খৰছ কৰে। যিহেতু আমাৰ ৰাজ্যখন এখন বানপানী বিধ্বস্ত ৰাজ্য, erosion থকা ৰাজ্য আৰু Agriculture আৰু irragation ৰ কাৰণে অত্যন্ত জৰুৰী এখন ৰাজ্য। এই ৰাজ্যত আমাৰ budget allocation only 2.8% যিটো National Average ত কৈ বহুত তলত। বাকীবিলাক ৰাজ্য আমাৰ ৰাজ্যতকৈ বহুত ওপৰত।

আমি ইয়াত sixth schedule ৰ কথা কৈ থাকো, ST/SC/OBC/ Minority ৰ হকে কাম কৰি থাকো বুলি আমি কৈ থাকো। কিন্তু এইটো যদি আমি লক্ষ্য কৰো তেতিয়াহ'লে দেখা যাব যে এই বাজেটত আমাৰ allocation ST/SC/OBC/ Minority ৰ কাৰণে only 2.5%.আমি যদি অন্ধ্র প্রদেশত চাওঁ এইটো ১৭.৬ শতাংশ। তেলেঙ্গনাত ৯

শতাংশ। কিন্তু আমাৰ ইয়াত ST/SC/OBC/ Minority ৰ allocation ইমান কম।

কৃষি আমাৰ মেৰুদণ্ড ।আমাৰ প্ৰায় ৭৫ শতাংশ লোক কৃষি ক্ষেত্ৰত লগত জড়িত আৰু এই কৃষি ক্ষেত্ৰত এইবাৰ budget allocation only 4%. তেলেঙ্গনাত যদি আমি চাওঁ এইটো 20.2%, ছত্তিশগড়ত 15.9%.গতিকে আমাৰ যিটো basis, rural development ত আমি সেইটো কমাইছো। Health ত যদিও এইবাৰ বাঢ়িছে, তথাপি National level ত কৈ কম। Education ত এইবাৰ অৱশ্যে National level ত কৈ বেছিকৈ ধৰা হৈছে। গতিকে এই allocation সমূহ চালে আমি দেখা পাম যে এই system ত যিখিনি কথা কোৱা হৈছে, সেইখিনিত কিন্তু যথেষ্ঠ পাৰ্থক্য ইয়াত ৰৈ গৈছে।

দ্বিতীয়তে, আজি নীতি আয়োগত এটা কথা স্পষ্টকৈ কোৱা গৈছে, নীতি আয়োগৰ শেহতীয়া প্ৰতিবেদন অনুসৰি ৪৬.৮৭ লাখ মানুহক বিভিন্ন স্তৰৰ দৰিদ্ৰতাৰ পৰা উঠাই ভাল position লৈ আনিবলৈ আমি সক্ষম হৈছো। কিন্তু আকৌ page no.serially যদি আমি চাওঁ, ৭০ লাখ পৰিয়ালক আমি পৰিচয় পত্ৰৰ জৰিয়তে ২.৪৫ কোটি প্ৰধান মন্ত্ৰী গৰীৱ কল্যাণ আঁচনিৰ অধীনত আনিবলৈ সক্ষম হৈছো। এইটো self contradictory কথা। এপিনে তেওঁলোকে কৈছে যে আমি ইপিনে উঠাই আনিছো আকৌ দেখা গৈছে যে ২ কোটি ৪৫ লাখ মানুহক গৰীৱ কল্যাণত আমি সুমুৱাইছো। কোনটো সচাঁ? এই কথাটোত আমাক দুই ঠাইত দুই ধৰণৰ ধাৰণা দিয়া হৈছে। মই ভাবো এইটো আমাৰ এটা স্ব-বিৰোধী স্থিতি land ৰ ক্ষেত্ৰত যিখিনি কথা ইয়াত কোৱা হৈছে এই কথাটো স্পষ্টকৈ কোৱাৰ বাবে বহুতে কৈছে। মই আকৌ ক'বলৈ বিচাৰিছো। মাটি বেচা-কিনাৰ ক্ষেত্ৰত যিখিনি কথা মই বেছি ক'বলৈ বিচৰা নাই। সময়ৰ কথা আছে। যিটো কথা মাটি বেচা-কিনাৰ ক্ষেত্ৰত আনিছে সেই কথাটো আমি সকলোৰে জ্ঞাত। Land Policy 2019 ৰ জৰিয়তে যিখিনি খিলঞ্জীয়া ভূমিপুত্ৰ সকলৰ কাৰণে ভূমি কৰা হৈছে সেই কথাটো সকলোৰে জ্ঞাত। বসুন্ধৰা ১,২,৩ ৰ কথা আমি সকলোৰে জানো। বসুন্ধৰা-২ ৰ যেতিয়া declare কৰা হয় আমাৰ সকলো বিধায়ককে ডি.চি আৰু চাৰ্কোল অফিচাৰে মাতি নিয়া হৈছিল। মাতি হয়তো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই স্পষ্টভাৱে কৈছিল বসুন্ধৰা-২ ত কৈছিল মাটি কাক দিয়া হ'ব এইটো আপোনালোকে জানি লওঁক। বেছি secular হোৱাৰ চেষ্টা নকৰিব। এই কথাটোৰ জৰিয়তে কি বুজাব খোজা হৈছিল। কিহৰ কাৰণে কাক মাটি নিদিবৰ কাৰণে ধমকি দিয়া হৈছিল। সেই কথাটো বসুন্ধৰা ১,২,৩ ত আমি বুজি পালো। এতিয়া কথাটো হ'ল যিহেতু বসুন্ধৰা ১,২,৩ ত সেই মূহূৰ্ত্তত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ এই হাউচত কৈছিল যে বসুন্ধৰা- ৪ ৰ জৰিয়তে চৰৰ মাটি পট্টা দিয়া হ'ব আৰু সাত বিঘাকৈ মাটি দিয়া হ'ব। কিন্তু এতিয়া দেখিছো যে 2025 ৰ শেষত চাৰ্ভে কৰিব। তাৰমানে dilute কৰি এই বস্তুটো মাটিৰ পৰা বঞ্চিত কৰাৰ ব্যৱস্থা কৰিছে। আৰু এই হিন্দু-মুছলমানৰ কথা যে কৈছে মাননীয় অধ্যক্ষ মহোদয়, আপুনি ভালকৈ জানে যে Constitution ত যিহেতু আমাৰ Mother Law of the land ৰ অধীনত সকলো Law, সকলো enactment, by law ইয়াত পাব লাগিব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে হাউচত থিয় হৈ লিখিত বাজেটৰ জৰিয়তে কেনেকৈ এই কথাটো আনিব পাৰে, হিন্দু-মুছলমানৰ কথাটো কেনেকৈ আনিব পাৰে সেইটো সংবিধানে allow কৰে নেকি? সংবিধানত এইটো Ultra vires নহয় নেকি? এই কথা বিলাকৰ জৰিয়তে আজি নিৰ্ব্বাচন কেন্দ্ৰিক, নিৰ্ব্বাচনৰ এখন আখৰা প্ৰস্তুত কৰা হৈছে নে আমাৰ ৰাজ্যখনৰ উন্নয়ণৰ বাবে চেষ্টা কৰা হৈছে। এই কথাবিলাক এটা ইলেকশ্যনৰ কাৰণে যদি সকলো উন্নয়ণৰ কাৰণে লক্ষ্য কৰে আমি ভাল পাইছো। কিছুমান কথা আমি ইয়াত

অত্যন্ত ভাল পাইছো। আজি মাইন'ৰিটিৰ কাৰণে কিমান টকা দিয়া হৈছে? মাইন'ৰিটিৰ কাৰণে 91 thousand পইচা দিয়া হৈছে। অসমত আমাৰ ২০১১ ৰ চেনচাচত হিন্দু মানুহ ৬১.৪৭ শতাংশ আৰু মুছলমান মানুহ ৩৪.২২ শতাংশ আৰু খ্ৰীষ্টান ৩.৭ শতাংশ, জৈন পইন্ট ১ শতাংশ, বৌদ্ধিষ্ট পইন্ট ২ শতাংশ, শিখ পইন্ট ৩৭.২৬ শতাংশ। ৯১ কোটি যদি দিয়া হয় তেতিয়াহ'লে এজন মানুহৰ তাত ৭৫- ৭৮ পইচা আহে। তাতকৈ বেছি নাহে। এই one third তকৈ বেছি মাইন'ৰিটি পপুলেশ্যনৰ কাৰণে ১ টকাকৈ দিয়া হ'ল। মই আপোনাক এটা কথা জনাব বিচাৰিছো যে এই বাজেটটো নিৰ্ব্বাচনৰ কাৰণে যথেষ্ঠ। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে স্পষ্টভাৱে কৈছে হয়, নিৰ্ব্বাচনৰ কাৰণে কৰিছো। সঁচা অৰ্থত এইবিলাক পৰিস্থিতি কিন্তু অসমৰ কাৰণে ভাল নহয় আৰু হৈ বাজেটত বহুতখিনি সংশোধনৰ প্ৰয়োজন আছে বুলি অনুভৱ কৰি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী কৃষ্ণকমল তাঁতী, আপোনাৰ সময় তিনি মিনিট।

**শ্ৰী কৃষ্ণকমল তাঁতী, (ৰঙাপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমে আপোনাক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো আৰু লগতে অসমৰ মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী ডাঙৰীয়াণীকো ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, অসমত প্ৰায় ৭০-৮০ লাখ চাহ জনগোষ্ঠীৰ লোক আছে আৰু আজি আমি চাহ উদ্যোগৰ প্ৰায় ২০০ বছৰীয়া জয়ন্তী আমি উদযাপন কৰি আছো। কিন্তু আমি দেখিবলৈ পালো আমাৰ জনগোষ্ঠীটোৱে মহাপ্ৰতাৰণা পাই আহিছে। বৃটিছৰ দিনৰ পৰা যদি কংগ্ৰেছৰ দিনলৈকে আমি চাওঁ যে আমি এটা সন্মান বা স্বীকৃতিও আমি নাপালো। কিন্তু আজি আমি উল্লেখ কৰিব লাগিব যে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমি এটা স্বীকৃতি পাবলৈ সক্ষম হলো। আজি যদি আপুনি চাই অসমৰ এনেকুৱা বহুত মানুহ আছে যিসকলে চাহ জনগোষ্ঠীৰ প্ৰকৃত পৰিচয়টো তেওঁলোকে নাজানে। কিন্তু আজি সমগ্ৰ ভাৰতবৰ্ষতে নহয় সমগ্ৰ বিশ্বতে আমাক মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এটা সন্মান আৰু পৰিচয় দিবলৈ সক্ষম হ'ল। আজি যদি আপুনি সূক্ষ্মভাৱে চায় আমাৰ যি ঝুমুৰ গীত আছে এই ঝুমুৰগীত সমূহ আচলতে আমাৰ চাহ জনগোষ্ঠীৰ দুখৰ বিননী আছিল, দুখৰ বহিঃ প্ৰকাশ আছিল। কিন্তু আজি মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ইয়াক সুখৰ বিনন্দীয়ালৈ ৰূপান্তৰিত কৰিছে। ঝুমুৰ বিনন্দীয়াক সুখৰ বিনন্দীয়ালৈ ৰূপান্তৰিত কৰিছে। তাৰবাবে মই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাব বিচাৰিছো। মই এটা কথা ক'ব বিচাৰিছো যে এইখন সদনৰ মজিয়াতে বহু মানুহে কয় যে অসমৰ চাহ বাগান অঞ্চল সমূহত ডাক্তৰ নাই। কিন্তু আগৰ কোনো চৰকাৰেই চাহ বাগান সমূহক ডাক্তৰ দিবৰ কাৰণে কোনোব্যৱস্থা গ্ৰহণ নকৰিলে। অসমত ১৪ খনকৈ মেডিকেল কলেজ স্থাপন কৰি ১৬০০ ডাক্তৰৰ আসন এইখন চৰকাৰে সৃষ্টি কৰিবলৈ সক্ষম হৈছে। ইয়াৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আমি ধন্যবাদ জ্ঞাপন কৰিব লাগিব। ইয়াক উদ্যোগিকৰণৰ কথা কয়। কিন্তু এই উদ্যোগিকৰণৰ ক্ষেত্ৰত অসম কিয় পিছপৰি আছে। ২০০ বছৰৰ আগতে বৃটিছে অসমত চাহ উদ্যোগ স্থাপন কৰিছিল। সেইটো আজিও চলি আছে। আগৰ চৰকাৰে অসমক উদ্যোগিকৰণৰ ক্ষেত্ৰত কোনো কাম কৰা দেখা নগ'ল। কিন্তু আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আজি অসমক উদ্যোগিকৰণ কৰিবলৈ বলিষ্ঠভাৱে কাম কৰিছে। Advantage -2 ত অসমক উদ্যোগিকৰণ কৰাৰ ক্ষেত্ৰত পদক্ষেপ লোৱা দেখা পাইছো। এইক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে B-3 মানে Bodoland, Bhutan and Bay of Bengal ক সংগ কৰাৰ এটা ব্যৱস্থা কৰাৰ কাৰণে যোগীঘোপা আৰু ফুলগুৰিৰ দ্বাৰা কৰিব বিচাৰিছে। এইখিনি তেওঁৰ দূৰদৰ্শিতাৰ

কাৰণে সম্ভৱ হ'বলৈ সম্ভৱ হৈছে। আমাৰ ৰাজ্যখন কেৱল কৃষিৰ ওপৰতে নিৰ্ভৰশীল হৈ থাকিলে কেতিয়াও GDP বৃদ্ধি হ'ব নোৱাৰে। সেইকাৰণে এইখন চৰকাৰে কৃষিৰ লগতে উদ্যোগিকৰণ কৰাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰিছে। ৰাজ্যখনৰ সম বিকাশৰ কাৰণে যদি কোনোবাই চিন্তা কৰিছে তেতিয়াহ'লে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে চিন্তা কৰিছে। তেখেতে দিনে-নিশাই অসমখনক আগুৱাই নিবলৈ চিন্তা কৰি আছে। প্ৰতিটো বিভাগতে আমি যদি চাওঁ তেতিয়াহ'লে আমি লক্ষ্য কৰিব পাৰিম যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই অসমখনক আগুৱাই লৈ যোৱাৰ কাৰণে চিন্তা কৰিছে। অসমৰ সকলো জাতি-জনগোষ্ঠীক সম ভাৱে আগুৱাই নিয়াৰ কাৰণে চিন্তা কৰিছে। আমাৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক ভেলীৰ সকলো মানুহৰ কথা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে চিন্তা কৰিছে। সেইকাৰণে মই এইগৰাকী মুখ্যমন্ত্ৰীক আন্তৰিকতাৰে ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্যা শ্ৰীমতী শিৱামণি বৰা।

**শ্ৰীমতী শিৱামণি বৰা, (বটদ্ৰৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া বিত্তমন্ত্ৰী মহোদয়াই দাখিল কৰা ২০২৫-২৬ বৰ্ষৰ বাজেটখন হৈছে প্ৰতিশ্ৰুতিৰ বন্যা গোৱা বাজেটৰ লগত সংগতি নথকা বহু কথা কৈ দাখিল কৰা এখন নিৰ্ব্বাচনমুখী বাজেট। বাজেটখন যথেষ্ঠ দীঘলীয়া হৈছে। মই মাত্ৰ দুটামান বিষয়ৰ ওপৰত হে আলোচনা কৰিব বিচাৰিছো। আমাৰ ৰাজ্যখনে আশাকৰ্মী, PM kusum ৰ ৰান্ধনি, অংগনবাড়ী কৰ্মী আৰু সহায়িকা সকলৰ পাৰিতোশিক বৃদ্ধিৰ বাবে দীৰ্ঘদিন ধৰি আন্দোলন কৰি আহিছে। চৰকাৰে তেওঁলোকৰ দাবী দীৰ্ঘদিন ধৰি উপেক্ষা কৰি আহিছে। বাজেটত বিত্তমন্ত্ৰী মহোদয়াই আশাকৰ্মী, PM kusum ৰ ৰান্ধনি, অংগনবাড়ী কৰ্মী আৰু সহায়িকা সকলে পাৰিতোশিক আদি সংশোধন কৰা আৰু এককালীন সাহাৰ্য্য ১ অক্টোবৰৰ পৰা প্ৰদান কৰিব বুলি জনাইছে। পাৰিতোষিক কিমান কৈ বৃদ্ধি কৰিব সেই কথাটো ঘোষণা নকৰিলে। প্ৰথম এপ্ৰিলৰ পৰা বৃদ্ধি নকৰি ১ অক্টোবৰৰ পৰা পাৰিতোষিক বৃদ্ধি কৰাৰ কাৰণটো মাননীয়া বিত্তমন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ অত্যধিক মূল্যবৃদ্ধিয়ে ৰাজ্যখনৰ আজিৰ দিনৰ এটা প্ৰধান সমস্যা। মূল্যবৃদ্ধিৰ প্ৰতি চৰকাৰ সম্পূৰ্ণ উদাসীন। চৰকাৰে ভাবিছে যে ১২৫০ টকাৰ অৰণোদয় দিছো গতিকে মূল্যবৃদ্ধি হ'লেও অসুবিধা নহয়। মূল্যবৃদ্ধিয়ে দুখীয়া আৰু নিম্ন মধ্যবিত্ত পৰিয়ালক কোঙা কৰি পেলাইছে। ৰক্তহীনতাত ভোগা মহিলা আৰু কিশোৰীৰ সংখ্যা ৫০ শতাংশতকৈ অধিক। অত্যধিক খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে পৰিস্থিতি অধিক জটিল কৰি তুলিব। নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰাৰ চেষ্টা বাজেটত পৰিলক্ষিত নহ'ল। MGNREGA আঁচনিৰ অধীনত গাঁৱত বাস কৰা দুখীয়া পৰিয়ালক ১০০ দিনৰ পৰিপূৰক কৰ্ম সংস্থাপন দিয়া এখন মুখ্য ধ্বজাবাহী আঁচনি। MGNREGA ৰ wage ৰ পৰা ১০০ শতাংশ পুঁজি কেন্দ্ৰীয় চৰকাৰে বহন কৰে। ৰাজ্য চৰকাৰৰ অংশ শূন্য। চলিত বছৰত জব কাৰ্ড থকা পৰিয়ালক মাত্ৰ ২৫ দিনৰ কাম দিব পাৰিছে। বিত্তীয় বৰ্ষ শেষ হ'বৰে হ'ল। ৰাজ্যৰ লাখ লাখ জবকাৰ্ড থকা পৰিয়ালে কৰ্মৰ বিনিময়ত পাব পৰা বহু কোটি টকা ৰাজ্য চৰকাৰৰ অংশ শূন্য। চলিত বৰ্ষত job card থকা পৰিয়ালক মাত্ৰ ২৫ দিনৰ কাম দিব পাৰিছে। বিত্তীয় বৰ্ষ শেষ হ'বৰে হ'ল। ৰাজ্যৰ লাখ লাখ job card থকা পৰিয়ালে কৰ্মৰ বিনিময়ত পাব পৰা বহু কোটি টকা ৰাজ্য চৰকাৰৰ সময়োপযোগী পৰিকল্পনাৰ অভাৱত হেৰুৱালে। পঞ্চায়তৰ কাৰ্য্যকাল যোৱা বছৰৰ ৬ ফেব্ৰুৱাৰীত শেষ হ'ল। এটা বছৰ পাৰ হৈ যোৱাৰ পিছতো নিৰ্বাচন অনুস্থিত কৰিবলৈ সক্ষম নহ'ল। ইয়াৰ দ্বাৰা ভাৰতৰ মহান সংবিধানক অৱমাননা কৰা হৈছে। পঞ্চায়তৰ সদস্য নিৰ্বাচনত দলীয় প্ৰতিক নাথাকিব, পঞ্চায়তৰ সভাপতি সদস্য সকলৰ পৰা নিৰ্বাচিত হ'ব, জাতীয় সংশোধনী কৰিও

পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত  কৰিবলৈ সাহস কৰা নাই। পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত নকৰৰ ফলত গ্ৰামোন্নয়ণৰ কেন্দ্ৰীয় পুঁজি বন্ধ হ'ব পাৰে।  বিত্ত মন্ত্ৰী মহোদয়াই বাজেটত অৰ্থনৈতিক প্ৰগতিৰ বাবে বহনক্ষম খননৰ বিষয়ে কৈ খনি আৰু খনিজ সম্পদ বিভাগে ২০২৪ চনত গ্ৰেনাইট আৰু চূণশিলৰ খননৰ নিলাম যোগে আহৰণ কৰা পুঁজিৰ কথা জনালে তাত কয়লা খননৰ নিলামৰ বিষয়ে স্বাভাৱিকতে উল্লেখ নাই। আমি কংগ্ৰেছ দলৰ বিধায়ক সকলে ২০২৪ চনতে এই পৱিত্ৰ সদনত অবৈধ Rat hole mining ব্যাপক হাৰত চলি থকা আৰু অবৈধ কয়লাৰ সৰবৰাহ চলি থকাৰ বিষয়ে মাননীয় খনি  আৰু খনিজ সম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ক অৱগত কৰি তদন্ত কৰিবলৈ দাবী জনাইছিলো। কিন্তু মন্ত্ৰী মহোদয়ে  অসমত কোনো অবৈধ  Rat hole mining  আৰু  অবৈধ কয়লা সৰবৰাহ হৈ থকা নাই বুলি ঘোষণা কৰিছিল। চৰকাৰে বিষয়টো তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰা হ'লে উমৰাংচুৰ অবৈধ Rat hole mining ত হোৱা বেদনাদায়ক দুৰ্ঘটনা ৰোধ কৰিব পৰা হ'ল হয়। কিন্তু চৰকাৰে তেতিয়া  কয়লাৰ দিশত ছিণ্ডিকেটক ৰক্ষণাবেক্ষণ দিয়াৰ হে চেষ্টা কৰিলে। অধ্যক্ষ মহোদয়, ২০২৪ চনৰ বাজেটত গুৱাহাটীক অমৃত গুৱাহাটী integrated global city কৰাৰ ঘোষণা কৰিছিল·। কিন্তু অসমৰ মানুহে ২০২৪-২৫ চনত বাৰিষা কালত গুৱাহাটীৰ অতি কদৰ্য্য ৰূপটোহে দেখিলে। আধা ঘণ্টা বৰষুণ দিলেই  গুৱাহাটীৰ মানুহে কৃত্ৰিম বানপানীত ঘণ্টা ঘণ্টা ধৰি আৱদ্ধ হৈ পণবন্দী হৈ থাকিবলৈ বাধ্য হয়। সেয়ে এই বাৰৰ বাজেটত  গুৱাহাটীক অমৃত গুৱাহাটী integrated global city ৰ বিষয়ে কোনো কথাই উল্লেখ নকৰিলে। স্বাস্থ্য বিভাগত ১৪ খন মেডিকেল কলেজৰ কথা উল্লেখ কৰিছে। বহুত ভাল কথা। সেইটোক আমি আদৰণি জনাইছো। কিন্তু আজিৰ পৰা ৪ বছৰ আগতে ২০১৭-১৮ চনত construction হোৱা 20 beded hospital কে আৰম্ভ  কৰি  30 beded hospital আৰু যিখিনি FRU আছে যেনে ধিং আৰু অন্যান্য ঠাই যিখিনি পুৰণি হাস্পতাল আছে তাত ডাক্তৰ নাই কেৱল গৃহ কেইটাহে বনাই থলে। তাত কোনো ধৰণৰ কাৰ্যক্ষম হোৱা নাই গতিকে তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, সময়ৰ প্ৰতি লক্ষ ৰাখি মই মোৰ বক্তব্য সামৰিব খুজিছো যদিও শেষত কওঁ যে এই বাজেটে সৰ্বসাধৰণৰ ৰাইজৰ আশা আকাংশা পূৰণত সম্পূৰ্ণ ৰূপে ব্যৰ্থ হৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য সঞ্জয় কিষাণ।

**শ্ৰীসঞ্জয় কিষাণ, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই বিশেষ ভাৱে বাজেটৰ ওপৰত দুটামান কথা কব বিচাৰিছো, মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে বিত্তমন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জনাব বিচাৰিছো যে আজি ঝুমুইৰ ক্ষেত্ৰত ব্ৰিটিছে পূৰ্বপুৰুষ সকলক বিহাৰ, ঝাৰখণ্ড, উৰিষ্যা  আদিৰ পৰা আনিছিল আৰু তেওঁলোকে নিজে নিজে ভাষা কলা সংস্কৃতি লৈ আহিছিল, কিন্তু বিশ্ব বাসীৰ আগত পৰিচয় কৰি দিয়াৰ কেতিয়াও সুযোগ পোৱা নাছিল। কিন্তু এইখন চৰকাৰে এক মাত্ৰ চৰকাৰ যিয়ে হাজাৰ হাজাৰ আদিবাসীক, চাহ জনগোষ্ঠীৰ সমাজ খনক স্বীকৃতি দিয়াৰ বাবে এক সুন্দৰ ব্যৱস্থা কৰিলে। কিন্তু দূৰ্ভাগ্য বশতঃ বিৰোধী সকলে বিভিন্ন ভাষাৰে সমালোচনা কৰিলে। মই জনাব বিচাৰিছো যে বাগানত পাত চিঙি জীৱিকা অৰ্জন কৰা মোৰ ভাই ভনী সকলে কোনে দিনেই গুৱাহাটী অহা নাছিল। কিন্তু তেওঁলোকৰ জনগোষ্ঠীটোৰ মৰ্যদা ৰাখিবৰ কাৰণে গুৱাহাটীত আহি উপস্থিত হ'ল আৰু বিশ্ববাসীক ঝুমুইক পৰিচয় কৰি দিবলৈ সক্ষম হ'ল। ইয়াৰ বাবে মই পুনৰ বাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ চৰকাৰৰ উচ্চ চিন্তাৰ বাবেই বিহুই আজি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা লাভ কৰিলে। বহুতে কৈছে যে আমাৰ এই বাজেট নিৰ্বাচনমূখী বাজেট, বেনিফিচাৰী বাজেট, অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো যে আজি চাহ বাগিছা বিলাকত মাননীয়

মন্ত্ৰী ডাঙৰীয়ানীয়ে প্ৰায় ১০০ খন মডেল অঙ্গনবাড়ী কেন্দ্ৰ নিৰ্মাণ কৰিছে। যোৱা দিন বোৰত যিবোৰৰ অৱস্থা একেবাৰে জৰাজীৰ্ণ আছিল। তেওঁলোকক মই প্ৰশ্ন কৰিছো যে তেওঁলোকে এনেধৰণৰ বাজেট কিয় লব নোৱাৰিলে ? য'ত আমাৰ এই ল'ৰা-ছোৱালী বিলাকে তেওঁলোকৰ শিক্ষাৰ প্ৰথমটো খোজ সুন্দৰ পৰিৱেশৰ মাজত আগবঢ়াব পাৰিছে। আৰু হাজাৰ হাজাৰ ল'ৰা-ছোৱালী তাৰ পৰা উপকৃত হ'বৰ কাৰণে এটা পৰিৱেশ আমি চাহ বাগান বিলাকত দেখিবলৈ পাইছো। আমাৰ চাহ বাগান বিলাকত চিকিৎসাৰ ক্ষেত্ৰত কোনো ধৰণৰ ভাল ব্যৱস্থা নাছিল আৰু আজি সকলো বিলাক ব্যৱস্থা আমাৰ এই চৰকাৰ খনে কৰিছে। প্ৰত্যেকখন চাহ বাগিছাতে আজি এম্বুলেন্সৰ ব্যৱস্থা প্ৰদান কৰিছে। যাৰ কাৰণে হাজাৰ হাজাৰ চাহ শ্ৰমিকৰ জীৱন ৰক্ষা পৰিছে। আগতে গৰ্ভৱতী মহিলাৰ মৃত্যুৰ সংখ্যা কিমান আছিল এই বিষয়ে আমি সকলোৱে জ্ঞাত। এই গৰ্ভৱতী মহিলা সকলৰ জীৱন ৰক্ষা কৰিবৰ কাৰণে, গৰ্ভত থকা সন্তানৰ জীৱন ৰক্ষা কৰিবৰ কাৰণে ১৫ হাজাৰ টকাকৈ আগবঢ়োৱাৰ পিছত আজি এই মহিলা সকলে আজি গৰ্ভৱতী মহিলা তথা গৰ্ভত থকা সন্তানৰ জীৱন ৰক্ষা পৰিছে। দীৰ্ঘ দিন ধৰি কংগ্ৰেছ চৰকাৰে শাসন কৰাৰ পিছত তেওঁলোকে কিন্তু কোনো দিনে এই কথাবিলাকৰ চিন্তা-চৰ্চা নকৰিলে। সেয়েহে তেওঁলোকে কৈ আছে যে এই বাজেট খন নিৰ্বাচনমূখী বাজেট। কিন্তু কিয় তেওঁলোকে এনেধৰণ নিৰ্বাচনমূখী বাজেট কৰিব নোৱাৰিলে আৰু হাজাৰ হাজাৰ গৰ্ভৱতী মহিলাৰ জীৱন ৰক্ষাৰ ব্যৱস্থা কৰিব নোৱাৰিলে ? উপাধ্যক্ষ মহোদয়, প্ৰায় ২১৮ খন মডেল হাইস্কুল ইতিমধ্যে চাহ বাগান এৰিয়াত প্ৰতিষ্ঠা কৰা হ'ল আৰু তাৰে ১১৮ খন ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু হাজাৰ হাজৰ ল'ৰা-ছোৱালীয়ে তাত শিক্ষা গ্ৰহণ কৰিবৰ কাৰণে সক্ষম হৈছে। এই স্কুল বিলাক হৈ উঠাৰ পিছত চাহ বাগিছা এৰিয়াত শিক্ষাৰ ক্ষেত্ৰত এটা সুন্দৰ পৰিৱেশ গঢ় লৈ উঠা দেখা পাইছো। উপাধ্যক্ষ মহোদয়, গতিকে আজি এটা পৰিবৰ্তন দেখিবলৈ সক্ষম হৈছো। আজি সকলো জাতি-জনগোষ্ঠীৰ ধৰ্মাৱলম্বী লোকে সমান ভাৱে তেওঁলোকৰ অধিকাৰ লৈ আগবাঢ়ি যাবলৈ আজি এইখন অসমত আমি সক্ষম হৈছো। যোৱা দিন বিলাকত যি অশান্তিৰ পৰিৱেশ আছিল, বোমা-বাৰুদৰ পৰিৱেশ আছিল আজি সেই সকলো বিলাক নাইকিয়া হোৱাৰ বাবে এডভানটেজ অসমৰ দৰে পৰিৱেশ আমি অসমত আনিব পাৰিছো। যাৰ বাবে ৫ লাখ কোটি টকাতকৈও অধিক কোটি টকা ইনভেষ্ট কৰিবলৈ মানুহে আগবাঢ়ি আহিছে। বৰ্তমান মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ শক্তিশালী পদক্ষেপৰ বাবে আচলতে এনেধৰণৰ পৰিৱেশ বিলাক অসমত ঘুৰি আহিছে আৰু সকলো জাতি-জনগোষ্ঠীৰ মানুহে সমন্বয়ৰ জৰিয়তে অসম খনক উচ্চ দৰবাৰলৈ আগুৱাই লৈ যাবৰ বাবে সক্ষম হৈছে। আৰু এনেকুৱা বিভিন্ন ধৰণৰ কাম আগবঢ়াই লৈ যাবলৈ আমাৰ এই চৰকাৰ খনে সক্ষম হৈছে। ধন্যবাদ।

**माननीय উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, ২০২৫-২৬ বৰ্ষৰ কাৰণে যি বাজেট ৰাজ্য চৰকাৰে দাখিল কৰিছে এই বাজেটক মই উৎপাদনহীন আৰু কৰ্মবিমুখ বাজেটহিচাপে অভিহীত কৰিছো। ২০২৫-২৬ বৰ্ষৰ বাজেটত আমি দেখিছো যে ৰাজ্য চৰকাৰে নিজৰ পুঁজিৰ ৩০ শতাংশতকৈও কম ব্যৱহাৰ কৰিছে আৰু ১০০ টকাৰ ওপৰত ৩০ টকা ধাৰ লবলৈ বিচাৰিছে। এই বাজেটৰ জৰিয়তে কিমান শক্তিশালী অসম হ'ব নিশ্চিতভাৱে আমি বুজিছো। যোৱা ৪ বছৰত ৰাজ্য চৰকাৰে যিমান ঋণ লৈছে তাক যদি প্ৰতিদিনে গড় হিচাপে হিচাপ কৰো ৯০.২০ কোটি টকা প্ৰত্যেক দিনে ৰাজ্য চৰকাৰে ঋণ লৈ আছে। বাজেটত উল্লেখ কৰিছে ১৯ নং তালিকাত বেলেগ বেলেগ ৰাজ্যৰ লগত তুলনা কৰিছে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, যদি যোৱা ৪

বছৰত যিমান বিল লৈছে ৰাজ্যচৰকাৰে তাত যদি প্ৰতিদিনে গড় হিচাবে আমি হিচাব কৰো ৯০.২০ কোটি টকা প্ৰতিদিনে ৰাজ্য চৰকাৰখনে ঋণ লৈ আছে আৰু এই বাজেটত উল্লেখ কৰিছে অসমৰ ১৯ নং তালিকাত তেওঁলোকে ৰাখিছে। অসমত ঋণৰ ক্ষেত্ৰত বেলেগ বেলেগ ৰাজ্যৰ লগত তুলনা কৰিছে, মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াতে ভাষণ দিছে। গতিকে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ ৫ খন ৰাজ্য বনাবলৈ অসমখনক বিভিন্ন কাম - কাজ কৰিবলৈ সময়ে সময়ে কৈ থাকে। কিন্তু ইয়াত বাজেটত মই দেখিছো যে ঋণৰ ক্ষেত্ৰত অসম প্ৰতিযোগিতাত নামিছে, যে অসমে ঋণৰ ক্ষেত্ৰত কিমান দূৰ আগুৱাই যাব পাৰে। ঋণৰ ক্ষেত্ৰত কিমান **১** নং পজিশ্যন ল'ব পাৰে। সেই ক্ষেত্ৰত দেখা পাইছো আমি। গতিকে আমাৰ কাৰণে অত্যন্ত দুৰ্ভগ্যজনক কথা। উপাধ্যক্ষ ডাঙৰীয়া, আমি যদি দেখা পাওঁ বাজেটত উল্লেখ কৰা ধৰণে ২০২৪-২৫ বৰ্ষত যিটো বিত্তীয় বৰ্ষত তাত যদি আমি ঘৰুৱা উৎপাদন যাক আমি GSDP বুলি কওঁ। ২৩ শতাংশ মাত্ৰ বৃদ্ধি হৈছে আৰু একে সময়তে কংগ্ৰেছ চৰকাৰক যি সময়ত বি জে পি চৰকাৰে বা সদনৰ শাসকীয় পক্ষৰ বিধায়ক সকলে যেতিয়া সমালোচনা কৰে তেতিয়া দেখা পাওঁ কংগ্ৰেছৰ ২০১৫-১৬ বৰ্ষত যেতিয়া চৰকাৰ আছিল তেতিয়া GSDP বৃদ্ধি পাইছিল১৭ শতাংশ, আৰু ঠিক তেনেকুৱা সময়ত ২০২৪-২৫ বিত্তীয় বৰ্ষত বি জে পি চৰকাৰে ১৩ শতাংশহে GSDP বৃদ্ধি কৰাৰ কাৰণে তেওঁলোকে সক্ষম হৈছে। গতিকে এইয়া ৰাজ্যখনৰ উন্নতিৰ ক্ষেত্ৰখনত কিমান আগুৱাই গৈ আছে আমি সকলোৱে জানো। আমি সকলোৱে জানো উপাধ্যক্ষ ডাঙৰীয়া আমাৰ মুঠ যিটো ঘৰুৱা উৎপাদন, ঘৰুৱা উৎপাদন অৰ্থনীতিৰ তিনিটা মুল খণ্ডৰ উৎপাদনশীলতাৰ ওপৰত নিৰ্ভৰ কৰে। তাৰো এটা অন্যতম হৈছে, কৃষি খণ্ড আৰু এটা হৈছে উদ্যোগ খণ্ড আন এটা হৈছে সেৱা খণ্ড। বাকী খণ্ড সমূহ আছে, এইবাৰৰ বাজেট মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে যি বাজেট দাখিল কৰিছে, এই বাজেটৰ ভিতৰত যদি আমি উল্লেখ কৰো যে কৃষি খণ্ডৰ ক্ষেত্ৰত Agriculture and Allied Activities ত এই বাজেটত ২০২৪-২৫ চনত যি বাজেট ৰাখিছিল, ২০২৫-২৬ চনত ৫ শতাংশ তাতকৈ কমাই দিছে। যোৱা বি জে পি চৰকাৰৰ যি বাজেট আছিল চলিত বিত্তীয় বৰ্ষত অহা বিত্তীয় বৰ্ষৰ কাৰণে যোৱা এই চলিত বৰ্ষৰ বাজেটতকৈ Agriculture Sector টোত ৫ শতাংশ লৈ কমাই দিছে। ঠিক তেনেকৈ গাঁৱৰ উন্নয়ন যেতিয়ালৈকে নহয়, তেতিয়ালৈকে অসমৰ কেতিয়াও উন্নয়ন নহয়। আমি Rural Developmentৰ কথা যেতিয়া ক'বলৈ যাম ২০২৪-২৫ বৰ্ষত যি বাজেট আছিল সেই বাজেটতকৈ rural sector ত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেটত ৩০ শতাংশলৈকে কমাই দিছে। আমি তেনেকৈ Health & Family Welfare স্বাস্থ্য খণ্ডৰ কথা যদি কওঁ মানুহ সুস্থ কৰি ৰাখিব লাগিব । সেইক্ষেত্ৰত স্বাস্থ্য খণ্ডতে ২০২৪-২৫ ত কৈ ২০২৫-২৬ ৰ বৰ্ষত ৭ শতাংশ তেওঁলোকে বাজেট কমাই দিছে। গতিকে এই চৰকাৰখনে কি ধৰণে অসম আৰু অসমীয়া মানুহখিনিৰ উন্নয়ন কৰিব বিচাৰে। ঘৰুৱা উৎপাদন কি দৰে বৃদ্ধি কৰিব বিচাৰে এই বাজেটত কিন্তু প্ৰতিফলিত হৈছে। কোনো ধৰণৰ তেওঁলোকে ভালকৈ উৎপাদন কৰিব নিবিচাৰে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমি যদি আৰু বেলেগ এটা sector ত ক'ব বিচাৰো যে অসম ৰাজ্যত আমি আজি গ্ৰাহক, আমি বেলেগ ৰাজ্যৰ গ্ৰাহক আমি। বেলেগ ৰাজ্যৰ পৰা বস্তু কিনিব লাগে, খোৱা বস্তু আমি কিনিব লাগে, খাদ্য সামগ্ৰী আমি কিনিব লাগে। কিন্তু অসম ৰাজ্যত ইয়াতে উৎপাদন কৰি আমি বিক্ৰী কৰিব লগা বিভিন্ন বিভাগত থল আছে, এটা হ'ল কৃষি। আজি আমি চাউল বাহিৰৰ ৰাজ্যৰ পৰা আনিব লগা হৈছে। অসমৰ কৃষক সকলৰ কাষত যদি এই ৰাজ্য চৰকাৰখন থিয় হয় এই বাজেটত যদি কৃষকৰ জলসিঞ্চন ব্যৱস্থাৰ পৰা আৰম্ভ কৰি কৃষক সকলক যদি বিভিন্ন ধৰণে সহায়-

সহযোগিতা কৰে, নিশ্চিত ভাবে অসমত উৎপাদন কৰি অসমে বেলেগ ৰাজ্যত বিক্ৰী কৰিব পাৰিব। বিভিন্ন খাদ্য শস্য, চাউল আদিকে ধৰি, কিন্তু দেখা নাই। মাছ, কণী, গাহৰিৰ ক্ষেত্ৰত যদি আমি উল্লেখ কৰো, সকলোৱে বেলেগ ৰাজ্যৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয় অসমে এই বাজেটত মাছ, কণী, গাহৰিৰ ক্ষেত্ৰত যদি আপুনি বাজেট ভালকৈ ধৰিলে হেতেন নিশ্চিত ভাবে ইয়াতে বেছি তেওঁলোকক মাছৰ খেতি কৰি কণীৰ উৎপাদন বৃদ্ধি কৰি, গাহৰি পালকক আমি টকা পইচা বেছিকৈ দিলোহেতেন। তেনেহ'লে নিশ্চিত ভাবে আমি অসমৰ যিমান প্ৰয়োজন সেইখিনি আমি ইয়াত উৎপন্ন কৰি আৰু বেলেগ ৰাজ্যত আমি বিক্ৰী কৰিব পাৰিলোহেতেন। গতিকে ইয়াতে দুগ্ধ ৰ ক্ষেত্ৰত, আমি এতিয়াওঁ গাখীৰৰ কাৰণে বেলেগ ৰাজ্যৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। আমি গো পালক সকলৰ কাৰণে যদি বাজেট কৰিলোহেতেন। বাজেটত গো পালক সকলৰ কাৰণে ধন ধাৰ্য্য বেছিকৈ কৰিলেহেতেন ইয়াতে আমি গাখীৰ উৎপাদন কৰিব পাৰিলোহেতেন। তাৰ পৰা ৰাজহ বৃদ্ধি হ'লহেতেন। মীন পালনৰ ক্ষেত্ৰত যেতিয়া অসমে বেলেগ ৰাজ্যৰ লগত নিৰ্ভৰ কৰিব লাগে। মীন পালক সকলৰ বাবে বাজেটত একো নাই। যিখিনি টকা দিছে সেই টকাৰে মীন পালক সকলৰ একো নহয়। গতিকে মীনপালক সকলৰ কাৰণে বাজেটত ধন বেছিকৈ ধাৰ্য্য কৰিলেহে অসম উন্নতিৰ পথলৈ গ'লহেতেন। গতিকে উপাধ্যক্ষ ডাঙৰীয়া, আপুনি যিহেতু সময়ৰ কথা কৈছে মই বেছি সময় নলওঁ। মাত্ৰ শেষত এটা কথা কৈয়ে মই সামৰণি মাৰিব বিচাৰিছো। চচল আমাৰ পৰা বেছি দূৰ নহয়। ৰাজ্যখনৰ বিভিন্ন দল সংগঠনে নিজৰ প্ৰাপ্য বিচাৰি চচলত কিমানদিন ধৰি তেওঁলোকে আন্দোলন কৰি আছে, কিন্তু বাইদেউৰ বাজেটত আন্দোলনকাৰী সকলক সকাহ দিয়াৰ কাৰণে এই বাজেটত কোনো কথা উল্লেখ নাই। গতিকে আমি অসম ৰাজ্যখন আগুৱাই লৈ যোৱাৰ কাৰণে এই বাজেটত যি ধৰণে কাম কৰিব লাগিছিল, হিতাধিকাৰী সৃষ্টি তেওঁলোকে কৰিছে, কিন্তু অসম ৰাজ্যই কেনেকৈ উৎপাদন বৃদ্ধি কৰিব পাৰে, অসমৰ ঘৰুৱা আয় কেনেকৈ বৃদ্ধি কৰিব পাৰে তাৰ ক্ষেত্ৰত কোনো উল্লেখ নাই। বাইদেউৱে ইয়াতে এটা ভূপেন হাজৰিকা ডাঙৰীয়াৰ গীতৰ কলি কৈছে, অসম আমাৰ ৰূপহী গুণৰো নাই শেষ। ভাৰতৰ পূৰ্ব দিশৰ সূৰ্য্য উঠা দেশ। সূৰ্য্যৰ পোহৰেৰে গোটেই অসম আলোকিত কৰে। পোহৰ পাওঁ আমি কিন্তু বাইদেউৰ বাজেটত যি সূৰ্য্য উঠিছে, সেই সূৰ্য্য কিন্তু সেই সংখ্যালঘু অঞ্চলত সূৰ্যই পোহৰ নিদিয়ে। সংখ্যালঘু সকলৰ কাৰণে একো নাই। ভূপেন হাজৰিকাই গীতৰ মাজেৰে কৈ গৈছে, মানুহ মানুহৰ বাবে গতিকে এই বাজেট ৰাজ্য চৰকাৰ বা বিত্ত মন্ত্ৰী বাইদেউক অনুৰোধ জনাম সংখ্যালঘু লোক সকলো মানুহ তেওঁলোকৰ কাষত এই বাজেটৰ জৰিয়তে ৰাজ্য চৰকাৰ থিয় হ'ব লাগিছিল। কিন্তু থিয় হোৱা নাই। দুৰ্ভাগ্য জনক, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া মাননীয় সদস্য উৎপল বৰা।

**শ্ৰীউৎপল বৰা, (গহপুৰ)** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, প্ৰথম কথা আপোনাক ধন্যবাদ জনাইছো, মই আজি ২০২৫-২৬ চনৰ বাজেটৰ সাধাৰণ আলোচনাৰ কাৰণে আপুনি যি সুবিধা প্ৰদান কৰিলে , তাৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো লগতে অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আমাৰ বিত্ত মন্ত্ৰী বাইদেউৱে যি বিত্ত মন্ত্ৰী হিচাপে যি বাজেট উপস্থাপন কৰিলে, প্ৰথমতে দুয়োগৰাকীকে অন্তৰৰ গভীৰ কোণৰ পৰা অভিনন্দন জ্ঞাপন কৰিছো। আজি এই ২০২৫-২৬ ৰ যি বাজেট উপস্থাপন কৰা হ'ল, এই বাজেটখন অসমৰ জনসাধাৰণৰ কাৰণে সৰ্বস্পশী এখন বাজেট আচলতে উপহাৰ দিছে, অসমৰ ৰাইজৰ সৰ্ব্বাংগীন উন্নয়নৰ কাৰণে। যিখন বাজেটত আমাৰ তৃণমুল পৰ্যায়ৰ জনসাধাৰণৰ উন্নয়নৰ পৰা IT sector লৈকে, আজি ইয়াত বিভিন্ন ধৰণেৰে প্ৰদৰ্শিত

হৈছে, এই বাজেটখনত প্ৰতিফলিত হৈছে। আজি আমাৰ বিৰোধী দলৰ মাননীয় সদস্য সকলে যদিও এই বাজেটখনৰ ওপৰত নেতিবাচক কিছু কথা কৈছে। তেখেত সকলেও, মোৰ বিশ্বাস যে যিখিনি আঁচনি আচলতে ঘোষণা কৰিছে সেই আঁচনিখিনি তেখেত সকলেও বিচাৰিছে, যে নিজৰ নিজৰ সমষ্টিৰ উন্নয়নৰ কাৰণে এই বাজেটত প্ৰতিফলিত হোৱা প্ৰতিটো আঁচনি আচলতে সুন্দৰভাবে সকলোকে লাগে বুলি তেওঁলোকে অন্তৰৰ পৰা নিশ্চয় বিচাৰিছে। আজি মই কেইটামান কথাৰ ওপৰত ক'ব বিচাৰিছো, যি কেইটা আঁচনি আমাৰ আগৰ পৰা চলি আহিছিল আৰু সেই আঁচনি খিনিয়ে জনপ্ৰিয়তা লাভ কৰাৰ কাৰণে অসমৰ আৰ্থসামাজিক উন্নয়নৰ কাৰণে বিভিন্ন ধৰণে অৰিহণা যোগোৱাৰ কাৰণে আজি অৰুনোদয় আঁচনিয়ে কওঁক, আজি মহিলা উদ্যমিতা আঁচনি খনৰ কথা আমি আমাৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে যি মহিলা উদ্যমিতা আঁচনিৰ জৰিয়তে এগৰাকী মহিলাক ১০ হাজাৰ টকা দিয়াৰ যি প্ৰতিশ্ৰুতি প্ৰদান কৰিছে আৰু ২য় পৰ্য্যায়ত ২৫ হাজাৰ টকা বেংক লিংকেইজ কৰি এগৰাকী মহিলাৰ আৰ্থ সামাজিক উন্নতি, এখন ঘৰৰ আৰ্থ সামাজিক উন্নয়নৰ কাৰণে যি ব্যৱস্থা গ্ৰহণ কৰিছে, তাৰ কাৰণে আচলতে বিত্ত মন্ত্ৰী ডাঙৰীয়ানী আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক বিশেষ ভাবে ধন্যবাদ জনাইছো। যিহেতু ১০ হাজাৰ টকা আমি অসমৰ ৰাইজ , আমি সৰুৰে পৰা জানো যে কুটীৰ শিল্প বা বিভিন্ন ধৰণৰ সৰু সৰু কাম-কাজত আমি বিশেষ গুৰুত্ব আৰোপ কৰিছিলো। আমাৰ ককা আইতাহঁতে যেতিয়া সৰু কামৰ মাধ্যমেৰে আমাক হয়টো ডাঙৰ কৰিছিল আৰু ঠিক তেনেকৈ আজি এগৰাকী মহিলাই যেতিয়া নাৰী সকলে বিশেষ ভাবে উদ্যোগ ল'ব আজি হাঁহ, কুকুৰা, ছাগলী পোহাৰ মাধ্যমেৰে যদি ১০ হাজাৰ টকাটো একো নহয় বুলি কোনোবা সতীৰ্থই হয়তো কৈছে, কিন্তু মই ভাবো এই ১০ হাজাৰ টকাৰে এগৰাকী ব্যক্তিগত ভাবে এগৰাকী নাৰীৰ কাৰণে সেই ঘৰখন চলাবৰ কাৰণে বিশেষ অৰিহণা হ'ব আৰু গোটেই গোটটোৰ কাৰণে ১০ গৰাকী যদি মহিলা থাকে, তাত ১ লাখ অনুদানেৰে সমূহীয়া ভাবেও যদি কাম কৰিব বিচাৰে, আত্মসহায়ক গোটটোৱে যথেষ্ট ভাবে কাম কৰিব পাৰিব। ২য় তে এই বাজেট খনত প্ৰতিফলিত হৈছিল নিযুত মইনা আঁচনি। এই নিযুত মইনা আঁচনিখনৰ জৰিয়তে আজি নাৰী শিক্ষাক আগবঢ়াই নহয়, নাৰী সকলক শিক্ষিত কৰাৰ লগে লগে আমাৰ যিবিলাক সমাজত থকা অসংস্কাৰ বাল্য-বিবাহ, এই বাল্য-বিবাহ ৰোধ কৰাৰ কাৰণে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে লগতে নাৰী সকলক লিংগভেদে সম অধিকাৰৰ কাৰণে আগবঢ়াই লৈ যোৱাৰ কাৰণে বাজেটখনে বিশেষভাৱে অৰিহণা যোগাইছে। আজি বহুতে কৈছে যে নিৰ্বাচনীমুখী এখন বাজেট, কিন্তু class 11 এগৰাকী ছোৱালীয়ে আচলতে তেওঁ ভোটাধিকাৰ নাপায়, আৰু সেই class 11 ৰ ছোৱালীগৰাকী যেতিয়া ১০০০ টকা পাই, তেওঁক ভোটৰ আশাত দিয়া হোৱা নাছিল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সপোন আছিল যে অসমৰ নাৰী সমাজক আগবাঢ়ি লৈ যাবলৈ হলে আমাৰ চৰকাৰী বিদ্যালয়ত পঢ়ি থকা ছাত্ৰী সকলৰ বিশেষকৈ drop আৰু percentage কমাব লাগিব, বাল্য-বিবাহৰ পৰা তেখেতসকলক আঁতৰাই আনিব লাগিব, আৰু তাৰ কাৰণে নাৰী সকলক শিক্ষিত কৰিব লাগিব, এইটো এটা খুব গুৰুত্বপূৰ্ণ আঁচনিৰ কাৰণে আজি নিযুত মইনা আঁচনিখন ফলপ্ৰসু হৈছে আৰু এইখনেই এইবাৰ বাজেটত যি প্ৰতিফলিত হৈছে, এই প্ৰতিফলিত হোৱা বাজেটখনত নিযুত মইনা আঁচনিখনে অসমৰ জলজীৱনত এক সুদুৰ প্ৰসাৰী প্ৰভাৱ পেলাব।

তৃতীয়তে, এটি আঁচনি, আজি ইয়াতে মই দেখা পাইছিলো যে আমি সকলোৱে অনুভৱ কৰো, সমষ্টিৰ পৰা কোনো ব্যক্তি যেতিয়া বাহিৰত কৰ্মৰত অৱস্থাত মৃত্যুৰ মুখত পৰে, সমষ্টিলৈ ঘুৰাই আনিবৰ কাৰণে অৰ্থ বিচাৰি নিশ্চয়কৈ আমাৰ ওচৰলৈ যায়, নিশ্চয় আপোনালোকৰ বহু

বিধায়কৰ ওচৰলৈ যায়, গতিকে সেই আঁচনিটোৰ জৰিয়তে আজি চৰকাৰী ভাৱে তেওঁলোকৰ মৃতদেহ আনিবৰ বাবে যিব্যৱস্থা বাজেটত উত্থাপন কৰিছে, খুব গুৰুত্বপূৰ্ণ আঁচনি।

লগতে আমাৰ বিৰোধী সকলে এই বাজেটখনৰ ওপৰত যিমানে সমালোচনা নকৰক, মই ভাৱো তেওঁলোকে অন্তৰৰ পৰা এখন সমৰ্থন কৰিছে, আৰু মই মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়নিক আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ, তেখেতৰ নেতৃত্বত অসমে আৰু আগবাঢ়ি যাওঁক, অসমীয়া ৰাইজৰ কাৰণে যি বাজেট উত্থাপন কৰিছে, সেই বাজেটখন যাতে সফলৰূপত আগবঢ়াই লৈ যাব পাৰো, তাৰে কামনা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য ডাঃ আচিফ মহম্মদ নাজাৰ।

**ডাঃ আচিফ মহম্মদ নাজাৰ, (লাহৰীঘাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী ডাঙৰীয়নিয়ে যি বাজেট উত্থাপন কৰিছে, মই এই বাজেট সম্পৰ্কত ক'ব বিচাৰো এই গৰুক চাইনগ্লাছ পিন্ধাই খেৰ খাবলৈ দি ঘাঁহ খাঁ বুলি কোৱা হোৱা যেন। মাননীয় উপাধ্যক্ষ মহোদয়, আমি সকলোৱে জানো এই বাজেটখন আদিৰ পৰা অন্তলৈকে লক্ষ্য হৈছে হিতাধিকাৰী সৃষ্টি কৰা। এই বাজেটখন চালে বহুতৰ মণলৈ প্ৰশ্ন আহিব যে হিতাধিকাৰী নহয় কোন।

মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়নিয়ে বাজেটৰ আৰম্ভণিতে কৈছে যে অসমৰ GSDP ৬,৪৩,৬৬৭ আৰু জনমুৰি আয় বৃদ্ধি হৈছে ১,৫৪,২২২ টকালৈ আৰু আনফালে কৈছে নানান আঁচনিৰ জৰিয়তে নানান হিতাধিকাৰী সৃষ্টি কৰিছে। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, সুধিব বিচাৰো যে এফালে উন্নতিৰ কথা কৈ আছে, আৰু আনফালে হিতাধিকাৰী সৃষ্টিৰ কথা কৈ আছে, এই দুয়োটা বিপৰীত নহয় নে। যদি এফালৰ মানুহ উন্নতি হৈ আছে আৰু আনফালে গৈ আছে চৰকাৰে হিতাধিকাৰী বৃদ্ধি কৰিবলৈ, দৰিদ্ৰলোক লাখ লাখ বৃদ্ধি কৰি আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই চৰকাৰখনে চমক সৃষ্টি কাৰি আৰু অনুতপাদনশীল আঁচনিৰে নিৰ্বাচনৰ প্ৰচাৰ কৰিব বিচাৰি আছে। এইটো হোৱাটো স্বাভাৱিক কাৰণ এই চৰকাৰখনৰ শেষ সম্পূৰ্ণ বাজেট এইখন আৰু ইয়াৰ উদেশ্য হৈছে যে ৰাজ্যখনৰ অন্তঃগাঠনিসমূহত নিৰ্মাণৰ পৰিবৰ্তে কি ধৰণে নিৰ্বাচনত ভোট আনিব পাৰি, তাৰ ওপৰত ভিত্তি কৰা।

মাননীয় উপাধ্যক্ষ মহোদয়ক, আটাইতকৈ লক্ষ্যনীয় কথাটো হৈছে ১,৫৫,৪২৮ কোটি টকাৰ বাজেটৰ যি আকাৰ আছে, তাতকৈ ৰাজ্য চৰকাৰৰ ঋণৰ আকাৰ বেছি। যদি আপুনি চাই, Reserve Bank ৰ ২০২৪-২৫ বৰ্ষত অসম চৰকাৰৰ ঋণৰ পৰিমান হ'ব ১.৭৭ লাখ টকা, সেয়ে অসমৰ জনমুৰি ঋণৰ পৰিমান হবগৈ ৪৮,৬৩৯ টকা। যোৱা ২০২৩-২৪ বিত্তীয় বৰ্ষত যি বাজেট অনা হৈছিল, সেই বাজেটত টকা আছিল ১,৪৩,৮৯০.৬২ টকা আৰু সেই সময়ত অসম চৰকাৰৰ ধাৰৰ পৰিমান আছিল ১,৪৮,২৩৮ টকা, যোৱা বছৰৰ যি বাজেট আছিল, প্ৰত্যেক গৰাকী অসমীয়া জনমুৰি ঋণৰ পৰিমান আছিল ৪৪,৯২১ টকা। গতিকে জনমুৰি ঋণ বৃদ্ধি পোৱাটো শুভ-লক্ষণ নেকি।

মাননীয় উপাধ্যক্ষ মহোদয়, ২০২৩-২৪ বৰ্ষত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে ২০২৩-২৪ বৰ্ষৰ বাজেটখন অমৃত কালৰ সন্তানৰ বাজেট। কিন্তু দেখা গৈছে যে অমৃত কালৰ সন্তানৰ বাজেটত প্ৰথম ফ্ৰেব্ৰুৱাৰীত এই চৰকাৰখনে ধাৰ লৈছিল ৩৬৫০ কোটি টকা, সকলোতকৈ সৰ্ববৃহৎ ধাৰ। এই ধাৰে ৰেৰ্কড কৰিছে। যোৱা বাজেটত সংগৃহিত ৰাজহৰ ২০.৫০ পুঁজি ঋণৰ ওপৰত নিৰ্ভৰশীল আছিল। গতিকে ইয়াৰ লগতে অকল ঋণে নহয়, অসম চৰকাৰে সৰ্বমুঠ ঋণৰ ওপৰত দিবলগীয়া হৈছে বৃহৎ পৰিমাণৰ সুদ। এই সুদ ২০২১-২২ বৰ্ষত পৰিমান আছিল মুঠ

ব্যয়ৰ ৭.৪২ শতাংশ অৰ্থাৎ ৬০৫১ কোটি টকা আৰু ২০২৪-২৫ বৰ্ষত বৃদ্ধি হৈছে ৮.৭ শতাংশ, মানে ৯৫৯৭.৮ কোটি টকা। গতিকে ভাৰকচোন, ৰাজ্যৰ বিত্তীয় পৰিস্থিত অৱস্থা কি? এফালে ঋণৰ বোজা আৰু আনফালে সুদৰ ভয়।

ইয়াৰ পৰা মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰখনে স্নাতক ডিগ্ৰী উত্তীৰ্ণ যিসকল আছে, তেখেতসকলক ২৫ শ টকাকৈ দিব বুলি কৈছে, কিন্তু আমি যদি চাওঁ গোটেই অসমখনত ৩৫ লাখতকৈ অধিক নিৰনুৱা আছে, স্নাতকসকলক মাহিলি এই মাননী দিয়াৰ পৰিবৰ্তে যদি এই ৩৫ লাখ নিৰনুৱাক কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰিলে হয়, তেতিয়া চৰকাৰক ৰাইজে ভাল পালে হয়। কিন্তু এই চৰকাৰে ভোটৰ কাৰণে অকল আঁচনিৰ নাম দি পেলাই এই নিৰনুৱা সকলৰ ভৱিষ্যতৰ কথা চিন্তা কৰা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি নিজেও এজন চিকিৎসক, মই এষাৰ কথা ক'ব বিচাৰো যে আমাৰ চিকিৎসালয়ত এতিয়া যি চিকিৎসা চলি আছে, সেই চিকিৎসা অত্যন্ত ব্যয়বহুল হৈছে। সাধাৰণ বেমাৰৰ কাৰণে লাখ লাখ টকা খৰছ কৰিব লাগে। এই চৰকাৰে আয়ুষ্মান কাৰ্ড আৰু অটল অমৃতৰ আঁচনি দিছে, ঠিকে আছে। এই আঁচনি দুটাই বহুত মানুহক সাঙুৰিও লৈছে, কিন্তু এই আঁচনি দুটাই বহুত বেমাৰ সাঙুৰি ল'ব পৰা নাই আৰু এই আঁচনি দুটাৰ জৰিয়তে প্ৰত্যেকখন চিকিৎসালয়ত চিকিৎসা নাপায়। গতিকে এই চৰকাৰখনে দুখীয়া ৰাইজৰ কাৰণে ১০ লাখ স্বাস্থ্য বিমাৰ ব্যৱস্থা কৰিব লাগিছিল, এই স্বাস্থ্য বিমাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে এই বাজেটত টকা ধাৰ্য্য কৰিব লাগিছিল কাৰণ আমি সকলোৱে জানো যে স্বাস্থ্য হৈছে মানুহৰ অমুল্য সম্পদ। স্বাস্থ্য ভালে থাকিলে, নিজে উপাৰ্জন কৰি দালি, চাউল , চেনি আদি কিনিব পৰা যায়। মাননীয় উপাধ্যক্ষ মহোদয়, মই ভাৰো এই বাজেটে প্ৰথম গুৰুত্ব দিব লাগিছিল, স্বাস্থ্য বিমাৰ ওপৰত।

এই বাজেটত আমাৰ চৰ অঞ্চলৰ কথা কোৱা হৈছে, আমি সকলোৱে জানো যে চৰ অঞ্চলত যি জৰিপৰ কথা এই বাজেটত কৈছে, যে চৰ অঞ্চলত ভূমি নিষ্পত্তিৰ কামত আলাপ-আলোচনা কৰিব আৰু যথা সময়ত তাৰ ব্যৱস্থা কৰিব। এই বাজেটত যিটো লাইন চৰ অঞ্চলৰ বিষয়ে কৈছে, তাৰ পৰা এটা কথা বুজিব পাৰি যে এই বিজেপি চৰকাৰখনে চৰ অঞ্চলৰ মানুহবোৰক ভাৰত নাগৰিক বুলি একেবাৰে নাভাৱে। যাৰ কাৰণে বসুন্ধৰাৰ সময়ত তেখেতসকলে ইচ্ছা কৰিলে, চৰ অঞ্চলৰ যি অসুবিধা আছিল, সেই ভূমি বিবাদবোৰ নিষ্পত্তি কৰিব পাৰিলেহেঁতেন, কিন্তু কৰা নহ'ল। ইয়াৰ ঠাইত লিখিছে যথা সময়ত, এই যথা সময় কেতিয়া আহিব। ভূমিৰ অধিকাৰটো দুৰৰে কথা চৰ অঞ্চলৰ ৰাস্তা-ঘাট, বিদ্যালয়বোৰতো চৰকাৰে কোনো বাজেট ধৰা নাই। গতিকে মই ক'ব বিচাৰো এই বাজেট সাধাৰণ জনতাৰ কাৰণে কোনো ভাল বাজেট নহয়।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী দিগন্ত কলিতা।

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, পোন প্ৰথমে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো, তেখেতৰ মাৰ্ক দৰ্শনৰ লগতে আমাৰ মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানীক একেৰাহে পঞ্চম বছৰৰ বাবে বিত্তীয় বাজেট পবিত্ৰ বিধান সভাত মজিয়াত প্ৰদান কৰিছে আৰু আমাৰ কাৰণে গৌৰৱ যে মহিলা হিচাপে বাইদেউয়ে এখন সুন্দৰ বাজেট অসমক দিবলৈ সক্ষম হৈছে। আমি জানো যে এই বাজেটখনে আমাৰ সকলোকে এক নতুন দিশলৈ লৈ যোৱাৰ আশা দেখুৱাইছে।

মই বেছি কথা নকওঁ, কাৰণ সকলোৱে সকলো ধৰণৰ কথা প্ৰায় কৈছে। আমি জানো যে এই বাজেটখনে আমাৰ ভৱিষ্যত প্ৰজন্মৰ যুৱক-যুৱতীসকলৰ শিক্ষা, স্বাস্থ্যৰ ক্ষেত্ৰত বা আমি যিসকলে

কৃষি ব্যৱসায় কৰো, এই সকলো ক্ষেত্ৰতে চুই যোৱা এখন বাজেট আমি দেখিবলৈ পাইছো। এই বাজেটখনত ভৱিষ্যতে অসমীয়া জাতিক অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ সকলোকে চুই এই বাজেট খন এখন উন্নয়নৰ বাজেট হ'ব বুলি আমি আশা কৰিছো। এই বাজেটত বিৰোধীয়ে সমালোচনা কৰিছে। আজি অলপ আগতে আমাৰ বিধায়ক সিকদাৰ ডাঙৰীয়াই কৈছে এই বাজেট খনত সংখ্যাত এটা ভূপেন হাজৰিকাৰ এটা গীত গাই তেখেত সকলে আমাক তুচ্ছ তাচিল্যতা কৰিছে যে এই বাজেট খনত বোলে আমি মাইনৰিটি মানুহক কোনো ধৰণৰ ব্যৱস্থা ৰখা নাই। মই তেখেতক উনুকিয়াব বিচাৰিছো যে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ তাত কি আমি হিন্দু মুছলমান চাইছো, আজি ৰেচন কাৰ্ড বিতৰণ হৈছে, তাত কি আমি হিন্দু মুছলমান চাইছো, আয়ুষ্মান কাৰ্ড আজি বিতৰণ হৈছে তাত কি আমি হিন্দু মুছলমান চাইছো এনেকুৱা ধৰণৰ অপপ্ৰচাৰ কৰিব নাপায়। আপোনালোকে সংখ্যালঘুক ৰিপ্ৰেজেন্ট কৰিছে আমি ভাল পাইছো। সংখ্যালঘু আমাৰ এই অঞ্চলৰে ৰাইজ বা সংখ্যালঘু আমাৰ এই অঞ্চলৰে আমাৰ সন্তান। এই বাজেট খনে সকলো জনগোষ্ঠীক চুই যোৱাৰ ব্যৱস্থা কৰিছে। আজি আপুনি শিক্ষাৰ ক্ষেত্ৰত কওঁক, আজি আপুনি স্বাস্থ্যৰ ক্ষেত্ৰত কওক বা অন্য দিশত, আজি চাওঁক Advantage Assam পাতি অসমত এটা নতুন আজি ৰেকৰ্ড গঢ়াৰ সপোন কৰিছে। আজি চেমি কণ্ডাক্টৰে প্ৰজেক্ট অসমত যি সকল যুৱক-যুৱতী সেই সকলক এটা নতুন দিশলৈ লৈ যোৱাৰ চেষ্টা কৰিছে, অসমত ঝুমুৰ পাতি, বিশ্বদৰবাৰত আজি অসমীয়া জাতিটোক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল। আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোৱাৰ দৰে যে এটা সময়ত আমি এক কোটি লোকে একেলগে 'অ' মোৰ আপোনাৰ দেশ' গান গাই বা আমাৰ অসমীয়া জাতিটোক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত বা অসমক গৌৰৱ কৰাৰ ক্ষেত্ৰত 'অ' মোৰ আপোনাৰ দেশ' জাতীয় সংগীতেৰে অসম খনক আৰু গৌৰৱৰ দিশলৈ লৈ যোৱাৰ চেষ্টা কৰিছে। মই এটাই কৈছো যে এই বাজেট খনত বাইদেউৱে নিজে মহিলা হৈ আই সকলৰ কাৰণে যেনেকৈ আজি আত্মনিৰ্ভৰ কৰাৰ ক্ষেত্ৰত যি বিলাক আঁচনি আনিছে অৰুণোদয়ৰ পৰা বা ১০ হাজাৰ টকা যি আমি এইবাৰ এককালীন সাহাৰ্য্য দিয়াৰ ক্ষেত্ৰত প্ৰকাশ কৰিছো বা ভৱিষ্যৎ দিনত যি সকলক এই আঁচনিৰ যোগেদি আমাৰ অসমৰ ৰাইজ সফল হ'ব, গাঁৱৰ শেষৰ জন পৰিয়ালক সহায় কৰাৰ যি চিন্তা চৰ্চা কৰিছে, তাৰবাবে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে আমাৰ বিত্তমন্ত্ৰী বাইদেউক আমি বিশেষ ভাৱে ধন্যবাদ জ্ঞাপন কৰিছো আৰু অনাগত দিনত এই বাজেট খনে অসম খনক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যি সপোন আছিল যে অসম খনক ৫ খন ৰাজ্যৰ ভিতৰত এখন ৰাজ্য হিচাপে গঢ়াৰ যি সপোন এই সপোন বাস্তৱলৈ ৰূপায়ণ হ'ব বুলি আশা কৰি আজি এই বাজেট খনক আৰু ক্ষিপ্ৰতাৰে আমি কাম কৰাৰ সংকল্প লৈছো এই খিনি কথা কৈ মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া শ্ৰীঅখিল গগৈ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এইবাৰ ২০২৫-২৬ বৰ্ষৰ যিখন বাজেট এই বাজেট খনত মুঠ ব্যয় ধৰিছে ১,৫৫,৯৮৫ কোটি টকা আৰু এই বছৰত আমাৰ ৩১ মাৰ্চত মুঠ ধাৰ হ'ব গৈ ১,৭২,১৭৪ কোটি টকা। তাৰমানে গোটেই বছৰটোৰ বাজেট যিমান তাতকৈ অলপ ধাৰ বেছি হ'ব। এইটো হ'ল প্ৰথম কথা। এই বাজেটৰ যিটো আয়, সেই আয় হ'ব কৈছে যে ৰাজহ আয় যিটো আহিব সেইটো ১,১৭,২২৬ কোটি আৰু ইয়াৰে ১,১৭,২২৬ কোটি টকাৰ ভিতৰত ৬৩ শতাংশ হ'ব কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰু ৰাজ্য চৰকাৰৰ পৰা অকল ৩৭ শতাংশ। আৰু যদি ধাৰটো লৈ দিও ধাৰ ললে কিমান লব এই বছৰৰ কাৰণে, এই বছৰৰ কাৰণে নতুনকৈ এটা ধাৰ ল'ব

৩৪,১৮৫ কোটি টকা। যদি ৩৪,১৮৫ কোটি টকা ধাৰ লয় তেতিয়াহলে ১,৭২,১৭৪ কোটি টকাৰ পিছত এইটো যোগ হৈ গ'লে কিমান হ'ব ১৯০ হাজাৰ কোটি টকা অসমৰ ধাৰ হ'ব। ২ লাখ কোটি টকাতকৈ বেছি ধাৰ হ'ব। এই মুহূৰ্তত এটা কথা আপোনালোকক মই জনাব বিচাৰিছো যে ৰাজ্য চৰকাৰে অংশ এই বাজেটত যিটো ধন তাত ৰাজ্য চৰকাৰৰ হ'ল ২৭.৮৭ অংশ, কেন্দ্ৰৰ অংশ হ'ল ৪৭.৮৪ অংশ আৰু ঋণৰ অংশ হ'ল ২৩.২৮ অংশ। এইটো হ'ল অসমৰ বাজেটৰ প্ৰকৃত তথ্য। দ্বিতীয় বস্তুটো যদি আমি চাও তেতিয়াহলে আমি দেখিব পাম যে ধাৰৰ পৰিমাণটো যদি চাওঁ ধাৰৰ পৰিমাণটো মই কলো যে এইবাৰ দেখাইছে ১,৭২,১৭৪.৭৪ কোটি টকা এইবাৰ ধাৰ হ'ব। তাৰ এই GDSP আমাৰ যিটো GDP ৰ কিমান অংশ ধাৰ, যদি জিডিপিৰ কিমান অংশ ধাৰ সেইটো যদি চাও তেতিয়াহলে আমি যদিও কৈছো যে চৰকাৰে কৈছে যে কাৰেণ্ট প্ৰাইছত জি ডি পি ২৫.৬৬ শতাংশ ধাৰ, কিন্তু constant প্ৰাইছত যদি চাও তেতিয়াহলে ৫১.৪৯ শতাংশই এই ধাৰ। অৰ্থাৎ জিডিপি আমাৰ গোটেই বছৰটোত যিমান জিডিপি হ'ব বা জিএচবিটি হ'ব তাৰ আধাৰত আমাৰ ধাৰ এই মুহূৰ্তত, সেই কাৰণে আমি যদি ধাৰৰ সংখ্যাটো চাও তেতিয়া হলে দেখা যাই যে স্বাধীনতাৰ পৰা তৰুণ গগৈৰ চৰকাৰলৈকে ধাৰ আছিল ৪১,৯৬৪ কোটি টকা। সৰ্বানন্দ সোণোৱালৰ চৰকাৰৰ দিনৰ ৫ বছৰত ধাৰ আছিল ৪৭,৭৪৫ কোটি টকা আৰু হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰত ধাৰ হ'ল গৈ এতিয়ালৈকে ৪ বছৰত ৮২,৪৪৪ কোটি টকা। সৰ্বানন্দ সোণোৱালৰ কাৰ্যকালতকৈ দুগুণ আৰু এতিয়া যেতিয়া ৩৪ হাজাৰ কোটি টকা আকৌ ল'ব তেতিয়া হলে ২০২৬ চনৰ ৩১ মাৰ্চত অকল হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰৰ দিনত ধাৰ হ'ব গৈ ১,১৭,৬৫০ কোটি টকা। য'ত সৰ্বানন্দ সোণোৱালৰ চৰকাৰৰ দিনত ৪৭ হাজাৰ কোটি টকা আছিল, য'ত স্বাধীনতাৰ পৰা তৰুণ গগৈৰ চৰকাৰৰ কাৰ্যকাললৈকে ২০১৬ চনৰ ৩১ মাৰ্চলৈকে ৪১,৯৬৬ কোটি টকা আছিল, তাত হিমন্ত বিশ্ব শৰ্মাই ধাৰ লৈছে কেৱল ৫ বছৰত ১,১৭,৬৫০ কোটি টকা। এতিয়া এই বাজেটখন কেনেকুৱা? মানুহৰ কাৰণে এই বাজেট খন কেনেকুৱা এই সম্পৰ্কে মই অলপমান কব খুজিছো। যেতিয়া মই সদায় মই মিটিঙত ঘূৰি ফুৰি অনবৰতে মানুহৰ মাজত ঘূৰি ফুৰো, মানুহৰ মাজলৈ যাওতে সদায় এটা প্ৰশ্ন সোধো যে আপোনালোকে মোক এটা কথা কওঁকচোন যে গাঁৱত মানুহ সকলে খেতি কৰাৰ পাছত আটাইতকৈ বেছি কি কাম কৰি টকা উপাৰ্জন কৰে? গাঁৱৰ সকলো মানুহে এটা কথাই কয় যে খেতি কৰাৰ পিছত আটাইতকৈ বেছি উপাৰ্জণ কৰে গাঁৱৰ মানুহে হাজিৰা কৰি, মিস্ত্ৰীৰ লগত যোগালি কৰি আৰু দুই নম্বৰ উপাৰ্জনটো কৰে বাহিৰত গৈ চিকিউৰিটি গাৰ্ড কৰি। আজি এই আটাইতকৈ ডাঙৰ নতুন প্ৰজন্মক আটাইতকৈ শক্তিশালী ল'ৰা বিলাক যি বিলাক ল'ৰা আটাইতকৈ শক্তিশালী নতুন প্ৰজন্মৰ, সেই শক্তিশালী ল'ৰা বিলাকে যদি চিকিউৰিটি গাৰ্ড কৰে, আজি আমাৰ মানুহ বিলাকে মিস্ত্ৰীৰ লগত যোগালী অৰ্থাৎ দৈনিক মজুৰী কৰে, সেই খন ৰাজ্যত কিবা ভৱিষ্যৎ আছেনে? সেই ৰাজ্যৰ ভৱিষ্যৎ সলনি কৰিবৰ কাৰণে এই বাজেটত কিবা কথা কৈছেনে যে নতুন প্ৰজন্মৰ এই ল'ৰা বিলাকক কেনেকৈ হাজিৰা কৰাৰ পৰা কিবা এটা উৎপাদন মূখী কামত ব্যৱহাৰ কৰা যাব, কেনেকৈ চিকিউৰিটি গাৰ্ডৰ পৰা আমি কিবা উৎপাদনমুখী কামত ব্যৱহাৰ কৰা যাব, এই সম্পৰ্কে এই বাজেটত উল্লেখ কৰা নাই। বিজেপিৰ দিনত নিবনুৱা সংখ্যা ২৩ লাখৰ পৰা এতিয়া ৩৫ লাখলৈ বৃদ্ধি পালে আৰু এই নিবনুৱা সকলৰ সম্পূৰ্ণ নিযুক্তিৰ কাৰণে এই বাজেট সম্পূৰ্ণ ৰূপে ব্যৰ্থ হৈ আছে। এটা বাক্যও ক'বলৈ সক্ষম হোৱা নাই। প্ৰকৃত অৰ্থত এই ৩৫ লাখ নিবনুৱাক এই নিযুক্তি দিয়াৰ ক্ষেত্ৰত একো কথা কবলৈ সক্ষম হোৱা নাই। অসমৰ মহিলা সকলক লৈ কৈ আছে যে ১২৫০ টকা দিম, সকলোৱে কাৰণে নহয় মাত্ৰ কিছুমান মানুহৰ কাৰণেহে।

আমি বাৰম্বাৰ কৈ আছো যে অৰুণোদয় যদি দিব লাগে তোমালোকে ৩ হাজাৰ টকা দিম বুলি কৈছা, ৩ হাজাৰ টকা দিয়া আৰু গাঁৱৰ বা নগৰৰ প্ৰত্যেক গৰাকী মহিলাকে দিয়াৰ ব্যৱস্থা কৰক যাতে সচাঁকৈ মহিলাৰ সৱলীকৰণ হয়। অৰুণোদয়ৰ নামত কেৱল ব্লেকমেইলিং কৰি অকল বিজেপিৰ মানুহক অৰুণোদয় দিম এইটো কেতিয়াও মানি ল'ব নোৱাৰো। আজি আত্মসহায়ক গোট যি সকলৰ আছে আত্মসহায়ক গোটৰ মহিলা বিলাকক টকা দিম দিম বুলি নচুৱাই আছে। তেওঁলোকক কিবা কৰাৰ কাৰণে কিবা উৎপাদনমুখী কাম কৰাৰ কাৰণে কি ব্যৱস্থা বাজেটৰ মাজত আছে? মাইক্ৰ ফাইনেন্সৰ ধাৰ মৰাৰ কথা ইয়াত এটা শব্দ উল্লেখ কৰা হোৱা নাই। কৃষক সকলৰ কাৰণে এই বাজেটত কিবা আছেনে? না জলসিঞ্চনৰ ব্যৱস্থা, না মাটি দিয়াৰ ব্যৱস্থা, না বীজৰ কিবা এটা ব্যৱস্থা, না সাৰৰ কিবা ব্যৱস্থা, না কৃষিকৰণৰ ব্যৱস্থা এটা কথাও ইয়াত কবলৈ সক্ষম হোৱা নাই। সৰু সৰু বেপাৰী বোৰ যি গাঁৱৰ পৰা নগৰলৈ শাক-পাচলি বিক্ৰী কৰিবলৈ আহে, মাছ কণী এইবোৰ বিক্ৰী কৰিবলৈ আহে বা দৈনিক বজাৰত, সাপ্তাহিক বজাৰত বস্তু বিক্ৰী কৰিবলৈ আহে, পদপথত বিক্ৰী কৰিবলৈ আহে, ফেৰী কৰি তেওঁলোকে বিক্ৰী কৰে তেওঁলোকৰ বিষয়ে এই বাজেট খনত এটাও কথা কোৱা হোৱা নাই। মিস্ত্ৰী, ৰাস্তা বনোৱা ঘৰত কাম কৰা বাই সকল, চাহ বাগিছাৰ শ্ৰমিক সকলৰ সন্তান সকল অটোৱালা সকল, ইলেকট্ৰিক ৰিক্সা চলোৱা সকল, টেক্সী চালক, বাছ চালক, ট্ৰাক চালক সকলৰ বিষয়ে ইয়াত কিয় এটাও কথা কোৱা নাই? **উপাধ্যক্ষ মহোদয়, ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বাজেটত কি আছে, মাত্ৰ ২৫০০ টকা। বোটদাতাসকলৰ বাবে এই বাজেটখনত কি আছে, মূল্যবৃদ্ধি ৰোধ কৰা ব্যৱস্থা ইয়াত কিবা আছেনে ? বৃদ্ধ পেনশ্যন পোৱা মা দেউতাসকলৰ বাবে যি মাত্ৰ ২৫০ টকা পেনশ্যন পায় তেওঁলোকক অন্ততঃ ৩০০০ টকা বৃদ্ধ পেনশ্যন দিয়াৰ ব্যৱস্থা ইয়াত আছেনে ? অৰুণোদয় পোৱা আই মাতৃসকল, বিধৱা পেনশ্যন পোৱা মাতৃসকল, অংগনবাদী কৰ্মীসকল, সহায়িকাসকল, আশা কৰ্মীসকল, আৰু গাওঁ বুঢ়াসকলৰ বাবে এই বাজেটখনত কি আছে উপাধ্যক্ষ মহোদয়। এন এইচ এমৰ ২৪০০০ চুক্তিভিত্তিক কৰ্মীসকল সৰ্ব্ব শিক্ষা কনটেকচুৱেল কৰ্মীসকল, ডাক্তৰ বাণীকান্ত কাকতিৰ সাক্ষৰতা প্ৰগ্ৰেমৰ কম্পিউটাৰ শিক্ষকসকল, এন আৰ চিৰ কৰ্মীসকল, হোমগাৰ্ডসকল, ১১ খন পলিটেকনিকৰ কৰ্মীসকল, ফিচাৰীৰ কৰ্মীসকল, জীৱিকা সখী, জলমিত্ৰ, ভেন্সাৰ স্কুল-কলেজৰ শিক্ষকসকল, পৌৰ কৰ্মীসকল, এপি ডিচিলেৰ অস্থায়ী কৰ্মীসকল বন বিভাগৰ অস্থায়ী কৰ্মীসকল বঞ্চিত হিন্দী শিক্ষকসকল, পঞ্চায়তৰ কৰ্মীসকল আৰু ১০৮ৰ কৰ্মচাৰীসকলৰ বাবে এই বাজেটখনত কিবা ভাল খবৰ আছেনে ? একো নাই উপাধ্যক্ষ মহোদয়।**

**মাননীয় উপাধ্যক্ষ ঃ কনক্লুড কৰক .... আপোনাৰ সময় পাৰ হৈছে .. আপুনি বহক, আপোনাৰ কথাখিনি ৰেকৰ্ডত নাযাব। বাকী কথাখিলি লে কৰি দিয়ক, আপোনাৰ স্পীচত আহি যাব। এতিয়া দৰচিং ৰংহাং।**

**শ্ৰীদৰচিং ৰংহাঙ, (ডিফু) ঃ উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষই এই বাজেটখনক হিতাধিকাৰী সৃষ্টি কৰা আৰু নিৰ্ব্বাচনমুখী বাজেট বুলি অভিহিত কৰিছে। ইয়াৰ ওপৰত মই সম্পূৰ্ণ বিৰোধিতা কৰি ক'ব বিচাৰিছো। অৰুণোদয়ৰ নিচিনা আঁচনি, মহিলা উদ্যমিতা আঁচনি, মুখ্যমন্ত্ৰী জীৱন কল্যাণ আৰু মুখ্যমন্ত্ৰীৰ আত্ম নিৰ্ভৰ যি আঁচনি এইয়া বিকশিত অসমৰ এক ভৱিষ্যত পৰিকল্পনা। এই বিধান সভাত কংগ্ৰেছ চৰকাৰে আগতে যি বাজেট প্ৰস্তুত কৰিছিল সেই বিষয়ে আমি যদি আলোচনা কৰো তেন্তে দেখিবলৈ পাওঁ যে তেওলোকে পাহাৰীয়া এলেকা, ডিমা হাচাও আৰু কাৰ্ব্বি আংলঙত তেওঁলোকৰ নিজা বাজেট আছে বুলি দোহাই দি তেওলোকে তাত উন্নয়ণমূলক**

কাম কৰা নাছিল । কিন্তু আজি আমাৰ চৰকাৰে পাহাৰ ভৈয়াম বৰাক ব্ৰহ্মপুত্ৰ একাকাৰ কৰি, কাৰ্ব্বি আংলঙতো আই চি ডি এচ কৰি তাৰ যোগেদি আৱাস গৃহ নিৰ্মাণ - হাই স্কুল - এম ই স্কুল আৰু কলেজৰ আৱাস গৃহ নিৰ্মান, ৰাস্তা ঘাটৰ নিৰ্মাণ কাৰ্য্য ইত্যাদি আঁচনি এইখন চৰকাৰৰ ফালৰ পৰা সবলভাৱে ৰূপায়ণ কৰা আমি দেখিবলৈ পাইছো । আমাৰ চৰকাৰে কাৰ্ব্বি আংলঙ আৰু ডিমা হাচাও অটোনোমাচ কাউন্সিলত নিজস্ব বাজেট প্ৰস্তুত কৰিব কাৰণে প্ৰত্যোক বছৰে বাজেট বৰ্দ্ধিত কৰি বাজেট ৰূপায়ণ কৰি আহিছে। এইবাৰো কাৰ্ব্বি আংলঙ আৰু ডিমাহাচাওৰ কাৰনে ৬০০ কোটিৰো অধিক টকা উন্নয়ণমূলক কাম কাজৰ বাবে ধাৰ্য্য কৰিছে , তাৰ বাবে মই বিত্ত মন্ত্ৰী মহোদয়া আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা দেৱক ধন্যবাদ জ্ঞাপন কৰিলো । তাৰোপৰি কাৰ্ব্বি আংলঙ, ৱেষ্ট কাৰ্ব্বি আংলঙ - ডিমাহাচাওত পৰ্য্যটন কেন্দ্ৰ আৰু কাৰ্ব্বি আংলঙত যাতে পশু চিকিৎসা মহাবিদ্যালয় আৰু কৃষি মহাবিদ্যালয়ৰ স্থাপনৰ কাৰণে এই বাজেটত পুঁজি ধাৰ্য্য কৰা হৈছে , তাৰ বাবে মই বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জ্ঞাপন কৰিছো । যোৱা ৩ মাৰ্চ ২০২৫ তাৰিখে সদনত কোকৰাঝাৰত হোৱা প্ৰথম দিনাৰ অধিবেশনৰ ৰাজ্যপালৰ ভাষণৰ পিচত একমাত্ৰ কাৰ্য্যসূচীত যিটো আলোচনা হৈছিল যে - আমি ষষ্ঠ অনুসূচী সঠিক ভাবে কাৰ্য্যকৰী আৰু অধিক উন্নত কৰিব লাগে। এই আলোচনাত সকলো বিধায়কে ইয়াত ভাগ লৈ একমত হৈ এই ষষ্ঠ অনুসুচি উন্নত হোৱাটো বিচাৰিছিল তাৰ বাবে ধন্যবাদ জনাইছো। উপাধ্যক্ষ মহোদয় , মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই পাহাৰৰ ৰাইজৰ উন্নয়ণৰ কাৰণে যিটো ব্যৱস্থা আজি লৈছে সেইটো আমি সকলোৱে সলাগ ল'ব লাগিব। পাহাৰৰ ৰাইজক আজি যি ৰাজনৈতিক - অৰ্থনৈতিক আৰু যি যি অধিকাৰ প্ৰদান কৰা হৈছে আমি অটোনোমাচ কাউন্সিলে আৰু পাহাৰৰ ৰাইজে সকলোৱে মিলি আজি নিজৰ দায়িত্ব পালন আৰু সুস্থ পৰিবেশ গঢ়িব লাগিব। গতিকে আমি আমাৰ সৰ্ব্বাঙ্গীন উন্নয়ণৰ বাবে এই দায়িত্ব মূৰ পাতি ল'ব লাগিব । মই আশা কৰিছো ভাৰতীয় সংবিধানত লিপিবদ্ধ ২৪৪-( ক) ধাৰা ৰূপায়ণৰ যোগেদি কাৰ্ব্বি আংলঙ ডিমাহাচাও অটোনোমাচ ষ্টেট উইথ ইন ষ্টেট গঠন কৰাটো সম্ভৱ হ'ব বুলি মই আশাবাদী । গতিকে মই পুনৰবাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জনাই এই বাজেটক পূৰ্ণ সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিছো ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ– নন্দিতা দাস ডাঙৰীয়ানী

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই নকও - মোৰ স্পীচটো লে কৰি দিও নেকি ?

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে , লে কৰি দিয়ক। ধন্যবাদ– অনাৰেবল্ মিনিষ্টাৰ ।

## ২০২৫-২৬ ৰ বাজেট বিশ্লেষণ

২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে বিত্তমন্ত্ৰী শ্ৰী মতী অজন্তা নেওগ ডাঙৰীয়ানীয়ে বিধান সভাত দাখিল কৰা বাজেটত কোনো নতুন কৰৰ প্ৰস্তাৱ নাৰাখি এখন কৰমুক্ত বাজেট দিয়া বুলি বাহ - বাহ লব বিচাৰিছে। প্ৰকৃততে ইয়াত বাহ বাহ লোৱাৰ কোনো যুক্তি নাই। এই বাজেট এক পশ্চাদগামী বাজেট - এই বাজেটে অসমক বহু বছৰ পিছুৱাই লৈ যাব অদুৰ ভৱিষ্যতে অসমক এক ধাৰত পোত খোৱা কঙাল ৰাজ্যত পৰিণত কৰিব।

কিয়নো এই বাজেটত চলিত বিত্তীয় বৰ্ষত ৩৬,১৮৫ কোটি টকা ঋণ লোৱাৰ বাবে নিৰ্ধাৰণ কৰিছে। বৰ্তমান অসমৰ ঋণৰ পৰিমাণ প্ৰায় ১ লাখ ৭০ হাজাৰ কোটি টকা হৈছে। বাজেটত নিৰ্ধাৰণ কৰা ৩৬,১৮৫ কোটি টকা ঋণ লোৱাৰ পাছত অসমৰ ধাৰৰ বোজা হবগৈ ২ লাখ ৬ হাজাৰ কোটি টকা।

২০২১ চনৰ BJP ৰ নিৰ্বাচনী ইস্তাহাৰ খনৰ নাম দিছিল আত্ম নিৰ্ভৰশীল অসম্। এই বাৰ মুখ্য মন্ত্ৰীয়ে কৈছে যে এই বাজেটে এতিয়া অসমক আত্ম নিৰ্ভৰশীল ৰাজ্যত ৰখা নাই - অসমক অৰিহণা যোগোৱা ৰাজ্যলৈ ৰূপান্তৰ কৰিছে। আচলতে মুখ্য মন্ত্ৰীৰ এই মন্তব্য ঘৰত ধকুৱাৰ বেৰ - বাহিৰত বৰ চুৰিয়াৰ ফেৰ বুলি কব পাৰি।

বাজেটত নিৰ্ধাৰিত মুঠ ১,৫৫,৪২৮ কোটি টকাৰ উৎস যদি চাঁও - আমি দেখিম -

| | |
|---|---|
| Share of Central Taxes ( Mainly GST Share) ৰ পৰা আহিব - | ৪৪,৮৯৪ কোটি |
| Centrally sponsored Scheme ৰ পৰা আহিব- | ২৪,৭৫৪ কোটি |
| Finance commission Grant ৰ পৰা আহিব- | ৪৪৮২ কোটি |
| Public Debt অৰ্থাৎ ঋণৰ পৰা আহিব - | ৩৬,১৮৫ কোটি |
| মুঠ - | ১,০৯,৯১৫ কোটি |

| | |
|---|---|
| অৰুণোদয় আঁচনিৰ বাবে - | ৫ হাজাৰ কোটি টকা |
| মুখ্য মন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ বাবে - | ৩ হাজাৰ ৩৮ কোটি টকা |
| নিযুত মইনা আঁচনিৰ বাবে - | ৩৯১ কোটি টকা |
| মুখ্য মন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ বাবে - | ২৫ কোটি টকা |
| মুখ্য মন্ত্ৰীৰ আত্ম নিৰ্ভৰ অসম অভিযানৰ বাবে - | ৭৭৩ কোটি টকা |
| বিনামূলীয়া চাউলৰ অতিৰিক্ত হিতাধিকাৰীৰ বাবে - | ৩৭০ কোটি টকা |

চাহ শ্ৰমিক সকলক এক কালীন ৫ হাজাৰ টকাৰ সাহায্যৰ বাবে - ৩৪২ কোটি টকা

সৰ্বমুঠ ৯,৯৩৯ কোটি টকা কেৱল হিতাধিকাৰীক দি ভোট কিনিবৰ বাবে ধাৰ্য্য কৰিছে।

এতিয়া কেনেদৰে তলত দিয়া ধৰণে হিতাধিকৰী সৃষ্টি কৰিছে :

| | |
|---|---|
| অৰুণোদয় আঁচনিত -- | ৩৭.২ লাখ |
| মুখ্য মন্ত্ৰী মহিলা উদ্যামিতা আঁচনিত - | ৩২.০ লাখ |
| নিযুত মইনা হিতাধিকাৰী - | ৪.৩ লাখ |
| ৫ হাজাৰ টকাকৈ এক কালীন সাহায্য পাব ( চাহ শ্ৰমিক) | ৬.৮ লাখ |
| মুখ্য মন্ত্ৰীৰ আত্ম নিৰ্ভৰ অভিযানত - | ১.০ লাখ |
| লাখ পতি বাইদেউ আঁচনিত - | ৪.৪২ লাখ |
| বিনামূলীয়া চাউল গাই পতি ৫ কেজি কৈ - | ৪০.০০ লাখ |
| মুঠ - | ১ কোটি ৩০ লাখ |

বি দ্ৰ: ইয়াৰো পৰি সত্ৰৰ ভকত সকলক প্ৰতি মাহে ১৫০০ টকা , মুখ্য মন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিতো বহু লোকক সামৰি লোৱা হব -

অৰ্থাৎ বাজেটত নিৰ্ধাৰিত মুঠ ১,৫৫,৪২৮ কোটি টকাৰ ১,০৯,৯১৫ কোটি টকা কেৱল কেন্দ্ৰীয় চৰকাৰৰ পৰা বিশেষকৈ ঋণৰ যোগেদি ৩৬,১৮৫ কোটি টকা সংগ্ৰহ কৰাৰ সিদ্ধান্ত লৈছে। ৰাজ্য চৰকাৰৰ নিজা উৎসৰ পৰা মাত্ৰ ৪৬,০০০ কোটি টকাহে সংগৃহীত হব। স্বাভাৱিকতে এই বাজেট মুখ্যমন্ত্ৰীয়ে ডাংকোপ মৰাৰ দৰে আত্ম নিৰ্ভৰশীল বাজেট নহয় । পৰৰ ওপৰত নিৰ্ভৰশীল বাজেট। গতিকে পৰৰ ওপৰত নিৰ্ভৰ কৰি অসম চৰকাৰে এই বাজেট তৈয়াৰ কৰিছে - যদি চৰকাৰে আশা কৰা ধৰণে কেন্দ্ৰৰ পৰা পুঁজি নাহে তেতিয়া চৰকাৰে কি ব্যৱস্থাৰে বাজেটত নিৰ্ধাৰিত পুঁজি যোগাৰ কৰি ৰাজ্য পৰিচালনা কৰিব? তেতিয়া স্বাভাৱিকতে আমাৰ উন্নয়ন ব্যাহত হব।

২০২৪-২৫ বৰ্ষৰ বিত্তীয় বাজেটতো এই পৰিস্থিতিৰ উদ্ভৱ হৈছিল। ২০২৪-২৫ বৰ্ষৰ বাজেটত নিৰ্ধাৰিত টকাৰ মাত্ৰ ৭০% হে চৰকাৰে ৰাইজৰ বাবে খৰছ কৰিব পাৰিলে যদিও ইয়াৰ সিংহ ভাগ কৰ্মচাৰীৰ দা দৰমহাত খৰচ হৈছিল। বাকী থকা ৩০% ধন চৰকাৰে সংগ্ৰহ কৰিব নোৱাৰিলে। সেই একে অৱস্থা এই বাৰৰ বাজেটতো হব। সেই কাৰণে বৰ্তমানৰ বাজেট কেৱল ২০২৬ চনৰ বিধান সভা নিৰ্বাচনৰ বাবে ৰাইজক প্ৰলোভিত কৰিব বিচৰা বাজেটৰ বাহিৰে আন একো নহয়।

বাজেটত নিৰ্ধাৰিত ১,৫৫, ৪২৮ কোটি টকাৰ সিংহ ভাগ চৰকাৰী কৰ্মচাৰীৰ দা দৰমহা আৰু হিতাধিকাৰিৰ সৃষ্টি কৰি অহা ২০২৬ চনৰ বিধান সভা নিৰ্বাচনৰ বাবে BJP ৰ ভোটাধিকাৰী সৃষ্টিত হে খৰছ হব।

অসমৰ সামগ্ৰিক বিকাশ, জনসাধাৰণৰ জনমূৰি আয় বৃদ্ধি আৰু ক্ৰয় ক্ষমতা বৃদ্ধি, ৰাজ্যখনৰ প্ৰায় ৩৬ লাখ নিবনুৱা যুৱক যুৱতীৰ বাবে কৰ্ম সংস্থাপন সৃষ্টি কৰাত বাজেটত কোনো ধৰণৰ দিক নিৰ্ণয় কৰা নাই। ২০২৫-২৬ ৰ বাজেটত চৰকাৰে ২৬ৰ নিৰ্বাচনৰ বাবে কেনেদৰে ভোট বেংক সৃষ্টি কৰিব বিচাৰিছে তলৰ তথ্যই প্ৰমাণ কৰিব।

অসমত প্ৰায় ২ কোটি ভোটাৰৰ ভিতৰত ১ কোটি ৩০ লাখ ভোটাৰ BJP চৰকাৰে আমাৰ ৰাইজৰ কৰ কাটলৰ আৰু কপালৰ ঘামৰ বিনিময়ত হিতাধিকাৰী সৃষ্টি কৰি ২৬ ৰ নিৰ্বাচনত তেওঁলোকক ভোটাধিকাৰী লৈ পৰিবৰ্তন কৰিব বিচাৰিছে এই বাজেটৰ যোগেদি।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী, বিত্ত বিভাগ ইত্যাদি) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বাজেট বিতৰ্কত যোৱা দুইদিনত ৩৩ গৰাকী মাননীয় সদস্য- সদস্যাই অংশ গ্ৰহণ কৰিছে , ইয়াত মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা আৰম্ভ কৰি আমাৰ মাননীয় বিধায়ক ক্ৰমে দিগন্ত বৰ্মন , সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, ভৰেশ কলিতা , আমিনুল ইছলাম (জ্যেষ্ঠ)**, শ্ৰীপদ্ম হাজৰিকা, শ্ৰীদেৱব্ৰত শইকীয়া (মাননীয় বিৰোধী দলপতি), শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা, শ্ৰীআব্দুল বাতিন খন্দকাৰ, শ্ৰীপৰমানন্দ ৰাজবংশী, শ্ৰী দুৰ্গা দাস বড়ো, শ্ৰীমতী সুমন হৰিপ্ৰিয়া, শ্ৰী আব্দুৰ ৰহিম আহমেদ, শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী, শ্ৰী মনোৰঞ্জন তালুকদাৰ, শ্ৰীনুৰুল হুদা, শ্ৰী দ্বিপায়ন চক্ৰৱৰ্তী, শ্ৰী কৰিমউদ্দিন বৰভূঁঞা, শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ, শ্ৰীজিৰণ বসুমতাৰী, শ্ৰী মিহিৰ কান্তি সোম, শ্ৰী আব্দুৰ ৰচিদ মণ্ডল, শ্ৰী হেমাংগ ঠাকুৰীয়া, শ্ৰীআমিনুল ইছলাম (কণিষ্ঠ), শ্ৰীকৃষ্ণ কমল তাতী, শ্ৰীমতী শিৱামনি বৰা, শ্ৰী সঞ্জয় কিষান, শ্ৰী জাকিৰ হুছেইন সিকদাৰ, শ্ৰী উৎপল বৰা, শ্ৰী আচিফ মহন্মদ নাজাৰ, শ্ৰীদিগন্ত কলিতা, শ্ৰীঅখিল গগৈ, শ্ৰী দৰসিং ৰংহাং ইয়াত অংশগ্ৰহণকাৰী সকলো মাননীয় সদস্যকে মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু আশা কৰিছো যে তেখেত সকলৰ যি বক্তব্য, সেই বক্তব্যই আগন্তুক সময়ত আমাৰ ৰাজ্যখনক শক্তিশালী কৰিব। যিসকল সদস্যৰ মাননীয় সদস্যাই বাজেটখনৰ সপক্ষে কৈছে, যিসকল বিপক্ষে কৈছে, সপক্ষত যিসকলে কৈছে তেখেত সকলৰ পৰামৰ্শ আশীৰ্বাদ বুলি গ্ৰহণ কৰিছো আৰু যিসকলে ইয়াত positive way ত আশীৰ্বাদ দিছে আমাক বিভিন্ন suggestion দিছে , সেইখিনি মই ভাল পৰামৰ্শ বুলি মই গ্ৰহণ কৰিছো আৰু গণতন্ত্ৰত মাননীয় উপাধ্যক্ষ মহোদয়, বিতৰ্ক আছে আৰু যেতিয়া সেই বিতৰ্ক সুস্থ হয়, সেই বিতৰ্কই গণতন্ত্ৰক অধিক শক্তিশালী কৰে। এই বাজেটৰ বিষয়ে মই সচাঁকৈ সৌভাগ্যশালী যে মই পঞ্চমখন বিত্তমন্ত্ৰী হিচাপে ক্ৰমাগতভাৱে বাজেট দিবলৈ এক সন্মান পালো আৰু সেই সন্মান মোৰ ব্যক্তিগত সন্মান নহয় আৰু সেই সন্মান গোটেই ৰাজ্যখনৰ সকলো নাৰীজাতিৰ প্ৰতি সন্মান বুলি মই অতি বিনম্ৰতাৰে সন্মান গ্ৰহণ কৰিছো। এতিয়া মুল কথালৈ গৈছো মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত বহুতো কথাৰ প্ৰশ্নৰ অৱতাৰণা হৈছে মই বাজেটখনৰ মুল বিষয়টোলৈ কৈছো যে বাজেটখন আমি যেতিয়া প্ৰস্তুত কৰো তাৰ principle টো কি সেইখিনিৰ ওপৰতে মই কৈছো যে বিভিন্ন সদস্য বিলাকে কৈছে যে এইবাৰ মই বাজেটখন দিছো যে ইয়াৰ মুল পূঁজিটো হৈছে বাজেটৰ ১৫৫৪২৮.৭৫ কোটি আৰু ইয়াত আমি revenue expenditure ৰাখিছো ১১৭২২৫.৯৬ কোটি আৰু ইয়াত capital expenditure আমি ৰাখিছো ৩৮.৭৫৯.১৮ কোটি আৰু মুল প্ৰশ্নটোৰে আহিল যে এই পূঁজিখিনি কৰপৰা আহিব? এই পূঁজিখিনি কিমান শতাংশ, পূঁজি ক'ৰপৰা আহিছে বাজেটখনৰ পাছ ফালে আমি স্পষ্টভাৱে দিছো। গতিকে ই এক কি সুচাইছে যে মোৰ বাজেটখন transferable. আমি পূঁজি ক'ৰপৰা আহৰণ কৰিম, কেনেধৰণৰ খৰচ কৰিম সেই কথাখিনিও মই বিস্তৃতভাৱে দিছো। আপোনালোকে চাব যে State Revenue মই কিমান দিছো ২২.৪০ শতাংশ। Non Tax Revenue দিছো ৫.৩৮ শতাংশ। Share of Central Taxes মই দিলো ২৮.৬৩ শতাংশ। এতিয়া এই দুটা কথাতে আহিলো মাননীয় উপাধ্যক্ষ মহোদয়, বহু মাননীয় সদস্যই কৈছে যে আমাৰ নিজৰ উৎপাদন State কিমান যে share of central taxes আৰু এইটো প্ৰাপ্য আজি আমাৰ নিজা পূঁজি।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ বাইদেউ, Share of Central Tax ত কি কি থাকে?

**মাননীয় উপাধ্যক্ষ** ঃ শ্ৰী অখিল গগৈ ডাঙৰীয়া, reply দিয়াৰ পাছত যদি কিবা থাকে, আপুনি ক'ব।

**শ্ৰী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতৰ বক্তব্য মই সুন্দৰকৈ শুনি আছো। মই ইয়াত ৪ ঘণ্টা বহি আছো। মোৰ কথাখিনি ক'বলৈ দিয়ক। Share of Central taxes, Own Tax Revenue, Non-Tax আৰু Tax মিলি আমাৰ ৫৭.৬৩ শতাংশ। এই পুঁজিখিনি কোনে দিয়ে? Share of Central Taxes আমাৰ ইয়াৰ পৰাই লৈ যায় আৰু সেই পুঁজিখিনি আমি ঘুৰাই পাওঁ আৰু সেই পুঁজিখিনি অনাৰ যিটো কৃতৃত্ব, সেইখিনি ৰাজ্য চৰকাৰে পাব লাগিব। এইকাৰণেই পাব লাগিব যে আগতে মাননীয় উপাধ্যক্ষ মহোদয়, এই সদনত মই বহুবাৰ পঢ়িছো; বাজেট মই নিজেই দেখিছো এই পুঁজিৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰৰ পৰা আনিব নোৱাৰে। কাৰণবিলাক যে share of central taxes কেনেদৰে দিয়ে মই আপোনাক দেখুৱাইছো। মাননীয় উপাধ্যক্ষ মহোদয়, Share of Central Taxes ইয়াত যিটো devolution grant কৰে, কেনেধৰণে কৰে এই তিনিটা বছৰ কিমান grant হৈছে, সেই কথাখিনি Finance Commission ৰ recommendation কিমান amount আৰু Government of Assam য়ে কিমান পাইছিল মই সেইটো কৈছো। ২০১৩-১৪ ত ইয়াত Finance Commission য়ে recommend কৰিছিল ১২০৭২ কোটি টকা। আমি পালো ১১৫০০ কোটি টকা। ২০১৪-১৫ ত recommendation আছিল ১৪২০০ টকা, আমি পালো ১২০০০. ২০১৫-১৬ ত recommendation আছিল ১৯০০০, পালো ১৬০০০। এতিয়া ২০২১-২২ বৰ্ষত recommendation আছিল ২০০০০, পালো ২৮১৫১ কোটি টকা। ২০২২-২৩ বৰ্ষত recommendation ২২৯১৭ কোটি টকা, actual receive ২৯৬৯৪ টকা। মাননীয় উপাধ্যক্ষ মহোদয়, difference কিমান চাওঁক। ২০২৩-২৪ বৰ্ষত Finance Commission ৰ recommendation আছিল ২৫৭৮৭ কোটি টকা, পালো 35331. এইবাৰ ২০২৪-২৫ বৰ্ষত recommendation আছিল ২৯২৯৬ কোটি টকা। পাইছো ৪০২৫৪ কোটি টকা। এইবাৰ ২০২৫-২৬ চনত Finance Commission ৰ recommendation আছিল ৩৩৫৫১ কোটি টকা। কিন্তু budgeting কৰিলে তেওঁলোকে এইবাৰ union budget ত allocation বঢ়ালে 44494 কোটি টকা। এইটো হৈছে ৰাজহ নীতিৰ সদ্দিচ্ছা। কেতিয়াবা কোৱা হয়, এই পুঁজিখিনি নিজৰ কৃতৃত্ব আছে, দিনে ৰাতিয়ে 24x7 ৰাজ্যখনে কাম কৰাৰ কাৰণে এইবাৰ মোৰ বাজেটখনত দেখিছো যে আমি ১৮৫০০ কোটি টকা আমাৰ State ৰ special grant হিচাপে আমি অসমে পাবৰ কাৰণে সক্ষম হৈছো। এইখিনি কৰাৰ কাৰণে পইচা এনেই নাহে। আজি যে আমি বাজেটখন মই দেখুৱাইছো যে, ৪০,০০০ কোটি টকাৰ পৰা আহি আহি আমি যে ১ লাখ, আমি কৈছো যে ৪৩০০০ কোটি টকা খৰচ কৰিব পাৰিম। Rome was not built in a day ইয়াত কাৰণে মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰত্যেকটো সময়ত আমি কাম কৰিছো। কাম কৰাৰ কাৰণে অসমত কৰ্ম সংস্কৃতি হৈছে। আজি মাননীয় বিধায়ক শ্ৰীজাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই কৈছে যে কৰ্ম সংস্কৃতি, হয়, মই লিখিছো বাজেটত যে এটা অসমৰ সময় আছিল য'ত কৰ্ম সংস্কৃতিৰ আমাৰ অৱক্ষয় ঘটিছিল। তাৰ ফলস্বৰূপে ক'ভিডৰ নিচিলাকৈ এটা সময় আমি পাৰ কৰিলো। আজি স্বাধীনতাৰ ৭৫ বছৰ পাৰ হ'ল, আজি স্বাধীনতা অমৃতকালত উপনীত হৈছো আৰু সেই কাৰণে যোৱা ৯ টা বছৰৰ পিছত মই আজি ১ কোটি ৫৫ লাখ টকাৰ বাজেট দিবলৈ ইয়াত সক্ষম হৈছো। মাননীয় উপাধ্যক্ষ মহোদয়, আজি আত্মতত্বৰে কৈছো এখন আত্মনিৰ্ভৰশীল অসম, এখন বিকশিত

অসম, এখন সংস্কৃতিবান অসম, এখন কৰ্মসংস্কৃতি অসম তৈয়াৰ কৰিবৰ কাৰণে এই বাজেটখন আমি প্ৰস্তুত কৰিছো। ইয়াত লক্ষ্যত উপনীত হ'ব লাগিব। আজি শ্ৰীঅখিল গগৈ ডাঙৰীয়া, আপুনি কথাখিনি শুনিব, বহুত junior, প্ৰথমবাৰৰ বাবে আহিছে, বহুত শিকিবলগীয়া আছে হয় নে নাই? মইতো আপোনাৰ জ্যেষ্ঠ ভগ্নী। আপুনি গোলাঘাটৰ জোঁৱাই, মই সদায় মৰম কৰো আপোনাক। গতিকে সেই ভগ্নী, মই বাজেটখনত প্ৰথমতে কি ক'লো, প্ৰথম বাজেট দিওঁতে কি কৈছো। মাতৃৰ মমতাময়ী অন্তৰেৰে মই এইখন বাজেট আৰু এইখন বাজেটহে মই প্ৰাপ্তিৰে এইখন বাজেট দিছো যে ৪ টা বছৰত মোৰ যি ৰাজনৈতিক অভিজ্ঞতা হ'ল বিত্তমন্ত্ৰী হিচাপে, সেই অভিজ্ঞতাৰেহে মই এইখিনি কথা কৈছো। তথ্য আছে মোৰ হাতত, গোটেইখিনি তথ্য আছে। আপুনি যিখিনি কথা কৈছে, সেইখিনি কথায়েই বেলেগ ধৰণে কৈছে আৰু সচাঁটো মই বেলেগ ধৰণে ক'ব লাগিব। কাৰণ যেতিয়া এখন ৰাজ্য চলাব লাগে, ৰাজ্য চলালে ইয়াত কিছুমান জ্ঞাতস্থিত থাকে, সেইমতে কাম হ'ব লাগে। আপুনি ঋণৰ কথা কৈছে ৰাজ্য পৰিচালনা কৰিবৰ কাৰণে কেনেধৰণে আগবাঢ়ি যায়। সকলোবিলাক Reserve Bank ৰ নীতি নিয়ম মানি। মোৰ বাজেটখন place য়েই কৰিছো। 77% ক'ৰপৰা আহিব, Finance Commision ৰ, Central Governement ৰ যিখিনি assistance সকলোখিনি লাগিব। কাৰণ আজিটো আমি একেদিনাই অসম গঢ়িব নোৱাৰো। আপুনি নিজেও জানে যে একেদিনাই অসম গঢ়িব পাৰে নেকি? 41 thousand crores ৰ expenditure ৰ পৰা আজি যদি ১ লাখ কোটি টকা অসমে খৰছ কৰিছে, এইটো কৃতজ্ঞতা ভাল কৰিছো বুলি নক'ব পাৰে কিন্তু অসমৰ মানুহে সেই স্বীকৃতি আমাক প্ৰদান কৰিছে। গতিকে সেইখিনি কথাৰে সম্পূৰ্ণ দায়বদ্ধতাৰে মাননীয় উপাধ্যক্ষ মহোদয়, এই কথাখিনি Debt GSDP ratio সম্পূৰ্ণ maintain কৰিছো। আপুনি ক'ৰপৰা বেলেগ এটা ৫০ শতাংশ কৈছে, মই নাজানো। মই যিটো Debt GSDP ratio হয়, সেই Debt GSDP ratio আমি properly maintain কৰো। একেখিনি Debt GSDP ভাৰতবৰ্ষৰ বাহিৰৰ ৰাজ্যবিলাকেও maintain কৰি থাকে। এইবাৰ মই বাজেটত ইয়াৰ ওপৰত কাগজো দাখিল কৰিছো। আমি সকলো তুলনামূলকভাৱে সকলো Debt GSDP ৰ ratio maintain কৰিছো। received expenditure ৰ যিটো percentage maintain কৰিব লাগে সেইটো কৰিছো। সকলো পেৰামিটাৰৰ ভিতৰত আমাৰ ৰাজ্যখন আছো। সম্পূৰ্ণ স্পষ্টতাৰে মই এইখিনি কথা আপোনাক কৈছো। এতিয়া ৰেভিনিউ expenditure লৈ আহোঁ। আমি ২,৯০০ কোটি টকাৰ পৰা ২৫,০০০ কোটি টকালৈ আহি পালো। আমি আঠ গুণ জাম্প মাৰিছো। এইটো সহজ কথা নহয়। অসমখনৰ কেনেকৈ অগ্ৰগতি কৰিব পাৰো ইয়াৰ ওপৰত বহুবাৰ আলোচনা কৰিছো। অৰ্থনৈতিভাৱে শক্তিশালী অসম তৈয়াৰ কৰাৰ বাবে বিৰোধী আৰু শাসক দল একমত আৰু ইয়াৰ বাবে আমি ইয়াত বহিছো। ইয়াত কাৰো দ্বি-মত নাই। এই অসমখন নিৰ্মাণৰ অংশীদাৰ সকলোৰে হ'ব লাগে। মই সঁচা তথ্য আপোনালোকৰ আগত কৈছো যে ২,৯০০ কোটি টকাৰ পৰা ২৫,০০০ কোটি টকালৈ আজি আমাৰ অসমৰ নিচিনা মজলীয়া ৰাজ্যই জাম্প মৰাটো সহজ কথা নহয়। মই যেতিয়া প্ৰথমবাৰৰ বাবে বিত্তমন্ত্ৰী হৈ ভাৰতৰ বাকী ৰাজ্যৰ বিত্তমন্ত্ৰীৰ ওচৰত বহিছিলো মোৰ তেতিয়া কিমান খৰচ সেইটো ক'বলৈ বেয়া লাগিছিল। অন্ধ্ৰপ্ৰদেশৰ ওচৰত যেতিয়া মই বহোঁ মোৰ তেতিয়া অলপ বেয়া লাগে। এইবাৰ যেতিয়া মই জি এচ টিৰ মিটিঙলৈ গৈছো মই গৌৰৱেৰে কৈছো যে মোৰ বাজেটখন ১,৫৫,০০০ কোটি টকাৰ। আজি প্ৰথমবাৰৰ বাবে অসমে মূল সুঁতিলৈ আহিছে, প্ৰতিযোগিতাৰ ভাৰত আহিছে। ভাৰতত ২৮ খন ৰাজ্য আছে। এই ২৮ খন ৰাজ্যৰ ভিতৰত অসমে নিজৰ পৰিচয় দিবলৈ সক্ষম

হৈছে। এতিয়া A for Apple নহয় A for Assam হ'বলৈ আগবাঢ়ি গৈছো। মই মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াক ব্যক্তিগতভাৱে নহয়, তেখেতৰ সদিচ্ছাৰ বাবে ৰাইজৰ ফালৰ পৰা ধন্যবাদ জনাইছো। মই কৈছো যে-"অসম আমাৰ ৰূপহী,

গুণৰো নাই শেষ,
ভাৰতৰে পূৰ্ব দিশত
সূৰ্য্য উঠা দেশ।"

অসমী আইৰ গুণ গাই শেষ কৰিব নোৱাৰো। মোৰ অন্তৰে অন্তৰে অসমী আই জাগ্ৰত হৈ আছে। মই নিজে এগৰাকী মহিলা আৰু মাতৃ। সেইকাৰণে মই অসমী আইৰ গুণ গাই শেষ কৰিব নোৱাৰো। এইবাৰ বাজেটত আমি অসমী আইক কেনেকৈ আগবঢ়াই লৈ যাম সেইখিনি কথা আমি দিনে-ৰাতিয়ে চিন্তা কৰিছিলো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে অসমী আইক দিবৰ বাবে তেখেতে অন্তৰ উজাৰি দিব। অসমখনক সামাজিক, অৰ্থনৈতিকভাৱে আগুৱাই লৈ যোৱাত ইমান সহজ কথা নহয়। মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই হয়তো বাজেটখন ভালকৈ পঢ়া নাই, বহুখিনি কথা ইয়াত সোমাই আছে। সেইকাৰণে মই কৈছো যে আমি অসমখনক আগুৱাই যোৱা অসম কৰিবলৈ হ'লে সকলো দৃষ্টিভংগীৰে চাব লাগিব। মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেইকাৰণে কৈছে যে এখন আত্মা থকা অসম গঢ়িব লাগিব। কেৱল আন্তঃগাঁথনিৰে অসম নহয়। এই অসমখনক এখন বিকশিত অসম কৰিবলৈ হ'লে মানুহৰ দুঃখ-সুখ সকলো বুজিব লাাগিব। কালি বিৰোধী দলৰ মাননীয় দলপতি ডাঙৰীয়াই এটা কথা কৈছে। মই সেই কথাটো নকওঁ যে মজুৰি কিমান পাইছে? চাহ জনজাতিৰ লোকসকলে অসমৰ বায়ু পানী গ্ৰহণ কৰি নিজৰ তেজ পানী কৰি এই অসমী আইৰ অসমৰ চাহক বিশ্ব দৰবাৰ প্ৰতিষ্ঠা কৰিছে। এই চাহৰ আজি দুশ বছৰ হৈছে। এই দুশ বছৰীয়া চাহৰ সেই গৌৰৱময় মূহুৰ্ত্তৰ বাবে বিনম্ৰভাৱে তেওঁলোকক কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই গৌৰৱৰ মূহুৰ্ত্তত আমি চাহ জনজাতি লোকসকলৰ ওচৰত থিয় হৈছো। টি ভিৰ পৰ্দাত তেওঁলোকক সুধিছে যে তেওঁলোকৰ কেনেকুৱা লাগিছে, তেওঁলোকে কৈছে যে আমাক কিবা এটা দিছে আৰু আমি ল'ৰা-ছোৱালীৰ বাবে কিবা এটা ল'ব পাৰিছো। এই অনুভূতি বুজিবলৈ চেষ্টা কৰক। এই অনুভূতিবোৰ নুবুজাৰ কাৰণে আমাৰ মাজত ইমান শতিকা জোৰা পাৰ্থক্যৰ সৃষ্টি হৈছে। আমাৰ বিধায়ক সকলৰ সমষ্টিসমূহত চাহ জনজাতি লোকসকল আছে। চাহ জনজাতিৰ অঞ্চলৰ উন্নয়ণ বছৰ বছৰ ধৰি অৱহেলিত হৈ আছিল। বিগত সময়ত আপোনালোকে চাওঁক যে চাহ বাগান সমূহত কিমান উন্নয়ণ সম্ভৱ হৈছে? সেই কথা আমাৰ বিধায়ক সকলে মুখেৰে কৈছে। সেই কথা মই বাজেটত ক'ব নালাগে। আঁচনি সমূহৰ জৰিয়তে চাহ বাগিচা সমূহত নতুন পৰিৱেশৰ সৃষ্টি হৈছে। চাহ জনজাতি ল'ৰা-ছোৱালীসকলে পঢ়া-শুনা কৰিছে। 'ঝুমই'ৰ বিনন্দনী। আমি বহুতে ঝুমুৰ বুলি কওঁ, তেওঁলোকে আমাক ঝুমুৰ নহয় 'ঝুমই'ৰ বুলি কয়। আজি বিহু বিনন্দীয়া। ডাঙৰ ভনীয়েকে পাচে পাচে সৰু ভনীয়েককো হাত ধৰি লৈ আহিছে যে 'ঝুমই'ৰ বিনন্দীয়া তুমিও আহা। আমাৰ পাৰস্পৰিক এইয়া শ্ৰদ্ধা আৰু সম্প্ৰীতি। শান্তিৰ পৰিৱেশ সৃষ্টি কৰিবৰ বাবে আমাৰ বড়ো ভাই-ভনীসকলক আমাৰ চৰকাৰখনে হাত আগবঢ়াই দিছে। এটা সময়ত মনৰ মাজত বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়াম আদি লৈ বহু ভেদাভেদ আছিল। এই ভেদাভেদ সমূহ আমি মানুহৰ মনৰ কথা শুনিব নোখোজাৰ বাবে সৃষ্টি হৈছিল।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Fiscal deficit কিয় বেছি হৈছে?

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰথমে মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীক উত্তৰ দিবলৈ দিয়ক।

**শ্ৰী অজন্তা নেওঁগ, (মন্ত্ৰী, বিত্ত ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত এতিয়া প্ৰগতি আহিছে। বহুতো সদস্যই কৈছে যে বাজেটখনত আমি পইচা কমকৈ ৰাখিছো। আমি যেতিয়া বাজেট এষ্টিমেট কৰো তেতিয়া আমি এই বছৰৰ Resource Maping চাই কৰো। Budget is nothing but an estimate. মই আজি টেক্স কালেকশ্যন দুশ কোটি টকা ধাৰ্য্য কৰিছো। কিন্তু তাত কালেকশ্যন বাঢ়িছে। কেন্দ্ৰীয় চৰকাৰে যিটো অংশ ৰাখিছে সেইটো এঘাৰ হাজাৰ কোটি টকা মোক বেছিকৈ দিলে। 'B' ৰ লগত 'B' তুলনা কৰিব আৰু RE ৰ লগত RE তুলনা কৰিব। যোৱাবাৰ যিখন মই বাজেট দিছিলো এইবাৰ আপোনালোকে দেখিলে যে 'B' ৰ পিছত মোৰ ¿¡àò RE হ'ল তাত ১ লাখ ৬৮ হাজাৰ কোটি টকা হৈছে আৰু সমানুপাতিকভাৱে এইবাৰ মোৰ যিখন বাজেট দাখিল কৰিছো এই বাজেটখনত আমি যেতিয়া supplementary বাজেট দাখিল কৰিব তেতিয়ালৈকে বিভাগবিলাকৰ বিভিন্নধৰণৰ ডিমাণ্ড আহিব। এই বাজেটখনৰ পুঁজি নিশ্চিতভাৱে বৃদ্ধি হ'ব। মই আশা কৰিছো যে এই বাজেটখনত আৰু ২০ ৰ পৰা২৫ হাজাৰ কোটি টকা বৃদ্ধি হ'ব। বিভিন্ন আঁচনিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা পইচা আহে। আপোনালোকে জানে যে বিভাগসমূহৰ এটা contingency fund থাকে। যোৱাবাৰ সেই contingency fund ৮ হাজৰ কোটি টকালৈ বৃদ্ধি কৰিছিলো। এইবাৰ মোৰ ৮ হাজাৰ কোটি টকাৰ contingency fund নাই, নৰ্মেল দুই হাজাৰ কোটি টকাৰ contingency fund ৰাখিছো। যদি প্ৰয়োজন হয় এই contingency fund বোৰ বাঢ়িব। বিভাগসমূহৰ যেতিয়া আঁচনিসমূহৰ বাবে ধনৰ প্ৰয়োজন হ'ব, এই contingency fund ৰ পৰা ব্যৱহাৰ কৰিব পাৰিব। ইয়াত ইচ্ছাকৃতভাৱে কাৰো বাজেট কৰ্তন কৰা নাই। আমি যিমানখিনি পুঁজি দিব লাগে সেইখিনি দিছো। পৰৱৰ্তী পৰ্য্যায়ত যদি অতিৰিক্তভাৱে পুঁজি গ্ৰহণ কৰিব লাগে আমি সেইখিনি গ্ৰহণ কৰিম। আমি ইমান দিনে যিটো Revenue Expenditure বুলি কওঁ সেইটো আমি কিহত খৰচ কৰিছো? বহুতো সদস্যই কৈছে যে স্কুটী কিয় দিব লাগে, চাইকেল কিয় দিব লাগে? আমাৰ যিসকল সমৰ্থৱান তেওঁলোকৰ স্কুটী, গাড়ী আদি আছে। কিন্তু যিসকল দৰিদ্ৰ তেওঁলোকক স্কুটী দিয়াৰ প্ৰয়োজনীয়তা আছে কাৰণে স্কুটী দিছে। যাৰ ফলস্বৰূপে ছাত্ৰী গৰাকীৰ যাতায়তত সুবিধা হৈছে আৰু ভালকৈ শিক্ষা লাভ কৰিব পাৰিছে। স্বাস্থ্যৰ ক্ষেত্ৰত যিমানখিনি Expenditure কৰিছো সেইখিনি Revenue Expenditure. গতিকে Revenue আৰু কেপিটেল বুলি ভাগ কৰিব নালাগে। Revenue Expenditure আমি ভাল কামৰ বাবে খৰচ কৰিছো। স্বাস্থ্যৰ ক্ষেত্ৰত এনেকুৱা কিছুমান আঁচনি আছে যাৰ দ্বাৰা সৰু সৰু ল'ৰা-ছোৱালী হৃৎপিণ্ডত থকা ফুটাৰ চিকিৎসাৰ বাবে Revenue Expenditure খৰচ হয়। তাৰ পুঁজি এইখন বাজেটত ধৰা হৈছে। আপোনালোকে ক'ব নেকি যে Revenue Expenditure ৰ এইবোৰ কাম কৰিব নালাগে।........interruption...........

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ......Expenditure কিমান?

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰথমে মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীক উত্তৰ দিবলৈ দিয়ক।

**শ্ৰী ভূৱন পেগু, (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকৈ হস্তক্ষেপ কৰি থকাটো ঠিক হোৱা নাই। চাহ জনগোষ্ঠীৰ কথা ক'লে হস্তক্ষেপ কৰে, মহিলাৰ কথা ক'লে হস্তক্ষেপ কৰে, চাহ জনগোষ্ঠী আৰু মহিলাক ইমান কিয় বেয়া পায়?........

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য আপুনি বহক।

**শ্ৰী অজন্তা নেওঁগ, (মন্ত্ৰী, বিত্ত ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে তেখেতে বাজেটৰ বহু ভিতৰলৈ যোৱাই নাই। বাজেটৰ ভিতৰলৈ যোৱা হ'লৈ কিছু কাম ভাল পালেহেঁতেন।

আপোনালোকে চাওঁক যে আমি কেনেকৈ চৰকাৰখন চলাবলৈ বিচাৰিছো। আমি কৈছো যে ডিব্ৰুগড়ত দ্বিতীয় ৰাজধানী হ'ব লাগে, কিয় হ'ব লাগে? কাৰণ তাত উন্নয়ণ হ'ব লাগে। আজি আপোনালোকে কেনেকুৱা ধৰণৰ এখন অসমলৈ লৈ যাব বিচাৰিছে? এফালে এখন উন্নয়ণমুখী অসমৰ কথা কৈছে আৰু আমি যিখিনি কথা কওঁ সেই কথাখিনি আপোনালোকে সমৰ্থন নকৰে। আমি ৰাজ্যখন কেনেধৰণে পৰিচালনা কৰিম। আমি statusquo maintain কৰিম নে dynamic way ত যাম। Dynamic way ত যাবলৈ হ'লে প্ৰতিযোগিতা কৰিব লাগিব। চাৰি লেন যুক্ত ৰাস্তা, মেডিকেল কলেজ বানব লাগিব। টাটা চেমি কণ্ডাক্টৰ আনিব লাগিব। ৰাজ্যখনৰ বাহিৰৰ ল'ৰাবোৰক যদি আমি ঘূৰাই আনিব লাগে টাটা চেমি কণ্ডাক্টৰ প্ৰজেক্ট আমি অসমত কৰিব লাগিব। লগতে এডভাণ্টেজ আসামৰ সুবিধা আমি ল'ব লাগিব। আজি এডভাণ্টেজ আসামে অসমলৈ অহাৰ পৰিৱেশ সৃষ্টি কৰিছে। অধ্যক্ষ মহোদয়, আপুনি নিজেই দেখিছে যে প্ৰায় ৫০ৰো বেছি দেশে ইয়াত অংশগ্ৰহণ কৰিছে। আজি Industrialist বিলাকে অংশগ্ৰহণ কৰিছে। অসমক Destination Hub কৰি তুলিছে। আমি Land Bank অসমত প্ৰথম বাৰৰ বাবে তৈয়াৰ কৰিছো। আজি MSME ৰ কাৰণে ইমান বিলাক উদ্যোগীকৰণৰ পৰিৱেশ অসমত সৃষ্টি হৈছিল। আগতে কিন্তু তেনেকুৱা ধৰণৰ পৰিৱেশ সৃষ্টি হোৱা নাছিল। আজি এড্‌ভাণ্টেজ অসমে এই পৰিৱেশ সৃষ্টি কৰাত সহায়কৰ ভূমিকা গ্ৰহণ কৰিছে। সেই কাৰণে আজি অসমত ভাৰতবৰ্ষৰ সকলো মানুহ আহিছে। আজি বিশ্বৰ মানুহবিলাক ইয়ালৈ আহিছে। সকলোৱে কৈছে যে ২০৪৭ চনত আমাৰ বিকশিত অসমে ভাৰতবৰ্ষক নেতৃত্ব দিব যদি আমি এনে ধৰণে কাম কৰি যাব পাৰো। এইখিনি কথা মই আপোনালোকক ক'লো। মই এইখন বাজেটত বহুত আঁচনি ৰাখিছো যিবিলাক আঁচনিয়ে অসমৰ দৰিদ্ৰ মানুহ, মহিলা, অন্ন দাতা কৃষকসকলক সকাহ দিব আৰু সামগ্ৰিকভাৱে অসমক উদ্যোগীকৰণৰ ক্ষেত্ৰত এখন অৰ্থনৈতিকভাৱে শক্তিশালী ৰাজ্যত পৰিণত কৰিব সেইটো মোৰ দৃঢ় বিশ্বাস। মই প্ৰথমেই ক'লো যে চাহ জনগোষ্ঠীৰ কাৰণে আমি যিখিনি আঁচনি আনিছো সেইখিনি তেওঁলোকৰ প্ৰতি আমাৰ বিনম্ৰ স্বীকৃতি মাথো। অধ্যক্ষ মহোদয়, মই বেছি দীঘলীয়া কৰিব বিচৰা নাই। মাত্ৰ এটা কথা ক'ব বিচাৰিছো যে সিদিনাখন আমাৰ বিৰোধী দলৰ দলপতিয়ে লাচিত বৰফুকনৰ কথা কৈছিল। বীৰ-বীৰাংগনাসকলক জীয়াই ৰখাটো আমাৰ জাতীয় দায়িত্ব। তেখেতসকলৰ কাৰণে কি কাম কৰিব পাৰিছো সেইটো কথা নহয়, কথাটো হৈছে বীৰ সকলক আমি স্বীকৃতি দিয়া। আজি লাচিত বৰফুকনক ৰাষ্ট্ৰীয় বীৰ হিচাপে স্বীকৃতি দিবৰ কাৰণে, তেখেতৰ ৪০০ বছৰীয়া জয়ন্তী পালন কৰিবৰ কাৰণে আমি দিল্লীলৈ গৈছো। তাৰ পিছত বিৰোধী দলপতি ডাঙৰীয়াই যিখিনি সৰু-সুৰা কথা কৈছে, তেনেকুৱা ধৰণৰ কথাত মই নাযাওঁ। মই এটা কথাই কৈছো যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিচাৰে আমাৰ heritage, সভ্যতা, সংস্কৃতি, অসমীয়া মানুহৰ মান সন্মান আমি সকলোৱে বৃদ্ধি কৰিব লাগে। সেইটোৱেই সকলোতকৈ ডাঙৰ কথা যে আমি সকলো জাতি জনগোষ্ঠী মিলি একত্ৰিত ভাৱে এখন ভাল অসম তৈয়াৰ কৰিব লাগে। সেইকাৰণে আমি দিনে নিশাই কাম কৰি গৈছো। এই বাজেট খনত আমি ৬৩% expenditure ৰ পৰা ৮৫% কাম কৰিবলৈ সক্ষম হৈছো। আমি আন্তৰিকতাৰে চেষ্টা কৰিম যাতে এই বাজেটখনত ধাৰ্য্য কৰা পুঁজি ৯০%লৈ ব্যৱহাৰ কৰিব পাৰো। মই মোৰ সতীৰ্থ মন্ত্ৰী সকলকো আহ্বান জনাইছো, বহুত মন্ত্ৰীয়ে ভালকৈ কাম কৰিছে আৰু সেইকাৰণে আজি আমি ৮৫% হ'ব বুলি কৈছো। যোৱা বাৰ ৮০% আছিল, তাৰ আগত ৮১% আছিল। আমি যথেষ্টখিনি কাম কৰিছো, কষ্ট কৰিছো। মই শেষত, আপোনালোকক অৰুণোদয় আঁচনিৰ কথা ক'বলৈ বিচাৰিছো যে অৰুণ উদয় মানে এটা দৰিদ্ৰ পৰিয়ালত সূৰ্য্য উদয়

হোৱা। এই আঁচনিখনৰ সেইটো logic। কেৱল এইখন আঁচনিৰে নহয়, প্ৰতিখন আঁচনিৰে logic টো আপোনালোকে চাব যে এটা দৰিদ্ৰ পৰিয়ালক আমি সহায় কৰিব লাগে। সাধাৰণতে আপোনালোকে চাব যে সমাজৰ পিছ পৰা মানুহখিনিৰ নাম ক'লে আমি প্ৰথমে মহিলাখিনিৰ কথা কওঁ। মহিলা সবলীকৰণ- এই শব্দটো ব্যক্তিগতভাৱে কিন্তু মইও ভাল নাপাওঁ। মই আজি সবল হৈছো আৰু মই দুৰ্বল মহিলা এগৰাকীৰ সহায় হ'ব লাগিব। সেই কাৰণে এগৰাকী মহিলাক আনগৰাকীৰ সখী বুলি কওঁ। সেই দুৰ্বল শ্ৰেণীক হাত আগবঢ়োৱাৰ দায়িত্ব হৈছে সামাজিকভাৱে আমাৰ সকলোৰে। মাতৃয়ে আমাক জন্ম দিছে, পত্নী আছে, সন্তান আছে। গতিকে আমি স্ত্ৰী শক্তিৰ প্ৰতি দায়বদ্ধ হ'বই লাগিব। সেইকাৰণে স্ত্ৰী শক্তিক অৰ্থনৈতিকভাৱে শক্তিশালী কৰাৰ দায়িত্ব চৰকাৰৰ আছে। মই মুখ্যমন্ত্ৰী ডাঙৰীয়া সহিতে সকলোকে ধন্যবাদ জনাওঁ যে অৰুণোদয়ৰ দৰে এখন অভিলাসী আঁচনিৰ বাবে অসমৰ নিচিনা মজলীয়া ৰাজ্যই ৫০০০কোটি টকা ৰাখিবলৈ সক্ষম হৈছো। স্বাধীনতাৰ ৭৫ বছৰৰ পিছত মই ভাৱো যে মহিলা সকলৰ উত্তৰণৰ বাবে এই সৰ্বাধিক পুঁজি আমি ৰাখিছো। জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই নিযুত মইনা আঁচনিৰ বিষয়ে কৈছে। মই এইখন বিধান সভাত বহুতবাৰ একেখিনি কথাকে কৈছো। মই যেতিয়া জাকিৰৰ লগত বহি আছিলো, তেতিয়াও তেওঁক বহুতবাৰ কৈছিলো যে সংখ্যালঘূৰ যিসকল জনপ্ৰতিনিধি আছে, তেওঁলোকে তেওঁলোকৰ শিক্ষা খণ্ডত গুৰুত্ব দিব লাগিব। আমি যদি শিক্ষাত গুৰুত্ব দিলোহেঁতেন তেন্তে সংখ্যালঘূ মানুহৰ এই অৱস্থা নহ'লহেঁতেন। শিক্ষা ক্ষেত্ৰত সংখ্যালঘূ মহিলাসকলৰো উত্তৰণ হ'ব লাগিব আৰু সেই উত্তৰণত সহায়ক হ'ব নিযুত মইনা আঁচনি। এই নিযুত মইনা আঁচনিত সংখ্যালঘূ ছোৱালী নাই নেকি ? আপোনালোকে চাব, সকলো চৰকাৰী বিদ্যালয়ত যিসকল সংখ্যালঘূ ছোৱালী তেওঁলোক ইয়াৰ দ্বাৰা উপকৃত হ'ব। সংখ্যালঘূ অঞ্চলতে বাল্য বিবাহ সকলোতকৈ বেছি হয়। অন্ধ-বিশ্বাস, কু-সংস্কাৰ সেই অঞ্চলবোৰত থাকে। চাহ-বাগান অঞ্চলবিলাকতো অন্ধ-বিশ্বাস, কু-সংস্কাৰ থাকে। আমি যাতে সেইবোৰ নাইকিয়া কৰিব পাৰো, স্ত্ৰী শক্তিৰ নিজৰ জীৱন, বিবাহৰ ওপৰত যাতে অধিকাৰ থাকে তাৰ বাবে আমি নিযুত মইনা আঁচনি আনিছো। এইবোৰত কোনো gender নাই। কিন্তু এই নিযুত মইনা আঁচনিখন gender based। কিন্তু ইয়াত ধৰ্ম বিবেচিত হোৱা নাই। সকলো ধৰ্মৰ মানুহে এই আঁচনিৰ পৰা benefit পাব। আমি এখন উন্নয়নশীল, বিকশিত অসম বিচাৰিছো য'ত আমি সম-মৰ্যাদা, সম-অধিকাৰেৰে জীয়াই থাকিব পাৰো। এই অসমখনতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই দিনে ৰাতি কাম কৰি আছে, আপোনালোকে নিজেই দেখিছে। আমি অতীত খুচৰিব নাযাওঁ। যি সকলে লোনৰ নামত খুচৰি খুচৰি লাও বুঢ়া কৰিব বিচাৰিছে, সেই প্ৰৱণতা আপোনালোকে বাদ দিয়ক। আমি যিখিনি লোন লৈছো, ৰিজাৰ্ভ বেংকৰ নিয়ম মতে যিখিনি প্ৰাপ্য, সেইখিনি লৈছো। অন্য ৰাজ্যবোৰে এই একে সংস্কৃতিৰে বেছিকৈ লোন লয়। মই তালিকাখন আজি নাগাও। মোৰ গোৱাৰ ইচ্ছা নাই। একেৰাহে লোন লোন কৰি এটা অপপ্ৰচাৰ কৰি লাও ছিকুটি আৰু বুঢ়া কৰিব নালাগে। অসমে আজি নিজৰ ভৰিত থিয় হৈছে। অসম তাৰ পৰা আহি এখন বিকশিত অসমৰ যাত্ৰাত গৈছে। অসমে আজি দক্ষভাৱে যোগ্যতা প্ৰকাশ কৰিছে আৰু সেইকাৰণে অসম destination hub হ'বলৈ আগুৱাই গৈছে। অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে মোৰ মাতৃক, মোৰ আইক কেনেধৰণে প্ৰশংসা কৰিম মই সেয়া ভাৱিব নোৱাৰো। তাৰ বাবে মই বাজেটত অসমী আইৰ গুণানুগান গাইছো। এইখন সমৃদ্ধিশালী অসম হোৱাৰ স্বাৰ্থতে বাজেটখন মই প্ৰস্তুত কৰিছো। এইখিনি কথাৰে মই সকলোকে অনুৰোধ জনাইছো যে মন্ত্ৰীসকলে ভালকৈ ইয়াৰ কামখিনি কৰিব লাগে আৰু বিধায়কসকলেও নিজৰ নিজৰ সমষ্টিত মোৰ বাজেটখনৰ যিখিনি benefit পাব, তাৰ

১০০%ই আপোনালোকে গ্ৰহণ কৰি নিজৰ সমষ্টিৰ দৰিদ্ৰ মানুহৰ সেৱা কৰিবলৈ চেষ্টা কৰিব। মই অখিল গগৈ ডাঙৰীয়াকো কৈছো। তেখেতে মোক বহুত মেছেজ দি থাকে। মই কওঁ যে এখন সুন্দৰ, ভাল, শক্তিশালী, অৰ্থনৈতিকভাৱে সবল অসম গঢ়িবলৈ আমি সকলোৱে কাম কৰিব লাগে। আমি ভৱিষ্যতে অসমখনকলৈ যাতে গৌৰৱ কৰিব পাৰো, কোনেও যাতে কেতিয়াও ক'বলৈ সাহস নকৰে যে- Assam is the land of lahe lahe। আজি অসম আগুৱাই গৈছে। ভাৰতবৰ্ষৰ মানুহ অসমলৈ আহিছে, সঁচা অৰ্থত অসমত সূৰ্য্য উদয় হৈছে। ২০৪৭ চনত অসমে ভাৰতবৰ্ষক নেতৃত্ব দিব। এইখিনি কথাকে কৈ মই পুনৰবাৰ সকলোকে কৃতজ্ঞতা জনাই মোৰ বাজেট ভাষণ ইমানতে সামৰিছো।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** অধ্যক্ষ মহোদয়, অকণমান কথা আছে। মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। কেন্দ্ৰীয় চৰকাৰে FRBMৰ যি নিয়ম কৈছিল সেই অনুসৰি ক'ভিডৰ সময়ত বঢ়াই দিয়া হৈছিল। ক'ভিডৰ পিছত ৩% কৰা হৈছিল। যদি Power sector reform হয়, তেতিয়া আৰু ০.৫% বঢ়াব পাৰে। কিন্তু আমি দেখা পাইছো যে ৩.৭%হে হৈছে। সেইটোৱে প্ৰথম এটা বিসংগতি দেখা পাইছিলো যিটো মই উল্লেখ কৰিছিলো। আমাক বহুত skilling লাগে। Skillingৰ ক্ষেত্ৰত যোৱাকালিও কৈছো যে যিসকল উচ্চ শিক্ষা সম্পন্ন, তেওঁলোক বিদেশতো গৈ চাকৰি পাব পাৰে কিন্তু আমাক লাগে Mass Employment. Mass Employmentত এনেকুৱা কথা অহা নাই। হয়, অসম চুক্তি অনুসৰি নুমলীগড় ৰিফাইনেৰী হৈছিল। তাত ৩০০ জন গ্ৰেজুৱেট ইঞ্জিনীয়াৰে চাকৰি পাইছিল। সেইসকল যিহেতু শিক্ষিত, অৰ্হতা সম্পন্ন, তেওঁলোকে বাহিৰতো চাকৰি কৰিব পাৰিলেহেঁতেন। কিন্তু গান্ধীজীয়ে কোৱা ধৰণে Mass scale production লাগে, সৰু সৰু উদ্যোগ লাগে। আমি যোৱাকালিও কৈছিলো এই সৰু উদ্যোগবোৰৰ minimum wage নাই। কেৰালাত যদি ১৪০০০, অসমত ৭০০০, কৰ্ণাটকত যদি ১৫০০০, অসমত ৬০০০। সেই কাৰণে আমাৰ ইয়াৰ পৰা যিসকল কম শিক্ষিত, কিন্তু পৰিয়াল চলাব লাগে তেওঁলোক গৈ তাত থাকে। সেইকাৰণে এটা ভাল আঁচনি দিলে মহোদয়, যে dead body আহিবলৈ হ'লে চৰকাৰী খৰছত dead body আহিব। কিন্তু মহোদয় যিটো cancer care লৈছে নিশ্চয় ভাল হৈছে তাৰ কাৰণে পুঁজি আৰু দিয়ক, revenue expenditure হওঁক, প্ৰটনৰ কাৰণে হওঁক কিন্তু মহোদয় কি কাৰণে হয় সেইটোও চাব লাগে। আমাৰ ইয়াত এখন বিল অহাৰ কথা আছিল যে smokeless tobacco ban হোৱাৰ কথা সেইখন বিল চৰকাৰে কিয় নকৰিলে যাৰ ফলত এনেকুৱা অসুবিধা বিলাকৰ সৃষ্টি হৈ আছে। তাৰ কাৰণে চৰকাৰৰ কোনো অনুসন্ধানমূলক ৰিপোৰ্ট নাই। মই যোৱাবাৰ প্ৰশ্ন কৰাৰ সময়ত এখন ডিব্ৰুগড় মেডিকেল কলেজক study কৰিবলৈ দিছিল যে কেন্সাৰ কিয় হয়। উজনি অসমত কেন্সাৰ হোৱাৰ ফলত প্ৰতিটো পৰিয়ালৰ ধন-সম্পত্তি, মাটি-বাৰী নিঃশেষ হৈ যায় তাৰ পিছতো তেওঁলোকে চিকিৎসা কৰিব নোৱাৰে। মহোদয় short fall in revenue প্ৰতি বছৰে বছৰে যোৱা সময়ছোৱাত ১৯ শতাংশ হয় আৰু implementation understand টো ১৬ শতাংশ হয়। সেই গতিকে যিটো কোৱা হৈছে, সেইটোত অলপ নিশ্চয় কথা থাকিব। Loan লোৱাৰ কাৰণে আমি কৈছো যে fly over ইমান বনাই আছে বা Over Bridge বনাই আছে, তাত আনকি নাগৰিকক লাগে নালাগে যিটো জনশুনানী হ'ব লাগে সেইটো নোহোৱাকৈ হৈছে। RTI ত এইবিলাক আহিছে। যিহেতু লাচিত বৰফুকনৰ কথাও ক'লে সেই গতিকে চুকাফা নামৰ এখন university ৰ কথা কৈছো ইমান পুঁজি আছে তাৰ মাজেৰে যদি বিল খন pending আছে, university খন দি দিলে ভাল হ'ব।

ৰাজনীতিত অৰুণোদয় আঁচনি খনৰ কেতিয়াও বিৰোধিতা কৰা নাই, খালী ইয়াৰ বাচনিৰ ক্ষেত্ৰত যাতে নিৰপেক্ষ হয়। ঠিক তেনেকৈ মূৰ্ত্তি বহুত বনোৱা হৈছে, মূৰ্ত্তিতকৈও কীৰ্তিচিহ্ন সমূহ সংৰক্ষণ কৰিলে তেতিয়াহে বুৰঞ্জীৰ বিষয়ে গম পোৱা যাব। কিন্তু কীৰ্তিচিহ্ন সমূহ বেদখল হৈ আছে বহুতো অঞ্চলত সেইবিলাক উচ্ছেদ হ'ব লাগে। বাগানত য'ত স্কুল নাই তাত মডেল স্কুল বনাব লাগে কিন্তু ১ কিঃ মিঃ দূৰত্বত যদি হাইস্কুল এখন আছে এতিয়াও তেনেকুৱা অঞ্চলত আৰু এখন মডেল স্কুল জাপি দিয়াৰ কোনো অৰ্থ নাথাকে। মোৰ সমষ্টিত তেনেকুৱা হৈ আছে। গতিকে পইচাটো ব্যয় হওঁক ভাল কামত ব্যয় হওঁক, publicity ৰ কাৰণে চৰকাৰী ধনৰ অপব্যয় কৰা উচিত নহয়।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয় মাত্ৰ ৩০ ছেকেণ্ড সময় ল'ম। অধ্যক্ষ ডাঙৰীয়া আপুনি পৱিত্ৰ বিধান সভাখন পৰিচালনা কৰে তাৰ লগে লগে বিধান সভাৰ জৰিয়তে বিভিন্ন কাম-কাজ সমূহ কৰে, যেনেকৈ আমাৰ বিভিন্ন সমিতি আছে, ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা ৰাজ্যখনৰ বাহিৰলৈ যাবলগীয়া হয়, গতিকে বিধান সভাই বিচৰা বাজেট খিনি যাতে মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াণীয়ে একেবাৰে যাতে দিয়ে সেই ক্ষেত্ৰত আপোনাৰ জৰিয়তে বিত্তমন্ত্ৰী ডাঙৰীয়াণীক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ জনাইছো বিধান সভাৰ কথা কোৱাৰ বাবে।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত fiscal deficit সম্পৰ্কে অকণমান কথা ওলাইছে। মহোদয় দেখা গৈছে যে FRBM Act অনুসৰি ৩ শতাংশ আৰু যদি renewable energy ৰ ওপৰত আমি কাম কৰো তেনেহ'লে ৩.৫ শতাংশ up-scale deficit ল'ব পাৰো। এতিয়া দেখা গৈছে যে যোৱাবাৰ ২০২৪-২৫ বৰ্ষত ৩.৫ শতাংশ বি দেখুৱাই পৰৱৰ্ত্তী সময়ত কিন্তু আমি revise estimateত ৫.৭ শতাংশ হ'লো। এইবেলি ও আমি বি টো ৩.৭ শতাংশ । তেনেহ'লে RE গৈ ৬ শতাংশলৈ যোৱাৰ থল আছে। তেতিয়া বিত্তমন্ত্ৰী ডাঙৰীয়াণীয়ে এই fiscal deficit সম্পৰ্কে তেওঁৰ চৰকাৰে বা তেওঁৰ বক্তব্য কি এই বিষয়ে জনাব আৰু এটা কথা সেইদিনাখন মুখ্যমন্ত্ৰী মহোদয়ে ইয়াত ভাষণ দিওঁতে কৈছিল আমি তিনিটা sector ৰ ওপৰত গুৰুত্ব দিব লাগে। এই তিনিটা sector ত ৩০ /৩০ /৩০ কৰি এটা পলিচি লৈছিল। কৈছিল যে কৃষিত ৩০, উদ্যোগত ৩০ আৰু service sectorটো ৩০ হ'ব। দেখা গৈছে যি সময়ত অসম খনক আমি কৃষি প্ৰধান ৰাজ্য হিচাপে কওঁ সেই সময়ত কিন্তু কৃষি খণ্ডৰ ওপৰত গুৰুত্ব কম আৰু তাৰ পৰা ৩০ শতাংশ share টো আহি থকা নাই। গতিকে এই ক্ষেত্ৰত মই বিত্ত মন্ত্ৰী ডাঙৰীয়াণীৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** সন্মানীয় মন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্তমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, fiscal deficit ৰ কথা কৈছে। সেইখিনি সময়ত আচলতে আমাৰ ০.৫ শতাংশ বঢ়াই দিয়া হৈছিল, ৪ শতাংশ আছিল। সেইকাৰণে আমি ৪ শতাংশৰ ভিতৰতে ৰাখিছিলো।............ Interruption............

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** অধ্যক্ষ মহোদয়, ৫.৭ শতাংশ হয় এইটো মই ভালদৰে চাইছো।

**মাননীয় অধ্যক্ষঃ** অখিল গগৈ ডাঙৰীয়া আপুনি বহক।

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্তমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিখিনি কাম কৰো, ৰিজাৰ্ভ বেংকৰ অনুমোদন মৰ্মে কৰো।........... Interruption........

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকৈ বিত্ত মন্ত্ৰী এগৰাকীক insult কৰিব পায় নেকি, তেখেতে একো নাজানে বুলি। ........... Interruption........

**মাননীয় অধ্যক্ষঃ** অখিল গগৈ ডাঙৰীয়া please এনেকুৰা behave নকৰিব ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী ডাঙৰীয়াণীয়ে ২০০১ চনতে এইখন বিধান সভালৈ নিৰ্বাচিত হৈ আহিছে। ........... Interruption........

**মাননীয় অধ্যক্ষঃ** এতিয়া Item no-5. Hon'ble Parliamentary Minister. আমি অসমীয়া মানুহ হৈ তেনেকৈ কথা পাতো নেকি? সন্মানীয় বিধায়ক সকল এজন এজনকৈ কওঁক সদায় কিয় হুলস্থুল পৰিবেশৰ সৃষ্টি কৰি থাকে। কিবা যদি clarification আছে, মন্ত্ৰী ডাঙৰীয়াণীয়ে reply টো দিয়াৰ পিছত কব যদি কিবা point ত clarification লাগে, তেতিয়া তেখেতে সেইটো clarification দি দিব। এনেকৈ থাকিলে কোনোবাই উত্তৰ দিব পাৰিব নেকি?

........... Interruption........

এইখন পৱিত্ৰ সদন হয়। চাহ দোকানৰ নিচিনা ইয়াত কথা পাতিব নালাগে। Why you are talking like this. ইয়াত নিজৰ আসনত থাকি সকলো ধৰণৰ প্ৰশ্ন কৰিব পাৰে কিন্তু তেনেকুৰা ধৰণৰ behave কৰি নহয়। বিত্ত মন্ত্ৰী ডাঙৰীয়াণীয়ে ক'ব বিচাৰিছে আপোনালোকে শুনকছোন।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্তমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে উত্তৰ দিছোৱে। আমি FRBM Act এখন মানি চলিছো আৰু fiscal deficit ৰ পাছততো regularize য়ে হ'ব। নজনাকৈ এনেয়ে কৈ আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এইটো বিষয়ত আৰু নাযাওঁ। এইটো বিষয়লৈ গ'লে আমি debate কৰিব লাগিব। নুবুজাকৈ বস্তুবিলাক কৈ থাকিব নালাগে। অধ্যক্ষ মহোদয়, মই এটা কথা আপোনালোকক ক'লো, আজি বিৰোধী দলৰ দলপতিয়ে poly-technic ৰ faculty ৰ হৈ এটা সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰিছিল । আমাৰ শিক্ষামন্ত্ৰীয়ে জনাইছে যে কালিৰ পৰা যিহেতুকে বিধানসভা বন্ধ। অহা ২১-০৩-২০২৫ শিক্ষামন্ত্ৰীয়ে এই বিষয়টোৰ ওপৰত statement দিব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ। এতিয়া Item No-5,মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Panchayat Ammendment Bill, 2025" খন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল "The Assam Panchayat Amendment Bill, 2025" খন বিবেচনাৰ বাবে লোৱা হওক।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,
যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,
মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

**এতিয়া সাধাৰণ আলোচনা। যিখিনি আমাৰ** Amendment **দিছিলে** এইটো point out **কৰি** ইয়াৰ পিছত একেবাৰতে আমি আলোচনা কৰিম আৰু যদি বিভাগৰ বাহিৰত কিবা কথাও আছে,

সেইটোও তাতে mention **কৰি দিব।**

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Panchayat Amendment Bill, 2025" টো মূলত কৰা হৈছে যে যিবিলাক বজাৰ-হাট আগতে আঞ্চলিক পঞ্চায়তৰ জৰিয়তে যিবিলাক টেণ্ডাৰ কৰা হৈছিলে, এতিয়া সেইখিনি অলপ PRI institution ৰ মাজত ভাগ কৰি দিয়া হৈছে। এই আইনৰ মূলত যিটো motive বা এই আইনৰ যিটো উদ্দেশ্য সেইটো আমি ভাৰো যুক্তিসঙ্গত হৈছে আৰু ভালেই হৈছে। কিন্তু এই ক্ষেত্ৰত কেইটামান প্ৰশ্ন থাকি যায়। যিবিলাক হাট-বজাৰৰ ৫ লাখ টকাৰ তলত টেণ্ডাৰ value সেইখিনি আমাৰ নতুন Amendment Bill খনৰ মতে গাওঁ পঞ্চায়তত দিবলৈ দিয়া হৈছে। গাওঁ পঞ্চায়তৰ jurisdiction ত তেওঁলোকে টেণ্ডাৰটো settle কৰিব আৰু যিখিনি বজাৰৰ টেণ্ডাৰ value ৫ ৰ পৰা ১০ লাখ টকাৰ ভিতৰত আছে, সেইখিনি আঞ্চলিক পঞ্চায়তত settle কৰিব আৰু যিখিনি বজাৰৰ টেণ্ডাৰ value ১০ লাখ টকাৰ ওপৰত সেইখিনি জিলা পৰিষদে কৰিব। আগতে এইটো আঞ্চলিক পঞ্চায়তক দিয়া হৈছিল। গাওঁ পঞ্চায়ত লেভেলত ৰখাই হোৱা নাছিল। কিন্তু এটা বস্তু clear নহ'ল কোনো এটা provision ত আমি দেখা নাপালো যে গাওঁ পঞ্চায়তৰ কিছুমান সৰু সৰু হাট settlement ৰ কাৰণে tender value কৰা হ'ল। যদি কাৰোবাৰ ৪.৯ লাখ লৈকে value থাকিল, এইটো গাওঁ পঞ্চায়তে settle কৰিব। কোনোবা ৫.১০ লাখ বা ৫.২০ লাখ দিলে সেইটো গাওঁ পঞ্চায়ত institution য়ে নিবিচাৰিব যে ৫ লাখ টকাৰ ওপৰৰ settlement টো দিওঁ। ৫ লাখ টকাৰ ওপৰত গ'লে এইটো আঞ্চলিক পঞ্চায়তৰ jurisdiction ত গুছি যায়। এতিয়া tender ত maximum value কিমানলৈকে আহিব, সেইটো আমি আগতীয়াকৈ presume কৰিব নোৱাৰো। হয়তো এইটো government rate ত এটা দিয়ে যে government য়ে ইমান টকাত বন্দবস্ত কৰিব। কিন্তু কোনোবাই tender value ইয়াতকৈও ১০ শতাংশ ২০ শতাংশ বেছি ও মাৰিব পাৰে। এইক্ষেত্ৰত ইয়াত এটা দফা সংযোজন কৰি আৰু অলপ স্পষ্ট কৰি দিলে এইটো লৈ confusion নহ'ব। তাৰপাছত যিখিনি আঞ্চলিক পঞ্চায়তে ৫ ৰ পৰা ১০ লাখ ৰ যিখিনি tender value সেইখিনি settle কৰিব। আগতে এইটো system আছিল যে from among the members of Anchalik Panchayat তে tender ৰ কাৰণে এটা কমিটি বনাই ল'ব। বছৰে বছৰে তেওঁলোকে চাই এই tender খিনি settlement দিয়ে। এইটো জিলা পৰিষদতো থাকে। গাওঁ পঞ্চায়তত সম্ভৱত এইটো আগত নাছিল। গাওঁ পঞ্চায়তৰ যিসকল মেম্বাৰ তেওঁলোকৰ মাজৰ পৰাই এটা Tender Settlement Committee এটা হয়তো গাওঁ পঞ্চায়ততো কৰিব লাগিব। কিন্তু আমি দেখিছিলো যিটো Panchayat Amendment Act pass হ'ল, তাত গাওঁ পঞ্চায়তৰ মেম্বাৰ সকলৰ মাজৰ পৰা Settlement Committee হ'ব এই কথাটো তাত নাছিল। এতিয়া এই কথাটো হয়তো ইয়াত আমি সংযোজন কৰি ল'ব লাগিব। এইটো আগতে জিলা পঞ্চায়ততো আছিল, আঞ্চলিক পঞ্চায়ততো আছিল। কিন্তু গাওঁ পঞ্চায়তত এই Settlement Committee system টো নাছিল। গতিকে হয়তো আমাৰ এক্তত সংযোজন কৰিব লাগিব। ইয়াত কিন্তু এটা বস্তুৰ কাৰণে ভাল হৈছে, ইয়াত গোটেই কেইটা amendment ত যিটো distribution of fund বা যিটো amount collect হ'ব তাৰ পৰা ২০ শতাংশ জিলা পৰিষদক দিব, ৪০ শতাংশ আঞ্চলিক পঞ্চায়তত ৰাখিব আৰু ৪০ শতাংশ টকাটো গাওঁপঞ্চায়তত distribute কৰিব। এইটো বজাৰৰ

ক্ষেত্ৰতো আছে, ঘাটৰ ক্ষেত্ৰতো আছে। গতিকে এই ক্ষেত্ৰত টনা আজোৰা হ'ব নালাগে যিহেতু গাওঁপঞ্চায়তেও পইচাটো পায়। সেইকাৰণে আমি ভাৱো যে ইয়াত যদি কেইটামান সৰু amendment include কৰি লোৱা যায় যে গাওঁ পঞ্চায়ততো এটা Settlement Committee হ'ব লাগে যিটো আমাৰ main Act ত নাছিল সেইটো ইয়াত সুমুৱাই ল'ব লাগে। লগতে যিটো confusion হয়, section -105 amendment তো এই ratio টো এনেদৰে আছে যে 20:40:40 কিন্তু section-105/7, তাতো ঘাটৰ কথাটো আছে। কিন্তু 106 ত যিখিনি আছে যে কিছুমান ঘাট দুটা পঞ্চায়তত পৰে। এতিয়া কোনে এই টেণ্ডাৰটো কৰিব ৫ লাখ টকাৰ তলৰ tender value. এইটো দিয়া হৈছে যে আঞ্চলিক পঞ্চায়তে কৰিব যদি দুখন পঞ্চায়তৰ মাজত হয়। ঠিক সেইদৰে কোনোবা এখন বজাৰ বা অনুষ্ঠান যদি দুখন আঞ্চলিক পঞ্চায়তৰ উমৈহতীয়া হয়, তেনেহ'লে কোনখন আঞ্চলিক পঞ্চায়তে টেণ্ডাৰটো কৰিব, ইয়াত কোৱা হৈছে যে এইটো জিলা পৰিষদে কৰিব। যিখিনি ঘাট বা অনুষ্ঠান দুখন জিলাৰ উমৈহতীয়া হয়, এইটোত কোৱা হৈছে যে দুখন জিলাই alternatively tender কৰিব। মই ভাৱো এই কথাটোত বাকী দুটা ঠিকেই আছিলে AP আৰু GP ৰ ক্ষেত্ৰত। দুটা জিলাই alternatively কৰাতকৈ মই ভাৱো দুইটা জিলা পৰিষদৰ কিবা common এটা কমিটি কৰি দিয়ে, তেতিয়াহ'লে এইটো সংশোধন কৰিলে ভাল হ'ব। এইটো মোৰ ফালৰ পৰা পৰামৰ্শ থাকিল আৰু তাৰ লগে লগে আমি এটা কথা ইয়াত সংযোজন কৰিব বিচাৰিছো যে এই যিখিনি বন্দবস্তিৰ ফালৰ পৰা দৈনিক বজাৰ আছে সেইবিলাক আমি দেখিছো জি. পি বা আঞ্চলিক পঞ্চায়তৰ অধীনত অহা নাই। দুই-চাৰি বছৰ হৈ গ'ল। গতিকে চৰকাৰে অতি সোনাকলে জৰীপ চলাই, সেই দৈনিক বজাৰখিনি যাতে অন্ততঃ গাওঁ পঞ্চায়তৰ অধীনত সোমাই দিব পৰা যায়, সেই ব্যৱস্থা কৰিব লাগে। কিছুমান আছে যিখিনি মাটিৰ allotment বজাৰৰ নামত হোৱা নাই বাবে আঞ্চলিক পঞ্চায়তে লোৱা নাই। কিন্তু আমি ভাবিছো যে মাটিৰ allotment টো যদি পঞ্চায়তে আকৌ ৰেভিনিউ বিভাগক যদি কয় যে এই দৈনিক বজাৰখনৰ আপোনালোকে মাটিৰ allotment কৰি দিয়ক, তেতিয়া আমি ইয়াৰ ৰেভিনিউটো ল'ব পাৰিম। এইটো ৰেভিনিউ বিভাগে সোনকালে কৰি দিয়ে যেন,ে যিহেতু পঞ্চায়তে বিচাৰিছে। বহুত পঞ্চায়তে বিচৰা নাই কাৰণে সেইখিনি হোৱা নাই। ইয়াৰবাবে এই কথাটোত যাতে চৰকাৰে গুৰুত্ব দিয়ে। এইখিনি কথা include কৰিলে আৰু যিবিলাক দৈনিক বজাৰ আছে তাৰ ৰেভিনিউটো যাতে পঞ্চায়তত আহে, এইখিনি include হ'ব লাগে। এইখিনি কৈ মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী আব্দুৰ ৰশিদ মণ্ডল।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যি সংশোধনী বিল আনিছে এই বিল অনাৰ প্ৰয়োজনীয়তাক মানি লৈছো আৰু চৰকাৰক ধন্যবাদ জনাইছো। এইখনৰ প্ৰয়োজন আছিল। এই সংশোধনী বিলত আমাৰ ফালৰ পৰা section -22, section - 52, section-81, section-105, section-106, section-108, section-109 এইকেইটা section ত চৰকাৰে যি amendment আনিছে, ইয়াত আমাৰ কিছু সংশোধনী আমি ইয়াত আনিছো। ইতিমধ্যে কথাখিনি কৈছেই। এই সংশোধনী বিলৰ section -3 ত এটা সংশোধন অনা হৈছে। কাৰণ ইয়াত যিটো tender examination by acceptance ৰ কাৰণে যিটো Authority দিয়া আছিল, sub-section 1 of section (22) Principle Act ত দেখা গৈছে যে তাত তিনিটা কমিটি আছে। 1 তে তিনিটা কমিটি আছে। Develop-

ment Committee, Social Justice Committee, Social Welfare Committee. এই তিনিটা কমিটিৰ টেণ্ডাৰ examine বা accept কৰাৰ কি ব্যৱস্থা থাকিব। Confused হ'ব। ইয়াত clause-1, 2,3 এনেকৈ আছে। গতিকে clause-1 টো insert কৰিবলৈ আমি কৈছো। তেতিয়া specific হ'ব। Development Committee য়ে তেতিয়া empowered হ'ব to examine unfinal acceptance of sustainers. এইটো আছিল ১ নম্বৰত। কিন্তু চৰকাৰে যিটো amendment আনিছে তিনিটা কমিটিক কোনটো কমিটিয়ে examine কৰিব তাৰ কোনো clarity নাই। Next যিটো share, এই ক্ষেত্ৰত চৰকাৰে যিটো আনিছে যে জিলা পৰিষদৰ যিটো ৰেভিনিউ ২০ শতাংশ, ৪০ শতাংশ, ৪০ শতাংশ। আমি সকলোৱে গাওঁ পঞ্চায়তক অধিক শক্তিশালী হোৱাতো বিচাৰো। জিলা পৰিষদ এইটো এটা transit office ৰ নিচিনা। তেওঁলোকে নিজাকৈ কোনো এটা কাম কৰিবলগীয়া নাথাকে। আঞ্চলিক পঞ্চায়তে কিন্তু গাওঁৰ কাম কৰিব নালাগে। তেওঁলোক transit office ৰ নিচিনা। কাম সাধাৰণতে গাওঁ পঞ্চায়ত বিলাকে কৰে। আমাৰ Local Revinue ৰ যেযিটো কালেকশ্যন জিলা পৰিষদ বা আঞ্চলিক পঞ্চায়তক সিমান ৰেভিনিউ দিয়াতো প্ৰয়োজন বুলি মই নাভাবো। যাৰ কাৰণে আমাৰ বিধায়িনী দলৰ ফালৰ পৰা প্ৰস্তাৱ আনিছো যে যিটোত ৰেভিনিউ কালেকশ্যন হ'ব গোটেই কেইটা section তে হাটেই হওঁক, ঘাটেই হওঁক, বিলেই হওঁক, পুখুৰীয়ে হওঁক সকলোৰে ক্ষেত্ৰতে একেধৰণে আছে যে এই share টো এনেকুৱা হওঁক জিলা পৰিষদে ১০ শতাংশ পাওঁক, আঞ্চলিক পঞ্চায়তে ৩০ শতাংশ পাওঁক আৰু ৬০ শতাংশ share গাওঁ পঞ্চায়তে পাওঁক। ইয়াত যিটো power of examination and final acceptance of tenders এইটো সংশোধনী বিলত মাত্ৰ জিলা পৰিষদত হে এই কথাটো থাকিল। বাকী পঞ্চায়ত লেভেলত যদি amendment ৰ section-7 চাই যে গাওঁ পঞ্চায়ত লেভেলত এই কমিটি নাছিল। এইকাৰণে ইয়াত section -1 ৰ sub-section-1 ৰ তলত এইখিনি আমি insert কৰিবৰ বাবে প্ৰপোজ কৰিছো। The Powers of examination and final acceptance of such tenders shall be vested in the standing committee as under clause -1 of sub-section-1 of section -22. এইটো হৈছে গাওঁ পঞ্চায়তৰ ক্ষেত্ৰত, আৰু আঞ্চলিক পঞ্চায়তৰ ক্ষেত্ৰত ঠিক তেনেকৈ আমি প্ৰপোজ কৰিছো sub clause para insert কৰাৰ কাৰণে যে - The Power of examination and final acceptance of such tenders shall be vested in the standing committee as under clause -A of sub-section 1 of section-52. ইয়াত যিটো টেণ্ডাৰ কৰাৰ লিমিট দিয়া হৈছিল পিছলৈ ঘাটৰ ক্ষেত্ৰত বা বিলৰ ক্ষেত্ৰতো আহিছে যে যিটো টেণ্ডাৰ value, অৱশ্যে মাননীয় বিধায়ক শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়াই দফা insertation ৰ কাৰণে value fixation ৰ কাৰণে যিটো প্ৰস্তাৱ ৰাখিছে মই সমৰ্থন কৰিছো। নহ'লে আগতিয়াকৈ যদি ঘাট, হাত বা বিলৰ value ঠিক হৈ নাথাকে তেতিয়াহ'লে এইটো কোন লেভেলত টেণ্ডাৰ plot কৰিব এই কথাটো বুজা নাযায় গতিকে এটা প্ৰয়োজনীয় দফা সংযোজন কৰাৰ যিটো পৰামৰ্শ দিছে সেইটো মই সমৰ্থন জনাই মই আগবঢ়োৱা সংশোধনীটোত ক'ব বিচাৰিছো যে যিকোনো ঘাট, বিল বা পুখুৰী আজিকালি ৫ লাখৰ ওপৰত যায়। পাঁচ লাখ টকালৈকে যিটো গাওঁ পঞ্চায়তত কৈ আছে অৰ্থাৎ গাওঁ পঞ্চায়তত টেণ্ডাৰ এলোট কৰাৰ অধিকাৰ নাথাকিব। গোটেই বিষয়টো আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদলৈ গুছি যাব। সেইকাৰণে যিকোনো হাটৰ ক্ষেত্ৰত value ১০ লাখ

টকা অৰ্থাৎ upto ১০ লাখ টকালৈকে গাওঁ পঞ্চায়তৰ অধীনত ৰখাৰ প্ৰস্তাৱ কৰা হৈছে। ১০ লাখ টকাৰ পৰা ২০ লাখ টকালৈকে আঞ্চলিক পঞ্চায়তত ৰখাৰ প্ৰস্তাৱ কৰা হৈছে আৰু ২০ লাখ টকাৰ ওপৰত যিবিলাক হাট আছে সেইবিলাক জিলা পৰিষদৰ অধীনত ৰখাৰ বাবে প্ৰস্তাৱ ৰখা হৈছে। Section - 106 ৰ amendment ৰ section-3 ত সেই একেই কথা যিটো clause insertation ৰ কথা আহিছে। ইয়াত section-4 অৰ্থাৎ original section হৈছে 106 আৰু amendment ৰ section-3 and sub-section-4 যেতিয়া কোনোবা ঘাট দুটা আঞ্চলিক পঞ্চায়তৰ মাজত থাকে তেতিয়া ইয়াত চৰকাৰী amendment ৰ rotation ৰ প্ৰস্তাৱ ৰখা হৈছে। মই ভাবো এই rotation টো হৈ নুঠে। কেতিয়াবা কেতিয়াবা ইয়াত lingering হৈ যায়। এনেকুৱা ক্ষেত্ৰত কোনো কোনো ঠাইত দুটা জিলা পৰিষদৰ মাজত এনেকুৱা dispute থাকিব পাৰে। গতিকে এনেকুৱা অৱস্থাত এই allotment বা final acceptance ৰ বা অৰ্ডাৰ দিয়াৰ অথ'ৰিটিটো চৰকাৰৰ হাতত ন্যস্ত কৰাৰ কাৰণে আমাৰ ফালৰ পৰা প্ৰস্তাৱ ৰাখিছো, rotation ৰ সলনি Section - 4 sub-section-3 ইয়াত তেনেকুৱাকৈ insert কৰিবলৈ কোৱা হৈছে। ইয়াত pounds word টো use কৰিছে। pounds allotment কেনেকৈ কৰিব। Pounds word টো ইয়াত বহুত ঠাইত be replaced subsituted by word ponds.

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ এইটো ponds হ'ব। এই শব্দটো এবাৰ নহয় বাৰে বাৰে আহিছে।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ বাকী হাট, ঘাট বিল, ফিচাৰী,গোটেইখিনিৰ concept একেটাই। ইতিমধ্যে গোটেইখিনিৰ লিখিতো দিয়া হৈছে, মই ভাৱো চৰকাৰে যিটো share distribution এই কথাটো অলপ গুৰুত্বসহকাৰে ল'ব আৰু দুটা AP বা দুটা জিলা পৰিষদৰ মাজত যিটো dispute সেই ক্ষেত্ৰতো অলপ গুৰুত্বসহকাৰে ল'ব বুলি আশা ৰাখি মই মোৰ সংশোধনী নাকচ কৰিলো।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো pounds ৰ কথাটো আহিছিল, আগত যিটো গৰু - ছাগলী ধৰি খোৱাৰত ৰাখি থৈছিল, সেইটো কিন্তু আজি কালি নাই, সেইটো যদি meaning কৰিছে বা কিবা, গতিকে সেই বস্তুটো স্পষ্ট হ'ব লাগে।

**মাননীয় অধ্যক্ষ** ঃ সেইটো মন্ত্ৰীয়ে পিছত ক'ব।

**শ্ৰী জাকিৰ হুছেইন সিকাদৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ বিধায়নি দলৰ হৈ সন্মানীয় শ্ৰী আব্দুৰ ৰশিদ মণ্ডল ডাঙৰীয়াই গোটেই কথাখিনি কৈছে। মই কেৱল এটা কথা কওঁ যে আগৰ পৰা আমাৰ এটা নিয়ম আছে, যে জিলা পৰিষদত গোটেই tender ৰ টকাখিনি জমা হয় হাট ঘাটৰ আৰু জিলা পৰিষদে গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চয়তত টকা খিনি বিতৰণ কৰিব লাগে বা যাৰ যাৰ share দিব লাগে। কিন্তু দেখা যায় যে জিলা পৰিষদে সময়মতে সেই টকাখিনি নিদিয়ে, গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চয়তৰ পৰা বাৰে বাৰে ক'ব লাগে, কেতিয়াবা কেতিয়াবা আমিও জিলা পৰ্য্যায়ত বা ZPC পৰ্য্যায়ত মিটিং হয়, তেতিয়া কথাবোৰ উত্থাপন কৰিব লাগে। গতিকে মই এটা কথা আমাৰ ফালৰ পৰা যিটো আহিছে, যে গোটেই revenue ৰ ১০ শতাংশ জিলা পৰিষদত ৰাখিব লাগে, আঞ্চলিক পঞ্চায়ত ৩০ শতাংশ আৰু গাওঁ পঞ্চায়তত ৬০ শতাংশ টকাৰ ৰাখিব লাগে। কিন্তু এই টকাখিনি জিলা পৰিষদৰ ফালৰ পৰা কিমান দিনৰ ভিতৰত দিয়া হ'ব, নিদিষ্ট এটা তেনেকুৱা নিয়ম এটা বান্ধি দিব লাগে, যাতে তেওঁলোকে লেহেম কৰিব নোৱাৰে, নহলে আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়তৰ টকাখিনি কেৱল জিলা পৰিষদে

যাতে খৰছ নকৰে, তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পৰামৰ্শ আছিল।

**মাননীয় অধ্যক্ষ** ঃ আপুনি পিছত ক'ব। এতিয়া সন্মানীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বেছি বহলাই নকওঁ। মই সংশোধনী বহুত আনিছো, বহুত মই দিছো, এইকাৰণে যে ইয়াত শব্দবিলাক ভুল কৈ আছে। যেনেকৈ pounds হৈ আছে, pond টো, সেইবিলাক শুধৰণী কৰোতে এখন আইনত কেতিয়াও ভুল থাকিব নোৱাৰে।

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়া আপুনি ১ মিনিট ৰৈ দিয়ক। মন্ত্ৰী ডাঙৰীয়া আপুনি clearification দিব নেকি ? তেখেতসকলৰ আলোচনাত ভাল হোৱাৰ কাৰণে।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই একেলগে কৈ দিম।

**মাননীয় অধ্যক্ষ** ঃ নহয়, এইটো আচলতে pound নে, pond, নে কি ?

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, pound মানে খড় বুলি কয়, য'ত উদং গৰু ছাগলী সমূহ থাকিলে পঞ্চায়ত সমুহে এই খড়ৰ ৰখাৰ ব্যৱস্থা কৰে। সেইটো যদি আমি নাৰাখো, কাৰোবাৰ গৰু ছাগলী হেৰালে কি ব্যৱস্থা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়া আপোনাৰ এইটো clear হ'ল।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াত বেলেগ একো ক'ব খোজা নাই, ইয়াত সংশোধনীখিনি আনিছো। মাত্ৰ দুটা বাক্য কৈ দিম যে হাটত আৰু ঘাটত আৰু pond বুলি ভাৱিছিলো, মন্ত্ৰী ডাঙৰীয়াই pound বুলি কলে, আমাৰ তাতটো কোনো pound নাই, নতুনকৈ pound বনাবলৈ লৈছে, এইটো ভয়ানক কথা হ'ব।

আগতে আমাৰ চাহ বাগান বিলাকে আমাক গৰু ছাগলী বিলাক বাগানত সোমালে pound নি ভৰাই থৈ দিয়ে, আমি পইচা দি আকৌ লৈ আহিব লাগে। সেইটো যদি আকৌ কৰিবলৈ লৈছে, তেতিয়া হলে বৰ বেলেগ বস্তু এটা কৰিছে। মই ভাবিছিলো এইবাৰ pond আছিলে, pond মানে এই যে বহুত পুখুৰী আছে আমাৰ তাত ডাঙৰ ডাঙৰ বৰপুখুৰী বিলাক আছে, আৰু বিশেষকৈ এইবাৰ অমৃত সৰোবৰ খান্দিলে, এই অমৃত সৰোবৰ বিলাকত ইয়াৰ ৰাজহ লোৱাৰ কাৰণে ব্যৱস্থা কৰিছে বুলি ভাবিছিলো, নিশ্চয় সেইটো হ'ব। pound টো ক'ত গাঁৱত খুলিবলৈ দিব। আজিৰ যুগত pound খোলা কৰবাত নিয়ম আছে নেকি ?

এতিয়া হাটৰ ক্ষেত্ৰত গাঁও পঞ্চায়তে ৫ লাখ টকালৈকে সকলো বিলাক হাট গাঁও পঞ্চায়তে tender কৰিব। ৫ লাখ টকাৰ পৰা ১০ লাখ টকাৰ ভিতৰত এইটো আঞ্চলিক পঞ্চায়তে কৰিব আৰু ১০ লাখ টকাৰ ওপৰৰ বিলাক জিলা পৰিষদে কৰিব। মই এই সংখ্যাটোহে কমাই দিব খুজিছো, সংখ্যাটো এই কাৰণে কমাই দিব খুজিছো যে এইটোৰ জৰিয়তে বজাৰ বিলাকৰ মুল্যটো বঢ়াই দিব খোজা হৈছে। আমাৰ ঘাট বিলাক এতিয়া কেবল ৩০ হাজাৰ চলি আছে, এতিয়াটো এইটো লাখত আনিব। সকলো ঘাটৰ rate বঢ়াই লৈ, এতিয়া যদি ঘাট এটাত ২০ টকা দি পাৰ হৈছে তাৰ ঠাইত ৫০ টকা দিব লাগিব। এইটো ব্যৱস্থা কৰিবলৈ শুধৰণী হৈছে । সেই কাৰণে এই মূল্যটো কমাবলৈ লাগি আছিলো। গোটেই কেইটাতে এটাই amendment আনিছো যে upto ২ লাখ গাঁও পঞ্চায়তৰ হাতত, upto ৫ লাখ আঞ্চলিক পঞ্চায়তৰ হাতত আৰু ৫ লাখৰ ওপৰত জিলা

পঞ্চায়তৰ হাতত থাকক যাতে পঞ্চায়তে আমাৰ taxation টো ভয়ানক ভাৱে বঢ়াই নিদিয়ে। মই কেৱল সেই amendment টোহে আনিছো। দ্বিতীয়তে 'pound' টো 'pond' কৰিব বিচাৰিছো। অমৃত সৰোবৰ বোৰ আচলতে বহুতৰ দখল কৰি থকা মাটিত খান্দিছিল। এতিয়া তাত যদি কোনোবা গাঁও পঞ্চায়তে taxation লগাব খোজে, সেই পৰিয়ালটোৰ লগত এতিয়া যি ঘৰক tender দিয়া হ'ব, সেই দুই ঘৰৰ মাজত সংঘাটৰ সৃষ্টি হ'ব। কাৰণ গাঁৱৰ মানুহ বোৰৰ বহুত মাটি থাকে, অমৃত সৰোবৰ খান্দিছে কোনোবাই দীৰ্ঘদিন দখল কৰি থকা মাটিত, যি মাটিৰ পট্টা নাই। এতিয়া তাত যদি কোনোবা ZP, GP বা AP য়ে tender মাৰি দিয়ে তেতিয়া খেলি-মেলিৰ সৃষ্টি হ'ব । অমৃত সৰোবৰ পুখুৰীবিলাকৰ ওপৰত যাতে পঞ্চায়তে কব্জা কৰিব নিবিচাৰে , সেইটো community ৰ হাতত থাকিলে ভাল বুলি ভাবিছো। যিখন গাঁৱৰ মানুহে পুখুৰীটো খান্দিছে তেওঁলোকেই লগলাগি পুখুৰীটো ৰখাই থওঁক । তাত কাকো পইছা দিয়াৰ ব্যৱস্থা কৰিব নালাগে। এই কথা দুটা মন্ত্ৰী ডাঙৰীয়াই বিবেচনা কৰিব বুলি আশা কৰিছো। নহ'লে পঞ্চায়তত tender টো যদি বঢ়াই দিয়ে তেতিয়াহ'লে আমাৰ সঁচাকে বিপদ হ'ব। নাওঁ ঘাটৰো বাঢ়িব, ফেৰী আদি সকলোতে বহুত দাম বাঢ়িব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, মই এটা কথাৰে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে আমাৰ মাৰ্কেট বা ফিচাৰীৰ যিখিনি tender হয়, comparative statement যেতিয়া বনোৱা হয়, তেতিয়া আমি ইয়াত এটা সমস্যা দেখিবলৈ পাইছো আৰু সম্ভৱ বহু কেইজন বিধায়কৰে এই সমস্যাটো আছে। ধৰা হ'ল ৫ জনে tender মাৰিলে, 1,2,3,4,5, highest bidder এজন হ'ল তেতিয়া আগৰ চাৰি জনে tender টো উঠাই দিলে তেতিয়া revenue টো lost হয়। সেয়ে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম এই বস্তুটো হৈ থকাৰ কাৰণটো জনাব লাগে। এই বিলাকেই হৈছে ছিণ্ডিকেট। গতিকে এই ক্ষেত্ৰত যাতে মন্ত্ৰী মহোদয়ে যাতে উচিত ব্যৱস্থা লয়।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** যিটো বিভ্ৰান্তি আছিল বুজি পালো। মৌখিক ভাৱে মই বিধায়িনী দলৰ ফালৰ পৰা amendment টো এনেদৰে আনিব বিচাৰিছো যে খোৱাৰ ৰ ক্ষেত্ৰত penalty এক টকাতকৈ বেছি হ'ব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়া, আব্দুৰ ৰছিদ মণ্ডল ডাঙৰীয়া, জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়া, অখিল গগৈ ডাঙৰীয়া, কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াকে আদি কৰি যি সকলে বিভিন্ন দিশ উনুকিয়াইছে তাৰ কাৰণে মই ধন্যবাদ জনাইছো। আমাৰ মূল উদ্দেশ্যটো হৈছে যে "The Assam Panchayat ( Amendment) Bill, 2025" খন কিয় আনিব লগীয়া হ'ল ? আমি সকলোৱে জানো যে এপ্ৰিল মাহত আমাৰ পঞ্চায়ত নিৰ্বাচন হ'ব আৰু এই নিৰ্বাচনত যিটো পদ্ধতি হ'ব যাতে ৰাজনীতি মুক্ত পঞ্চায়ত গঠন কৰিব পাৰো ইয়াৰ বাবে আমি কোনো ধৰণৰ political party ৰ affiliation নোহোৱাকৈ আমি নিৰ্বাচন খেলিব গৈ আছো। পঞ্চায়তকলৈ যদি আমি বিভিন্ন ধৰণৰ ৰাজনৈতিক দলৰ মাজত দণ্ড থাকে, তেতিয়া সেই গাওঁখন বা সেই পঞ্চায়ত খন বিকশিত কৰাত কিছু অসুবিধা আহি যায় যাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আগেয়ে প্ৰকাশ কৰিছিল যে একেবাৰে তৃণমুল পৰ্য্যায়ত বিভিন্ন ষ্টেটৰ আছে, তৃণমুল পৰ্য্যায়ত তেওঁলোকে একো একোটা

পলিটিকেল লাইন তেওঁলোকে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰে, আৰু সেইটো আমি কেবিনেটত আনিলো আৰু অনাৰ পিছত আমাৰ মাননীয় বিধায়ক সকলে সেইটো পাৰিত কৰিলে। পাৰিত কৰাৰ পিছত আমি দেখিলো, ভাল যিহেতু পঞ্চায়ত গঠন কৰিম, য'ত নেকি দলীয় কোনোধৰণৰ প্ৰাৰ্থীত্ত নাথাকিব। বিভিন্ন সময়ত আমি দেখিছো যে কোনোবা এজন শিক্ষক যদি অৱসৰ হৈ আহে ৬ মাহ আগতে তেওঁ দলীয় ভাবে চিনাকী নথকাৰ কাৰণে মানুহজনে দলীয় প্ৰাৰ্থীৰ টিকত নাপায়। কিন্তু ৰাইজে বিচাৰিছে তেখেতক পঞ্চায়তৰ অংশীদাৰ হোৱাটো বিচাৰিছে। যাৰ কাৰণে ভাল পঞ্চায়ত আমি গঠন কৰাৰ কাৰণে আমি যিটো পদক্ষেপ লৈছো, আৰু এই পদক্ষেপৰ লগতে আমি তেওঁলোকক যাতে relief দিব পাৰো। সন্মান যাতে দিব পাৰো, তাৰ কাৰণে আমি আজি এই বিলখন আনিছো। এই বিলখনত যিহেতু আমাৰ পূৰ্বতে যিবোৰ পঞ্চায়ত আছিল পঞ্চায়তে তেওঁলোকে তেনেকুৱাকৈ কোনো হাট- বজাৰ এলটমেন্ট দিব পৰা কোনোধৰণৰ ক্ষমতা নাছিল পঞ্চায়তৰ। সেইটো আছিল আঞ্চলিক পঞ্চায়তত আছিল। আঞ্চলিক পঞ্চায়তৰো আগতে এনেকুৱা এটা চিচষ্টেম বনোৱা আছিল যিটো নেকি আমাৰ চিণ্ডিগেট বুলি কৈছে। হয় কথাষাৰ ১ লাখ টকাৰ যদি ওপৰত হয় সেইটো ultimately গৈ গৈ জিলা পৰিষদৰ পৰা approval ল'ব লাগে। ultimately যদি চাওঁ আঞ্চলিক পঞ্চায়তৰ কোনো ক্ষমতা নাথাকে। যাৰ কাৰণে আমি কি কৰিছো ৫ লাখ টকালৈ সৰ্ব্বাধিক, যিটো অখিল গগৈ ডাঙৰীয়াই শংকা প্ৰকাশ কৰিছে, হয়তু ২০ হাজাৰ টকা হ'ব পাৰে, ডাঙৰ কথা নহয়। এইখন হাটৰ বজাৰ, হাটৰ বজাৰখন ৩০ হাজাৰ হ'ব পাৰে, কিন্তু ৫ লাখলৈ ইয়াতে এটা সীমাবদ্ধ কৰিছো যাতে তেওঁলোকক আমি এটা ক্ষমতা অৰ্পণ কৰিব বিচাৰিছো, এটা বিত্তীয় ক্ষমতা যাতে তেওঁলোকে যাতে settlement দিব পাৰে, কোনেধৰণৰ অসুবিধা নোহোৱাকৈ। আগতে যদি যিটো ১ লাখৰ AP য়ে পাৰিছিল, GP য়ে নোৱাৰে আৰু ১ লাখৰ ওপৰত কৰিলে জিলা পৰিষদৰ এপ্ৰোভেল লাগে। যাৰ কাৰণে আমি AP ৰো এতিয়া ক্ষমতা বঢ়াইছো। ৫ লাখৰ পৰা আমি ১০ লাখ কৰিছো আৰু ১০ লাখৰ ওপৰত যদি হয় আমি জিলা পৰিষদত দিছো। এইটো আচলতে এই কাৰণে দিয়া হৈছে যে যাতে আমি সুস্থিৰ ভাবে পঞ্চায়তখন চলাব পাৰো। তেওঁলোকে নিজৰ নিজৰ এক্তিয়াৰ প্ৰদান কৰিব পাৰো। এই ক্ষেত্ৰত আপোনালোকে বহুতে কৈছে যে, জিলা পৰিষদক ১০ শতাংশ দিব লাগে, আমাৰ কংগ্ৰেছ দলৰ পৰাও কৈছে, AP ত দিব লাগে ৩০ শতাংশ আৰু ৬০ শতাংশ GPত দিব লাগে। তাৰ যিটো ৰেভিনিউ জেনেৰেট হ'ব ৬০ শতাংশ GPত দিব লাগে।কথাষাৰ হয় GPত যিহেতু অধিক গুৰুত্ব প্ৰদান কৰিছো, কিন্তু আমি যদি চাওঁ অধ্যক্ষ ডাঙৰীয়া, GP লেভেলত আমি ফাইনেঞ্চ কমিশ্যনৰ সৰ্ব্বাধিক পইচা দি আছো। সৰ্ব্বাধিক১০০০ কোটি টকা যদি হয়, তাৰে সাতশ কোটি টকা GP লেভেলত যায় গৈ ।অৰ্থাৎ ৭০ শতাংশ আমি GPলেভেলত দিওঁ। ঠিক তেনেকৈ AP আৰু আমাৰ জিলা পৰিষদটো আমি মাত্ৰ ১৫ শতাংশকৈ দিওঁ। যাৰ কাৰণে আমি ২০ শতাংশ আমি জিলা পৰিষদত আৰু ৪০ শতাংশ আমি আঞ্চলিক পঞ্চায়তত আৰু লগতে ৪০ শতাংশ গাওঁ পঞ্চায়তত দিয়াৰ বাবে ব্যৱস্থা কৰিছো। মই ভাবো এইটো এটা সুন্দৰ ব্যৱস্থা, অখিল গগৈ ডাঙৰীয়াই যি কথাষাৰ কৈছে যে ৫ লাখ টকা নহয় ২ লাখ কৰিব লাগে। ২ লাখৰ যদি মাৰ্কেট ভেলু হয়, মাৰ্কেট ভেলু মানে এনেকুৱা নহয়, যোৱাবাৰৰ যিটো ভেলু সেই ভেলুটোকে আমি settlement value বুলি কওঁ। গতিকে আগতে যিটো ৫০ হাজাৰ আছে, তাৰ ওপৰত হয়তু ১০ শতাংশ হ'বগৈ, বা ৬০ হাজাৰ হ'বগৈ। গতিকে মাৰ্কেট ভেলু চেটেলমেন্ট ভেলুটো যদি যোৱা বছৰৰ লগত তুলনা কৰি চাওঁ সেইটো ওলাই যাব। সেই কাৰণে আমি তেওঁলোকক ৫ লাখৰ আৰু ১০ লাখৰ ওপৰত আমি জিলা পৰিষদক

দিবলৈ বিচাৰিছো। মই ভাবো যে এইটো এটা খুব সুন্দৰ ব্যৱস্থা আৰু লগতে যিটো বিষয় আহিছে, পঞ্চায়তৰ ক্ষেত্ৰত তাত কোৱা হৈছে যে section -22 ত তিনিখন কমিটি আছে। তাত development কমিটিক দিয়াৰ কথা কৈছে। কিন্তু মই ভাবো কি পৰৱৰ্তী সময়ত এই বিষয়টো আমি চিন্তা কৰিম। এতিয়া যিহেতু আমাৰ চেটেলমেন্ট কমিটি যিহেতু আছে, AP বা জিলা পৰিষদৰ ক্ষেত্ৰতেই হওঁক ইয়াতে আমি যিহেতু ৩ খন কমিটি আছে। আমাৰ যিখন পঞ্চায়তৰ body আছে, তাৰ সভাপতি গৰাকী যিহেতু থাকিব আৰু ১০ গৰাকী সদস্য যিহেতু থাকিব তেওঁলোকে চেটেলমেন্ট এটা কৰি দি তেওঁলোকক এটা পুৰ্ণ ক্ষমতা দিব বিচাৰিছো। এই পঞ্চায়তখন যিহেতু এপ্ৰিলৰ পাছত এইবাৰ গঠন হ'ব, গঠন হোৱাৰ পাছত তাত যদি কিবা কেৰোণ থাকি যায় তেনেহ'লে আমি নিশ্চিত ভাবে আমি আগন্তুক দিনত পুনৰ amendment আনিম। খোৱাৰ প্ৰভিজনটো আমি এই কাৰণে ৰাখিছো, খোৱাৰ আজিকালি নাই urbanisation হোৱাৰ পাছত even গাওঁ অঞ্চলত নাই। তথাপি প্ৰভিজনটো ৰাখিছো, যাতে তেনেকুৱাকৈ গৰু ছাগলী যদি ক'ৰবাত খোৱাৰত পৰে, তেনেহ'লে পঞ্চায়তে যদি ভাবে বা অনুভৱ কৰে তেতিয়াহলে তেওঁলোকে কৰিব পাৰে, আমি প্ৰভিজনটোহে ৰাখিছো। যদি প্ৰভিজনটো নাৰাখো কোনোবাই যদি কৰে, তেতিয়াহ'লে তেতিয়া সেইটো বেআইনী বুলি ক'ব গৈ যে তেওঁলোকে বে আইনী গৰু ধৰি ৰাখিলে, গতিকে সেই কাৰণে খোৱাৰৰ ব্যৱস্থা কৰিছো । কাৰণ বিভিন্ন সময়ত তেনেকুৱা এটা সমস্যা উত্থাপন হয়। গতিকে আমি এইখন সম্পুৰ্ণ ভাবে আমি এটা bonafide intention লৈ কৰিছো। নিৰ্বাচনৰ প্ৰাকমুহুৰ্তত ইয়াতে কোনো ভোটৰ কথা নাই ক্ষমতাহে অৰ্পণ কৰিছো পঞ্চায়ক। যাক ক্ষমতা অৰ্পণ কৰিম, কাক কৰিম। কিন্তু নিৰ্দলীয় পঞ্চায়ত আৰু তাত কোনো ধৰণৰ political accusation নাথাকিব। গতিকে আমাৰ যিটো intention, intention টো এটা bonafide intention ইয়াত কোনো malafide intention নাই মই ভাবো যে যি সমূহ সংশোধনী আছিল সেই সংশোধনী সমূহ উঠাই লয় বা আগন্তুক দিনত আমি পঞ্চায়ত সমূহক সকাহ দিব পাৰিম বুলি আশাবাদী।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় মন্ত্ৰী মহোদয়, বাকী কথাখিনিত নাই, আপুনি যিটো Section 22 ৰ কথা কৈছে, সেইটো আপোনাৰ অস্পষ্ট হৈ থাকিল। আপোনাৰ বিষয়া সকলো confuse হ'ব কাৰণ আপুনি যদি Act খন চাই Section 22, Sub-Section 1 ত ৩ খন কমিটি আছে, আপুনি specific যদি নহয় এই পঞ্চায়তত এইটো কিন্তু Standing Committee. গতিকে কোনটো Standing Committee কোনটো কমিটিক আপুনি empower কৰিলে, কোনেবাই ৩ টা কমিটি একেলগে বহিব নোৱাৰিব। গতিকে এইখিনি confusion থাকি যাব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মাননীয় মন্ত্ৰী।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া আমাৰ যিটো Standing Committee, AP ৰ ক্ষেত্ৰত বা জিলা পৰিষদৰ ক্ষেত্ৰত আমাৰ তাত Genaral Standing Committee আছে, Finance & Audit Standing Committee আছে, Social Justice Standing Committee আছে, AP আৰু জিলা পৰিষদৰ ক্ষেত্ৰত । মই AP ৰ কথা কৈ আছো।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** Amendment Section -22 ত মই আনিছো।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া,মই ৫২ ৰ কথা কৈছো।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মই ৫২ টো এগ্ৰী হৈছো। তাতে Amendment অনা নাই। Section -22 ত হে Amendment আনিছো।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, মই তাকে কৈছো। ২২ আমাৰ যে ৩ খন কমিটি আছে, বিভাগৰ কমিটি আছে, Social Justice আছে, Social welfare আছে, ইয়াতে মানে financial বা audit matter ৰ কোনো ধৰণৰ উল্লেখ নাই। আমাৰ যিখন Act বনাইছো, তাত এতিয়ালৈ finance matter বা audit matter লৈ কোনো Sub Committee আমাৰ Standing Committee বনোৱা হোৱা নাই । সেই কাৰণে আগন্তুক দিনত আমি পুনৰ Amendment আনিম, যাতে পঞ্চায়তবোৰ গঠন হোৱাৰ পিছত আমি তেওঁলোকক পঞ্চায়ত সমূহ কেনেকুৰা হয়, আমাৰ ৰেহ ৰূপটো চাবলগীয়া আছে। কাৰণ নতুন পঞ্চায়ত হ'ব গৈ, নন পলিটিকেল পঞ্চায়ত। তেতিয়া আমি আগন্তুক দিনত এই বিষয় লৈ আমি Amendment আনিব পাৰিম। এতিয়া পঞ্চায়ত বডিয়ে যিহেতু সকলো সিদ্ধান্ত লয় under precedence of chairman, president থাকে যিহেতু তেওঁলোকে সিদ্ধান্ত লৈ, যাক settle দিব খোজে settle দিব।

**মাননীয় অধ্যক্ষ** - ঠিক আছে। এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল, দফা নং ২ ত সংশোধনী প্ৰস্তাৱ আছে। আমাৰ মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলৰ আৰু এটা অখিল গগৈ ডাঙৰীয়াৰ আছে। এতিয়া দেৱব্ৰত শইকীয়া ডাঙৰীয়া আপোনালোকে সংশোধনীটো উঠাই ল'বনে?

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষ** ঃ মই ভাৱো যে আপোনালোকে সংশোধনী প্ৰস্তাৱটো উঠাই লৈছে।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়য, মই প্ৰস্তাৱটো উঠাই লৈছো কিন্তু মন্ত্ৰী মহোদয়ক কব বিচাৰিছো যে Section 22 ৰ যিটো ২ কোৱা আছে কিন্তু মই সেইটোত Defect থাকি গ'ল।

**মাননীয় অধ্যক্ষ** ঃ হব। এতিয়া শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মহাশয়, মই গোটেইখিনি উঠাই লৈছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া ২নং দফাটো বিধেয়ক খনৰ অংশ হব। যিসকল সপক্ষে আছে কওক হয় আৰু যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয় সাপেক্ষে হয় সাপেক্ষে হয় সাপেক্ষে দফা নং ২ বিধেয়ক খনৰ অংশ হল। এতিয়া ৩নং দফাত সংশোধনী প্ৰস্তাৱ আছে, শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকল আৰু শ্ৰী অখিল গগৈ। কিন্তু তেওঁলোকে প্ৰস্তাৱটো উঠাই ল'লে। আৰু এতিয়া দফা নং ৩ বিধেয়ক খনৰ অংশ হব। এতিয়া যিসকল সপক্ষে আছে কওক হয় আৰু যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয় সাপেক্ষে হয় সাপেক্ষে হয় সাপেক্ষে এতিয়া দফা নং ৩ বিধেয়ক খনৰ অংশ হ'ল। দফা নং ৪ থকা সংশোধনী প্ৰস্তাৱ উঠাই লোৱা হৈছে সেইহে দফা নং ৪ বিধেয়ক খনৰ অংশ হব। এতিয়া যিসকল সপক্ষে আছে কওক হয় আৰু যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয় সাপেক্ষে হয় সাপেক্ষে হয় সাপেক্ষে এতিয়া দফা নং ৪ বিধেয়ক খনৰ অংশ হ'ল। দফা নং ৫ থকা সংশোধনী প্ৰস্তাৱ উঠাই লোৱা হৈছে সেইহে দফা নং ৫ বিধেয়ক খনৰ অংশ হব। এতিয়া যিসকল সপক্ষে আছে কওক হয় আৰু যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয় সাপেক্ষে হয় সাপেক্ষে হয় সাপেক্ষে এতিয়া

দফা নং ৫ বিধেয়ক খনৰ অংশ হ'ল। এতিয়া বিধেয়ক খনৰ দফা নং ১, অধীনিয়ম আৰু প্ৰস্তাৱনা আৰু শিৰোনামাত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া বিধেয়ক খনৰ দফা নং ১, অধীনিয়ম আৰু প্ৰস্তাৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হব। এতিয়া যিসকল সপক্ষে আছে কওক হয় আৰু যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয় সাপেক্ষে হয় সাপেক্ষে হয় সাপেক্ষে। এতিয়া দফা নং ১, অধীনিয়ম, প্ৰস্তাৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হব। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে " The Assam Panchayat ( Amendment) Bill, 2025 খন সদনত পাৰিতকৰণৰ লোৱা হওঁক।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কথাটো হ'ল যে বিধেয়ক খন পাৰিত কৰা হওঁক। এতিয়া যিসকল সপক্ষে আছে কওক হয় আৰু যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৱো হয় সাপেক্ষে হয় সাপেক্ষে হয় সাপেক্ষে প্ৰস্তাৱটো গৃহীত হল আৰু বিধেয়ক খন পাৰিত কৰা হ'ল।

এতিয়া সদন ২১ মাৰ্চ ২০২৫ চনৰ ৰাতিপুৱা ৯ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল ।